## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Chandradhar Bora | |
| Title: অসম-সাহিত্য-সভা পত্ৰিকা | |
| Transliterated Title: Āsaama Saahitya Sabhaa Patrikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1928-29 (1849-50 Sak) | Edition: |
| Size: 23 cms - 4+230 pages | Genre: Magazine |
| Volumes: 2 - 4 issues | Condition of the original: good. |
| Remarks: The magazine was 1st published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

২১৪

দ্বিতীয় খণ্ড · প্ৰথম
দ্বিতীয়
তৃতীয়
চতুৰ্থ } সংখ্যা

২০০৪
২০০৬
২০০৭
২০০৮ ] সং

সাহিত্য সভা


STUDENT BINDERS
A. T. Road, Tarajan,
P.O. JORHAT 785 001
(Assam)

আসাম

# সাহিত্য সভা পত্ৰিকা

দ্বিতীয় বছৰ

আহিন ১৮৪৯—ভাদ ১৮৫০



সম্পাদক
শ্ৰীচন্দ্ৰধৰ বৰুৱা।

প্ৰকাশক
আসাম সাহিত্য সভা।

চন্দ্ৰকান্ত সন্দিকৈ হল, যোৰহাট।

যোৰহাটৰ দৰ্পণ প্ৰেচত
শ্ৰীটুনিৰাম শৰ্ম্মা বৰুৱাৰ দ্বাৰা ছপা কৰা হ'ল।

# আসাম সাহিত্য সভা পত্ৰিকা

## দ্বিতীয় বছৰৰ নিৰ্ঘণ্ট।


| বিষয় | লিখক | পৃষ্ঠা। |
|---|---|---|
| ১। অসমৰ শিলা-লিপি | শ্ৰীযুত সৰ্ব্বেশ্বৰ কটকী | ১০৬ |
| ২। অসমীয়া জাতিৰ ধ্বংসলৈ গতি | শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য | ৯১ |
| ৩। আতৰা-আতৰি | ডাক্তৰ মহানন্দ বৰুৱা সাহিত্যভূষণ | ৯ |
| ৪। আত্মাৰ পৰিনতি | সম্পাদক | ২০০ |
| ৫। আদৰণী সমিতিৰ সভাপতিৰ অভিভাষণৰ বিষয়ে একেষাৰ | সম্পাদক | ৩২ |
| ৬। আসাম | শ্ৰীযুত দেৱেন্দ্ৰনাথ চক্ৰবৰ্ত্তী | ১৩৬ |
| ৭। আসাম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ একাদশ বছৰৰ তৃতীয় অধিবেশন | শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা—সাহিত্য সভাৰ প্ৰধান সম্পাদক | ৬২ |
| ৮। আসাম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ একাদশ বছৰৰ দ্বিতীয় অধিবেশন | ” | ৬১ |
| ৯। আসাম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ একাদশ বছৰৰ প্ৰথম অধিবেশন | ” | ৬০ |
| ১০। আসাম সাহিত্য সভাৰ দশম বছৰৰ কাৰ্য্যবিবৰণী | ” | ৩৮ |
| ১১। আসাম সাহিত্য সভাৰ দশম বাৰ্ষিক অধিবেশনৰ আদৰণী সমিতিৰ সভাপতিৰ অভিভাষণ | শ্ৰীযুত ভোলানাথ চৌধাৰী | ২০ |
| ১২। আসাম সাহিত্য সভাৰ দশম বাৰ্ষিক সম্মিলন | শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা—সাহিত্য সভাৰ প্ৰধান সম্পাদক | ৫৪ |
| ১৩। উত্তৰ ভাৰতৰ অনুশাসনত প্ৰাচীন কামৰূপ নৃপতীৰ আভাস | শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম, এ, বি, এল | ১৭৪ |
| ১৪। ওঠৰশ খৃষ্টাব্দৰ শেষভাগত আসাম দেশৰ অৱস্থা | শ্ৰীযুত নীলনাথ শৰ্ম্মা | ৩ |
| ১৫। ক'ত তুমি হে ক'ত তুমি | শ্ৰীযুত দেৱেন্দ্ৰনাথ চক্ৰবৰ্ত্তী | ১৯৮ |
| ১৬। ৺ কমলা দেৱী | সম্পাদক | ৬৬ |
| ১৭। কামেশ্বৰৰ গড় বা প্ৰাচীন কমতাপুৰৰ ধ্বংসাবশেষ | শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী | ২০৯ |
| ১৮। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ ৰাজনীতি | শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম্, এ, বি, এল | ৬৭ |
| ১৯। কোচবিহাৰত অসমীয়া সাহিত্যৰ অনুসন্ধান | শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী | ৭৩ |

| বিষয় | লিখক | পৃষ্ঠা |
|---|---|---|
| ২০। কোচবিহাৰত পোৱা পুথিৰ তালিকা | শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী | ৮২ |
| ২১। গুৱালপৰীয়া লোকৰ সাহিত্য চৰ্চ্চা | শ্ৰীযুত নন্দীনাথ গোস্বামী | ১৫০ |
| ২২। "গুৱালপাৰা জিলাৰ পুৰণি তথ্য"ৰ প্ৰতিবাদ | শ্ৰীযুত কীৰ্ত্তিনাথ থাথলাৰী | ৯ |
| ২৩। গুৱালপাৰৰ ইতিহাস | শ্ৰীযুত পদ্মলোচন দাস ডিহিদাৰ | ১২০ |
| ২৪। গোলাপ মৰহি যায় যেতিয়া শুকাই | ডাক্টৰ মহানন্দ বৰুৱা সাহিত্যভূষণ | ১৭৩ |
| ২৫। চাৰ্ হৰিসিঙ্গৰ প্ৰস্তাবিত নতুন আইন | সম্পাদক | ১৬২ |
| ২৬। চুটিয়া বুৰঞ্জীৰ এক আধ্যা | শ্ৰীযুত তোলনচন্দ্ৰ শইকীয়া | ৭১ |
| ২৭ জ্যোতিষ ... | শ্ৰীযুত আনন্দৰাম ভট্টাচাৰ্য্য | ১০ |
| ২৮। দশম সাহিত্য সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱসমূহ | শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা – সাহিত্য সভাৰ প্ৰধান সম্পাদক | ৩৬ |
| ২৯। দশম সাহিত্য সন্মিলনৰ সভাপতিৰ অভিভাষণ | শ্ৰীযুত তৰুণৰাম ফুকন বাৰ-এট-ল | ২৩ |
| ৩০। নতুন উপাধি ... ... | সম্পাদক ... ... | ১৬৪ |
| ৩১। নহওঁ নহওঁ আমি সেই অসমীয়া | শ্ৰীযুত দত্তদেৱ গোস্বামী | ১৯৮ |
| ৩২। ৺পদ্মাৱতী দেৱী ফুকননী আৰু তেওঁতৰ এটি প্ৰবন্ধ | সম্পাদক ... ... | ১৫৫ |
| ৩৩। ৺পৰশুৰাম খাওন্দ ... | সম্পাদক | ১৫৯ |
| ৩৪। পুৰণি পুথিৰ শুধৰণী | শ্ৰীযুত কন্দ্ৰকান্ত গোস্বামী | ১৫ |
| ৩৫। পূজ্যপাদ ৺নবদেৱ অধিকাৰ গোস্বামীৰ কথা | শ্ৰীযুত দেৱেশ্বৰ চলিহা ... | ১৫৩ |
| ৩৬। প্ৰাচ্য দৰ্শন ... | পণ্ডিত শ্ৰীযুত ধীৰেশ্বৰ ব্যাকৰণতীৰ্থ | ১১১ |
| ৩৭। প্ৰাৰ্থনা | শ্ৰীযুত নন্দীনাথ গোস্বামী | ১৯৮ |
| ৩৮। বাৰ ভূঞা | শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা | ৯৭, ১৮৩ |
| ৩৯। বিধিৰ বিধৈ ... ... | সম্পাদক ... .. | ১৬৫ |
| ৪০। বিবিধ ... ... | সম্পাদক .. .. | ১৩৮, ২২৯ |
| ৪১। বিয়া—ইয়াৰ উৎপত্তি আৰু ক্ৰমবিকাশ | শ্ৰীযুত ডিম্বেশ্বৰ নেওগ বি, এ | ২০৩ |
| ৪২। ভাষাৰ বিশুদ্ধতা | শ্ৰীযুত দেৱানন্দ ভঁৰালী | ৮৬ |
| ৪৩। মন্ত্ৰ-সাহিত্য .. ... | শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী .. | ১৩৮ |
| ৪৪। মাতৃ পূজা | শ্ৰীযুত দত্তদেৱ গোস্বামী | ৮৫ |
| ৪৫। মাহৰা সত্ৰৰ ৺ কমলা দেৱীৰ কথা | শ্ৰীযুত ঘনকান্ত ভট্টাচাৰ্য্য | ৬১ |
| ৪৬। যেনে কুকুৰ তেনে টাঙ্গোন | সম্পাদক | ২২৪ |
| ৪৭। শান্তি লাভ | ডাক্টৰ মহানন্দ বৰুৱা সাহিত্যভূষণ | ১৭৩ |
| ৪৮। শোকৰ বাতৰি | | |
| ৺ হেমচন্দ্ৰ গোস্বামী | সম্পাদক | ১১০ |
| ৺ দুৰ্গাপ্ৰসাদ দত্ত মজিন্দাৰ বৰুৱা | " | ১৭২ |
| ৪৯। সত্য আৰু অন্ধ বিশ্বাস | ডাক্টৰ মহানন্দ বৰুৱা সাহিত্যভূষণ | ১৭৩ |



| বিষয় | লিখক | পৃষ্ঠা। |
|---|---|---|
| ৫০। সন্মিলনৰ সভাপতিৰ অভিভাষণৰ সম্পৰ্কে একেষাৰ | সম্পাদক | ৩৪ |
| ৫১। সমালোচনা | | |
| হৰিনাম মহিমা ... | সম্পাদক | ১৬৩ |
| দ্ৰৌপদী | " | ১৬৩ |
| বিপ্ৰ দামোদৰ | " | ১৬৪ |
| মহাসতী জয়মতী ... | " | ১৬৪ |
| তিনি ঘৈণী .. | " | ২২৬ |
| প্ৰহ্লাদ ... | " | ২২৭ |
| ৫২। সম্পাদকৰ দ্বিতীয় বছৰৰ নিবেদন ... | " | ১ |
| ৫৩। সৰ্ব্বোপনিষৎসাৰঃ ... | পণ্ডিত শ্ৰীযুত উমাকান্ত মিশ্ৰ | ১৭ |
| ৫৪। সাহিত্য সম্বাদ ... | সম্পাদক | ১০৯, ১৭১ |
| ৫৫। সাহিত্যৰ ক্ৰমবিকাশ ... | শ্ৰীযুত চিন্তাহৰণ পাটগিৰি | ২১৫ |
| ৫৬। সাহিত্যিক যৎকিঞ্চিৎ ... | ডাক্টৰ শ্ৰীযুত মহানন্দ বৰুৱা সাহিত্য ভূষণ | ১৬০ |
| ৫৭। ৺সুধালতা দুৱৰা .. | সম্পাদক | ১৫৮ |
| ৫৮। স্বপ্ন .. | শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা | ৮৮ |



মাহৰা সত্ৰৰ ৺কমলা দেৱী।

# আসাম সাহিত্য-সভা-পত্ৰিকা।

আহিন—আঘোন, ১৮৪৯—৫০

দ্বিতীয় বছৰ ]   মুঠ সংখ্যা—৫   [ প্ৰথম সংখ্যা


## সম্পাদকৰ দ্বিতীয় বছৰৰ নিবেদন।

আজি আসাম সাহিত্য সভা পত্ৰিকাই দুবছৰত ভৰি দিছে। আমি আশা কৰাৰ জোখাৰে, যোৱা বছৰত সৰ্ব্বসাধাৰণৰপৰা সহানুভূতি পোৱা নাই। অকল আমাৰ গ্ৰাহক হোৱাকে যে আমি সহানুভূতি বুলিছোঁ, এনে নহয়। আমালৈ প্ৰবন্ধাদি পঠোৱা, আমাক বুদ্ধি-ভাগ দিয়া, মাজে সময়ে আমাৰ বুজ-বাজ কৰা প্ৰভৃতিকো আমি বহুমূলীয়া সহানুভূতি বুলি গণ্য কৰোঁ। ই আমাৰ দুখৰ বিষয় যে বাইজৰপৰা কেনো প্ৰকাৰৰ সহানুভূতিকে আমি আশানুৰূপে পোৱা নাই। এই বাবে আমাৰ গাতো যে, দোষ নাই, আমি এই কথা নকওঁ। আমাৰ অশেষ ত্ৰুটী আছে বুলি আমি নিজেই স্বীকাৰ কৰিছোঁ। কিন্তু এই পত্ৰিকা সকলো অসমীয়াৰ উমৈহতীয়া সম্পত্তি। সেইবাবে, ইয়াৰ দোষবিলাক গুচাই লৈ ইয়াক সৰ্ব্বাঙ্গসুন্দৰ কৰাটো সাহিত্যানুৰাগী অসমীয়ামাত্ৰৰে কৰ্ত্তব্য নহয় জানো? অসমীয়া আলোচনী কাকত চলোৱাৰ প্ৰধান অন্তৰায় হৈছে ধনৰ অভাৱ। সৌভাগ্যক্ৰমে, এই পত্ৰিকাই ধনৰ অভাৱ অনুভৱ কৰিব নেলাগিব বুলি আমাৰ অনুমান হয়। এতেকে, আলোচনী কাকতৰ প্ৰধান বিঘিনিটোৱেই নাই যেতিয়া, অসমীয়া লিখক আৰু পাঠকসকলে অলপ কাণ কৰিলেই, ইয়াক এখন আদৰ্শ কাকত কৰি লব পাৰে। আৰু আমাৰ সাহিত্যৰ বৰ্ত্তমান অৱস্থাত, তেনে এখন আদৰ্শ আলোচনীৰ যে নহৈ প্ৰয়োজন, এই কথা কোনেও দুই কৰিব নোৱাৰে।

কিছুমান বাস্তিৱা ছবি ছপাই দি বা তৃতীয় শ্ৰেণীৰ ভাবৰ, শুনি ভাল লগা কথা লিখি, কাকতখন চকুত লগা কৰিবৰ সম্প্ৰতি আমাৰ অভিপ্ৰায় নাই। আসাম সাহিত্য সভা পত্ৰিকাত সাৰুৱা সাৰুৱা আৰু গধুৰ প্ৰবন্ধ প্ৰকাশ কৰাটোহে আমি তাতোকৈ প্ৰয়োজনীয় বুলি ভাবিছোঁ। অৱশ্যে, উচ্চ ভাবৰ ছবিও সাহিত্যৰ অঙ্গ, আৰু তাক প্ৰকাশ কৰাও এই পত্ৰিকাৰ কৰ্ত্তব্যৰ ভিতৰ। প্ৰথমতে কাকতখন স্থায়ী কৰি লব পাৰিলে, তালৈকো আমি যত্ন কৰিব লাগিব। কিন্তু, তাৰ আগতে, কিছুমান মৌলিক আৰু ওপ ভাবৰ প্ৰবন্ধ প্ৰকাশ কৰাটোহে

আমি যাই কাম বুলি ভাবিছোঁ। পুৰণি পুথি কেৱল বাদ দিলে, আমাৰ কোনো বিষয়ৰে উচ্চ সাহিত্য নাই বুলিলেও বৰ বঢ়াই কোৱা নহয়। সেই দেখি, আমাৰ মনেৰে, এই পত্ৰিকাৰ প্ৰথম কাম হৈছে, মৌলিক প্ৰবন্ধেৰে, শুধ ভাবেৰে, শুদ্ধ আখৰ যোটনিৰে আৰু মাৰ্জ্জিত ভাষাৰে আদৰ্শ অসমীয়া আলোচনীৰ আৰ্হি দেখুৱাবলৈ চেষ্টা কৰাটো। সেয়ে পাচে, আমাৰ বৰ্ত্তমান সকলো অৱস্থালৈ চাই, দুজন বা এজন মানুহৰ দ্বাৰা সম্ভৱপৰ নহয়; ইয়ালৈ আমাৰ সকলো সাহিত্যিকৰ একেমুঠীয়া যত্ন লাগে। এই বিষয়ে, আমাৰ নাম-জলা লিখক আৰু চিন্তাশীল সাহিত্যিকসকলৰ সৰহ ভাগৰ সাহায্যৰ পৰা আমি এতিয়াও সম্পূৰ্ণৰূপে বঞ্চিত হৈ আছোঁ। পত্ৰিকাৰ নিৰ্ঘণ্ট পত্ৰখন মেলি চালেই পোনেই চকুত পৰে যে, তাত আমাৰ যাই যাই সাহিত্যিকসকলৰ বহুতৰ নাম নাই। তেখেতসকলক আমি বিনীত ভাবেৰে জনাইছোঁ যে, এই পত্ৰিকাখন ভাল কৰি লব পাৰিলে, ইয়াৰপৰা অসমীয়া সাহিত্যৰ অশেষ উপকাৰ হব, আৰু ইয়াক ভাল কৰি তোলাটো তেখেতসকলৰ এটা প্ৰধান কৰ্ত্তব্য কৰ্ম্ম।

কোনো কোনোৱে, কাগজে পত্ৰে, আমাৰ কোনো কোনো দোষ প্ৰকাশ কৰিছে। সেই বাবে তেখেতসকলৰ আমি শলাগ লৈছোঁ। আমাৰ দোষবিলাক আঙুলিয়াই দেখুৱালে আমি তাক গুচাবলৈ যত্ন কৰিব পাৰোঁ; সেই দেখি, দোষ ধৰিলে আমি ভালহে পাওঁ। কিন্তু, কাগজে পত্ৰে প্ৰকাশ নকৰি, আমালৈ চিঠি লিখি দোষবিলাক দেখুৱাই দিলে, আমি তাতোকৈ ভাল পাওঁ; কাৰণ তেতিয়াহলে, বহুতৰ চকুত নৌ পৰোতেই সেই দোষ-বিলাক দূৰ কৰিবলৈ যথাসাধ্য চেষ্টা কৰিব পৰা যায়। দোষ ধৰোতাসকলেও, কাগজে পত্ৰে আমাৰ দোষ প্ৰকাশ কৰিলে, আমাক এহাতে উপকাৰ কৰা হয় যদিও, ইহাতে আমাৰ দোষৰ জাননী দিয়া হয়; কিন্তু আমালৈ লিখিলে, এই পত্ৰিকালৈ এটা উপৰি আপোন ভাবৰ চিনাকি দিয়া হয়। আমাৰ সকলো দোষ আমাক আপোন ভাবেৰে দেখুৱাই দিবলৈ গুৰিতে, অৰ্থাৎ আমাৰ প্ৰথম সংখ্যাতে, সকলোকে খাটনি ধৰি থোৱা আছে। দোষ ধৰোতা-সকলক আমি এই চলতে মনত পেলাই দিওঁ যে, তেখেতসকলে, যোৱা বছৰত আমালৈ এখনো চিঠি লিখা নাই বা এটা সৰু প্ৰবন্ধও পঠোৱা নাই। অৱশ্যে, তেখেতসকলে ক'ব পাৰে—"বুঢ়া থুৰ দেখি মূৰ তিয়াইছা; কাগজ উলিয়াইছা যেতিয়া, প্ৰবন্ধৰ বাবে আকৌ আমালৈ আশা কৰিবলৈ তোমাৰ কি অধিকাৰ আছে?" তথাপি, এই কাকতখন ভাল কৰাটো জানো তেখেতসকলৰো স্বাৰ্থ নহয়? সেয়ে নহলে, তেখেতসকলে দেখোন আমাৰ দোষ ধৰিবলৈকে নগলহেঁতেন।

কোনো কোনোৱে আকৌ কাগজখন মাহেকীয়া নোহোৱা বাবে, ইয়ালৈ শ্ৰদ্ধা নকৰা হৈছে। এই বিষয়ে আমাৰ কব লগীয়া কথা আমি যোৱা সংখ্যাতে কৈছোঁ।

পত্ৰিকাৰ গ্ৰাহকৰ সংখ্যাও আশানুৰূপ হোৱা নাই। আমাৰ সাহিত্যানুৰাগী সকলোৱেই গাইপতি ইয়াৰ দুজন চাৰিজন গ্ৰাহক বঢ়াবলৈ চেষ্টা কৰাটো যুগুত। এই কথা আমি সৰহকৈ ধন পাবৰ মনেৰে কোৱা নাই। ধন ঘটাটো এই পত্ৰিকাৰ উদ্দেশ্য নহয়। কেৱল এই পত্ৰিকাখন যেন সকলো অসমীয়াই পঢ়ে, এইটোহে আমাৰ আচল উদ্দেশ্য। কাৰণ সাৰুৱা সাৰুৱা প্ৰবন্ধেৰে ভৰি থাকিলেও, ইয়াক যদি কোনেও নপঢ়ে, তেন্তে ইয়াৰপৰা কোনো সুফল হ'ব নোৱাৰে।

অনেকে পত্ৰিকা পোৱা নাই বুলি আমাক জনাইছে। আমি পত্ৰিকাৰ সম্পাদকহে; পত্ৰিকা পঠোৱা আৰু তাৰ বাবে বৰঙনি তোলাৰ ভাৰ সাহিত্য সভাৰ গাত। সেই বাবে, পত্ৰিকা নেপালে, সাহিত্য সভাৰ প্ৰধান সম্পাদকক হে জনাব লাগে। কিন্তু, এই বিষয়ে আমি বুজ কৰি যি জানিব পাৰিছোঁ, তাক ইয়াতে কৈ থওঁ। পত্ৰিকাৰ প্ৰথম সংখ্যাতে লিখি, সকলোকে জনোৱা হৈছিল যে, সেই সংখ্যা সকলোলৈকে এনেয়ে পঠোৱা হ'ল; কিন্তু পাচৰ সংখ্যা হ'লে, বৰঙনি নপঠালে বা সাহিত্য সভাৰ সভ্য নহলে কালৈকো পঠোৱা নহয়। তথাপি কিন্তু, দ্বিতীয় সংখ্যাও বহুতলৈ এনেয়ে পঠোৱা হ'ল। তাৰ পাচতো যিসকলে বৰঙনি নপঠালে বা সাহিত্য সভাৰ সভ্যও নহল, তেখেতসকললৈ তৃতীয় পত্ৰিকা পঠোৱা বন্ধ কৰা হল। সকলোৱে শুনি আচৰিত হ'ব যে, আমাৰ আগ-



শাৰীৰ কোনো কোনো সাহিত্যিকো আজিলৈকে পত্ৰিকাৰ গ্ৰাহক হোৱা নাই আৰু সাহিত্য সভাৰো সভ্য হোৱা নাই। তেখেতসকললৈকো পত্ৰিকা পঠোৱা বন্ধ কৰা হৈছে। এতেকে, এই পত্ৰিকালৈ মৰম থকা সকলোকে আমি আকৌ অনুৰোধ কৰোঁ, তেখেতসকলে যেন সোনকালে সাহিত্য সভাৰ সম্পাদকলৈ ৩৲ টকা ধন পঠাই সভাৰ সভ্য হবলৈ চিঠি লিখে। সেয়ে হলে, সাহিত্য সভাৰো সভ্য হব আৰু সেই ফলমতে এই পত্ৰিকাও এনেয়েই পাই থাকিব। বৰঙনি দিয়া সকলে ভৱিষ্যতলৈ পত্ৰিকা নেপালে যেন অনুগ্ৰহ কৰি সাহিত্য সভাৰ সম্পাদকক জনায়।

আমাৰ ভাষাৰ আখৰ যোটনিত এতিয়াও অলপ অচৰপ বেমেজালি আছে। এই বেমেজালি গুচাবলৈ সকলোৱে যত্ন কৰা উচিত। আমাৰ মনেৰে আমি সকলোৱেই ধৰা বন্ধাকৈ "হেমকোষ"ৰ মতেৰে চলাটোৱেই যুগুত কথা। সেই কাৰণে, আমি সদায় সেই মতেই চলিবলৈ চেষ্টা কৰিছোঁ। অৱশ্যে কেতিয়াবা কেতিয়াবা যে ইয়াৰ ব্যতিক্ৰম ঘটা নাই, এনে নহয়; কিন্তু সি আমৰ ইচ্ছাকৃত নহয়। বঙ্গালী ভাষাত আখৰ যোটনিৰ সম্পৰ্কে নানা ঋষিৰ নানা মত দেখা যায়। আমাৰ ভাষাত যেন সেয়ে হবলৈ নেপায়, তাৰ বাবে সকলো সাহিত্যিকে চকু দিয়া উচিত। "হেমকোষ"ৰ মতে চলিলেই আমাক সেই আহুকালে পাব নোৱাৰে। এতেকে, সেই মতে চলিবলৈ যোৱাত আমাক কোনেও ৰক্ষণশীল বুলি দোষ নধৰিব বুলি আমি আশা কৰোঁ।

সম্প্ৰতি আমি আৰু সৰহ কথা নকওঁ। যোৱা বছৰত যিসকলে আমাক কোনো প্ৰকাৰে সহায় কৰিছে তেখেত সকলৰ নথৈ শলাগ লৈ, আৰু ভৱিষ্যতলৈ তেখেতসকলৰ ওচৰত এই দৰেই মৰম পাবলৈ আশা কৰি, আৰু তাৰ উপৰিও, সৰ্ব্বসাধাৰণৰপৰা সকলো প্ৰকাৰে সহানুভূতি আকাঙ্ক্ষা কৰি, আমি দ্বিতীয় বছৰৰ কামলৈ আগ বাঢ়িলোঁ। জগদীশ্বৰে আমাৰ অভীষ্ট পূৰণ কৰক।

---

# ওঠৰশ খৃষ্টাব্দৰ শেষ ভাগত অসম দেশৰ অৱস্থা।

(যোৱা সংখ্যাত ওলোৱাৰ পাচৰপৰা।)

স্বদেশ ৰক্ষাৰ্থে তলত লিখা নিয়মেৰে সৈন্যদল গঠিত হৈছিল:—

সামৰিক ব্যৱস্থা। সাধাৰণ সৈনিক—দেশৰক্ষক স্থায়ী সৈন্য দলত ভুক্ত হবৰ কাৰণে প্ৰতি ঘৰৰ চাৰিটা মানুহৰ এটা ৰখাক দিব লাগিছিল।* ৰাজহুৱা কামত অতিৰিক্ত শক্তিৰ আৱশ্যক হলে, দুটাকৈ দিব লাগিছিল। কিন্তু কোনো আকস্মিক ৰণ বিগ্ৰহ বা ৰাজহুৱা কামৰ গুৰুতৰ প্ৰয়োজনত তিনতাকৈও ৰজাৰ ঘৰত খাটিব লাগিছিল। প্ৰথমটোক "মূল", দ্বিতীয়টোক "দুৱাল", আৰু তৃতীয়টোক "তেৱাল" বুলিছিল। চতুৰ্থটো খেতি-

---

* চেঃ বঃ—পাচলৈ পশ্চিমৰপৰা মানুহ আনি বেতনভোগী সৈন্য ৰখা হৈছিল। এইদৰে ৰখা ফৌজৰ সহায়ত ভূতপূৰ্ব্ব বুঢ়া গোঁহায়ে (পূৰ্ণানন্দ বুঢ়া গোঁহাই) ইমান দিন গোটেই ৰাজক্ষমতা অন্যায়ৰূপে আত্মসাৎ কৰি আছিল। (ৰজাজনক হাতৰ মুঠিত লৈ ডাঙৰীয়াই অকলৈ দেশৰ সকলো প্ৰকাৰ শাসন কাৰ্য্য যদিও কিছুদিন সুচাৰুৰূপে চলাই আছিল, তথাপি গোটেই ৰাজক্ষমতা অবৈধ ভাবে আত্মসাৎ কৰাত, ৰাজ্যৰ অন্যান্য বিষয়াসকল পেটে পেটে অসন্তুষ্ট হৈছিল। এই অসন্তুষ্টতা আৰু সমনীয়া বিষয়াৰ প্ৰতি ডাঙৰীয়াৰ স্বাভাবিক ঈৰ্ষা ভাব আদি গোট খাই অসমত আহোম ৰাজ্যৰ ধ্বংশ হোৱাৰ অন্যতম কাৰণ হৈ উঠে।—লিখক।)

বাতি কৰিবৰ কাৰণে ঘৰত থাকে। এই চাৰিওটা লগ লাগি "এক গোট পাইক" হয়। *

এজন বৰাৰ তলত একুৰি, কটকীজনৰ তলত এশ, হাজৰিকাৰ তলত এহেজাৰ, ৰাজখোৱাৰ তলত তিনি হেজাৰ, ফুকনৰ তলত ছহেজাৰ, এই হিচাবে পাইক পৰিছিল। প্রধান সেনাপতিৰূপে বৰফুকন আৰু বৰবৰুৱাই, বিশেষ ক্ষমতাৰে বাৰ হেজাৰকৈ পাইক পাইছিল। গোঁহাইসকলৰ পৰামৰ্শ আৰু সম্মতিক্রমে, ফুকন, ৰাজখোৱা আৰু হাজৰিকাসকল ৰজাই নিযুক্ত কৰিছিল। ফুকন আৰু ৰাজখোৱাসকলে নিজৰ নিজৰ কটকী আৰু বৰা পাতি লৈছিল। এইদৰে নিযুক্ত কৰা বিষয়াক ভাঙ্গি, নিজে মনোনীত কৰি দিয়া জনক বৰা বা কটকী পাতিবলৈ পাইকবোৰে ৰীতিমতে দাবি কৰিব পাৰিছিল। † এই বিষয়াসকলে নিজ নিজ অধীনত থকা পাইকবোৰৰ গোচৰ শুধিছিল আৰু তেওঁলোকৰ ওপৰৰ বিষয়াসকলৰ ওচৰত তেওঁবিলাকৰ হুকুমৰ বিৰুদ্ধে "আপিল" চলিছিল। সকলোৰে শেষ "আপিল" ন্যায় শোধা ফুকনে লৈছিল।

কোনো অপৰাধত নপৰিলে সম্ভ্রান্ত বংশৰ সন্তান বিলাকে আৰু ৰজাঘৰীয়া বিষয়াসকলে পাইক শ্রেণীত ভুক্ত হৈ কাম কৰিব নেলাগিছিল। ‡

সামৰিক দ্রব্যৰ ভঁৰাল, খাৰঘৰীয়া ফুকনৰ তত্ত্বাৱধানত আছিল। ধৰ্ম্ম সম্পৰ্কীয় কথা বিশেষৰূপে কবলৈ নাই। ১০ বছৰৰ আগৰপৰা, অৰ্থাৎ ৰুদ্রসিংহ ৰজাৰ দিনৰপৰা অহম সমাজত ব্রাহ্মণ্য ধৰ্ম্মৰ বহুল প্রচলন হৈছে। ¶

**মূল পদ্ধতিৰ পৰিবৰ্ত্তন।** আগৰ তিনি জনাতকৈ পদমৰ্য্যদাত কম আৰু তিনিজন গোঁহাইৰ বিষয় নতুনকৈ সৃষ্টি কৰাটোৱেই সাধাৰণ আৰু সামৰিক দুয়ো বিভাগতে প্রধান পৰিবৰ্ত্তন বুলিব পাৰি। বৰ ফুকনৰ বিষয়ো পাচৰ। নতুন গোঁহাই কেইজন হৈছে—(১) সদিয়া আৰু পূব চুকৰ শাসনকৰ্ত্তা সদিয়াখোৱা গোঁহাই; (২) নগা আৰু কছাৰীৰ মাজৰ দেশখণ্ডৰ শাসনকৰ্ত্তা মৰঙ্গীখোৱা গোঁহাই, (৩) কলিয়াবৰৰ শাসনকৰ্ত্তা সলাল গোঁহাই। আগৰ গোঁহাই কেইজনৰ পৰিয়ালৰ পৰাই এই তিনি জনকো অনা হৈছিল।

**অসন্তোষৰ আৰু বিদ্রোহৰ কাৰণ** সিংহাসন পোৱাৰ যি অলঙ্ঘনীয় নিয়ম বহু কালৰেপৰা একেৰাহে চলি আহিছিল, বৰবৰুৱাৰ অভিসন্ধিমতে তাক লঙ্ঘন কৰি ককায়েক মোহনমালা গোঁহাইদেওৰ স্বত্ব গুচাই ভায়েক ৰাজেশ্বৰ সিংহক ৰজা পতা হয়।

ৰূপচন্দ্র আৰু কিছু দিনৰ পাচত তেওঁৰ পুতেক কীৰ্ত্তিচন্দ্রক বৰবৰুৱা পাতি সম্ভ্রান্ত কৈদৰ উত্তৰাধিকাৰ স্বত্বৰ ওপৰতো হস্তক্ষেপ কৰা হয়। এতিয়া কীৰ্ত্তিচন্দ্রৰ নাতিনিয়েক জয়নাথ ভগা বৰবৰুৱা।

* ডেঃ স্কঃ—পাইকবোৰক এতিয়া থাইকৈ বনুৱা ৰূপে নিযুক্ত কৰা হয়। নতুবা ঠায়ে ঠায়ে গোটেপতি ৬টকাৰপৰা ৩টৰ টকালৈকে ৰূপ লৈ সিইতক কামৰ পৰা নিষ্কৃতি দি ৰাজস্ব উৎপন্ন কৰা হৈছে। জাতি কুল পদ মৰ্য্যদাৰ বাবে বা ধন দি মুক্তি লাভ কৰা সূত্রে বহুত মানুহ কাম কৰি দিব লগা দায়িত্বৰ পৰা মুকলি হৈছে। কিন্তু এতিয়াও সৰহ ভাগ মানুহে ৰজাৰ হৈ লাভশূন্য কাম কৰি কাল কটাইছে।

ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ দিনত বহুত পাইক হানি হোৱাত উজনি আসামত এতিয়া তিনটা পাইকেই "এক গোট" হয়। পোন্ধৰ বছৰৰ কম আৰু পঞ্চাছ বছৰৰ ওপৰ বয়সীয়া লোকে কামৰপৰা অব্যাহতি পায়।

† ডেঃ স্কঃ—তলতীয়া লোকসকলৰ এইটো এটা বৰ ডাঙ্গৰ অধিকাৰ আছিল। সাধাৰণতঃ হাজৰিকালৈকে এই নিয়ম খাটিছিল। বিশেষ অসদ্ব্যৱহাৰৰ প্রমান কৰিব পাৰিলে হাজৰিকাতকৈ ওপৰ শ্রেণীৰ বিষয়াতো এই বিধান চলিছিল। দুজন ওপৰাধ্যক্ষৰ তলে থকা দুদল মানুহৰ মাজত বিবাদ হলে, উচ্চ শ্রেণীৰ বিষয়াই তাৰ মীমাংসা কৰিব পাৰিছিল।

‡ ডেঃ স্কঃ—ৰাজদ্রোহত পৰা বিশেষকৈ ৰজাৰ ৰক্তপাত কৰা সম্ভ্রান্ত লোক আৰু তেওঁৰ বংশ পৰিয়ালক ৰাজদত্ত সম্পত্তি আৰু পদমৰ্য্যাদাৰ পৰা বঞ্চিত কৰা হৈছিল।

¶ খৃঃ সপ্তদশ শতাব্দীৰ শেষ ভাগতে স্বৰ্গদেৱ জয়ধ্বজ সিংহই ডাঙ্গৰীয়াসকলেৰে সৈতে দখিনপাট সত্রৰ প্রতিষ্ঠাপক ৮শ্রীশ্রীবনমালী দেৱত মন্ত্র গ্রহণ কৰি, হিন্দু ধৰ্ম্মত দীক্ষিত হয়। তেতিয়াৰেপৰা সম্ভ্রান্ত বংশীয় আহোমসকল হিন্দু।—লিখক।



গোঁহাইসকলৰ হাতত থকা ন্যায়সঙ্গত ৰাজক্ষমতা আৰু ৰাজসভা চলোৱাৰ ভাৰ তেওঁবিলাকৰপৰা সম্পূৰ্ণৰূপে হস্তান্তৰিত হল। অনাচাৰী আৰু দুৰ্ব্বল শাসনৰ তলত ক্ষমতাৰ নিমিত্তে পৰস্পৰ বিদ্বেষ আৰু প্রজাৰ অসন্তোষেৰে সৈতে ডাঙ্গৰীয়াসকলৰ গুপুত ষড়যন্ত্র লগ লাগি মৰাণ আৰু মোৱামৰীয়াক বিদ্রোহৰ কাৰণে উত্তেজিত কৰি তুলিলে।

মোৱামৰীয়াৰ প্রধান গুৰু আৰু তেওঁৰ পুতেকক বিদ্রোহৰ থাই নেতা বুলি সন্দেহ কৰি হত্যা কৰোৱা হয়। এই সন্দেহ নিতান্ত অমূলক নাছিল যদিও, এই ঘটনাই পাচৰ বাৰৰ বিদ্রোহৰ মূল কাৰণ হৈ উঠে। *

মোহনমালা গোঁহাইদেওক মৰাণে বিহ খুৱাই মৰাৰ পাচত, লক্ষ্মীসিংহ স্বৰ্গদেৱৰ ৰাজত্বৰ শেষ ভাগ এক প্রকাৰ ন্যায়সঙ্গত হৈছিল বুলিব পাৰি। কিন্তু তেওঁ স্বৰ্গী হোৱাত তেওঁৰ পুতেক গৌৰীনাথ সিংহতকৈ তেওঁৰ ককায়েকৰ পুতেকসকলৰহে ৰাজসিংহাসনত অধিক স্বত্ব আছিল। অঙ্গক্ষতৰ কৌশলেহে গৌৰীনাথ সিংহক (অসমৰ বৰ্ত্তমান ৰজা) প্রতিদ্বন্দ্বী-বিহীন কৰি, কোমল বয়সতে ৰজা পাতিলে।

ৰজাৰ ফলীয়া মানুহৰ সংখ্যা নিচেই তাকৰ হৈ পৰিল। যি কেইজন আছিল, সিও চৰিত্রহীন, মূৰ্খ, দুৰ্ব্বল, চঞ্চল, ঘৃণিতৰূপে নিষ্ঠুৰ আৰু অত্যাচাৰী। ৰজাৰ মন্ত্রী আৰু নীচকুলীয়া প্রিয়পাত্রবিলাকে ডাঙ্গৰ বিষয়াসকলৰ মনত লাজ ভয় আৰু ঘৃণা জন্মাইছিল; আৰু প্রজাক উৎপীড়ণ কৰি নথৈ গৰিহণা খাইছিল। এইবোৰ কাৰণতে গোটেই ৰাজ্যত বিশৃঙ্খলা ঘটে।

বৰগোঁহাইক আৰু তেওঁৰ পাচোটি সন্তানক বধ কৰা হয়। আদাবৰীয়া বৰবৰুৱা এজন সম্ভ্রান্ত বংশীয় লোক; তেওঁক আৰু তেওঁৰ বহুত লগৰীয়াক অঙ্গক্ষত কৰা হৈছিল।

গণ্যমান্য লোক আটাইখিনি নিজ স্বাৰ্থ অনুসৰি বেলেগ বেলেগ দলত ভুক্ত হৈছিল। গৌৰীনাথ সিংহৰ নীচ প্রিয় লোকসকলৰ বিপক্ষে এই আটাইবোৰ দল লগ লাগি থিয় দিলে।

প্রজাৰ ওপৰত সকলো প্রকাৰ অত্যাচাৰ চলিল। ৰজাৰ সেনাপতিসকলে দেখিও নেদেখা ভাও ধৰি, মোৱামৰীয়াক জয়ী হবলৈ চেলু দিলে। তেওঁবিলাকে আওকাণ কৰাতহে নিশ্চয় এই ঘটনা ঘটিবলৈ পাইছিল। বুঢ়াগোঁহাই জনেও বিদ্রোহৰ পোষকতা কৰিছিল বুলি সন্দেহ কৰিবৰ যথেষ্ট কাৰণ আছে।† বিদ্রোহীদল ক্রমে কাষ চপাত ৰজা ৰাজধানী এৰি গুৱাহাটী পালেগৈ। ইফালে বুঢ়াগোঁহাই আৰু আন ক্ষমতাপন্ন মানুহবিলাকে সৰু সৰু ৰজা আৰু কিছুমান দুঃসাহসী মানুহে অলপীয়া শক্তিৰেই ঠায়ে ঠায়ে নিজৰ স্বাধীনতা প্রচাৰ কৰিলে।

ৰজা পলাই গৈ যতে আছিল, ততে সেই একে উৎপাৎ আৰু অত্যাচাৰ উদ্ভৱ হৈছিল। সম্ভৱতঃ এনে অত্যাচাৰ হোৱা বাবেই দৰঙ্গৰ "দিগা" ৰজাই বিদ্রোহ কৰে। অৱশ্যে এইটোও ভাবিব পাৰি যে, সময়ৰ সুযোগ লৈ নিজৰ স্বাধীনতা প্রচাৰ কৰাও তেওঁৰ থাই উদ্দেশ্য আছিল। কটোৱালৰ অস্ত্রৰ মুখত তেওঁ শেষত প্রাণ ত্যাগ কৰিলে। তেওঁৰ পুত্রই ৰাজ্য লাভৰ আশাৰপৰা বঞ্চিত হৈ বৰকাণ্ডাজ আনি কামৰূপ আৰু দৰং আক্রমন কৰিলে।

* ডেঃ স্কঃ—উজনি অসমত মোৱামৰীয়াৰ কিছু ক্ষমতা এতিয়াও আছে। বৰ সেনাপতিক তেওঁবিলাকে নেতা বাছি লৈছে আৰু তেওঁৰ তলত সকলো একে মুঠিতে চলিছে। ভবিষ্যতে অসম দেশ চলাবলৈ যি ব্যৱস্থা কৰা হয়, তাত এই বিস্তৃত সম্প্রদায়ৰ হক ৰক্ষালৈ চকু দিব লাগিব। বৃটিছ শাসনত ভুক্ত কৰিলে, তেওঁবিলাক সেনা দলৰ উপযুক্ত হব; কিন্তু তেওঁবিলাকৰ গুৰুসকলে যি অতিৰিক্ত দাবি কৰে তালৈ চাই, তেওঁবিলাকক সন্তুষ্ট কৰা টান। পাচলৈ অসম ৰজাই মোৱামৰীয়া গোঁসাইক ৰাজধানীত পৈছিল আৰু অৱশেষত বন্দী কৰি ৰাখিছিল। এতিয়া তেওঁৰ ক্ষমতা ক্রমে টুটি আহিছে।

† সেইট চাহাবে এই মত সমৰ্থন নকৰে। তেওঁৰ মতে, ৰজাৰ অনুপস্থিতিত বুঢ়াগোঁহায়েহে নগৰ ৰক্ষা কৰি আছিল। তেওঁৰ ওপৰত বিশ্বাস থকা বাবেহে এনেল মানুহে দেশ ভগাতো, মোৱামৰীয়াৰ লগ নলৈছিল। সেইটে কয় যে, কোনোৱা বিপক্ষীয় মানুহে বুঢ়াগোঁহাইৰ বিৰুদ্ধে ওবেলচক লগায়। ওবেলচে বুঢ়াগোঁহাইৰ বাহিৰে অন্যান্য বিষয়াক গুৱাহাটীতে লগ পায়। বুঢ়াগোঁহাইক নিচেই শেষতহে যোৰহাটত লগ ধৰে। ইয়াৰপৰা অন্ততঃ এইটো প্রমান হয় যে, তেওঁ আপোনপেটীয়া স্বভাৱৰ কাৰণে আন বিষয়াসকলৰ লগত মিলেৰে চলিব নোৱাৰিছিল। ৰাজশক্তিৰ দুৰ্ব্বলতা সোমোৱাৰ ইও থাই কাৰণ।—লিখক।

ন-তুৱাৰৰ ৰজাৰ উত্তেজনাৰ একো কাৰণ নাছিল। তথাপি তেওঁবিলাকে সময়ৰ সুযোগত নিজ নিজ স্বাধীনতা ঘোষণা কৰিলে। এমন বিষম সাহসী লোকে দুই তিনিশ মান মানুহ লৈ গুৱাহাটীৰ ফালে আগ বাঢ়িলে। স্বৰ্গদেৱৰ ভটীয়াই বঙ্গাল দেশ সোমালগৈ। *

এই প্ৰশ্নৰ উত্তৰ আংশিকৰূপে ওপৰত দি অহা হৈছে।

মহাৰাজ আৰু সৰু সৰু ৰজাসকলৰ ক্ষমতা।

এতিয়া পশ্চিম ফালৰ ডিমৰুৱা, দৰঙ, বেলতলা, ৰাণীগাওঁ আৰু নতুৱাৰ আদি ৰজাকেইজনৰ বিষয়ে অলপ কব লাগিব। এইবিলাক ৰজাই, ৰণত পৰাস্ত হৈ বা নিজ ইচ্ছাৰে স্বৰ্গদেৱৰ অধীনতা স্বীকাৰ কৰা বাবে, স্বৰ্গদেৱে এওঁলোকৰ ৰাজ্যত আধিপত্য স্থাপন কৰে।

পাত্ৰ-মন্ত্ৰীসকলৰ সম্মতি লৈ, স্বৰ্গদেৱে এইবিলাক ৰজাক ভাঙিব পাতিব পাৰিছিল। ৰজাক ভাঙিলে তেওঁৰ ভায়েকক বা ভায়েকৰ অবিহনে পুতেকক পুনৰ ৰজা পাতিছিল। কোনো ৰজাক মৃত্যু দণ্ড দিব পৰা আইন-সঙ্গত ক্ষমতা যে স্বৰ্গদেৱৰ হাতত আছিল, এই বিষয়ে সন্দেহ হয়। (১)

নিজ নিজ ৰাজ্যত ৰজাবিলাক বিচাৰকো আছিল। কিন্তু এই বিচাৰৰ বিৰুদ্ধে বৰফুকন বা স্বৰ্গদেৱৰ ওচৰত "আপিল" চলিছিল। স্বৰ্গদেৱে মতালে নিৰূপিত সংখ্যক লোক লগত লৈ তেওঁলোক স্বৰ্গদেৱৰ আগত উপস্থিত হব লাগিছিল। ৰাণীগাঁৱৰ ৰজাৰ বাহিৰে আন কেই-জনে আৱশ্যক মতে স্বৰ্গদেৱক পাইক যোগোৱাৰ উপৰি বছৰি কৰ দিব লাগিছিল। (২)

অসমৰ ৰজাক, মদিয়া, মিৰি, দফলা, আকা, ভোটীয়া, নগা, কছাৰী, জয়ন্তীয়া আৰু গাৰো আদি ৰজায়ো কৰ দিছিল। (৩)

২য় প্ৰশ্ন :— অসম ৰজা স্বৰ্গদেৱে, তেওঁৰ আইন-সঙ্গত ক্ষমতা পুনৰ্লাভ কৰি কিমান দূৰ চলাব পাৰিছে? এতিয়াও স্বৰ্গদেৱৰ অধীনতা স্বীকাৰ নকৰা বা তেওঁৰ অৱহেলি স্বতন্ত্ৰীয়া ভাবে চলা কোনো লোক থাকিলে আপুনি সবিশেষ জনাব। এই শ্ৰেণীৰ কোনো লোক আছে যদি, তেওঁবিলাকৰ নাম, গুণ, সৈন্যবল, অবস্থা আৰু আপুনি যিমান দূৰ জানিব পাৰিছে, তেওঁলোকৰ অসন্তোষৰ কাৰণ বহলাই লিখিব বুলি আশা কৰোঁ। এনে বিধ লোকক ৰজাৰ অধীনতালৈ আনিবৰ কাৰণে কিবা উপায় কৰা আৱশ্যক বুলি আপুনি যদি বিবেচনা কৰে, তেন্তে কি উপায় কৰিব লাগে তাৰু তাক কাৰ্য্যত পৰিণত কৰিবলৈ কিমান সময় লাগিব এই বিষয়ে আপোনাৰ মতামত বাঞ্ছণীয়।

উত্তৰ :— স্বৰ্গদেৱে এতিয়া যি অলপ ক্ষমতা লাভ কৰিছে, সেইকেৱা কোম্পানীৰ ফৌজ থকা বাবেহে। ক্ষুদ্ৰ ৰজা আৰু ডাঙৰ বিষয়াসকলে মুখেৰে স্বৰ্গদেৱৰ অধীনতা স্বীকাৰ কৰিছে যদিও কামত তেওঁবিলাকৰ স্বাধীন ভাবে চলিবৰ ইচ্ছা। তেওঁবিলাকৰ অসন্তোষৰ

* ডে: স্ক: —এই কেইজন ৰজাই এতিয়া তেওঁবিলাকৰ ভৈয়ামত থকা ৰাজ্যখণ্ডৰ বাবে আসামৰ বশ্যতা স্বীকাৰ কৰিছে। কিন্তু তেওঁবিলাকৰ দখলত থকা পাৰ্ব্বত্য প্ৰদেশত তেওঁবিলাক এতিয়াও স্বাধীন। বৰ্ত্তমান তেওঁবিলাক সম্পূৰ্ণৰূপে বৃটিছৰ ফলীয়া বুলি ভাবিবৰ মোৰ বিশেষ কাৰণ আছে। এওঁবিলাকৰ খাইজন বৰছত্ৰাৱৰ ৰজাই তেওঁৰ ৰাজ্যৰ ভিতৰেদি যে ছিলেটৰ পাণ্ডুৱাত ওলোৱা বাটটো ভাল কৰিবলৈ বৰ যত্ন কৰিছে।

(১) ডে: স্ক: —দৰঙ আৰু বেলতলাৰ বাহিৰে আন কেইজন ৰজাক ভাঙিব পাতিব পৰা ক্ষমতা কিছুদিনৰ পৰা বৰফুকনেই পাইছিল। বৰফুকনে এই বিষয়ে স্বৰ্গদেৱক জনাব নেলাগিছিল; কিন্তু তেওঁৰ হুকুমৰ বিৰুদ্ধে ভগা ৰজাই স্বৰ্গদেৱত "আপিল" কৰিব পাৰিছিল।

(২) এই ৰজাসকলৰ ক্ষমতা অনেক গুণে হ্ৰাস কৰা হল। এতিয়া তেওঁবিলাকে চৌধাৰীবিলাকৰ সমানে সৰু সৰু গোচৰ মাত্ৰ শুনিব পাৰে। কিন্তু এওঁবিলাকে পৰ্ব্বতত যে লুকাই থাকিব পৰা ঠাই আছিল সেই কাৰণে বহুত ক্ষমতা চলাইছিল। মানুহৰ অঙ্গচ্ছেদ আৰু প্ৰাণহত্যা কৰি পৰ্ব্বতলৈ পলোৱাত স্বৰ্গদেৱৰ মানুহে বিচাৰি নাপাইছিল। ধৰা পৰিলেও সাধাৰণতঃ অৰ্থদণ্ড দিয়েই সাৰিব পাৰিছিল। বৃটিছ শাসন স্থাপিত হোৱাৰপৰা এনে ঘটনা হোৱা নাই।

(৩) ডে: স্ক: —দফলা, ভূটীয়া, আৰু আকাই সামান্য কৰ দিছিল; কিন্তু তাৰ সলনি উহঁত পাহাৰ প্ৰজাবোৰক বৰ অত্যাচাৰ কৰি আৰু ভয় দেখুৱাই সিহঁতৰপৰা ক্ৰমাৎ সেইকৈ ধন তুলি নিছিল। বহুদিনৰ পূৰ্ব্বেই কাছাৰ আৰু জয়ন্তীয়া ৰজাই স্বাধীনতা লাভ কৰিছিল। বাবজন চক্ৰৌ নেতায়ো নামত অসম ৰজাৰ অধীনতা স্বীকাৰ কৰিছিল; কিন্তু কৰ দিয়া নাছিল।



কাৰণ প্ৰথম প্ৰশ্নৰ উত্তৰত দিয়া হৈছে। তেওঁলোকৰ সৈন্যবল অতি সামান্য যেন দেখা যায়।

মোৰ মতেৰে মধ্যবৰ্ত্তী ক্ষমতাই (অৰ্থাৎ বৃটিছ গৱৰ্ণমেণ্টে) দৃঢ় ভাবে কাৰ্য্যত হাত দি, সকলো বিভাগতে অসম ৰজাক সহায় কৰিবলৈ হাত ললেহে ৰাজ্যত স্বৰ্গদেৱৰ আধিপত্য পুনৰ স্থাপন হব।

৩য় প্ৰশ্ন :— শাসন প্ৰণালী সম্পৰ্কে এটা মীমাংসা কৰিবলৈ মুখীয়াল ক্ষমতাশালী ৰজা আৰু ডাঙৰ বিষয়াসকলক অপুন আৰু স্বৰ্গদেৱে মতাই আনি গোট খুৱাব পৰা সম্ভৱ বুলি ভাবেনে? যদি ভাবে, তেন্তে তেওঁবিলাকক গোট খুৱাবলৈ কিমান দিন লাগিব আৰু আপুনি তেওঁবিলাকৰ ব্যক্তিগত স্বভাৱ আৰু মতামতৰ বিষয়ে যি জানে তাৰপৰা এনে আশা কৰিব পাৰেনে যে, দেশৰ সুশাসন আৰু শান্তিৰ নিমিত্তে কোনো এটা উপায় কৰিলে তাত সকলোটি সন্মত হব?

উত্তৰ : ৰাজধানীলৈ যাওঁতে বাটত যিবিলাক প্ৰধান লোকক লগ পাম আৰু পূৰ্ব্বৰ প্ৰচলিত ৰীতিমতে যাৰ পৰামৰ্শ শাসন প্ৰণালী বান্ধোতে লোৱা হয়, তেনে লোকক গোটাবলৈ সুযোগ পোৱা হব। দুৰাকাঙ্ক্ষী জনক অতিসন্ধি কৰি তেওঁবিলাকে যে কৃতকাৰ্য্য হোৱা অসম্ভৱ, আৰু স্বৰ্গদেৱৰ অত্যাচাৰৰপৰা বৃটিছে যে তেওঁলোকক ৰক্ষা কৰি থাকিব, এই দুটা কথা ভালকৈ বুজিলে, তেওঁবিলাকে গোট খাই দেশত শান্তি স্থাপন আৰু সুশাসনৰ বন্দবস্ত কৰিব বুলি মোৰ বিশ্বাস। ইয়াক কাৰ্য্যত পৰিণত কৰোতে কিমান দিন লাগিব সেইটো দেশকালৰ সুবিধাৰ ওপৰত নিৰ্ভৰ কৰে।

৪ৰ্থ প্ৰশ্ন :— আগৰ মন্ত্ৰীসকলক কামৰ পৰা ওচোৰা হল; ৰজাও ৰাজকাৰ্য্য চলোৱাৰ অনুপযুক্ত বুলি প্ৰকাশ পালে; এতিয়া সেই ভগা মন্ত্ৰীসকলৰ আসনত বহুৱাবলৈ গুণী, মানী আৰু ক্ষমতাপন্ন মানুহক আপুনি চিনি পায়নে? যদি পায়, তেন্তে তেওঁবিলাকৰ নাম দিব; আৰু তেওঁবিলাকক নিযুক্ত কৰিবলৈ ৰজাৰ সম্মতি আৰু মুখীয়াল লোকসকলৰ সমৰ্থন লাভ কৰা কিমান দূৰ সম্ভৱ তাকো জনাব। অলপতে ৰজাই যিজন মন্ত্ৰী পাছ লৈছে, তেওঁ সেই বিশ্বাসৰ ভাৰ লবলৈ কিমান উপযুক্ত তাকো জ্ঞাপন কৰিব।

উত্তৰ :— মই ৰাজধানীলৈ গৈহে গোঁহাই তিনিজনৰ লগত এই বিষয়ে পৰামৰ্শ কৰিবলৈ চল পাম। মন্ত্ৰী নিযুক্ত কৰাত তেওঁবিলাকৰ সম্মতিৰ আৱশ্যক। দায়িত্বপূৰ্ণ বৰবৰুৱাৰ পদৰ নিমিত্তে কোনো লোকক মনোনীত কৰিবলৈ মই এতিয়াও সাহ কৰিব পৰা নাই। নহৈ পতা বৰফুকনজনক প্ৰজাই ভাল পাইছে; আৰু মোৰ বিবেচনাৰেও তেওঁক যি গুৰু ভাৰ দিয়া হৈছে, তাৰ নিমিত্তে তেৱেঁই উপযুক্ত লোক। (১)

৫ম প্ৰশ্ন :— কৃষ্ণনাৰায়ণে দৰঙৰ ৰাজত্ব পাবৰপৰা, স্বৰ্গদেৱক মানি চলিছেনে, আৰু স্বৰ্গদেৱৰ হক ৰক্ষা কৰিবলৈ আৱশ্যকমতে তেওঁ আপোনাক সহায় কৰিবনে?

উত্তৰ :— দৰঙৰ ৰজা হবৰপৰা কৃষ্ণনাৰায়ণে স্বৰ্গদেৱক মানি চলিছে আৰু প্ৰত্যেক কথাতে মোৰ ইচ্ছানুযায়ী কাম কৰিছে। স্বৰ্গদেৱৰ হক ৰক্ষাৰ্থে কৃষ্ণনাৰায়ণে কোনো সাহায্য আগ বঢ়াব বুলি মই নাভাবোঁ; কিন্তু মোৰ আৱশ্যক হলে, তেওঁ মোক সহায় কৰিব বুলি বিশ্বাস। (২)

৬ষ্ঠ প্ৰশ্ন :— ৰাজধানীলৈ যাবলৈ ৰজাই ইমান পলম কৰাৰ কি কাৰণ বা প্ৰতিবন্ধক আছে বুলি আপুনি ভাবে?

উত্তৰ :— পূৰ্ব্বৰ মন্ত্ৰীসকলে আৰু আন কিছুমান স্বাৰ্থপৰ মানুহে ৰাজধানীলৈ গলে বিপদ হব বুলি

(১) ডে: স্ক: —যদিও অশিক্ষিত, তথাপি অসমৰ সম্ভ্ৰান্ত লোকসকলৰ মাজত এতিয়াও চোকা বুদ্ধিৰ আৰু কামত ব্যুৎপত্তি থকা এনে অনেক লোক আছে, যিবিলাকে নতুনকৈ এজনক সিংহাসনত বহুওৱা নহয় মানে, ৰাজ্যৰ কাম সুকলমে চলাই থাকিব পাৰিব। কোনো এজনক বিষয়া পাতিবলৈ ৰজাই অনুমতি দিবনে নিদিয়ে কব নোৱাৰি; কিন্তু বৰ্ত্তমান পৰিবৰ্ত্তিত অৱস্থাত, মোৰ মনেৰে, বৃটিছ গৱৰ্ণমেণ্টে মুখীয়াল বিষয়াসকলক নিযুক্ত কৰাত সবল ভাবে হস্তক্ষেপ কৰা উচিত।

(২) ডে: স্ক: —এতিয়া দৰঙৰ ৰজাসকলক সম্পূৰ্ণ বশ্যতালৈ অনা হল। দেশত শান্তি ভঙ্গ কৰিবলৈ বা ৰজাক সহায় কৰিবলৈ তেওঁবিলাকৰ কোনো উপায় নাই। ৰাজ্যৰ আন আন বিষয়াসকলৰ দৰে তেওঁবিলাককো নিযুক্ত আৰু পদচ্যুত কৰা হয়; কিন্তু বংশৰ লোক এজনহে পুনৰ বাছনিত উঠে। এতিয়া ৰজা এজন আছে, ভগা ৰজা তিনি জন আছে। চাৰিওজনে পৰস্পৰ মহা শত্ৰু ভাবে থাকে।

বুদ্ধিহীন ৰজাক ভয় লগাই দিলে আৰু ৰজায়ো তাতে ভয় খালে। ৰাজধানীলৈ যাবলৈ পলম কৰাৰ ইও এক কাৰণ। দৰাচলতে ৰজাৰ শাৰীৰিক আৰু মানসিক অত্যন্ত দুৰ্ব্বলতা আৰু আলস্য বাবে, ৰাজধানীলৈ যাওঁতে তেওঁৰ গাত যিফেৰা শ্ৰম হব, তাকে সহিবলৈ তেওঁ নিতান্ত অনিচ্ছুক। যি হওক, এতিয়া তেওঁ যাত্ৰা কৰি আহিছে।

৭ম প্ৰশ্ন :—বেহাৰেপাৰ সম্বন্ধে আপুনি ৰজাৰ লগত যি ব্যৱস্থা কৰিছিল, সেইবোৰ চলিছে নে? তাৰ-পৰা কি বা কেনে বিধৰ উপকাৰ হৈছে? এই দুই ৰাজ্যৰ ভিতৰত বানিজ্য-সম্বন্ধ বঢ়াবলৈ বৰ্ত্তমান থকা নিয়মবোৰৰ কি কি বা কেনে পৰিবৰ্ত্তন কৰিব লাগিব বুলি আপুনি ভাবে?

উত্তৰ :—মই ৰজাৰে সৈতে বেহাৰেপাৰৰ যিবোৰ নিয়ম প্ৰণালী বান্ধিছিলোঁ, সেইবোৰ অটুট হৈ চলি আছে। বৰ্ত্তমান কোনো লোকৰ অন্যায় একচেতীয়া গৰাহৰ পৰা যি ভাবে বানিজ্য উদ্ধাৰ কৰা হৈছে, তাকে বিশেষ উপকাৰ বুলি ধৰিব পাৰি। সম্প্ৰতি ইয়াৰ পৰা প্ৰজাৰ কষ্ট নিবাৰণ হৈছে, আৰু ভবিষ্যতে যথেষ্ট আৰ্থিক উন্নতি হব। একেখন কাওাহাৰ চ'কিতে, সকলো খৰচ বাদ দি, ন মাহৰ ভিতৰত ১২০১২৮/৯ পাই পোৱা হৈছে। এই আয়ৰ পৰাই ৰজাই বছৰি ১২০০০৲ টকা পাব আৰু ওপৰঞ্চি ভাগ কোম্পানীৰ ফৌজত ব্যয় হব।

দুই ৰাজ্যৰ ভিতৰত বেহাৰেপাৰ বঢ়াবলৈ, মোৰ মনেৰে, বৰ্ত্তমান নিয়মবোৰৰ বহুত সালসলনি কৰিব লাগিব। প্ৰথম, দেশত শান্তি স্থাপন আৰু দ্বিতীয়তঃ এই দেশৰ কাৰ্য্যত কোম্পানীৰ হস্তক্ষেপৰ অভিপ্ৰায়—এই দুই কথাৰ ওপৰতেই বেহাৰেপাৰ সম্পৰ্কীয় নিয়ম প্ৰণালীৰ ফলাফল নিৰ্ভৰ কৰে। সেই দেখি, এই প্ৰশ্নৰ সঠিক উত্তৰ দিয়াৰ পূৰ্ব্বে, দেশৰ সুস্থিৰতা সম্বন্ধে নিশ্চয় কৰি লবলৈ আৰু কোম্পানীয়ে এই দেশৰ কামত কিমান দূৰ হাত দিব খোজে, তাক মই জানিবলৈ ইচ্ছা কৰোঁ।

৮ম প্ৰশ্ন :—ৰজাৰ গঢ়গতি দেখি আপুনি যি বুজিছে, তাৰপৰা এনে ধাৰণা কৰিব পাৰেনে যে, আপোনাৰ ফৌজ গুচি আহিলে, এতিয়া তেওঁ যি চুক্তি পত্ৰত সম্মত হৈছে, তাক আগলৈকো মানি চলিব?

উত্তৰ :—ৰজাৰ চৰিত্ৰ সম্পৰ্কে মই যি জানিছো আৰু এই বন্দবস্তত স্বাৰ্থ হানি হোৱা ৰজাৰ অনুগৃহীত আৰু বহুত ক্ষমতাপন্ন লোকৰ মতামত মই যি বুজিব পাৰিছো, তাৰপৰা মোৰ দৃঢ় বিশ্বাস হৈছে যে, বৃটিছ গৱৰ্ণমেণ্টে তেনেই হাত এৰি ফৌজ উঠাই নিলে, ৰজাই এইবোৰ বন্দবস্তৰ একোকে মানি নচলিব। (১)

শ্ৰীনীলনাথ শৰ্ম্মা।

---

(১) ডেঃ স্কঃ—কাৰ্য্যত এই মতৰ সত্যতা সম্পূৰ্ণৰূপে ফলিল। ফৌজ তুলি নিয়াৰ পাচত ৰজাই বানিজ্য বিষয়ক চুক্তি পত্ৰ অমান্য কৰিলে আৰু পুনৰ আগৰ দৰে বেপাৰত ব্যক্তিগত একচেতীয়া অধিকাৰ দিবলৈ ধৰিলে।

# আঁতৰা-আঁতৰি।*

[ জালালউদ্দিন ৰুমি ]

তোমাৰ কাষৰপৰা আঁতৰা-আঁতৰি হলে
যেনে দুখ পাওঁ,
তেনে দুখ আৰু প্ৰভু, একোতে নহয় মোৰ,
একোতে নাপাওঁ।
তোমাৰ আশ্ৰয় বিনে আৰু একো নাই প্ৰভু,
আছে বিমূঢ়তা;
আশ্ৰিতৰ তুমিয়েই আশা ভৰসাৰ থল,
হেৰা বিশ্বপিতা।
সংসাৰৰ বিভূতিয়ে স্বৰ্গীয় বিভূতি হৰে,—
নাই তো নিস্তাৰ;
আমাৰ শৰীৰে হায়, খহায় কাপোৰ-কানি
আমাৰ আত্মাৰ।
আমাৰ দুখতে হায়, আঘাত কৰিয়ে থাকে
ভৰিত আমাৰে;
তোমাত বিশ্বাস বিনে কিমতে জীৱন ধৰোঁ
মাথোঁ চিন্তা তাৰে।

শ্ৰীমহানন্দ বৰুৱা
সাহিত্যভূষণ।

---

* পাৰস্য দেশৰ ৰহস্য-কবি ( mystic poets ) সকলৰ ভিতৰত জালালউদ্দিন ৰুমিৰ নাম প্ৰখ্যাত। এইজন কবিৰ কবিতাৱলীৰ ইংৰাজী অনুবাদবোৰ পঢ়িলেই ইমান সুন্দৰ যে, পঢ়ি আমনি নেলাগে। নাজানো তেওঁৰ মৌলিক কবিতাৰ লালিত্য আৰু মাধুৰ্য্য কিমান।

# "গুৱালপাৰ জিলাৰ পুৰণি তথ্য"ৰ প্ৰতিবাদ।

সবিনয় নিবেদন,

সম্পাদক ডাঙৰীয়া, "আসাম সাহিত্য সভা পত্ৰিকা"ত ওলোৱা "গুৱালপাৰ জিলাৰ পুৰণি তথ্য"ৰ কেইষাৰমান কথাৰ বিষয়ে দুষাৰ কথা কব লগীয়া হ'ল। আপুনি লাগতিয়াল বুলি বিবেচনা কৰিলে, সাহিত্য সভা পত্ৰিকাত ছপাব বুলি আশা কৰিলো।

২৩০ পিঠিৰ দ্বিতীয় "কলমৰ" ৫ম শাৰীত "তেওঁ সেট পৰগণাৰ কেদেলা, কেদফেলা, বৰিহনা, কাঠিয়া, তুৱাৰব, মেদা, বৈশাগু, জগাই, গুৰিকটা, যুগচৰ আৰু দাদক নামেৰে বাৰটা বেলেগ বেলেগ সম্প্ৰদায়ৰ মানুহৰ ভিতৰত প্ৰধান আছিল আৰু মণ্ডল উপাধি পাইছিল।" হাবিয়া মণ্ডল এইকেজন কচাৰী মানুহৰ ভিতৰত প্ৰধান আছিল বুলিহে আমি শুনি আহিছো; সম্প্ৰদায়ৰ ভিতৰত নহয়। ডাম্বাম্বোৱা মেচ আৰু হাবিয়া মণ্ডলৰ বিষয়ে সকলো কচাৰী মানুহে বংশানুক্ৰমে শুনি আহিছে। "দৰঙ্গ ৰাজ বংশাবলী" ছপা হোৱাৰ আগৰেপৰা সেই কিতাপৰ কোনো কোনো কথা কচাৰী মানুহবিলাকৰ ভিতৰত জনাজাত হৈ আছে।

২৩৩ পিঠিৰ প্ৰথম 'কলমৰ' ১৬ শাৰীৰ "মেচ বিলাকৰ বহুত 'ব্ৰাহ্ম' হৈছে।" ব্ৰাহ্ম নহয় "ব্ৰহ্ম"হে হৈছে। বোধ হয় ব্ৰাহ্মটো ছপাৰ ভুল। গুৱালপাৰ

জিলাৰ যিসকল কচাৰীয়ে পৰমহংস শিৱনাৰায়ণ স্বামীৰ প্ৰবৰ্ত্তিত "ব্ৰহ্ম" ধৰ্ম্ম গ্ৰহণ কৰিছে, তেওঁবিলাকেই ব্ৰহ্ম।

"বড়ো" শব্দটো ইংৰাজীত "Bodo" লিখা দেখিছে আজিকালি বহুত লিখকে "বড়ো" বুলি লিখে। এই শব্দটোৰ উচ্চাৰণ "বৰো" (বড়ো) হে, বড়ো নহয়। কোনোৱে "বদো"ও লিখিছেহে। কচাৰীসকলে নিজক "বৰ-অ" হে বোলে। কিতাপ পত্ৰতো "বৰো" বা "বৰ-অ" লিখাহে উচিত। আপুনি বোধ হয় নেজানে কচাৰীসকলে নিজক চিনাকি দিবৰ হলে, "বৰ-অ" বুলি কয় ক... নিজৰ সম্প্ৰদায়ৰ বাহিৰৰ মানুহক "আচা" বুলি চিনা... দিয়ে।

আপোনাৰ কামত লাগিব পাৰে বুলিও এই কে... কথা লিখিলো।

আপোনাৰ—

শ্ৰীকীৰ্ত্তিনাথ পাখলাৰী

---

# জ্যোতিষ।

প্ৰথমতে এই ভাৰতবৰ্ষতে যে জ্যোতিষ শাস্ত্ৰৰ প্ৰতিষ্ঠা হয়, সেই বিষয়ে শ্ৰীযুত দুৰ্গাদাস লাহীৰিৰ পৃথিবীৰ ইতিহাসত সমালোচনা কৰি দেখুৱাইছে। সেই বিষয়ে আমি ইয়াত বাহুল্য হোৱাৰ ভয়ত আলোচনা কৰা নহল।

সন্ধ্যায়নবন্ধ নামে গ্ৰন্থত পোৱা যায় যে, এই ভাৰতৰ প্ৰথম জ্যোতিষ শাস্ত্ৰৰ প্ৰচাৰক ১৮ জন। সেই ১৮ জনৰ নাম এই :—

সূৰ্য্যঃ পিতামহোব্যাসো বশিষ্ঠোঽত্ৰি পৰাসৰঃ।  
কশ্যপো নাৰদো গাৰ্গো মৰীচিৰ্ম্মনুৰঙ্গিৰাঃ॥  
লোমশঃ পৌলিশশ্চৈব ভাৰ্গবো যবনো গুৰুঃ।  
শৌনকোঽষ্টা দশাশ্চৈতে জ্যোতিঃশাস্ত্ৰপ্ৰবৰ্ত্তকাঃ॥

এই ১৮ জন জ্যোতিৰ্ব্বিদৰ ভিতৰৰ সূৰ্য্য নামক পণ্ডিতৰ সূৰ্য্যসিদ্ধান্ত গ্ৰন্থখনি অতি প্ৰাচীন বুলি আলোচনাত স্থিৰ হৈছে। ভাৰতবৰ্ষৰ ভিতৰত এই আসাম দেশৰ কামৰূপৰ অতি পুৰণি নাম "প্ৰাগজ্যোতিষপুৰ"। কালিকা পুৰাণৰ ৩৮ আধ্যায়ৰ বৰ্ণনাৰে এই প্ৰাগজ্যোতিষপুৰ অতি শ্ৰেষ্ঠস্থান বুলি প্ৰমাণ কৰিছে। আৰু কৈছে যে পূৰ্ব্বকালত এই পুৰীত ব্ৰহ্মাই এটি নক্ষত্ৰ ত্যাগ কৰিছিল কাৰণেই ইয়াৰ নাম "প্ৰাগজ্যোতিষপুৰ" হল। এই নক্ষত্ৰত্যাগৰ ভাবাৰ্থ আমি বোধ কৰো যে, বিধতাই এই স্থানকে নক্ষত্ৰ গণণাৰ উপযুক্ত স্থান নিৰ্ম্মান কৰিছিল। যথাৰ্থতে দেখা যায় যে, উল্লিখিত অতি প্ৰাচীন জ্যোতিৰ্ব্বিদ বশিষ্ঠৰ আশ্ৰ... আৰু নবগ্ৰহৰ বিগ্ৰহ স্তম্ভ স্বৰূপে এই প্ৰাগজ্যোতিষপুৰ... অদ্যাপি গুৱাহাটীত আছে। তাৰ বাহিৰেও গ্ৰহ-নক্ষত্ৰ... দিৰ গতি-স্থিতিৰ পৰ্য্যবেক্ষণৰ কাৰণে এই প্ৰাগজ্যোতিষ... পুৰত নৈসৰ্গীক পৰ্ব্বত নদ-নদী আদিৰ যথেষ্ট সুবিধ... দেখা যায়। ইয়াৰ বাহিৰেও প্ৰাগজ্যোতিষপুৰ শব্দ... সাহিত্যিক অৰ্থৰ পৰাও বুজা যায় যে, পূৰ্ব্বকালত জ্যোতি... ষৰ প্ৰথম চৰ্চ্চা ইয়াতে হৈছিল। এই প্ৰথম ভাৰত... ভিতৰতে প্ৰথম বুলিলেও অত্যুক্তি নহব। আজিকালি... অসমৰ ভিতৰত এই পুৰীতে আন আন স্থানতকৈ অল্পাধি... জ্যোতিষৰ চৰ্চ্চা আছে। কিন্তু দুখৰ বিষয় এই যে, এনে... হেন স্থানতো এতিয়া জ্যোতিৰ্ব্বিদৰ অৱহেলাত বিদেশী পঞ্জিকাৰ প্ৰচলন হয়।

জ্যোতিষ :—জ্যোতিষ্কবিলাকৰ স্থিতি গতি আৰু ফলাফল যি শাস্ত্ৰেৰে জানিব পাৰি, সেই শাস্ত্ৰক জ্যোতিষ শাস্ত্ৰ বোলে।

জ্যোতিষ স্থূলতঃ দুই ভাগে বিভক্ত যেনে ;—গণিত জ্যোতিষ আৰু ফলিত জ্যোতিষ। গ্ৰহ নক্ষত্ৰ তৰা আদিৰ গতি স্থিতি আদি যি ভাগৰপৰা জনা যায়, সেই ভাগকে গণিত জ্যোতিষ বোলে। সেই গণিত জ্যোতিষৰে স্থিৰিকৃত গ্ৰহ, নক্ষত্ৰ, তৰা আদিৰ স্থিতি গতিৰ ফলাফল সৌৰ জগতৰ ভৌতিক দেহীৰ ওপৰত যে ফলে, সেই ফল যি ভাগৰপৰা জনা যায়, তাকে ফলিত জ্যোতিষ বোলে। এই জ্যোতিষে কেৱল আমাৰ সৌৰ ব্ৰহ্মাণ্ডৰ বিষয়তে প্ৰকাশ কৰিছে। এই ব্ৰহ্মাণ্ডৰ বাহিৰে যি অনন্ত কোটি ব্ৰহ্মাণ্ড আছে, তাক এই জ্যোতিষে ঢুকি নাপায়। আৰু সেই বিষয় আমাৰ আলোচ্য নহয়। আমাৰ আলোচ্য ব্ৰহ্মাণ্ডৰ সীমা শাস্ত্ৰত লিখিছে যে :—

ব্ৰহ্মাণ্ডমধ্যে পৰিধীৰ্ব্যোম কক্ষাভীধিয়তে।  
তন্মধ্যে ভ্ৰমণংভানা মধোধঃক্ৰমশস্তথা॥  
মন্দামৰেজ্যাভূপুত্ৰ-সূৰ্য্যশুক্ৰেন্দুজেন্দবঃ।  
পৰিভ্ৰমন্ত্যধোধঃস্থাঃ সিদ্ধবিদ্যাধৰাগণাঃ॥

অৰ্থাৎ শনি, বৃহস্পতি, মঙ্গল, পৃথিবী, শুক্ৰ আৰু বুধ স্ব স্ব কক্ষ বা পথেদি সূৰ্য্যক কেন্দ্ৰ কৰি অধোধঃ ক্ৰমে ভ্ৰমণ কৰিছে। কিন্তু পাশ্চাত্য পণ্ডিত দুজনে তাৰ পাচে "ইউৰেনাচ্" আৰু "নেপচুন" নামে দুটি গ্ৰহ আবিষ্কাৰ কৰি দেখুৱাইছে। সেই মতে এই সৌৰ জগতৰ সীমা আৰু বহুত বাঢ়ি গলেও, আমি আমাৰ জ্যোতিষ শাস্ত্ৰৰ মতকে লৈ সমালোচনাত প্ৰবৃত্ত হলো। ৰাহু, কেতু প্ৰকৃততে গ্ৰহ নহলেও, আমাৰ জ্যোতিষ শাস্ত্ৰত গ্ৰহ সংজ্ঞা দি তেওঁলোকৰ ফলাফল নিৰ্ণয় কৰিছে। সেই ৰাহু, কেতুৰ বিষয়ে আমি এই প্ৰবন্ধত বহলাই আলোচনা নকৰি, সম্প্ৰতিকে ইয়াকে কওঁ যে, পৃথিবীৰ দক্ষিণ ছায়া 'কেতু" আৰু উত্তৰ ছায়া "ৰাহু"। এই সমস্ত গ্ৰহৰ বাহিৰে পৃথিবীকো গ্ৰহ বা জ্যোতিষ্ক বুলিব পাৰি। কাৰণ আন আন গ্ৰহৰ দৰে পৃথিবীয়ো গ্ৰহণ কৰা শক্তি প্ৰকাশ পাইছে। জ্যোতিষ শাস্ত্ৰত পৃথিবীক গ্ৰহসংজ্ঞা নিদিয়াৰ কাৰণ আমি অনুমান কৰোঁ, পৃথিবীত থাকি পণ্ডিতসকলে পৃথিবীৰ পক্ষে আন আন গ্ৰহৰ গণনা কৰা কাৰনেই, পৃথিবীক গ্ৰহ সংজ্ঞা নিদি গণনাৰ সুবিধা কৰি ৰাখি থৈছে।

এই ব্ৰহ্মাণ্ডৰ ভিতৰৰ জ্যোতিষ্কবিলাকৰ একো একোটাৰ আকাৰ, আৰু সূৰ্য্য আৰু পৃথিবীৰপৰা সেইবিলাকৰ দূৰত্বৰ বিষয়ে ভাবিলে বিস্ময় হব লগীয়া হয়। জ্যোতিৰ্ব্বিদ পণ্ডিতসকলে মোটামোটিকৈ পৃথিবীৰ পৰা সূৰ্য্য ছাৰে ন কোটি মাইল দূৰ বুলি কয় আৰু ব্যাস ৯২০০০ বিৰাম্নবই হাজাৰ মাইল বুলি স্থিৰ কৰিছে। কিন্তু পাশ্চাত্য বৈজ্ঞানীক পণ্ডিতসকলে হিচাব কৰি দেখিছে যে, সূৰ্য্যৰ উত্তাপ ক্ৰমে ক্ৰমে কমি আহিছে। (শ্ৰীযুত দুৰ্গাদাস লাহীৰিৰ পৃথিবীৰ ইতিহাস তৃতীয় খণ্ডৰ ৭৯ পৃষ্ঠা চাওক।)

পৃথিবীৰ ব্যাসৰ পৰিমান ৭৯২৬ মাইল। চন্দ্ৰৰ ব্যাস ২১৫৩ দুহেজাৰ এশ ত্ৰেপন্ন মাইল। বুধ, চন্দ্ৰ ভিন্ন আন গ্ৰহতকৈ আকাৰে ক্ষুদ্ৰ আৰু ইয়াৰ ব্যাস ৩১৪০ তিনি হেজাৰ এশ চল্লিচ মাইল মাত্ৰ। সূৰ্য্যৰ ওচৰতে এই বুধৰ ভ্ৰমণৰ কক্ষ, এই নিমিত্তে বুধ গ্ৰহক দেখা নাযায়। শুক্ৰ গ্ৰহৰ ব্যাস ৭৭০০ সাত হেজাৰ সাত শ মাইল আৰু আন সমস্ত গ্ৰহতকৈ এই শুক্ৰ গ্ৰহৰ কক্ষ পৃথিবীৰ ওচৰ গতিকে শুক্ৰ তৰাক মানুহে প্ৰভাতৰ পূৰ্ব্বে বা গধূলিৰ পাচত অতি উজ্জ্বল দেখিবলৈ পায়। মঙ্গল গ্ৰহো পৃথিবীৰ ওচৰ আৰু ইয়াৰ ব্যাস পৃথিবীৰ ব্যাসৰ অৰ্দ্ধেক। ইয়াৰ বৰণ কিঞ্চিৎ ক'লা মিশ্ৰিত ৰঙ্গা। কোনো সময়ত মঙ্গল গ্ৰহ পৃথিবীৰ অতি ওচৰ চাপে আৰু এই গ্ৰহৰ অনেক স্বভাৱ পৃথিবীৰ লগত মিলে। বোধ হয় এইবিলাক কাৰণেই এই গ্ৰহক আৰ্য্য ঋষিসকলে ভূমীপুত্ৰ বুলিছিল। বৃহস্পতি গ্ৰহৰ ব্যাস পৃথিবীৰ ব্যাসৰ ১১ গুণ আৰু আনবিলাক গ্ৰহতকৈ আকাৰে ডাঙৰ গতিকে, আৰ্য্য পণ্ডিতসকলে বৃহস্পতি নাম ৰাখিলে। শণি গ্ৰহ সূৰ্য্যৰপৰা সকলো গ্ৰহতকৈ বেচি দূৰত আৰু আকাৰে পৃথিবীৰ দহগুণ। ইউৰেনাচ্ গ্ৰহৰ ব্যাস ৩৫১১২ মাইল আৰু সূৰ্য্যৰপৰা দূৰ এই ছয় গ্ৰহৰ তুলনাত বহুত বেচি। নেপচুন গ্ৰহৰ ব্যাস ৩২৯০০ মাইল ; এই গ্ৰহ সূৰ্য্যৰপৰা সকলো গ্ৰহতকৈ বেচি দূৰত। এই ইউৰেনাচ্ আৰু নেপচুন্ গ্ৰহত্ৰাক দূৰবীক্ষণ বিনা দেখিবলৈ পোৱা নাযায়। কোন গ্ৰহ সূৰ্য্যৰপৰা কিমান দূৰত অৱস্থিতি কৰিছে, বুলি পূৰ্ব্বৰ পণ্ডিতসকলৰ গণনাত স্থিৰ হৈছিল, তাক ইয়াত তুলি দিয়া হল।

| | | |
|---|---|---|
| বুধ | সূৰ্য্যৰপৰা | তিনি কোটি সত্তৰি লক্ষ মাইল। |
| শুক্ৰ | ,, | ছয় কোটি আশী লক্ষ মাইল। |
| পৃথিবী | ,, | ন কোটি উনষাঠি লক্ষ মাইল। |
| মঙ্গল | ,, | চৌদ্ধ কোটি বিশ লক্ষ মাইল। |
| বৃহস্পতি | ,, | আঠচল্লিশ কোটি পঞ্চাশ লক্ষ মাইল। |
| শনি | ,, | উনানব্বই কোটি মাইল। |

ইউৰেনাচ্ সূৰ্য্যৰপৰা এশ আশী কোটি মাইল।
নেপচুন্ ,, দুশ উনাশী কোটি বিশ লক্ষ মাইল।

আজি কালি কোনো পণ্ডিতে বুধৰ দূৰত্ব তিনি কোটি যাঠি লক্ষ মাইল আৰু পৃথিবীৰ দূৰত্ব ন কোটি উনত্ৰিশ লক্ষ মাইল বুলি গণনাত স্থিৰ কৰিছে। এই হিচাপে দেখা গ'ল, বুধৰ ১০ লক্ষ পৃথিবীৰ ৩০ লক্ষ মাইল পূৰ্ব্বৰ হিচাবতকৈ কমিছে। সূৰ্য্যৰ ব্যাস, পৃথিবী আৰু বুধৰ দূৰত্ব উক্ত হিচাবমতে হ্ৰাস হোৱাত, পৃথিবী আৰু বুধৰ ভ্ৰমণ কক্ষ সূৰ্য্যৰ ফালে চাপিছে আৰু সূৰ্য্য ক্ষীণ হৈছে বুলি অনুমানেৰে ধৰা যায়। এই প্ৰকাৰে আন আন গ্ৰহবিলাকৰো দূৰত্ব আৰু আকাৰৰ হ্ৰাস হোৱা সম্ভৱ।

এই ব্ৰহ্মাণ্ড কালৰ অধীন; অৰ্থাৎ কালত লয় হয়। এই কালেই চেতন আৰু অচেতন বস্তুবিলাকৰ সৃষ্টি, স্থিতি আৰু প্ৰলয়কাৰী। এই কাল দুই প্ৰকাৰ, মহাকাল আৰু খণ্ডকাল। যাৰ আদিঅন্ত নাই তাকে মহাকাল বোলে। আৰু যাৰ আদিঅন্ত আছে তাকে খণ্ডকাল বোলে।

এই খণ্ডকালকে সৌৰ কালো বোলা যায়। কাৰণ সূৰ্য্যৰ উদয় অস্ত লৈ এই সৌৰ বা খণ্ডকাল বিভাগ হৈছে। এই বিভাগকৃত কালেৰে সৌৰ জগতৰ আয়ুৰ কাল স্থিৰ কৰিছে। এই সৌৰজগতৰ মহাপ্ৰলয়ত এই খণ্ডকালৰ অন্ত হব। প্ৰলয় সম্বন্ধে না না মত হলেও সৌৰ জগত যে এসময়ত ধ্বংসপ্ৰাপ্ত হব তাত প্ৰায় মত ভেদ নাই।

এই ব্ৰহ্মাণ্ড গতিশীল আৰু পৰিবৰ্ত্তনশীল। প্ৰকৃততে পৰিবৰ্ত্তনশীল আৰু গতিশীল বস্তুৰ প্ৰলয় অৱশ্যম্ভাৱী। এই স্থলত বিশেষ আলোচ্য কথা এই যে, মহাপ্ৰলয়ৰ কাৰণ একমুহুৰ্ত্তকতে হৈ মহাপ্ৰলয় সংঘটিত হবনে, ক্ৰমে ক্ৰমে কাৰণবিলাক ঘটি থাকি শেহত সম্পূৰ্ণ পৰিবৰ্ত্তন বা মহাপ্ৰলয় ঘটিব? এই কথাৰ মীমাংসাত কোৱা যায় যে, সকলো ভৌতিক পদাৰ্থৰ স্বভাৱৰ ক্ৰমিক পৰিবৰ্ত্তন হোৱা আৰু সেই প্ৰকাৰ পৰিবৰ্ত্তনৰ ফলতে এই ব্ৰহ্মাণ্ডৰ ভিতৰৰ ভৌতিক দেহীৰ প্ৰলয় বা পৰিবৰ্ত্তন সংঘটিত হোৱা আমি প্ৰত্যক্ষ দেখিবলৈ পাওঁ। এই নিমিত্তে ব্ৰহ্মাণ্ডৰো পৰিবৰ্ত্তন বা প্ৰলয়ৰ কাৰণবিলাক ক্ৰমে ক্ৰ... হোৱাই প্ৰকৃত স্বভাৱ। যি বস্তু যি স্বভাৱৰপৰা জন্ম হ... সেই জন্মদাতা আৰু জন্ম হোৱা উভয় বস্তুৰেই এ... স্বভাৱ বুলি পণ্ডিতসকলে স্বীকাৰ কৰে। এই নিমিত্তে ব্ৰহ্মাণ্ডৰ স্বভাৱ আৰু অৱস্থা ব্ৰহ্মাণ্ডৰ অন্তৰ্গত ক্ষু... ব্ৰহ্মাণ্ডস্বৰূপ ভৌতিক দেহীবিলাকৰ অৱস্থা আ... স্বভাৱৰপৰা বুজিব পাৰি। এতেকতে এই ব্ৰহ্মাণ্ড... ভিতৰৰ সকলো জীৱজন্তু বা দেহীৰ যেনে না... প্ৰকাৰ পৰিবৰ্ত্তন হৈ উৎপত্তি, বৃদ্ধি, হ্ৰাস আৰু প্ৰল... হৈ থাকে, সেই প্ৰকাৰে এই ব্ৰহ্মাণ্ডৰো, উৎপত্তি বৃদ্ধি হ্ৰা... আৰু প্ৰলয় আছে বুলি আনুমানিক সিদ্ধান্ত কৰিব পাৰি। এই স্থলত কোনোৱে কব পাৰে যে, এই ব্ৰহ্মাণ্ড, উৎপত্তি হোৱাৰপৰা এতিয়ালৈকে, ক্ৰমে বৃদ্ধিৰ পিনেহে আহিছে। এই স্থলত জ্যোতিষ শাস্ত্ৰৰ সহায় লৈ সত্যযুগকে ব্ৰহ্মাণ্ডৰ উৎপত্তি আৰু বৃদ্ধিৰ শেষকাল বুলি যুক্তিৰে ধৰা হয়। কাৰণ যুগ, মহাযুগ, মন্বন্তৰ কল্পাদিৰ লগত খণ্ডকালৰ মান হ্ৰাস হোৱা বিষয়ে সমালোচনা কৰিবলৈ চেষ্টা নকৰি, আমি প্ৰধানকৈ যুক্তিৰ ওপৰত নিৰ্ভৰ কৰিহে খণ্ডকালৰ মান হ্ৰাস হোৱা বুলি পণ্ডিত মণ্ডলীৰ আগত প্ৰকাশ কৰিবলৈ সাহ কৰিলোঁ। আশা কৰিলোঁ পণ্ডিতসকলে যেন এই কথা যুক্তিৰে গমি চাই অগ্ৰাহ্য বা গ্ৰাহ্য কৰিব।

জ্যোতিষ শাস্ত্ৰমতে সত্যযুগত মানৱ দেহ একবিংশতি হস্ত পৰিমিত আৰু মানুহৰ লক্ষবৰ্ষ পৰমায়ু আছিল; ত্ৰেতা-যুগত চতুৰ্দ্দশ হস্ত পৰিমিত দেহ আৰু দহ হাজাৰ বৰ্ষ পৰমায়ু; দ্বাপৰত সাত হাত পৰিমিত দেহ আৰু সহস্ৰ বৰ্ষ পৰমায়ু; এতিয়া কলিযুগত এশ বিশ বছৰ পৰমায়ু আৰু সাৰ্দ্ধ ত্ৰিহস্ত পৰিমিত মানৱ দেহ বুলি আৰ্য্য ঋষিসকলে শাস্ত্ৰত কৈছে। এ... কথা গাঁজাখোৰৰ কথাৰ দৰে অগ্ৰাহ্য কৰিবলৈ বোধ কৰো কোনো পণ্ডিতেই মত নিদিব। এই কথা মানিলে ব্ৰহ্মাণ্ডৰ আয়ু আৰু আকাৰ সত্যযুগৰ শেষৰ পৰাই ক্ৰমে হ্ৰাস হৈ আহিছে। আৰু সেই প্ৰকাৰে ব্ৰহ্মাণ্ডৰ ভিত-ৰত সমস্ত দেহীবিলাকৰো আয়ু আৰু আকাৰ হ্ৰাস হৈ আহিছে বুলি যুক্তি আৰু অনুমানেৰে ধৰিব পাৰি। এই-বিলাক আনুমানিক প্ৰামাণৰপৰা আমি কব খোজো... যে গতিশীল আৰু পৰিবৰ্ত্তনশীল ব্ৰহ্মাণ্ডৰ পৰিধি আৰু সেই ব্ৰহ্মাণ্ডৰ ভিতৰৰ গ্ৰহসকলৰ কক্ষ সত্য যুগৰ শেহৰ পৰা ক্ৰমে ক্ৰমে সূৰ্য্যৰ ফাললৈ চাপি আহিছে।

এই কথাত বৰ্ষৰ ভিতৰৰ দিন সংখ্যাও কমিল হেতেন বুলি কোনোৱে প্ৰতিবাদ কৰিব পাৰে। সেই প্ৰতিবাদৰ উত্তৰত আমি পূৰ্ব্বেই কৈছো, ব্ৰহ্মাণ্ডৰ আকাৰ বা পৰিধি যেনেকৈ ক্ষীণ হৈছে তাৰ লগে লগে সমস্ত গ্ৰহবিলাকৰো আৰু পৃথিবীৰো আকাৰ ক্ষীণ হৈ সৰ্ব্বশক্তিমান পৰমেশ্বৰৰ ইচ্ছাত শৃঙ্খলভগ্ন নোহোৱাকৈ গ্ৰহ আৰু পৃথিবীয়ে সূৰ্য্যমণ্ডলৰ চাৰিওফালে ভ্ৰমণ কৰিছে। এই ব্ৰহ্মাণ্ডৰ এইবিলাক পৰিবৰ্ত্তনত সৌৰ, বৰ্ষ, ঋতু, মাস, দিন আদিৰ সংখ্যা কমিবৰ কোনো কাৰণ হোৱা নাই। কিন্তু অহোৰাত্ৰৰ “মান (duration) ক্ৰমে হ্ৰাস হৈ আহিছে” বুলি অনুমান কৰা যায়। আৰু সৌৰ কালৰ মানৰ হ্ৰাসৰ লগে লগে সৌৰ জগতৰ সমস্ত দেহী-বিলাকৰো আয়ুকাল ক্ৰমে ক্ৰমে হ্ৰাস হৈ আহিছে বুলি যুক্তি আৰু অনুমানতে ধৰিব পাৰি।

আজিকালিও বহুত লোকে পৃথিবী অচল আৰু সূৰ্য্য সচল আৰু ৰাহুৱে চন্দ্ৰ সূৰ্য্যক গিলিলেই চন্দ্ৰ সূৰ্য্যৰ গ্ৰহণ হয় বুলি ভাগৱত আৰু আন আন পুৰাণৰ মতেৰে আৰু পঞ্জিকাত সূৰ্য্যৰ উদয় অস্ত লেখাৰ কাৰণে বিশ্বাস কৰি বাদানুবাদ কৰা দেখা যায়। এই স্থলত আমি কওঁ যে ৰোগ বা চিকিৎসা বিষয়ে বৈদ্যশাস্ত্ৰ, প্ৰেমভক্তি বিষয়ে ভাগৱত শাস্ত্ৰ আৰু জ্যোতিষ্কৰ বিষয়ে জ্যোতিষ শাস্ত্ৰ, ঈশ্বৰৰ স্বৰূপ নিৰ্ণয় বিষয়ে দৰ্শন শাস্ত্ৰেৰে বিচাৰ কৰি মীমাংসা কৰিলেহে প্ৰকৃত মীমাংসা হব। ভাগৱত, পুৰাণ আদি প্ৰেম ভক্তিৰ শাস্ত্ৰেৰে পৃথিবী আৰু জ্যোতিষ্কৰ বিষয়ে মীমাংসা হব নোৱাৰে। পৃথিবী যে গতিশীল আৰু পৃথিবী আৰু চন্দ্ৰৰ ছায়াই যে চন্দ্ৰ সূৰ্য্য গ্ৰহণৰ কাৰণ এই কথা জ্যোতিষ শাস্ত্ৰৰপৰা স্পষ্টকৈ জানিব পৰা যায়। প্ৰমান স্বৰূপে জ্যোতিষৰ বচন দুটি দিয়া হল।

(১) ভ পঞ্জৰঃ স্থিৰোভূৰেব পাবৃত্তাবৃত্ত প্ৰতিদৈবসিকৌ।
উদয়াস্তময়ৌ সম্পাদয়তি নক্ষত্ৰগ্ৰহানাং॥

(২) ছাদকো ভাস্কৰস্যেন্দু ৰধঃস্থো ঘনবদ্ভবেৎ।
ভূচ্ছায়াং পাঙ্মুখশ্চন্দ্ৰো বিশত্যস্য ভবেদসৌ॥

[সূৰ্য্যসিদ্ধান্তবচনং]



দিন পঞ্জিকাত সূৰ্য্যৰ উদয় অস্ত বুলি উল্লেখ থকাৰ কাৰণেও কোনোৱে সূৰ্য্যই পৃথিবীক প্ৰদক্ষিণ কৰা বুলি বিশ্বাস কৰিব পাৰে। সেই বিষয়ে আমি ইয়াকে কওঁ যে, এটা বস্তুৱে আন এটা বস্তুক আবৰ্ত্তন কৰিলে আবৰ্ত্তিতত্ব আৰু আবৰ্ত্তনকাৰীত্ব উভয়স্থৰেই দৃষ্টিত পৰস্পৰ সমান জ্ঞান হয়। এই স্থলত পৃথিবী আবৰ্ত্তনকাৰী, আৰু সূৰ্য্য আবৰ্ত্তিত। পাৰ্থিব লোকৰ পক্ষে আবৰ্ত্তিত বস্তুক উদয় সংজ্ঞাৰে দেখাবৰ আৱশ্যক বোধ কৰি পঞ্জিকাত সূৰ্য্যক উদয় আৰু অস্ত হোৱা বুলি পণ্ডিতসকলে দেখুৱাইছে। প্ৰকৃততে সূৰ্য্যকহে পৃথিবীয়ে প্ৰদক্ষিণ কৰি সূৰ্য্যৰ উদয় আৰু অস্ত সম্পাদন কৰিছে। এই সূৰ্য্যৰো গতি আছে বুলি জ্যোতিষ শাস্ত্ৰই কয়। সূৰ্য্যক যেনেকৈ আন আন গ্ৰহ আৰু উপগ্ৰহে প্ৰদক্ষিণ কৰিছে, সেই ৰকমেই এই সমস্ত গ্ৰহ উপগ্ৰহ লৈ সূৰ্য্যয়ো আন এক নক্ষত্ৰক কেন্দ্ৰ কৰি প্ৰদক্ষিণ কৰিছে। এই প্ৰদক্ষিণৰ গতিতে ৬৬ বৰ্ষ ৮ মাহৰ পাচত বিষুব ৰেখাৰ ঢাল (inclination) লৰচৰ হয়। আৰু সেই গণনাকে অয়নাংশৰ গণনা বোলে।

গ্ৰহবিলাকৰ এই সমস্ত স্বভাৱ অৱগতিত ভাবুকে অনিৰ্ব্বচনীয় ঐশ্বৰীক ভাবনাত, ঈশ্বৰ ভক্তই ঈশ্বৰৰ প্ৰেম সাগৰত, কৰ্ম্মক্ষেত্ৰত কৰ্ম্মীসকলে কৰ্ম্মত কৃতকাৰ্য্য হবলৈ সুযোগৰ চিন্তাত মগ্ন হৈ, ক্ৰমে ৰহস্য, শান্তি আৰু সন্তোষ লাভ কৰি থাকে আৰু আত্মতত্বাৰ্থীসকলেও আত্মতত্ব লাভ কৰিবলৈ হলে, ব্ৰহ্মাণ্ডৰ তত্ব বিদিত হৈ ক্ষুদ্ৰব্ৰহ্মাণ্ড স্বৰূপ নৰদেহতত্ব লাভ কৰি ত্ৰিকালজ্ঞ হব পাৰে।

এই ব্ৰহ্মাণ্ডৰ ভিতৰত বাহ্য জগতৰ বৰ্ষ ঋতু পৰিবৰ্ত্তনত যেনেকৈ সমস্ত ভৌতিক দেহীৰ পৰিবৰ্ত্তন দেখা যায়, তেনেকৈ মাহ, দিন, বাৰ যাম, যামাৰ্দ্ধ, দণ্ড আৰু মুহুৰ্ত্তাদি পৰিবৰ্ত্তনতো ভৌতিক দেহীৰ সূক্ষ্ম ভাবে পৰিবৰ্ত্তন হৈ থাকে। এই সূক্ষ্ম পৰিবৰ্ত্তন সহজে বোধগম্য নহয়। এই সমস্ত পৰিবৰ্ত্তনৰ মূলত জ্যোতিষ্কবিলাক। কাৰণ জ্যোতিষ্কবিলাকৰ পৰিবৰ্ত্তনৰপৰাই খণ্ডকালৰ উৎপত্তি হৈছে। জ্যোতিষ্কবিলাকৰ পৰিবৰ্ত্তনৰ ফলতে এই ব্ৰহ্মাণ্ডৰ মনুষ্যাদি জীৱ জন্তু আৰু উদ্ভিদাদি সমস্ত ভৌতিক বস্তুৰ পৰিবৰ্ত্তন আৰু শুভাশুভ ঘটনা সংঘটিত হৈ থাকে। বশিষ্ঠ, অত্ৰি, পৰাশৰকে আদি কৰি ত্ৰিকালজ্ঞ

ঋষিসকলে এই বিষয়ে সবিশেষ অবগত হৈ প্ৰকাশ কৰি কৈছে যে ;—

শিৰঃ প্ৰদেশে বদনে দিনেশো বক্ষস্থলেশ্চাপিগলেকলাবান।
পৃষ্ঠোদৰে ভূতনয়ঃ প্ৰভুত্বং কৰোতি সৌম্যশ্চৰনেচপানৌ।
কটিপ্ৰদেশে জঘনেচ জীবো ভৃগুশ্চগুহ্যস্থলমুষ্কযুগ্মে।
জানূৰুদেশে নলিণীশ মুনোশ্চাৰেনবা জঙ্ঘনি চিন্তনিয়ম।
যদা যদাস্থাং প্ৰতিকূলবৰ্ত্তী স্বাঙ্গেস্বদোষেন কৰোতি পীড়াম॥

অৰ্থাৎ মস্তক আৰু মুখত ৰবি, বক্ষ আৰু গলত চন্দ্ৰ, পৃষ্ঠ আৰু উদৰত মঙ্গল, পদ আৰু হস্তত বুধ, ককাল আৰু ঠেঙ্গত বৃহস্পতি, গুহ্য আৰু মুষ্কদ্বয়ত শুক্ৰ, জাহু আৰু উৰুদেশত শনিৰ প্ৰভুত্ব। যেতিয়া যি গ্ৰহ অশুভদায়ক হয়, তেতিয়া সেই সেই অঙ্গত সেই সেই গ্ৰহৰ পীড়া হয়। আৰু শুভদায়ক হলে সেই অঙ্গৰ শুভ হয়। ইয়াৰপৰা ইয়াকে অনুমান কৰিব পাৰি যে, ৰব্যাদি গ্ৰহবিলাক যেনে পঞ্চভূতৰ বিৰাট আধাৰ, মনুষ্যাদি জীৱ জন্তুবিলাক পঞ্চভূতৰ ক্ষুদ্ৰাধাৰ। এই পঞ্চভূতৰ এটি যৌগিক্ শক্তি আছে। সেই শক্তিতেই এই সৌৰ জগতৰ সৃষ্টি আৰু স্থিতি বুলিব পাৰি। এই সৌৰ জগতৰ দেহীবিলাকে জন্ম সময়ত যি গ্ৰহৰ যিমান ভূতাংশ গ্ৰহণ কৰি পঞ্চিকৃত হয়, সেই সেই ভূতাংশৰ শক্তি অনুসাৰে বিৰাট ভূতাধাৰ গ্ৰহৰ পৰা স্ব স্ব ভূতাংশ গ্ৰহণ কৰি থাকে আৰু পৰিমিত ভূতাংশ গ্ৰহণ কৰিব নোৱাৰিলেই পঞ্চিকৃত দেহস্থ ভূতৰ সম্যভাৱ অভাৱত পীড়া বা দেহ ভগ্ন হয়। গ্ৰহ নক্ষত্ৰবিলাক যদিও এই পৃথিবীৰপৰা অতি দূৰত অবস্থিতি কৰিছে তত্ৰাচ সমস্ত গ্ৰহ নক্ষত্ৰই পৰস্পৰ অনিৰ্ব্বচণীয় মন আৰু বুদ্ধিৰ অগোচৰ সম্বন্ধত আবদ্ধ আছে। সেই সম্বন্ধেৰেই আন আন গ্ৰহৰপৰা ভূতাংশ পৃথিবীয়ে আকৰ্ষণ আৰু গ্ৰহণ কৰিব পাৰে। পৃথিবীত যেনেকৈ দিন নিশা হৈছে আৰু দেহী সৃষ্ট হৈছে, তেনেকৈ সেই সেই গ্ৰহবিলাকতো দিন আৰু নিশা আৰু প্ৰকাৰান্তৰ দেহী সৃষ্ট হব পাৰে বুলি অনুমান কৰিব পাৰি।

এই সৃষ্টি ক্ৰিয়া সম্পাদনৰ মূলত এক অব্যক্ত শক্তিৰ প্ৰভাৱ আছে বুলি সকলোৱে স্বীকাৰ কৰে। সেই শক্তি সৰ্ব্বশক্তিমান পৰমেশ্বৰৰ ইচ্ছাশক্তি বুলিলে যি সকল সন্তুষ্ট নহৈ ইচ্ছাশক্তিনো কি প্ৰকাৰৰ বুলি প্ৰশ্ন কৰে, সেইসকলৰ আগত আমি পাশ্চাত্য পণ্ডিত নিউটনৰ আবিষ্কৃত "ইথাৰ"ৰ কথা উত্থকিয়াবলৈ বাধ্য হলোঁ। 'ইথাৰ' সৰ্ব্বব্যাপী, তাৰ ৰূপ নাই। 'ইথাৰ' শূন্যময় আৰু স্পন্দনশীল। 'ইথাৰৰ' আলোক আৰু উত্তাপ আছে আৰু সি সকলো প্ৰকাৰ গতিৰ মূলীভূত। 'ইথাৰ"ৰ পৰাই সকলো প্ৰকাৰ সংযোগ বিয়োগ সাধিত হয়। এই ইথাৰৰপৰাই সমস্ত গ্ৰহ নক্ষত্ৰৰ প্ৰভাৱ প্ৰবাহিত হৈ সৃষ্টিক্ৰিয়া সামাধা হৈছে বুলিলে বোধ কৰো প্ৰশ্নকৰ্ত্তাৰ আৰু একো কবলৈ নাথাকিব। গ্ৰহনক্ষত্ৰাদিৰ অনিৰ্ব্বচনীয় মন বুদ্ধিৰ অগোচৰ সম্বন্ধ এই ইথাৰেই ঘটাইছে।

আমি দেখিবলৈ পাওঁ যে, চন্দ্ৰ সূৰ্য্যাৰ গতি আৰু স্থিতি অনুসাৰে প্ৰতিদিন জোৱাৰ ভাতা সময়মতে হৈ থাকে। ৰবি আৰু চন্দ্ৰৰ স্থিতি আৰু গতিক্ৰমে তিথিৰ উৎপত্তি হয় আৰু সেই তিথি অনুসাৰে শুক্ল আৰু কৃষ্ণ পক্ষৰ সূৰ্য্যোদয় কালত মানুহৰ বাম কিম্বা দক্ষিণ নাকেদি শ্বাস প্ৰশ্বাস উদয় হৈ, প্ৰতি নাকে আঢ়ৈ দণ্ড বা ১ ঘণ্টাকৈ দিনত ১২ বাৰ বাৰ আৰু ৰাত্ৰি ১২ বাৰ বাৰ সংক্ৰমন হয়। (এই স্থলত দেহযন্ত্ৰক ঘড়িযন্ত্ৰৰ লগত মিল দেখা যায়।) চন্দ্ৰ আৰু সূৰ্য্যাৰ সহিত ভেট আৰু পদ্মফুলৰ যেনে সম্বন্ধ তাক সকলোৱে জানে; সূৰ্য্যৰ স্থিতিৰ দিক্ অনুসাৰে যে সূৰ্য্যমুখী ফুল ঘূৰে তাকো আমি দেখিবলৈ পাওঁ। বৈদ্যশাস্ত্ৰ মতে চন্দ্ৰৰ স্থিতি দৃষ্টি ক্ৰমে সপ্তম, নৱম, একাদশ আৰু চতুৰ্দ্দশাদি দিনত ৰোগৰ হ্ৰাস বা বৃদ্ধি হৈ থাকে; আৰু বাত ৰোগ বায়ু ৰোগ প্ৰভৃতি কেতবিলাক ৰোগৰ তিথি অনুসাৰে হ্ৰাস বা বৃদ্ধি হয়। বহুদৰ্শীতাৰ সহিত দেখিলে স্পষ্ট দেখা যায় যে, গ্ৰহনক্ষত্ৰাদিৰ যোগেই এই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি, স্থিতি আৰু সংহাৰৰ কাৰণ।

এই প্ৰবন্ধৰ উপসংহাৰত আমি পাঠকসকলক পুনৰায় নিবেদন কৰোঁ যে, এই প্ৰবন্ধত যিবিলাক কথা লিখা হৈছে সেইবিলাকৰ আনুমানিক বোলা কথাৰ বাহিৰে আন আনবিলাক গণনা বা মতৰ বাবে আমি জগৰীয়া নহওঁ। কাৰণ আমি সেই সেই গণনা আৰু মতবিলাক আন-আন পণ্ডিতৰ বুলি পুৰণা পুথিত পাই, সেই সেই মত ও গণনাবিলাকৰ সহায়ত সমালোচনা কৰি যুক্তিবলত



আনুমানিক প্ৰমাণ বুলি "সৌৰ কালৰ মান ক্ৰমে ক্ৰমে হ্ৰাস হোৱা" কথাটি মাত্ৰ নতুনকৈ কৈছোঁ। এই নতুন কথাটি শ্ৰোতা বা পাঠকসকলে যুক্তিৰে অপ্ৰমাণ কৰি সন্তুষ্ট নহৈ, আমাক দণ্ড দিবলৈ ইচ্ছা কৰিলে, আমি সেই দণ্ড শিৰোধাৰ্য্য কৰিবলৈ বাধ্য আছোঁ। জ্যোতিষ বিষয়ৰ প্ৰবন্ধ সম্পূৰ্ণকৈ লিখিবলৈ হলে, এখনি ডাঙৰ পুথি হয়। সেই প্ৰকাৰে জ্যোতিষৰ সমস্ত বিষয়ে বহলাই লিখিবলৈ নানা কাৰণত অক্ষম হৈ, চমুকৈ জ্যোতিষ শাস্ত্ৰৰ বিষয়ে আমাৰদিয়েক কথাৰে এই ক্ষুদ্ৰ প্ৰবন্ধটি লিখি আগ বঢ়ালোঁ। পাঠকসকলে অনুগ্ৰহ কৰি গ্ৰহণ কৰিলে কৃতাৰ্থ হম।

শ্ৰীআনন্দৰাম ভট্টাচাৰ্য্য।

---

# পুৰণি পুথিৰ শুধৰণী।

মহাপুৰুষ ৺শ্ৰীশঙ্কৰদেৱ আৰু ৺শ্ৰীমাধৱদেৱ দুয়ো যে অসাধাৰণ পণ্ডিত আছিল তাক কোৱা বাহুল্য মাথোন। তেখেতসকলৰ ৰচণাত ভুল-ভ্ৰান্তি উলিওৱাৰ কাৰো সাধ্য নাই। ছাপা হোৱা কীৰ্ত্তন, ঘোষা, বৰগীত আদি পুথিত ঠায়ে ঠায়ে কিছুমান মূলৰপৰা লৰচৰ শব্দ বা বাক্য দেখা যায়। আমাৰ অনুমানেৰে তাৰ কিছুমান মূল পুথি নকল কৰাৰ দোষত আৰু কিছুমান অৰ্থ বুজিব নোৱাৰা দোষত তেনে হৈছে। উদাহৰণ স্বৰূপে তলত তাৰে কিছুমান দেখুওৱা গল।

(কীৰ্ত্তন পুথি)

শিশুলীলা ১ম আধ্যা,—ছাপা পুথিত আছে "পৰি দুয়ো প্ৰাণী পাছে কৰিলন্ত স্তুতি"; হব লাগে, 'পৰি দুয়ো প্ৰণিপাতে কৰিলন্ত স্তুতি"।

"অচিন্ত্য মহিমা হৰি পুৰুষ প্ৰধান" হব লাগে "পুৰুষ পুৰাণ"; স্যমন্ত হৰণৰ ১ম আধ্যাতো "পুৰাণ পুৰুষ তুমি সনাতন হৰি"—এইদৰে পোৱা যায়। বোধ কৰোঁ "পুৰুষ পুৰাণ" এই শব্দৰ অৰ্থ নুবুজি, ইয়াত পুৰুষ প্ৰধান বুলি ছপোৱা হৈছে।

শিশুলীলা ২য় আধ্যা,—ছাপা পুথিত আছে 'অনৰ্থ কৰিয়া ফুৰা গোৱালীৰ ঘৰ," হব লাগে 'অনাথ বিকায়া ফুৰা গোৱালীৰ ঘৰ," *; ইয়াত ইয়াৰ তলৰ কেফাকি পদত কৃষ্ণই, গোৱালীৰ ঘৰত নানান দুষ্টালি কাৰ্য্য কৰাৰ ভাব বুজি, "অনাথ বিকায়া ফুৰা"ৰ, ঠাইত "অনৰ্থ কৰিয়া ফুৰা" এনেদৰে শুধৰোৱা হৈছে।

কোনো কোনো ছাপা পুথিত আছে,—"কৃষ্ণৰ অকীৰ্ত্তি যশোদাত দেস্ত হালি"—এই ঠাইত "কৃষ্ণৰ আকৃতি যশোদাত দেস্ত হালি" এনেহে শুদ্ধ। কৃষ্ণই গোৱালীৰ ঘৰত যি বিলাক দুষ্টালি কাম কৰে, তাৰ বিষয়ে যশোদাক গোৱালী বিলাকে অকল মুখেৰে বৰ্ণনা নকৰি, ভাও-ভঙ্গী দেখুৱাই বুজাইছিল।

"বানৰকো খুৱাৱে গোবিন্দ কিনো চাণ্ড" এই শাৰীৰ 'চাণ্ড" শব্দৰ ঠাইত "চণ্ড" শব্দ ছাপা পুথিত ব্যৱহাৰ কৰা দেখা যায়।

"বানৰকো খুৱাৱে গোবিন্দ কিনো চাণ্ড। বানৰেও নখাই যদি কোবাই ভাঙ্গে ভাণ্ড" ॥ এনেদৰে লিখিলে ছন্দৰ মিল থাকে। "চাণ্ড" শব্দৰ ঠাইত "চণ্ড" শব্দ দিলে ছন্দৰ অমিল হয়; "চণ্ড" মানে ছটফটীয়া বা দুষ্ট, "চাণ্ড" মানেও একেই, তেন্তে এনে প্ৰকাৰ শুধৰণীৰ আৱশ্যক কি?

স্যমন্তহৰণ ৩য় আধ্যা,—পাইলেক কলঙ্ক মোক জানি দামোদৰে। এই শাৰীত "জানি" শব্দৰ ঠাইত "শুনি" শব্দ ব্যৱহাৰ কৰা হৈছে। ইয়াত "শুনি" শব্দতকৈও 'জানি" শব্দইহে ভাল অৰ্থ প্ৰকাশ কৰে।

ওৰেষা বৰ্ণন,—১১শ আধ্যাত আছে,

---

* অনাট কৰিয়া ফুৰা গোৱালীৰ—কোনো পুথিত এনেও আছে।

হাতত পৰশু লই ।
একলে ছেদিবাগই ॥

ইয়াত কীৰ্ত্তণ ঘোষাৰ প্ৰকাশকসকলে বোধ কৰোঁ উক্ত ভ্ৰশাবীৰ তলতে আকৌ "ছেদিবা নিঃশঙ্ক মতি" এই শাৰীত আকৌ "ছেদিবা" শব্দটি পাই, একেটি শব্দকে ওচৰা ওচৰিকৈ দুবাৰ লিখাত অশুদ্ধী দেখি "দেখিবা" শব্দটিৰে পূৰ্ণ কৰিলে । কিন্তু ঋগত ভগৱন্তই ইন্দ্ৰছায় ৰজাক অকলৈ দেখিবলৈ কোৱা নাছিল, অকলৈ গছ-ডাল ছেদিবলৈ আৰু নিঃশঙ্ক মনে ছেদিবলৈহে কৈছিল।

সেই আধ্যাতে আছে, "দিলন্ত বিপ্ৰক দান"। মূলত "দিলন্ত বিবিধ দান", এনেহে আছে ।

ওৰেষা বৰ্ণন, ১২শ আধ্যাত আছে,—

ভাই ৰাম কহ ৰাম কহ ৰাম মন্ত্ৰসাৰ ।
তপ, জপ, যজ্ঞ, যোগে সিদ্ধি নাহি আৰ ॥

ইয়াত প্ৰকাশক সকলে "যোগে" শব্দটিৰ ঠাইত "যাগে" শব্দটি ব্যৱহাৰ কৰিছে। সিসকলে বোধ কৰোঁ ভাবিছে, কলিকালত আগৰ দৰে তপ, জপ, যজ্ঞ সিদ্ধি কৰিব নোৱাৰি, কিন্তু যোগ সিদ্ধি নহয়, এনে কথা হব নোৱাৰে, এতেকে 'যো গ সিদ্ধি নাহি আৰ' হব নোৱাৰে; এনে ভাবি "যাগে" শব্দটি ছপাইছে। কলিকালত যোগতো যে সিদ্ধি নাই, শ্ৰীশ্ৰীশঙ্কৰদেৱে তাকেহে কৈছিল।

১৩শ আধ্যাৰ ঘোষাটি এনে দৰে ছপোৱা হৈছে,—
"কমলাকান্ত কৰা কৃপা করুণাসাগৰ।" মূল পুথিত,—
'কমলাকান্ত কৰা কৃপা কমললোচন' আছে যেন আমাৰ মনত পৰে । থান সত্ৰতো আমি সেই দৰেহে কীৰ্ত্তন দিয়া শুনো । ইয়াত মাকতকৈ জীয়েক কাজী দেখুৱাই "কমললোচন"ৰ ঠাইত "করুণাসাগৰ" শব্দটি ব্যৱহাৰ কৰি 'কৰা কৃপা' ফাঁকিৰ লগত থাঁজ খুৱাবলৈ ধৰা হৈছেনে কি? প্ৰতিমধুৰতালৈকো চাব লাগে ।

হৰমোহনৰ শেষৰ আধা কীৰ্ত্তনৰ ঘোষাটি ছাপা পুথিত এই দৰে আছে,—

জয় কৃষ্ণ বোল নৰ মুখে ।
বৈকুণ্ঠ প্ৰয়ান কৰ সুখে ॥

এই ঘোষাটিৰ লগত তলৰ পদবিলাক কীৰ্ত্তনৰ সুৰেৰে মিলাই গাব নোৱাৰি । আমি থান সত্ৰত এই দ[ৰে] গোৱা শুনো,—

হৰি ৰাম ৰাম ৰাম ৰঘুনাথ এ ।
ৰাম নাম নছাৰোক মুখে এ ॥

নাম ঘোষাৰ কাকুতি ঘোষাত ওপৰৰ তিনটি ঘো[ষা] পূৰাকৈ লিখি, চতুৰ্থটি ঘোষাৰপৰা

তুমি প্ৰভু কৃপা-ৰসৰ সাগৰ এ।
দিয়া মোক তুৱা পদছায়া তলে ঠাই ॥

এই ফাঁকিটি বাদ দিয়া হৈছে ।

শ্ৰীশ্ৰীমাধৱদেৱৰ ৰচিত 'হৰি মোৰ হৰি মোৰ এ দী[ন] দয়াল। কে জানিতে পাৰয় তোমাৰ ঠাকুৰাল' । এ[ই] বৰ গীতটিৰ "ঠাকুৰাল" শব্দটিৰ ঠাইত কিছুমান ছা[পা] পুথিত "চাতুৰাল" শব্দ লোৱা হৈছে । এই ঠাইত ভু[ল] হোৱাৰ দুটি কাৰণ হব পাৰে ১ম—পুৰণা অসমী[য়া] পুথিৰ "ঠ" আৰু "ছ" প্ৰায়ে একেই। সেই আখ[ৰ] নিচিনি, থোন প্ৰথমতে পুৰণা পুথিৰপৰা নকল ক[ৰা] জন এনে ভ্ৰমপ্ৰমাদত পৰিব পাৰে। ২য়ত—"ঠাকুৰাল" শব্দটিৰ অৰ্থ বুজি, প্ৰকাশকসকলে 'চাতুৰাল" শ[ব্দ] ব্যৱহাৰ কৰিব পাৰে ।

এইদৰে ছপা হোৱা পুথিবোৰ ঘুঁকটি চালে, নানা ঠাই[ত] মূলৰপৰা সাল-সলনি শব্দ দেখিবলৈ পোৱা যায়। আমা[ৰ] বোধেৰে থোন প্ৰথমে ছপা হোৱা একেখন পুথিৰে[ই] চাই, নতুন প্ৰকাশকসকলেও পুথি ছপাইছে । সে[ই] গুণে, যেলেগ বেলেগ প্ৰকাশকৰ প্ৰকাশিত পুথিতে[ও] একে প্ৰকাৰ ভুল ভ্ৰান্তি আমি দেখিবলৈ পাওঁ[।] সৌভাগ্যক্ৰমে শ্ৰীযুক্ত হলিৰাম মহন্ত মহাশয়ৰ প্ৰকাশি[ত] "হৰি প্ৰসঙ্গ" পুথিত আৰু "নিউ প্ৰেচ"ৰ প্ৰকাশি[ত] কীৰ্ত্তন ঘোষাৰ মূলৰ লগত আমি উল্লেখ কৰা বিষয়[ত] ঠায়ে ঠায়ে মিল আছে। পুৰণি পুথিবিলাক মূল[ৰ] পৰা লৰচৰ কৰি যাতে বিকৃত কৰা নহয়, তাৰ উদ্দেশ্যে[ই] আমি এইবিলাক কথা লিখিলোঁ; আশা কৰোঁ, সেই বাবে আমি প্ৰকাশকসকলৰ ওচৰত দোষৰ ভাগী নহৈ, গুণৰ ভাগীহে হম ।

শ্ৰীকমলকান্ত গোস্বামী।

# সৰ্ব্বোপনিষৎসাৰঃ।

( অথৰ্ব্ববেদৰ অন্তৰ্গত। )

ওঁ পৰমাত্মনে নমঃ ওঁ।

প্ৰশ্ন—আত্মাৰ কেনেকৈ বন্ধন হয়, কি উপায়েৰে মুক্তি হয়, অবিদ্যা কাক বোলে, বিদ্যা কি, আত্মাৰ জাগ্ৰৎ, স্বপ্ন, সুষুপ্তি আৰু তুৰীয় অৱস্থা কাক বোলে, অন্নময় কোশ, প্ৰাণময় কোশ, মনোময় কোশ, বিজ্ঞানময় কোশ, আৰু আনন্দময় কোশ, এই পঞ্চ কোশ কি, কৰ্ত্তা, জীৱ, ক্ষেত্ৰজ্ঞ, সাক্ষী, কূটস্থ, অন্তৰ্যামী, প্ৰত্যগাত্মা পৰমাত্মা, আত্মা, আৰু মায়া কেনেকুৱা; আৰু আত্মাৰ ঈশ্বৰত্ব কেনেকৈ ঘটে, এই প্ৰশ্নবোৰৰ উত্তৰ অনুক্ৰমে উক্ত কৰিছে।

উত্তৰ—এই অনাত্ম ( আত্মাতকৈ বেলেগ ) দেহ আৰু ইন্দ্ৰিয় আদিক আত্মাৰূপে অভিমান কৰে; অৰ্থাৎ এই দশ ইন্দ্ৰিয় আদিয়েই আত্মা, এই বুলি ভাবে, এই অভিমান বা অমূলক জ্ঞানেই আত্মাৰ বন্ধন। তাৰ নিবৃত্তি অৰ্থাৎ দেহ আৰু ইন্দ্ৰিয় আদিত আত্মাভিমান ধ্বংসই হৈছে, মুক্তি বা মোক্ষ।

যিহে দেহাদিত তেনে আত্মাভিমান জন্মায় সেয়ে অবিদ্যা। আৰু সেই অভিমান যিহে নাইকিয়া কৰে সেয়ে বিদ্যা।

সূৰ্য্য আদি দেৱতাসকলৰ দ্বাৰা অনুগৃহীত হৈ, ( সাহায্য পাই ) বহিৰ্মুখী হোৱা মন আদি চতুৰ্দ্দশ ( কৰণেৰে ) ইন্দ্ৰিয়েৰে আত্মাই যেতিয়া শব্দ স্পৰ্শ আদি স্থূল বিষয় উপভোগ কৰে তেতিয়া আত্মাৰ জাগ্ৰৎ অৱস্থা। অৰ্থাৎ চন্দ্ৰ অধিষ্ঠাত্ৰী দেৱতাৰ দ্বাৰা পৰিচালিত হৈ, মনে সঙ্কল্প, ব্ৰহ্মাৰ প্ৰেৰণাত বুদ্ধিয়ে অধ্যৱসায়, শঙ্কৰৰ প্ৰেৰণাত চিত্তই চেতনা অনুভৱ, অচ্যুতৰ প্ৰেৰণাত অহঙ্কাৰে অভিমান, দিক্ দেৱতাৰ প্ৰেৰণাত কাণে শব্দ অনুভৱ, বায়ুৰ প্ৰেৰণাত ( ত্বক্ ) ছালে স্পৰ্শ অনুভৱ, সূৰ্য্যৰ প্ৰেৰণাত চক্ষুৱে ৰূপ অনুভৱ, বৰুণৰ প্ৰেৰণাত জিভাই ৰস স্বাদন, অশ্বিনীকুমাৰৰ প্ৰেৰণাত নাকে গন্ধ অনুভৱ, বহ্নিপ্ৰেৰিত বাক্ ইন্দ্ৰিয়ই ( মুখ-বাদন ) মুখমেলা কাৰ্য্য, ইন্দ্ৰৰ প্ৰেৰণাত হাতে গ্ৰহণ কৰা কাৰ্য্য, বিষ্ণুৰ প্ৰেৰণাত ভৰিয়ে গমন কৰা কাৰ্য্য, মিত্ৰ-দেৱতাৰ প্ৰেৰণাত গুহ্যস্থানে মলত্যাগ ( শৌচ ) কাৰ্য্য, ব্ৰহ্মাৰ প্ৰেৰণাত উপস্থই ( লিঙ্গ ) আনন্দ অনুভৱ কৰে: সেয়ে আত্মাৰ জাগ্ৰৎ অৱস্থা।

যি সময়ত শব্দ স্পৰ্শ আদি বিষয়বোৰ উপস্থিত নাথাকে, তথাপি আত্মাই বিষয় বাসনাত অনুপ্ৰাণিত হৈ, মন, বুদ্ধি, চিত্ত, আৰু অহঙ্কাৰ এই চাৰি অন্তঃকৰণৰ সাহায্যত, বাসনাময় শব্দ-স্পৰ্শ আদি বিষয়বোৰ উপলব্ধি কৰে, সেয়ে আত্মাৰ স্বপ্ন অৱস্থা।

আগেয়ে উক্ত কৰা, মন বুদ্ধি আদি চৌদ্ধটি কৰণ নিজ ২ বিষয়ৰপৰা ওপৰ হোৱাকে ( বিষয় সম্বন্ধ পৰি-ত্যাগ কৰাকে ) আৰু বিশেষ বিজ্ঞানৰ অভাৱ ঘটাকে, অৰ্থাৎ সাক্ষাৎ সম্বন্ধে বা বাসনাৰূপে কোনো এক প্ৰকাৰেও বিষয়ৰ উপলব্ধি নোহোৱা অৱস্থাকে আত্মাৰ সুষুপ্তি অৱস্থা বোলে। ( স্বপ্ন অৱস্থাত চৌদ্ধটি কৰণৰ ভিতৰত দহোটিৰ কোনো কাৰ্য্য নচলে, মন আদি চাৰিটিৰ বিষয়ৰ অভাৱ সত্বেও বাসনাময় কাৰ্য্য চলে। কিন্তু সুষুপ্তি অৱস্থাত হলে কোনো এটি ইন্দ্ৰিয়ৰো কাৰ্য্য নাথাকে। এয়ে স্বপ্ন আৰু সুষুপ্তি অৱস্থাৰ প্ৰভেদ। )

আত্মাৰ জাগ্ৰৎ, স্বপ্ন, আৰু সুষুপ্তি এই তিনিও অৱস্থাৰপৰা বিমুক্ত হোৱা, আৰু সকলো পদাৰ্থৰাশিৰ সাক্ষাৎ দ্ৰষ্টা ( সাক্ষী ) ৰূপে বিৰাজ কৰা, কোনো প্ৰকাৰ বস্তুৰ ব্যৱধান নথকা, কেৱল তেৱেঁই ( আত্মাই ) নিজে চৈতন্যৰূপে প্ৰকাশ পোৱা অৱস্থাকে আত্মাৰ তুৰীয় অৱস্থা বোলে।

অন্নৰ বিকাৰ, অৰ্থাৎ খাদ্য বস্তুৰ ৰূপান্তৰ পৰিণতি— স্নায়ু, অস্থি, মজ্জা ত্বক্, মাংস আৰু শোণিত, এই ছয় বিধকে ( স্থূল দেহকে ) অন্নময় কোশ বোলে।

প্ৰাণ, অপান আদি চতুৰ্দ্দশ বায়ু অন্নময় কোশত লগ লাগিলে প্ৰাণময় কোশ নাম পায়। অৰ্থাৎ প্ৰাণ, অপান, ব্যান, উদান আৰু সমান, এই পঞ্চ প্ৰাণ বায়ু; নাগ কূৰ্ম্ম, কৃকৰ, দেৱদত্ত, আৰু ধনঞ্জয়, এই পঞ্চ উপপ্ৰাণ বায়ু; আৰু বৈৰম্ভন, স্থানমুখ্য প্ৰদ্যোত ও প্ৰাকৃত এই চাৰিটা উপবায়ু—মুঠতে এই চৌদ্ধবিধ বায়ু আৰু অন্নময় কোশৰ মিলনকে প্ৰাণময় কোশ বোলে।

আত্মা, প্ৰাণময় আৰু অন্নময় কোশত মিলিত হৈ যেতিয়া মন, বুদ্ধি, চিত্ত আৰু অহঙ্কাৰ, এই চাৰিটি অন্তঃকৰণৰ দ্বাৰা শব্দ স্পৰ্শকে আদি কৰি ইন্দ্ৰিয়ৰ বিষয়বোৰ আৰু সঙ্কল্প অধ্যবসায় প্ৰভৃতি ( ধৰ্ম্ম ) বৃত্তি উপলব্ধি কৰে, তেতিয়া সেই মিলনকে মনোময় কোশ বোলা যায়।

যেতিয়া অন্নময়, প্ৰাণময়, আৰু মনোময় এই কোশ তিনটিত আত্মা মিলিত হৈ, উক্ত কোশত্ৰয়গত সঙ্কল্পাদিয়ে জন্মোৱা ব্ৰাহ্মণত্ব আদি বিশেষ (ধৰ্ম্ম) জ্ঞান আৰু মনুষ্যত্ব আদি সাধাৰণ জ্ঞান উপলব্ধি কৰে, অৰ্থাৎ ইতৰ বিশেষ সকলো প্ৰকাৰৰ সম্পূৰ্ণ জ্ঞান প্ৰকাশ পায়, তেতিয়া তাক বিজ্ঞানময় কোশ বোলে।

বট গছৰ গুটিত থকা কণৰ ভিতৰত যেনেকৈ এজোপা বট গছ অতি সূক্ষ্ম ৰূপে লুকাই থাকে, তেনেকৈ উক্তকোশ চাৰিটি যেতিয়া নিজ কাৰণ অজ্ঞানত (প্ৰকৃতিত) বৰ্ত্তমান থাকে তেতিয়া তাকে আনন্দময় কোশ বোলা হয়।*

কৰ্ত্তা—সুখবুদ্ধি আৰু দুখবুদ্ধিৰ আশ্ৰয়, অৰ্থাৎ মোৰ সুখ হওক, মোৰ দুখ নহওক, এনে বুদ্ধিযুক্ত বা সুখ আৰু দুখৰ অনুভৱ কৰোতা আৰু স্থূল-শৰীৰ ও সূক্ষ্ম-শৰীৰ দাৰী আত্মাকে কৰ্ত্তা বোলে। (যেতিয়া আত্মাই সূক্ষ্ম পঞ্চভূতৰ পৰা উৎপন্ন হোৱা সূক্ষ্ম দেহ আৰু স্থূল (পঞ্চীকৃত) পঞ্চ ভূতৰ পৰা উৎপন্ন দৃশ্যমান দেহকে মই বুলি ভাবি সুখ দুখ উপভোগ কৰে আৰু ইন্দ্ৰিয়াদিৰ সুখ দুখকে প্ৰকৃত সুখ দুখ বুলি ভাবি দুখ নাইকিয়া একমাত্ৰ সুখ পাবলৈ মন কৰে তেতিয়া তেওঁ (আত্মাই) কৰ্ত্তা নাম পায়।)

ইষ্ট বিষয়ক বুদ্ধিৰ নাম সুখবুদ্ধি, আৰু অনিষ্ট বিষয়ক বুদ্ধিৰ নাম দুখবুদ্ধি। শব্দ, স্পৰ্শ, ৰস, ৰূপ, আৰু গন্ধ এই পাঁচটিয়েই সুখ আৰু দুখৰ মূল কাৰণ।

জীৱ—আত্মা প্ৰকৃততে দেহৰ লগত সংযুক্ত নহয় তথাপি পাপ পুণ্যজনক কৰ্ম্ম জ্ঞান আৰু সংস্কাৰ অনুসাৰে নানা উপাধিযুক্ত দেহৰ লগত সংযুক্ত আৰু বিযুক্ত হৈ অৰ্থাৎ ইহলোক আৰু পৰলোকলৈ (জন্ম মৃত্যুৰূপে) অ[...] যোৱা কৰে। এনে আত্মাক জীৱ বোলা হয়।

ক্ষেত্ৰজ্ঞ কাক বোলে জানিবলৈ লিঙ্গশৰীৰ বুজি[...] লাগে আৰু লিঙ্গশৰীৰ জানিবলৈকো পঞ্চবৰ্গ জনা আৱশ্যক সেই কাৰণে পঞ্চবৰ্গৰপৰা আৰম্ভ হৈছে।

মন আদি বৰ্গ—মন, বুদ্ধি, চিত্ত আৰু অহঙ্কাৰ এ[ই] চাৰিটি।

প্ৰাণাদি বৰ্গ—প্ৰাণ, অপান, ব্যান, উদান, আৰু সমান[।]

সত্বাদি বৰ্গ—সত্ব, ৰজ, তম এই তিনি গুণ।

ইচ্ছাদি বৰ্গ—কামনা, সঙ্কল্প, বিচিকিৎসা ( সংশয় ) শ্ৰদ্ধা অশ্ৰদ্ধা, ধৃতি (ধৈৰ্য্য) অধৃতি, হ্ৰী (লাজ), ভী, (ভয়), ধী (বুদ্ধি)।

পুণ্যাদি বৰ্গ—পুণ্য, পাপ, জ্ঞান, আৰু সংস্কাৰ।

এই পাঁচ বৰ্গই পঞ্চ বৰ্গ। এই পঞ্চ বৰ্গৰ যি ধৰ্ম্মী ( লিঙ্গ শৰীৰ ) সি আত্মজ্ঞানৰ বাহিৰে আন উপায়ে নষ্ট নহয়। আত্ম জ্ঞান জন্মিলে আপোনা-আপুনি নাশ হয়।

ক্ষেত্ৰজ্ঞ—আত্মাৰ যি এটি বিশেষ উপাধি নিজে অনিত্য হৈয়ো নিত্য আত্মাৰ ওচৰত থকাত নিত্য বুলি প্ৰতীয়মান হয় তাকে লিঙ্গ শৰীৰ বোলে আৰু হৃদয় গ্ৰন্থিও বোলে। সেই লিঙ্গ শৰীৰত যি চৈতন্য প্ৰকাশ পায়, সেই চৈতন্যকে ক্ষেত্ৰজ্ঞ বোলা যায়।

সাক্ষী—যি চৈতন্যই, জ্ঞানী, জ্ঞান, আৰু জ্ঞে[য়] অৰ্থাৎ জ্ঞাতৰা বিষয় এই তিনিও বিধৰ উৎপত্তি আৰু বিনাশ সাক্ষাৎ সম্বন্ধে উপলব্ধি কৰে, কিন্তু তেওঁ আপ[ুনি] নিজে উৎপত্তি আৰু বিনাশহীন আৰু স্বয়ং জ্যোতিৰ্ম্ময়, তেওঁকেই সাক্ষী বোলে। ( এওঁ সাক্ষাৎৰূপে সকলোকে দেখা পায় সেইবাবে সাক্ষী নাম পাইছে।)

কূটস্থ—যি চৈতন্য ব্ৰহ্মাকে আদি কৰি এটি ক্ষুদ্ৰ পিপৰা পৰ্য্যন্ত সকলো প্ৰাণীৰ বৃত্তিত অবিশিষ্টৰূপে অৰ্থাৎ বৈশিষ্ট্য-বৰ্জ্জিত একমাত্ৰ চৈতন্যৰূপে প্ৰতীয়মান হয়, আৰু সমস্ত প্ৰাণীৰ বুদ্ধি বৃত্তিক আশ্ৰয় কৰি অৱস্থান কৰে, সেই চৈতন্যকে কূটস্থ বোলে।

অন্তৰ্য্যামী—মণিৰ মালা এধাৰত যেনেকৈ এডাল সূতায়ে সমস্ত মণিৰ মাজত সোমাই সিহঁতক স্বাভাবিক ৰূপে ৰাখে, তেনেকৈ যি আত্মাই কূটস্থ প্ৰভৃতি নানা উপাধি যুক্ত হৈয়ো বিশেষ বিশেষ সকলো অৱস্থাতে নিজ স্বৰূপ লাভৰ কাৰণ সকলো শৰীৰীৰ শৰীৰত বিদ্যমান থাকে, তেনে আত্মাকে অন্তৰ্য্যামী বোলে।

প্ৰত্যগাত্মা—যেতিয়া আত্মাই ভোখৰীয়া সোণৰ * দৰে সকলো উপাধিৰপৰা মুক্ত হৈ, অৰ্থাৎ কৰ্ত্তা জীৱ ক্ষেত্ৰজ্ঞ সাক্ষী আদি সকলো নাম পৰিত্যাগ কৰি, কেৱল বিজ্ঞান চিন্মাত্ৰৰূপে প্ৰকাশ পায়, তেতিয়া তেওঁ "তত্ত্বমসি" এই মহাবাক্যৰ "ত্বং" পদৰ প্ৰতিপাদ্য হয়, আৰু তেওঁকে প্ৰত্যগাত্মা বোলা যায়।

"তত্ত্বমসি" এই মহাবাক্যৰ তৎপদৰ প্ৰতিপাদ্য পৰমাত্মাৰ স্বৰূপ নিৰূপণ কৰিবলৈ ব্ৰহ্মৰ চাৰিটি স্বৰূপৰ কথা কয়।

ব্ৰহ্ম—সত্য, জ্ঞান, অনন্ত আৰু আনন্দস্বৰূপ।

সত্য—সত্য শব্দৰ অৰ্থ অবিনাশী, অৰ্থাৎ নাম, দেশ, কাল বস্তু আৰু নিমিত্তৰ (কাৰণৰ) বিনাশ ঘটিলেও, যি নষ্ট নহয়, সেয়ে অবিনাশী; তাকেই সত্য বোলে।

জ্ঞান—উৎপত্তি আৰু বিনাশৰহিত চৈতন্যকে জ্ঞান বোলা হয়।

অনন্ত—মাটিৰে সজা সকলো বস্তুতে (চৰু কলহ প্ৰভৃতিত) যেনেকৈ মাটি ব্যাপক ৰূপে থাকে, সোণেৰে গঢ়া সকলো বস্তুতে ( কেৰু, মণি, অঙ্গঠী আদিত ) যেনেকৈ ব্যাপকৰূপে সোণ থাকে, আৰু সূতাৰে বোৱা সকলোবিধ কাপোৰতে যেনেকৈ ব্যাপকৰূপে সূতা থাকে, তেনেকৈ জগতৰ অব্যক্তকে আদি কৰি সকলো সৃষ্ট বস্তুতে যি চৈতন্য ব্যাপকৰূপে বিদ্যমান থাকে আৰু, কাৰ্য্যৰ ( সৃষ্ট বস্তুৰ ) উৎপত্তিৰ আগেয়েও ( কৰণত বা কৰণৰূপে ) বিদ্যমান আছিল, সেই চৈতন্যকে অনন্ত বোলা যায়।

আনন্দ—যি চৈতন্য আনন্দস্বৰূপ, অৰ্থাৎ অপৰিমিত আনন্দসাগৰ সদৃশ আৰু অবিশিষ্ট সুখস্বৰূপ ( দৃষ্টিসুখ শ্ৰবণসুখ, এনে বিধৰ কোনো সংকীৰ্ণ বিশেষত্ব বা বিশেষণ নথকা ) তাকেই আনন্দ বোলা হয়।

সত্যকে আদি কৰি এই চাৰিটি যাৰ লক্ষণ (স্বৰূপ) আৰু যি দেশ, কাল, নিমিত্তৰ দ্বাৰা অব্যভিচাৰী ( কোনো দেশত অৰ্থাৎ পাত্ৰবিশেষত, কোনো কালত নাইবা কোনো কাৰণত যাৰ স্বৰূপ নলৰে ) সদায় একে স্বৰূপে পোৱা যায়, তেনেকুৱা চৈতন্যই 'তৎ' পদৰ প্ৰতিপাদ্য; এই চৈতন্যকে পৰমাত্মাও বোলে আৰু পৰমব্ৰহ্মও বোলে।

আত্মা—যি চৈতন্য ঔপাধিক ( উপাধিযুক্ত ) 'ত্বং' পদাৰ্থ আৰু 'তৎ' পদাৰ্থতকৈ বিলক্ষণ ( উপাধিগত বিভিন্ন ) আকাশৰ দৰে সৰ্ব্বব্যাপক, সূক্ষ্ম, আৰু কেৱল ( কাৰো লগত সংশ্ৰৱ নথকা ) সত্তামাত্ৰ পদাৰ্থ আৰু স্বয়ং জ্যোতিৰ্ম্ময়, সেয়ে আত্মা ( শুদ্ধব্ৰহ্ম )।

যি অনাদি আৰু গৰ্ভৱতী ( কাৰ্য্য বা সৃষ্টি উৎপাদন কৰিবলৈ উপযুক্ত ), যি প্ৰমাণ ও অপ্ৰমান সাধাৰণ, যাক বিদ্যমান বা অবিদ্যমান নাইবা বিদ্যমানাবিদ্যমান বুলি ঠিক কৰিব নোৱাৰি; কিয়নো ব্ৰহ্ম স্বয়ং নিৰ্ব্বিকাৰ, এতেকে বিকাৰৰ কাৰণ বিচাৰিলে যি ( মায়া ) অসতী ( অবিদ্যমান, অৰ্থাৎ অস্তিত্বহীন ), মূল কাৰণ ঠিক কৰিব নোৱাৰিলে যি সতী ( বিদ্যমান ), সেয়ে মায়া। এই মায়া লক্ষণহীনা ( অৰ্থাৎ লক্ষণেৰে ইয়াৰ স্বৰূপ নিৰ্ণয় কৰা অসম্ভৱ )। বহলাই কবলৈ গ'লে,—

মায়া অনাদি অৰ্থাৎ মায়াৰ গুৰি বিচাৰিলে সেই অনাদি পৰমাত্মা বা পৰমেশ্বৰকেহে পোৱা যায়, আৰু এই মায়াই সকলো সৃষ্টিৰ কাৰণ, এই মায়াক প্ৰমাণ ৰূপেও ধৰিব নোৱাৰি একেবাৰে অপ্ৰমাণ বোলাও টান। এতেকে, মায়া আছে বা নাই, নাইবা থকাই নথকাই মিহলি, অৰ্থাৎ কতো বা আছে কতোবা নাই, এনেকৈও কব পৰা নযায়; মুঠতে মায়া লক্ষণহীনা কোনো

* বেদান্ত সাৰৰ মতে পঞ্চ কোষৰ বিৱৰণ অলপ বেলেগ; তাক পাচৰ প্ৰবন্ধত উল্লেখ কৰিম।

* একে সোণকে আকৃতিভেদে কুণ্ডল কেৰু আঙ্গঠী আদি নাম দিয়া হয়। কিন্তু দুইত আউতি গোটা কৰিলে সি নানা নাম এ[ৰি] অকল সোণ নামহে পায়।

লক্ষণেৰে তাৰ স্বৰূপ নিৰ্ণয় কৰিব নোৱাৰি। অবিকাৰ পৰমাত্মাৰপৰা সকলো বিকাৰ বা সৃষ্টিৰ বিকাশ হৈছে; এতেকে বিকাৰৰ কাৰণ ভাল দৰে ঠিক কৰিব পাৰিলে, মায়া একেবাৰে নাইকিয়া হৈ যায়, আৰু তাকে কৰিব নোৱাৰিলে, মায়াই সাজি-কাচি দেখা দিয়ে। অজ্ঞানতাত মায়াৰ উপলব্ধি আৰু জ্ঞানৰ পূৰ্ণতাত মায়াৰ অস্তিত্ব বিলীন হয়। এতেকে মায়াৰ প্ৰকৃত সত্তা নাই।

ওঁ শান্তিঃ।

শ্ৰীউমাকান্ত মিশ্ৰ।

---

# আসাম সাহিত্য সভাৰ দশম বাৰ্ষিক অধিবেশনৰ আদৰণী সমিতিৰ সভাপতিৰ অভিভাষণ।

মাতৃ-পূজাৰ কাৰণে সমবেত ভদ্ৰমণ্ডলী,—

আজি এই আসাম মাতৃৰ মূৰ্ত্তিবিকাশ আমাৰ ভাষাৰ পূজা স্বৰূপ যজ্ঞলৈ আপোনাসকলৰ দৰে বিজ্ঞ পূজাৰী-সকলক আহ্বান কৰিবৰ স্পৰ্দ্ধাৰ দাবি মই কেতিয়াও কৰিব নোৱাৰোঁ; আৰু মই মোৰ অন্তৰৰ অন্তৰতম স্থানৰ পৰা জানো যে এই মহত কাৰ্য্য সুচাৰুভাৱে পৰিচালন কৰিবলৈ এই গোৱালপাৰা জিলাত মোতকৈ সৰ্ব্বতোভাৱে অধিক উপযুক্ত বাণীপুত্ৰ বহুতো আছে। তথাপি মোক মৰম কৰা বন্ধুসকলৰ অনুৰোধত আৰু দীন হলেও মাতৃ পূজাত মোৰ ক্ষুদ্ৰ শক্তিৰে সাহায্য কৰিবৰ এটা প্ৰবল ইচ্ছাই, মোৰ পক্ষে অতি কঠিন হলেও, আপোনাসকলৰ সংবৰ্দ্ধনা কৰা ৰূপ গৌৰৱপূৰ্ণ কাৰ্য্যলৈ মোক আগবঢ়াই আনিছে। মোৰ বয়স আৰু অযোগ্যতা, দুয়োলৈকে চাই মোৰ সকলো ত্ৰুটী মাৰ্জ্জনা কৰিবলৈ আপোনালোকক বিনীত ভাৱে অনুৰোধ কৰিলোঁ।

আজি আপোনালোক সমবেত, বিশাল ব্ৰহ্মপুত্ৰ নদৰ পাৰত প্ৰতিষ্ঠিত প্ৰাকৃতিক সৌন্দৰ্য্যেৰে ভূষিত, ঐতিহাসিক বিচিত্ৰ ঘটনাপৰিপূৰ্ণ গোৱালপাৰা জিলাত। গোৱালপাৰা জিলা বৰ্ত্তমান কেইবাটা সভ্যতাৰো সংমিশ্ৰন ভূমি হৈ পৰিছে। কিন্তু তথাপিও গোৱালপৰীয়াসকল অসমীয়া, আসামৰ পুৰণি অধিবাসীৰেই সতি-সন্ততি। অসমীয়াৰ লগত গুৱালপৰীয়াৰ তেজৰ সম্বন্ধ কোনেও হুই কৰিব নোৱাৰে। আসাম উপত্যকাৰ অন্যবিলাক জিলাই অসমীয়া বুলি পৰিচয় দিবলৈ যি অধিকাৰৰ দাবি কৰে, গোৱালপাৰাই ন্যায়তঃ নিজক প্ৰকৃত অসমীয়া বুলি পৰিচয় দিবলৈ তাতোকৈ অধিক দাবি আছে বুলি ভাবে। এই পুণ্যভূমি গোৱালপাৰাত আজি আপোনালোক সমবেত। গোৱালপাৰাৰ পুৰণি মহাত্মাই আপোনালোকৰ হৃদয় মহিমামণ্ডিত কৰি তোলক, এয়ে পৰমেশ্বৰৰ ওচৰত মোৰ প্ৰাৰ্থনা

আজিৰ এই দিন গোৱালপাৰাবাসীসকলৰ প্ৰতি মহা আনন্দ আৰু গৌৰৱৰ দিন। আমাৰ ঘৰত আজি আমাৰ মাতৃৰ শ্ৰেষ্ঠ সন্তানসকল উপস্থিত। ভ্ৰাতৃ সংবৰ্দ্ধনাৰ উপযুক্ত আহিলা আমাৰ নাই। কিন্তু আমাৰ আছে হৃদয়ৰ চিৰকলীয়া প্ৰণয়ৰ ভাব। আজি আমি বাহিক সুখ স্বচ্ছন্দোৰে আপোনালোকৰ সন্তুষ্টি বিধান কৰিবলৈ অপাৰগ হলেও আপোনালোকে জানিব আমাৰ হৃদয়ৰ প্ৰেম আৰু ভক্তিৰ সোঁত আপোনালোকলৈ বৈ গৈছে।

হে দেশ মাতৃকাৰ বৰপুত্ৰগণ, হে দেশৰ মস্তিষ্ক স্বৰূপ মনীষীগণ, হে মুক্তিবিধায়ক নেতাবৃন্দ, আপোনালোকে আমাৰ সভক্তি সেৱা, আড়ম্বৰবিহীন হলেও, গ্ৰহণ কৰি আমাক কৃতাৰ্থ কৰোক। গোৱালপাৰাবাসীয়ে চিৰকাল আপোনালোকৰ মৰম পাই আহিছে; সেই মৰমৰ দাবিতে গোৱালপাৰাবাসীয়ে আপোনালোকক নিমন্ত্ৰণ কৰিবলৈ সাহ পাইছে আৰু সেই সাহতে বল বান্ধি আজি মই গোৱালপাৰাবাসীসকলৰ হৈ আপোনালোকক আমাৰ ঠাইলৈ সাদৰেৰে আহ্বান কৰিছোঁ, স্বদেশৰ, মাতৃ ভাষাৰ উন্নতিবিধায়ক মহৎ কাৰ্য্যৰ আলোচনা কৰিবলৈ। আমাৰ হৃদয়ৰ ভাবে আপোনালোকৰ হৃদয়-তন্ত্ৰীত আঘাত কৰি, এক অপূৰ্ব্ব মিলন সঙ্গীত সৃষ্টি কৰি, আমাৰ সকলো কাৰ্য্য মঙ্গলময় কৰোক, এয়ে মঙ্গলময়ৰ শ্ৰীচৰণত মোৰ একমাত্ৰ প্ৰাৰ্থনা।

প্ৰশ্ন নোহোৱা ঠাইত প্ৰশ্ন কৰি, সিদ্ধান্তক অসিদ্ধ কৰি মোৰ আজিৰ বক্তব্য বহলাবৰ ইচ্ছা নকৰোঁ; তথাপি একেষাৰ কথা প্ৰকাশ কৰি কবলৈ মোৰ মনে বৰকৈ বিচাৰিছে; তাকে নকলে মই নিজৰ প্ৰতি কৰ্ত্তব্য কৰাৰ পৰা বিমুখ হ'ম।

আজি এই সুধীসকলৰ মহামিলন দেখি মোৰ মনত পৰিছে সেই উজ্জলকাৰী, বিদ্দজ্জন সুশোভিতা পুৰণি কামৰূপৰ গৌৰৱ-মণ্ডিতা মূৰ্ত্তি। এবাৰ মানস চকুৰে সেই মহিমাময়ী মূৰ্ত্তি চাওক, ভাই সকল। জ্ঞানে, মানে, বিদ্যাই, বীৰ্য্যে, জগতত অতুলনীয় সেই মূৰ্ত্তি। অপূৰ্ব্ব পুৰাতন ভাৰতীয় সভ্যতাত কি উজ্জল স্থান অধিকাৰ কৰি আছিছে আমাৰ এই সভ্যতাই! সি যে পুৰণিতকৈও পুৰণি, শ্ৰেষ্ঠৰ ভিতৰত শ্ৰেষ্ঠতম। মহাভাৰত, পুৰাণ, ইতিহাস সকলোকে উজলাই থৈছে কামৰূপৰ তীব্ৰ জ্যোতিয়ে। নৰকাসুৰ, ভগদত্ত, বাণাসুৰ, ভীষ্মক প্ৰভৃতি পৌৰাণিক অতিমানৱসকলৰ কীৰ্ত্তিৰ কথা মনত পৰিলে, কোন এনে নৰাধম অসমীয়া আছে, যাৰ হৃদয় আমাৰ বৰ্ত্তমান দুখ-দুৰ্দ্দশাগ্ৰস্তা দীনা মাতৃৰ প্ৰতি ভক্তিত উপচি নপৰে? বীৰত্ব আৰু কৰুণ ৰসৰ অপূৰ্ব্ব সংমিশ্ৰণ সেই পৌৰাণিক কাহিনীবোৰ। আমাৰ দেশ বীৰৰ দেশ আছিল আৰু আমাৰ দেশতে কবিতা ৰাণীয়ে ঘৰে ঘৰে মূৰ্ত্তি ধৰি বিৰাজ কৰিছিল। এই অপূৰ্ব্ব সুন্দৰ, ঘনশ্যামল বনৰাজি-আবৃত পৰ্ব্বতমালা সুশোভিত নদ-নদী-পূৰ্ণ দেশ—ই যে দেৱতাৰ ৰাজ্য। চিৰকাল ইয়াত দেৱতা বাস কৰি আছিছে। সৌভাগ্য আমাৰ, এই প্ৰকৃতিৰ লীলা-নিকেতন চিৰসুন্দৰ দেশত আমি জন্ম গ্ৰহণ কৰিছোঁ। দুৰ্ভাগ্য আমাৰ দেশৰ, আমাৰ দৰে নিৰ্ব্বীৰ্য্য মানুহ ইয়াত বাস কৰিছে—এই জীৱন্ত বীৰত্ব আৰু কাব্যৰ দেশত বীৰ আৰু কবিৰ নিতান্ত অভাৱ হৈ পৰিছে। হে সুধীবৃন্দ, হে মাতৃ ভূমিৰ পূজাৰীসকল, আপোনালোকৰ ভাব ৰাশিৰ তীব্ৰ শক্তিৰে আমাক অগ্ৰসৰ কৰি লৈ যাওক, আমাক আকৌ বীৰ কৰি তোলক, আমাৰ হৃদয়ত ভাবৰ তৰঙ্গ তোলক, এই স্বৰ্গতুল্য কামৰূপত আমাৰ দৰে দীন হীন মানৱৰ বাসস্থান গুচাই চিন্তা শক্তিৰে দেৱতা গঢ়ি আকৌ দেৱতাৰ ৰাজ্য স্থাপন কৰোক।

শুনিলে চকু-লো ওলায়, আজি এই জিলাৰ কিছুমান মানুহে আমাৰ ভাষাৰ গৌৰৱ পাহৰি, নিজ ভাষা এৰি অন্য ভাষা গ্ৰহণ কৰিব খুজিছে। তেওঁলোকে পাহৰিছে কোচবেহাৰৰপৰা সদীয়ালৈকে সকলো অসমীয়া তেজৰ বান্ধোনতকৈ শকত বান্ধোনেৰে বান্ধ খাই আছে, আৰু সেই অচ্ছেদ্য বান্ধোন হৈছে বিৰাটপ্ৰাণ মহাপুৰুষ শঙ্কৰদেৱ। অসমক ধৰ্ম্মে কৰ্ম্মে শিক্ষাই দীক্ষাই মধ্যযুগত যি মহামানৱে গৌৰৱান্বিত কৰি তুলিছিল, যাৰ কৃপাত আজিও অসমীয়া জাতিয়ে ভাৰতীয় জাতিসমূহৰ মাজত সন্মানেৰে নিজস্থান অধিকাৰ কৰি আছে, যি অসমীয়াক সামাজিক বন্ধন, ভাষা, সাহিত্যৰ ওখ বেদিত যুগমীয়াকৈ বহুৱাই থৈ গৈছে, সেই মহাপুৰুষৰ পবিত্ৰ স্মৃতিয়ে আজিলৈকে আমাক অনুপ্ৰাণিত কৰি আছিছে। এনে অৱস্থাতো কোনো কোনো দুৰ্ভগীয়া সন্তানে যদি নিজৰ সন্মান পাহৰি, নিজৰ মাতৃক নিচলা বুলি ভাবি মাতৃ বুলিবলৈ লাজ পায়, তেনে দুৰ্ভগীয়াসকল আপোনালোকৰ কৃপাৰ পাত্ৰ।

বৰ্ত্তমান গুৱালপাৰা জিলাৰ কোনো কোনো খণ্ডত ভাষা লৈ যি অস্বাভাবিক আন্দোলন চলিছে, তাৰ মূলত এটা ঐতিহাসিক কাৰণ আমাৰ চকুত পৰে। ব্ৰিটিছ সম্ৰাজ্য একে সময়তে গুৱালপাৰা আৰু আসাম উপত্যকাৰ অন্যান্য ঠাইত স্থাপিত নোহোৱাই এই কাৰণ। গুৱাল-পাৰা জিলাৰ লগতে কামৰূপ জিলাও যদি একে সময়তে ব্ৰিটিছৰ শাসনৰ তললৈ আহিলহেতেন, সম্ভৱতঃ কামৰূপতো এনে দৰৰ এটা অন্দোলন হ'লহেতেন আৰু আসাম উপত্যকাৰ অন্যান্য জিলাবিলাকৰ লগত যদি ৰংপুৰ কোচ-

ৰেহাৰ প্ৰভৃতি ঠাই ব্ৰিটিছৰ হাতলৈ গলহেতেন, তেন্তে এই ঠাইবিলাকত আজিও অসমীয়া ভাষা অবাধে চলিলহেতেন।

এই কথাৰ লগতে মই আৰু এটা কথালৈ আঙুলিয়াব খোজোঁ। ৰাজবিদ্ৰোহ আৰু মানৰ উপদ্ৰৱ আদি উৎপাতত যেতিয়া শক্তিশালী অসমীয়া জাতি আৰু উন্নত অসমীয়া সাহিত্য কিছু দিনলৈ হীনপ্ৰভ হৈ পৰিছিল, সেই সন্ধিক্ষণতে বঙ্গদেশৰ বহু অধিবাসীৰ ইয়ালৈ সমাগম হোৱাত, তেওঁলোকৰ ভাষাৰ হেঁচা অসমৰ ওপৰত বৰকৈ পৰে। ইংৰাজী শিক্ষাৰ আৰম্ভও বঙ্গদেশত অসমতকৈ আগেয়ে হয়, কাৰণ অসম যেতিয়া স্বাধীন আছিল, তেতিয়াই বঙ্গ দেশ ব্ৰিটিছৰ অধীনলৈ আহে। অসমলৈ ইংৰাজ অহাৰ লগে লগে বহু বঙ্গবাসীও ইয়ালৈ আহে। তাৰ পিচতো আজি পৰ্য্যন্ত বঙ্গদেশৰ বহু মানুহ ইয়ালৈ আহি জীবিকা আৰ্জ্জন কৰিছেহি। আজি এই গুৱালপাৰা জিলাত যি অলপ ভাষা লৈ আন্দোলন চলিছে, তাৰ মূলত আসামৰ চাউল খাই বঙ্গ দেশৰ গুণ গোৱা এই প্ৰবাসী বঙ্গালীসকলেই। সকলোৰে ইচ্ছা নিজৰ ভাষাৰ প্ৰসাৰ বাঢ়োক, নিজৰ ভাষা গৌৰবান্বিত হওক। কিন্তু এই ইচ্ছাই সময়ত মানুহক সত্যৰ প্ৰতি ভ্ৰান্ত কৰি তোলে। আজি গুৱালপাৰাপ্ৰবাসী বঙালীসকলেও এনে এটা ইচ্ছাৰ বশবৰ্ত্তী হৈয়েই কাম কৰিছে।

গুৱালপাৰা-প্ৰবাসী বঙালীসকলৰ পক্ষে এই জয়যাত্ৰা অন্যায় হলেও, ই মানৱ চৰিত্ৰত নিহিত এটা স্বাভাৱিক মানসিক গতিৰ পৰা উদ্ভূত বুলি বুজিব পাৰি। কিন্তু বুজিব নোৱাৰি, কিছুমান আমাৰ দেশৰ মানুহৰ মনৰ ভাৱ। অতি দুখৰ কথা, তেওঁলোকেও প্ৰবাসী বঙালীসকলৰ লগতে লগ লাগি গুৱালপৰীয়া ভাষাটোক বঙালী ভাষা বুলি প্ৰতিপন্ন কৰিবলৈ ইচ্ছা কৰে। ক'ব নোৱাৰোঁ, কিহে তেওঁলোকক সত্যৰ আলোকৰ পৰা বঞ্চিত কৰিছে, কি সন্মোহিনী শক্তিত তেওঁলোক মুগ্ধ হৈছে। বঙ্গভাষাৰ উজ্জ্বল গৌৰৱময়ী মূৰ্ত্তি দেখি আমিও হৃদয়েৰে আনন্দ পাইছো। ভাৰত মাতাৰ সৌভাগ্যৰ গুণেই আজি বঙ্গ ভাষাৰ জয়-নিনাদ পৃথিবীব্যাপী হৈছে। কিন্তু সেই বুলিয়েই নিজৰ মাতৃক অৱহেলা কৰাৰ কোনো প্ৰয়োজন আমি নেদেখোঁ। বঙ্গ ভাষাৰ দিগন্ত উজ্জ্বলকাৰী মূৰ্ত্তি আমাৰ হৃদয়ত আমাৰ মাতৃ ভাষাৰ পূজাৰ কাৰণে এ নতুন চেষ্টা, নতুন উদ্যম আৰু নতুন উৎসাহেৰে ক কৰা উচিত। আজি ভাৰতীয় ভাষাসমূহৰ মাজত মহ ৰাষ্ট্ৰীয় আৰু গুজৰাটী ভাষাই যি চেষ্টাৰে ক্ৰমোন্নতি পথত অগ্ৰসৰ হৈছে, সেই চেষ্টা আৰু ক্ৰমোন্নতিৰ পথ অগ্ৰসৰ হবলৈ বঙ্গ ভাষাৰ উন্নতিয়ে আমাক অগ্ৰ উদ্‌গাৰ লাগিছে।

আৰু, পাহৰিলে হ'ব কেনেকৈ আমাৰ চিৰ কল্যানময় মাতৃক? গদ্যে পদ্যে মণ্ডিত অপূৰ্ব্ব ভাৱৰাশিৰ ভাণ্ডা স্বৰূপ আমাৰ পুৰণি সাহিত্যই অসমীয়াৰ জাতিয়া সভ্যতাৰ দৃঢ় ভিত্তি স্বৰূপে আজিও বিৰাজ কৰিছে এই অসমীয়া পুৰণি সাহিত্যৰ ওচৰত ভাৰতীয় অন্যা সকলো সাহিত্য যে হীনপ্ৰভ হৈ যায়। আৰু সকলে অৱস্থা বিবেচনা কৰি চালে, আমাৰ বৰ্ত্তমান সাহিত্য অৱস্থা দেখিও নিৰুৎসাহ হবৰ কোনো কাৰণ দেখা নাযায় ৫০ বছৰৰ আগৰ বঙ্গ সাহিত্যৰ অৱস্থা পৰ্য্যা বেক্ষণ কৰি চালে দেখা যায় যে, সেই সময়ৰ বঙ্গ সাহিত্যৰ অৱস্থাও বৰ টনকীয়াল নাছিল। এই ৫০ বছৰৰ ভিতৰতে বঙ্গ সাহিত্যই জগতত অপূৰ্ব্ব প্ৰতি লাভ কৰিবলৈ সমৰ্থ হৈছে। আমাৰ আগত এই সাহিত্যৰ গতি আৰু বিকাশ সদায় আদৰ্শ হৈ থাকি, আমাৰ সাহিত্যৰো দ্ৰুত উন্নতি কৰিবলৈ আমাক সদায় উৎসাহিত কৰিব।

হে সুধীসকল, আপোনালোকৰ আগত যি কৰ্ত্তব্য আছে, সি অতি মহান্, অতি গুৰু। আমাৰ সাহিত্যৰ বেলেগ বেলেগ অঙ্গবোৰৰ পৰিপুষ্টিৰ কাৰণে আপোনালোকে প্ৰাণ পৰ্য্যন্ত পণ কৰি পৰিশ্ৰম কৰিব লাগিব নাটক, উপন্যাস, কাব্য, বিজ্ঞান, দৰ্শন আদি সকলে বিষয়তে আমাৰ ভাল পুথিৰ বৰ অভাৱ। কিন্তু তাতোকৈ আমাৰ ডাঙৰ অভাৱ হৈছে আমাৰ পুৰণি সাহিত্যৰ ৰত্নবিলাক উদ্ধাৰ কৰা। অসমীয়া ভাষা আৰু সাহিত্যৰ এখন ভাল ইতিহাসৰো এতিয়া আমাৰ বৰ প্ৰয়োজন হৈছে। এনে ধৰণৰ গবেষণাপূৰ্ণ কিতাপ লিখিবলৈ হ'লে, লিখকৰ বহু আহিলাপাতিৰ প্ৰয়োজন হয় আৰু এনে কামৰ কাৰণে নিজক প্ৰস্তুত কৰিবলৈ লিখকসকলে বহু পৰিশ্ৰম আৰু সময় ব্যয় কৰিব লগিয়াত পৰে। এনে অৱস্থাত এই সাহিত্য সভাৰ দৰে অনুষ্ঠানে আমাৰ উপযুক্ত বুদ্ধিমান কেইটিমান ডেকাক এই কাৰণে নিজকে প্ৰস্তুত কৰিবলৈ সুযোগ কৰি দিয়া উচিত।

আমাৰ দেশৰ দুৰ্ভাগ্য, যে আমাৰ ইয়াত অভাৱ অনাটনৰ তাড়নাত কোনো বাণী-পুত্ৰই সম্পূৰ্ণ ভাবে সৰস্বতীৰ সেৱাত আত্মসমৰ্পণ কৰিবলৈ সুবিধা নাপায়। আমাৰ এই মহৎ অনুষ্ঠানৰ দৰে অনুষ্ঠানবোৰেই আমাৰ দেশৰ চিন্তাশীল লোকসকলক তেখেতসকলৰ চিন্তাৰ ফল দেশবাসীক দি দেশক উন্নত কৰাৰ এটা দিহা কৰা উচিত। এটা ভাল মুদ্ৰাযন্ত্ৰ স্থাপন কৰি, ভাল ভাল পুথিবিলাক যাতে সহজে প্ৰকাশ কৰিব পৰা হয়, এই বিষয়ে মই এই সভাৰ বিশেষ মনোযোগ আকৰ্ষণ কৰিব খোজোঁ।

ইয়াৰ বাহিৰেও আমাৰ ভাষাৰ সৰ্ব্বাঙ্গীন পুষ্টিৰ কাৰণে আৰু দেশক প্ৰকৃত উন্নতিৰ বাটলৈ নিবলৈ হ'লে, আমাৰ দেশৰ স্ত্ৰী শিক্ষা আৰু সাধাৰণৰ শিক্ষাৰ বিশেষ প্ৰয়োজন। ঠায়ে ঠায়ে নৈশ বিদ্যালয় স্থাপন, পুস্তকাগাৰ স্থাপন, বালিকা স্কুল স্থাপন আদি কাৰ্য্যত আমি সদায় উৎসাহ আৰু সাহায্য দান কৰা উচিত।

মুঠতে, আমাৰ ভাষাৰ, সাহিত্যৰ সৰ্ব্বাঙ্গীন উন্নতি যাতে হয়, সেই বাবে চেষ্টা কৰাই আমাৰ কৰ্ত্তব্য। সাহিত্যই জাতিৰ প্ৰকৃত জাতিয়ত্ব ৰক্ষা কৰে। জাতিৰ সভ্যতাৰ মাপকাঠিও জাতীয় সাহিত্যই। যি জাতিৰ সাহিত্য দুখীয়া ভাবৰাজ্যত সেই জাতিয়েই তল পৰা আৰু সেই জাতিকে সভ্যতা-ক্ষেত্ৰত অনুন্নত বুলি ধৰা হয়। আমিও যদি আমাৰ পুৰণি সভ্যতাৰ উচ্চ আসন লাভ কৰিব খোজো, আমাৰ সাহিত্যৰ উন্নতি কৰিবই লাগিব। ভাবৰাজ্যত আমাৰ স্থান সুপ্ৰতিষ্ঠিত নহলে, জগতত আমাৰ স্থান নিচেই হীন হৈ থাকিব।

হে মাতৃ ভাষাৰ সেৱকবৃন্দ, আপোনালোকৰ জ্ঞানৰ বন্তিৰে দেশক বাট দেখুৱাই উন্নতিৰ পথত অগ্ৰসৰ কৰি নিয়ক। অনন্ত কন্দলী, শ্ৰীধৰ কন্দলী, শঙ্কৰ, মাধৱৰ দেশত আকৌ ভাবৰ সোঁত বোৱাওক—দেশক, ভাষাক আকৌ মহিমান্বিত কৰি তোলক। আপোনালোকৰ মুখলৈ চাই আছে, আমাৰ দীন হীন মাতৃয়ে, আমাৰ মূক দেশবাসীসকলে। ঈশ্বৰে আপোনালোকৰ হৃদয়ত এই মহৎকাৰ্য্য সম্পাদন কৰিবলৈ শক্তি দান কৰোক।

মঙ্গলময়ে আমাৰ সকলো কাৰ্য্য সুন্দৰ আৰু সুচাৰুভাৱে পৰিচালন কৰিবলৈ আমাক ক্ষমতা দিয়ক, এয়ে মঙ্গলময়ৰ ওচৰত মোৰ একান্ত প্ৰাৰ্থনা।

মই আকৌ আমাৰ অতিথিসংকাৰৰ সকলো ত্ৰুটীৰ বাবে আপোনালোকৰ ওচৰত বিনীত ভাৱে ক্ষমা প্ৰাৰ্থনা কৰি, আপোনালোকক সভাৰ কাৰ্য্য আৰম্ভ কৰিবলৈ অনুৰোধ কৰোঁ।

ওঁ শান্তিঃ।

শ্ৰীভোলানাথ চৌধাৰী।

---

# দশম সাহিত্য সন্মিলনৰ সভাপতিৰ অভিভাষণ।

অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়া সমাগত বন্ধু সকল—

সাহিত্য সভাৰ সভাপতি হবৰ—এই মহাযজ্ঞৰ পুৰোহিত হবৰ যোগ্যতা মোৰ অকণো নাই। তথাপি আপোনালোকৰ ইচ্ছাকেই আদেশ বুলি মানি লৈ—, "অস্থাপি জাতি দেৱত্বম্ মহস্তিঃ সুপ্ৰতিষ্ঠিতম্" এই শাস্ত্ৰৰ বচন ফাঁকিকে, সাৰোগত কৰি এই মহৎ সন্মান মূৰ পাতি গ্ৰহণ কৰি অন্তৰৰ শলাগ জনালোঁ। এই গুৰুভাৰ বহন কৰোঁতে সহস্ৰ সহস্ৰ অপৰাধ হব, তাত সন্দেহ নাই। নিজগুণে সকলো ক্ষমা কৰিব বুলি সানুনয়ে কাকুতি জনালোঁ।

সাহিত্যিক মই কেতিয়াও নাছিলোঁ; সাহিত্য-কুঞ্জৰ ভিতৰত সোমাই জননীৰ চৰণত ফুল এপাহি দিবৰ স্পৰ্দ্ধাও অভাজনৰ নাই। তথাপি আপোনাসকলে এই গুৰুভাৰ মোৰ গাত দিছে যেতিয়া, যথাসাধ্য কৰ্ত্তব্য পালন কৰিবলৈ যত্ন কৰিম; ঈশ্বৰ সহায় হওক এয়ে প্ৰাৰ্থনা।

মোক সভাপতি পতা প্ৰসঙ্গত এজন বন্ধুৰপৰা শুনা সৰু সাধু এটি মনত পৰিল; সেই কথা মোতেই বিশেষকৈ খাটে ভাবি, চমুকৈ উল্লেখ কৰিলোঁ—বাহুল্য দোষ ক্ষমা কৰিব।—

সাধু কথাটিৰ নাম Doctor inspite of himself, "কিলায় বেজ কৰা" বুলিয়েই আমি অনুবাদ কৰিলোঁ। বিখ্যাত ফৰাচী নাট-লিখক মলিয়ৰৰ পুথিত বোলে আছে —সাধুটি এই :—এজন খৰিকটীয়া আছিল ; সি ঘৈণীয়েকক বৰ ভাল পায়। কিন্তু তাৰ ধুকুৰ বিশ্বাস, যে ঘৈণীয়েকক নিকিলালে তাইৰ আচল গুণ প্ৰকাশ নাপায়। গুণগ্ৰাহী গিৰীয়েকে সেই বিশ্বাস মতেই ঘৈণীয়েকক নিতৌ কিলায়। গিৰীয়েকৰ এই অন্যায় বিচাৰৰ হোৰ তুলিবৰ সুযোগ ঈশ্বৰে এদিন মিলালে। কাণসমনীয়া এটি মাপোন লৰাৰ হঠাৎ মৰা-মূৰ্চ্ছা নৰিয়া হোৱাত বাপেকে ভাল ডাক্তৰ বিচাৰি বিচাৰি নাপাই খৰিকটীয়াৰ ঘৰ ওলাল গৈ। ঘৈণীয়েকক লগ পাই ভাল ডাক্তৰৰ কথা সোধাত গিৰীয়েককেই উত্তম ডাক্তৰ বুলি ডাঠি কলে আৰু তাৰ পৰিচয় দি, ক'ত লগ পাব তাকো কলে। আৰু ইয়াকো কলে, "কিন্তু, বোপা! তেওঁ সূচক বেজ হলেও নিজে বেজ বুলি স্বীকাৰ নকৰে। তুমি যদি বলেৰে নি ভালকৈ কিলোৱাঁ, তেন্তে স্বীকাৰো কৰিব আৰু দৰৱ দি তোমাৰ লৰাকো নিশ্চয় ভাল কৰিব।" সেই মতে খৰিকটীয়াক ধৰি নি ভালকৈ কিল সোধালত মৰণৰ আশঙ্কাত বেজ হওঁ বুলি গাত ললে। সজ্ঞ খৰিকটীয়াই ৰোগীৰ অপকাৰ নকৰাকৈ কি উপায়ে চিকিৎসা কৰিলে মৰণৰ হাত সাৰিব তাকে ভাবি চিন্তি জৰা-ফুকা কৰাকে স্থিৰ কৰিলে আৰু—

"উড়ি গল শগুনী পৰি গল পাখি।
কোন কোন বিষক থৈছ ৰাখি ;—
হৰ বিষ্টু হৰ, সব দুখ পানী হৈ পৰ।"

এই দৰৱ মন্ত্ৰ মাতি তিনি ফু মাৰি "লৰা নিশ্চয় ভ হব" বুলি কৈ বিদায় ললে। মন্ত্ৰৰ বলত নহলেও ৰৰ ইচ্ছাত লৰা ভাল হ'ল আৰু খৰিকটীয়া ককাই প্ৰ বেজ বুলি জনাজাত হ'ল। কিন্তু কিলালেহে যে ওলায় সেই বিশ্বাস মনত থাকিলেও ঘৈনীয়ে কিলাবলৈ এৰিলে—আৰু সোধা মাত্ৰেই বেজ স্বীকাৰ কৰে।

সেই দৰে নিৰ্য্যাতন কৰি মোকো প্ৰসিদ্ধ সাহিত্ কৰি তোলাৰ বাঞ্ছা আপোনাসকলৰ সিদ্ধ হব বুলি আ কৰি মযো কিলবলৈ পিঠি পাতি দিলোঁ ; কিন্তু কি প্ৰাণান্ত যাতে নহয় তালৈ অকণ চকু ৰাখিব।

সাহিত্য-সভাৰ জন্মকাহিনী বহুতে কৈছে ; আ সমাজত নুনাই কোৱাৰ আৱশ্যকতা মই নেদেখে আসামৰ অতীত গৌৰৱৰ কথা নুনাই কবলৈকো ইয় মোৰ নাই। মহাভাৰত যোগিনীতন্ত্ৰ আদি পৌৰাণি পুথিত আৰু বিশেষকৈ আসাম বুৰঞ্জীত সেই বি বহলাই বৰ্ণোৱা আছে। সিদিনাখন আসামৰ ৰজা আছি ৰাজসম্পদ আছিল, কুৰুক্ষেত্ৰৰ যুদ্ধত কৌৰৱক সহ কৰাৰ যোগ্যতাও আসামৰ আছিল। ক্ষত্ৰীয় বীৰৱে কৃষ্ণ-সহায় অৰ্জ্জুনেও অসমীয়া বভ্ৰুবাহনৰ হাতত পৰাজ স্বীকাৰ কৰা কথা পৌৰাণিক সত্য ; স্বামীৰ হিতা ৰজাক দেও সুবুলি ৰাজ দণ্ডত ৰংমনে প্ৰাণত্যাগ ক কুৱঁৰী জয়মতী আসামৰে জীৱাৰী। আসামৰ পুৰ সাহিত্য যে ভাৰতীয় কোনো জাতীয় সাহিত্যতকৈ কো অংশে হীন নহয় ইয়াক ডাঠি কলে অহংকাৰ কৰা নহ কাৰণ তাৰ বহু প্ৰমাণ আজিও আছে।

আসামৰ সেই শিক্ষা, সেই দীক্ষা, সেই তেজ, সেই আজি কলৈ গল? জাতিগত জাতীয়তা, পুৰুষানুগত বীৰ্য্য আজিও সম্পূৰ্ণ ধ্বংস হোৱা নাই বুলি মোৰ দৃঢ় বিশ্বাস সাধনাৰ অভাৱত মৰাৰ দৰে হৈ আছে। যত্ন কৰাঁ, প্ৰাণ পুৰুষাৰ্থ কৰাঁ, লেৰেলা পুলিটি বৰষুণ পাই ঠন উঠাৰ দৰে, লয় পাও পাওঁ হোৱা পুৰণি কীৰ্ত্তি জাতিয়ক পানী-ছিটা পাই মূৰ্ত্তিমতী হৈ উঠিব। হৰৰ কোপ ছাই হোৱা কামদেৱে আসামলৈ আহি যদি ৰূপ পো সত্য হয়, মৃতকল্পা ভাৰত জননীকো আসামে জয়শ্ৰীমণ্ডি কৰি তোলা অতি অসম্ভৱ বুলি মই বিশ্বাস নকৰোঁ। কিন্তু সেয়ে মুখৰ কথাৰে নহব।

বীজত বৃক্ষ নিহিত থাকিলেও যেনেকৈ তাক উদ্ভূত কৰিবলৈ ক্ষেত্ৰকৰ্ষণৰ আৱশ্যক, অন্তৰ্নিহিত মনুষ্যত্বক প্ৰকাশিত আৰু জাগ্ৰত কৰিবলৈকো সেই দৰে সাধনাৰ আৱশ্যক। সাধনাক বিবিধ অনুষ্ঠানৰ দ্বাৰাই বহুমুখী কৰি সমাজ আৰু স্বদেশৰ ভিতৰেদি বিশ্বব্যাপী কৰি তুলিব লাগিব। ইয়াকে কৰিবলৈ শিল্প-কলা, সঙ্গীত, সাহিত্য, ইতিহাস, দৰ্শন, বিজ্ঞান, কুটনীতি, অৰ্থনীতি ইত্যাদিৰ উৎকৰ্ষ সাধন কৰিব লাগিব। সেইবিলাকৰ প্ৰভাৱ সৃষ্টি কৰি, তাৰ বিস্তাৰ সাধন কৰিব লাগিব। যিমানেই সেই সাধনাৰ সিদ্ধি হব, সিমানেই তুমি শ্ৰেষ্ঠজাতি বুলি পৰিচয় দিব পাৰিবা ; আন আন জাতিয়েও মূৰ দোৱাই সম্বৰ্দ্ধনা কৰিব, মিত্ৰতা স্থাপনৰ আগ্ৰহ দেখুৱাব, বিৰোধ আচৰণত বিমুখ হৈ থাকিব। নিজে শিক্ষা নাপালে পৰক শিকাব নোৱাৰি। নিজে মানুহ হৈ স্বদেশবাসীক মানুহ নামৰ উপযুক্ত কৰি তুলিব নোৱাৰাকৈয়ে বিশ্বমানৱ কৰাৰ চেষ্টা প্ৰায়েই কাৰ্য্যকৰী হোৱা দেখা নেযায়।

আমি অসমীয়া ভাৰতবাসীৰ ভিতৰত এটা সুকীয়া জাতি। আমাৰ ভাষা সংস্কৃতমূলক হলেও সুকীয়া ভাষা, এই কথাৰ প্ৰতিবাদ কৰোঁতা আজি কোনো নাই,—আছে যদিও তেওঁক আওকাণ কৰা উচিত। কিন্তু সেই বুলিয়েই কাণসাৰ মাৰি থাকিলে নচলিব। আমাৰ বহুতো সম্পদ আছিল, সেইটো গৌৰৱৰ কথা। যি আছিল তাক বঢ়াব পৰা নাই, সেইটো দুখৰ কথা। কিন্তু যি আছিল তাক লোপ পাব দিয়াটো বিশেষ শোক আৰু লাজৰ কথা হব ! ই জাতীয় মৃত্যুৰ পূৰ্ব্বলক্ষণ, নিশ্চয়-মৃত্যুৰ নিশ্চিত প্ৰমাণ। উঠি অহা জাতিৰ জীৱনৰ চিন হৈছে পৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা। তাকে নকৰি আজি আমি আত্মৰক্ষাত অসমৰ্থ। পৰাধীনতো হৰেঁই, কিন্তু পৰাধীন ওচৰ চুবুৰীয়ায়ো আমাক নিঃকীন দেখি গ্ৰাস কৰিবলৈ চেষ্টা কৰিছে। ভাই অসমীয়া! অতীত গৌৰৱৰ কথা স্মৰণ কৰি বৰ্ত্তমান অৱস্থা উপলব্ধি কৰাঁ, যুক্তিযুক্ত অনুমানৰ দ্বাৰা ভবিষ্যত প্ৰত্যক্ষ কৰাঁ, শৰীৰত তেজ মাংস যদিহে প্ৰকৃততে আছে, তেন্তে গা শিয়ঁৰি উঠিব, মন উত্তাৰল, হব, হৃদয় অশান্তিৰে ভৰি পৰিব। কিন্তু শোক কৰিলেই নহব। শোকৰ ঘাই কাৰণ গুচাবলৈ যথাসাধ্য চেষ্টা কৰিব লাগিব। মৃতপ্ৰায় জননীক জাতীয়তাৰ দ্বাৰাই অনুপ্ৰাণিত কৰিব লাগিব। সাহিত্য আলোচনাৰ ভিতৰেদি অসমীয়াৰ অতীত গৌৰৱৰ পুনৰুদ্ধাৰ সাধন কৰিব লাগিব। অসমীয়াক প্ৰকৃত মানুহ কৰি গঢ়ি তুলিব লাগিব। লগৰীয়া বঙালী, উড়িয়া হিন্দুস্থানী আদি ভাষাৰ ব্যাকৰণ আদি পঢ়ি অসমীয়া ভাষাৰ লগত তুলনা কৰি অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস (History of Assamese language and literatnre) লেখাৰ কাৰণে আসাম সাহিত্য সভাই উপযুক্ত লোকক বৃত্তি দি এই কাৰ্য্যত ব্ৰতী কৰা যুগুত হব। গাৱঁলীয়া ভাইসকলক সহজ সৰল ভাষাত কিতাপ লিখি নিজৰ দেশৰ কথা, দেশ বিদেশৰ কথা জনাব লাগিব। স্বাস্থ্য বিজ্ঞান বিষয়ক সৰল পুথি আমাৰ প্ৰায় নাই বুলিলেই হয়। স্বাস্থ্য ৰক্ষাৰ নিচেই সাধাৰণ নিয়মবোৰকে নজনা কাৰণে বছৰি আমাৰ কিমান মনুহে অকালতে জহনী, বসন্ত আদি সংক্ৰামক ৰোগত প্ৰাণ হেৰুৱায়, তাক নজনা মানুহ নাই। মাউৰৰ সময়ত কেতিয়াবা গাওঁলৈ গৈ গাঁৱলীয়া মানুহৰ অৱস্থা চালেই গাওঁৰ প্ৰকৃত অৱস্থা বুজি পাব। আমি অলপ লেখা পঢ়া শিকি Shakespere Milton, Burke পঢ়িয়েই বছৰি সাহিত্য, সমাজ, স্বদেশ বুলি চিঞঁৰি থাকিলে একো লাভ নহয়, যদি আমাৰ দেশৰ ধৰণী অসমীয়া বাইজৰ দুখ দুৰ্গতিৰ প্ৰতিকাৰ কৰিব নোৱাৰোঁ। জাতীয় সম্পদৰ ভিতৰত সাহিত্য সম্পদেই শ্ৰেষ্ঠ সম্পদ। এই বিষয়ত ঋষি মুনি আদিৰো মতভেদ নাই; সৰ্ব্ব সাধাৰণৰ মতৰ সম্পূৰ্ণ মিল। ধন -জন, যশ-মান, ঐশ্বৰ্য্য-বিভূতি, জ্ঞান-গৰিমা আদি যত মানে সম্পদ আছে সকলোৰে প্ৰকাশ সাহিত্যত। এই সবাৰো সাধন আৰু সিদ্ধিৰ হেতু সাহিত্য।

মনৰ ভাব প্ৰকাশ কৰিবৰ নানান উপায় আছে, কিন্তু তাৰ ভিতৰত শ্ৰেষ্ঠ উপায় ভাষা। মনোবৃত্তিৰ উৎকৰ্ষ সাধনৰ লগে লগে ভাবৰ বিস্তাৰ হয়, আৰু সেই ভাব প্ৰকাশৰ শ্ৰেষ্ঠতম উপায় ভাষাৰো উন্নতি সাধিত হয়। যি জাতিৰ ভাষা যিমান উন্নত আৰু মাৰ্জ্জিত,

সেই জাতিৰ ভাব আৰু আনুষঙ্গিক কাৰ্য্যও সেই পৰিমিতে উন্নত আৰু পৰিমাৰ্জ্জিত। নিজৰ মনোগত ভাব প্ৰকাশ কৰা আৰু পৰৰ ভাব গ্ৰহণ কৰাৰ কাৰণেই ভাষাৰ সৃষ্টি। ইয়াৰ দ্বাৰাই পৰস্পৰৰ ভাব সালসলনি কৰি লোক সঙ্ঘবদ্ধ হয় অৰ্থাৎ পৰস্পৰে পৰস্পৰৰ সঙ্গ লয়। ভাষাৰ সৃষ্টিৰ আগেয়েও মানুহ আৰু পশু-পক্ষী আদি জন্তুৱেও সঙ্গ লোৱা দেখা যায়। কিন্তু পৰিমাৰ্জ্জিত ভাষাৰে মনোভাব সালসলনি কৰিব পাৰিলে আৰু সেই মনোভাব মিলিলে সঙ্গ স্থায়ী আৰু মধুৰ হয়। ভাষাৰ বলত আৰু সহায়ত 'মই' ভাবৰপৰা 'আমি' ভাবৰ সৃষ্টি হয়। 'মই' আৰু 'মোৰ' ভাব থাকিলে 'তেওঁ' আৰু 'তেওঁৰ' ভাবো স্বীকাৰ কৰি কাম কৰিব লগা হয়। গতিকে 'মই আৰু মোৰ' ভাব থাকিলে 'তেওঁ আৰু তেওঁৰ' এই দুয়োভাব অটুট ৰাখি কি ভাবে কাম কৰিলে দুয়োৰো সুবিধা হব পাৰে তাৰ উপায় উলিয়াব লগা হয়। এই উপায় উলিওৱাৰ লগে লগে সমাজৰ সৃষ্টি হয়। এই সমাজ ৰক্ষাৰ কাৰ্য্যবিধিৰ নাম নিয়ম আৰু নীতি। 'মই'ৰ ক্ৰম বিকাশতে সমাজ আৰু সমাজৰ বিস্তাৰতে স্বদেশৰ উৎপত্তি। এই স্বদেশৰ প্ৰকাশ আৰু প্ৰচাৰতে সাহিত্যৰ আবিৰ্ভাব; আৰু সেই প্ৰকাশৰ ঘটনাৱলী লিপিবদ্ধ কৰাই ইতিহাস। গতিকে ইতিহাস সাহিত্যৰ এটা অঙ্গ মাথোন।

নিজৰ ভাষা চহকী কৰিলেই নহব। তোমাৰ ভাব পৰক জনাবলৈ হলে তেওঁকো সেই চহকী ভাষা শিকাব লাগিব। ভাবৰ আদান প্ৰদানৰ লগে লগে ভাষাৰো আদান প্ৰদান চলিব লাগিব। যিমানক তোমাৰ ভাষা শিকাই তোমাৰ ভাব লোৱাব পাৰিবা সিমানেই তোমাৰ সমাজ বহল হব। সমাজ যিমান শিক্ষিত হব, সেই সমাজৰ সাহিত্যও সেই পৰিমাণে চহকী হব। গতিকে দেখা যায় যি জাতি যিমান উন্নত, সেই জাতিৰ সাহিত্যও সেই পৰিমিতে পৰিপুষ্ট আৰু পৰিমাৰ্জ্জিত। এই কথা ওভোতাই কলেও সত্যতে থাকিব। অৰ্থাৎ যি জাতিৰ সাহিত্য যিমান পৰিপুষ্ট আৰু পৰিমাৰ্জ্জিত সেই জাতি নিশ্চয় সেই পৰিমাণে উন্নত। জাতীয় উন্নতি কৰিব খুজিলে সাহিত্যৰ উন্নতি কৰিবই লাগিব। নিজৰ মনৰ ভাব ভালকৈ বুজি নেপালে পৰৰ মনৰ ভাব [...] সেনেকৈ টান, নিজৰ ভাষা ভালকৈ শিকি নললে [...] ভাষা পৰক শিকোৱাটো টানেই, পৰৰ ভাষা শিক[...] টান। আই মাতৃৰ সুখ দুখৰ বাতৰি পাবলৈ [...] তেওঁৰ ভাষা জানিব লাগিব। অতি মহৎ হৃদয়ৰ লো[...] মুখলৈ চায়েই সেই দুখ সুখৰ বাতৰি লোৱা অস[...] নহলেও সৰ্ব্বসাধাৰণৰ পক্ষে অন্তৰৰ ভাব ভাষাত প্ৰক[...] নেপালে মাতৃভাষাৰে তাৰ বাতৰি নললে—জনা টান ক'ব পাৰে স্বৰ্গীয় উমেশচন্দ্ৰ বন্দোপাধ্যায় আদি মাতৃবৎ[...] স্বদেশ সেৱকসকলে মাতৃভাষাত পাৰ্গত নোহোৱাকৈ[...] মাতৃৰ সুখ দুখৰ আচল বাতৰি পাইছিল আৰু দুখ[...] সমবেদনা অনুভব কৰি প্ৰতিকাৰৰ অৰ্থে অহোপুৰুষ[...] কৰিছিল। কিন্তু দকৈ গমি চাওক—আচলতে তে[...] বিলাকে মাতৃৰ সুখ দুখৰ আচল বাতৰি পাইছিল নে[...] দেশৰ দুখ দুৰ্গতিৰ আচল বাতৰি জানিছিল নে? শি[...] দীক্ষাহীন ৰোগত জুৰুলা, খাবলৈ নেপাই হাড় ছা[...] ওলোৱা লৰাছোৱালীক বুকুত সাবটি লই মতৃৰ [...] আৰ্ত্ত আহ্বান তাক আচলতে শুনা হলে—তাক ভালকৈ[...] বুজি পোৱা হলে, সেই মৰ্ম্মভেদী বুকু-ভাঙি-ছিঙি নি[...] ভাষাৰ ভাব গ্ৰহণ কৰিব পৰা হলে, সেই সকল ম[...] পুৰুষে দেশ মাতৃৰ পৰিত্ৰাণৰ হেতু উলিয়াবৰ কাৰণে[...] আৰু ত্যাগ আৰু পুৰুষাৰ্থ কৰিলেহেঁতেন—নয়নে বাক[...] আমি কব নোৱাৰোঁ—ভাষা নাই। আমি বুজা[...] নোৱাৰোঁ আমাৰ ভষা বুজি নেপায়। শব্দ ব্ৰহ্ম-সেই শব্দ ধ্বনিত হৈ বাধা বিঘিনি অতিক্ৰম কৰি বি[...] ব্ৰহ্মাণ্ড ঘুৰি ফুৰিছে,—তাৰ ক্ষয় নাই, ব্যয় নাই। আজিৰ[...] বৈজ্ঞানিক সকলে প্ৰমান কৰিছে যে উপযুক্ত যন্ত্ৰ[...] সহায়েৰে সেই শব্দ য'তে ত'তে ধৰিব পাৰি শুনি[...] পাৰি আৰু তাৰ অৰ্থ বুজিব পাৰি। আমাৰো ব্যথিত[...] অন্তৰৰ ঘোৰ আৰ্ত্তনাদ আজি আকাশ পাতাল ঘুৰি[...] ফুৰিছে—ধৰোঁতা নাই, শুনোতা নাই—বুজোঁতা নাই[...] ঘুৰি ফুৰি উভতি আহি আকৌ নিজৰ বুকুকে খুন্দিয়াই[...] ভাঙি ছিঙি গুড়ি কৰিছে। আমি বুলি নহয়—সমু[...] ভাৰতৰেই সেই অৱস্থা। কিন্তু আমাৰ অৱস্থা এটাইতকৈ[...] বেয়া বুলিলে সৰহকৈ কোৱা নহব!



ভাষা হৃদয়গ্ৰাহী নহলে, হৃদয়ত স্পন্দন জন্মাব নোৱাৰিলে শব্দ শব্দই থাকি যায়; ভাষা শব্দ যোজন মাত্ৰ হয়, কবিতা শব্দৰ মিল সঙ্গীত হ্ৰস্ব দীৰ্ঘ মাত্ৰাৰ সুপৰিচালন পদ্ধতি—ইতিহাস লিপিবদ্ধ ঘটনা মাত্ৰ হৈ থাকে।

প্ৰত্যেক দেশৰ সাহিত্যৰ লগত জগত সাহিত্যৰ সম্পৰ্ক আছে। তাৰপৰা সম্বন্ধ ছিগিলে সাহিত্য সঙ্কীৰ্ণ হয় আৰু কালত লয় পায়। অসমীয়া সাহিত্যৰো সেই দৰে জগত সাহিত্যৰ লগত সম্বন্ধ ৰাখিব লাগিব। আন আন দেশত যিমান ভাবৰ উদ্ভৱ হৈছে তাক আমাৰ সাহিত্যলৈ আনিব লাগিব। অসমীয়া প্ৰাচীন কবিসকলে তেখেত সকলৰ সমসাময়িক সকলো সংস্কৃত পুথিৰ প্ৰাঞ্জল ভাঙনী আমালৈ এৰি থৈ গৈছে। অকল ভাঙনী কৰিয়েই সন্তুষ্ট হোৱা নাই; আন পুথিৰপৰা মূল ঘটনা লৈ নিজৰ কল্পনাৰ ৰহন সানি অপূৰ্ব্ব সাহিত্য সম্পদৰ সৃষ্টি কৰি থৈ গৈছে। এই কামৰ এটা উপায় অনুবাদ বা ভাঙনী। যি যি দেশৰ পণ্ডিতসকলে ন ন কথা উলিয়াই পুথি প্ৰকাশ কৰি জগতৰ জ্ঞানৰ উৎকৰ্ষ সাধন কৰিছে সেই পুথিবোৰ আমাৰ ভাষালৈ অনুবাদ কৰিব লাগিব। অনুবাদ কৰা সাহিত্য উন্নতিৰ এটা ঘাই কাম। পৃথিবীৰ উন্নত সাহিত্যবোৰলৈ চালেই ইয়াৰ প্ৰমাণ পোৱা যায়। ভিন্ ভিন্ সাহিত্যই পৰস্পৰৰ অনুবাদৰ দ্বাৰাই উদ্গতি সাধন কৰে। যি ভাষাই এই দৰে অনুবাদৰ সহায়েৰে জগতৰ জ্ঞানৰ ভঁৰাল নিজৰ কৰি লব নোৱাৰে, সেই ভাষা জগতত তিষ্টিব নোৱাৰে। যদি অসমীয়া সাহিত্য নামাৰি জীয়াই ৰাখিব খোজে তেন্তে ভিন ভিন দেশৰ জগৎ বিখ্যাত অমূল্য গ্ৰন্থবোৰ অনুবাদ কৰি ৰাইজৰ আগত প্ৰকাশ কৰিব লাগিব। জগতৰ আন আন উন্নত সাহিত্যই যি বাটেৰে গৈছে, সেই বাট অসমীয়া সাহিত্যইও শক্তি অনুসাৰে লব লাগিব। এই সাহিত্য সভায়ো কিছুমান তেনে ধৰণৰ পুথি বাছি লৈ অনুবাদ কৰি প্ৰকাশ কৰিলে অসমীয়া সাহিত্যৰ অশেষ কল্যান সাধন কৰা হব। আজি কালি বিজ্ঞানৰ যুগ। জগতৰ উন্নতশীল সাহিত্যবোৰ হেজাৰ হেজাৰ বৈজ্ঞানিক পুথিৰে চহকী। যি সাহিত্যত বিজ্ঞানৰ পুথি নাই সেই সাহিত্য অঙ্গহীন—সি কালৰ সোঁতত লয় পাব। এই ক্ষেত্ৰতো অনুবাদেই অৱলম্বন।

মাউৰৰ সময়ত সাধাৰণ স্বাস্থ্যবিধিৰ সৰল পুথি বিনামূল্য বিলাই দি আৰু কলেৰা, বসন্ত, আদি ব্যাধিবোৰ কেনেকৈ বিয়পি পৰে আৰু কি উপায়েৰে তাৰ প্ৰতিকাৰ কৰিব পাৰি এইবোৰ কথা ছায়া-চিত্ৰৰ সহায়েৰে ৰাইজক বুজাই দিব পাৰিলেহে স্বদেশৰ বা স্বজাতিৰ উন্নতি কৰা হব। আসাম সাহিত্য সভাই অসমীয়া ৰাইজৰ এই অভাৱ পূৰণ কৰিবলৈকো গাত লব লাগে। এই বিষয়ে প্ৰস্তাৱ উত্থাপন কৰিলেই কৰ্ত্তব্য শেষ নহব। ত্যাগ স্বীকাৰ কৰি একাণপতীয়াকৈ লাগিব লাগিব।

বিশুদ্ধ সাহিত্যত বাজে বিজ্ঞানাদি বিষয়ক অইন পুথি অনুবাদ কৰিবলৈ আমাৰ কিয় ভাৰতীয় আন্ আন্ ভাষাতো শব্দৰ নাটনি পৰে। সৰল ৰসায়ন বা বিজ্ঞানৰ পুথি এখন লিখিব লাগিলেই এই সমস্যা আহি পৰে। কিন্তু বিজ্ঞানৰ পুথিত যি শব্দ ব্যবহাৰ কৰা হৈছে সেইবোৰ আমাৰ ভাষাত সুমুৱাই লোৱাত মোৰ মতে কোনো আপত্তি থকা উচিত নহয়। শব্দবোৰ প্ৰথমে কিছুদিন কঠুৱা যেন লাগিব পাৰে, কিন্তু কিছুমান দিনৰ পিচত কাণত সজ্জ লাগিব। আমাৰ ঘৰুৱা আৰু ৰাজহুৱা জীৱনত অজস্ৰ ফাৰ্সী শব্দ সোমাইছে, কিন্তু সেইবোৰক অবাধে আমি ব্যৱহাৰ কৰি যাব লাগিছো। দোকান, বাকী, হিচাব, ওৱাশিল, মুনাফা, দেওৱানী, ফৌজদাৰী আদি শব্দই মোৰ কথাৰ প্ৰমাণ। বৈজ্ঞানিক পাৰিভাষিক শব্দ এক ভাষাৰপৰা আন ভাষাত সুমুৱাই লোৱা প্ৰথা আমাৰ দেশত আগৰ দিনৰ পৰাই চলি আহিছে। সংস্কৃতৰ জ্যোতিষ শাস্ত্ৰৰ ভালেমান শব্দ গ্ৰীকভাষাৰপৰা আহিছে। সেইবোৰ এনে ভাবে সংস্কৃতত সোমাই গৈছে যে এতিয়া দুয়োভাষা নজনা পণ্ডিতসকলে সেইটো কবই নোৱাৰে। আপোনালোকৰ কৌতুহল নিবাৰণ কৰিবলৈ এখনি শব্দ তালিকাৰপৰা কিছুমান শব্দ তুলি দিলোঁ। যেনে—সং, কোন, হোৰা, কেন্দ্ৰ, দ্ৰেক্কান, হেলি জামিত্ৰ ইত্যাদি ক্ৰমান্বয়ে গ্ৰীক Kronos, Hora, Kentron Dekanos Helios, Diametros ইত্যাদি শব্দৰ অপভ্ৰংশ ৰূপ মাথোন। আমাৰ জ্যোতিষী পণ্ডিতসকলে অবাধে এইবোৰ শব্দ ব্যৱহাৰ কৰি চলি আহিছে। আমাৰ ভাষাতো আমি

বৰ্ত্তমানেও কেতবোৰ ইংৰাজী শব্দ সুমুৱাই গৈছো— যেনে টেলিগ্রাফ, পোষ্টাফিছ, ইষ্টেচন, ৰেল ইত্যাদি। বৈজ্ঞানিক পুথিটো যদি একে প্রণালীৰেই আমি শব্দবোৰ সুমুৱাই লওঁ তেনেহলে হানি কি? অৱশ্যে কি ৰূপ আৰু কি আকাৰত শব্দ লোৱা যাব পাৰে সেইটো বিবেচনাৰ কথা। কেতবোৰ বিশেষজ্ঞ লোকৰ দ্বাৰা সেইটো সহজে কৰাই লব পাৰি। ব্যক্তিগত ভাবে এজন লেখকৰ পৰা নহৈ সাহিত্য সভাৰ দৰে এটা জাতীয় অনুষ্ঠানৰপৰা পাৰিভাষিক শব্দৰ তালিকা প্রস্তুত হলে সেইটো অসঙ্কোচে জাতীয় পাৰিভাষিক ভাষা বুলি স্বীকৃত হব পাৰিব।

কি সাহিত্য, কি সমাজ, কি ৰাজনীতি এটাইবোৰ কামতে বুৰঞ্জী-জ্ঞানৰ আৱশ্যক। আমি অতীত কালত কেনে আছিলোঁ তাক জানিবলৈ হেপাহ মানুহৰ চিৰকাল থাকিব। অতীতত আমাৰ দেশৰ অৱস্থা কেনে আছিল, বৰ্ত্তমানত কেনে হৈছে—তাক ভালকৈ নেজানিলে কোনো কামতে হাত দিব নোৱাৰি। মৃতপ্রায় পতিত জাতিৰ একমাত্র সঞ্জীৱনী-সুধা হৈছে সেই জাতিৰ অতীত বুৰঞ্জীৰ উদ্ধাৰ আৰু অধ্যয়ন। দেশাত্মবোধ জগাবৰ এটাইতকৈ ভাল উপায় হৈছে বুৰঞ্জী জনা। আমাৰ দেশৰ স্বদেশ প্রেমিক বীৰসকলৰ বীৰত্ব কাহিনিয়ে আপোনাৰ মনত প্রভাৱ বিস্তাৰ নকৰাকৈ নোৱাৰে। সেই কাৰণেই বোধ কৰোঁ মহাত্মা তিলকে "শিৱাজী উৎসৱৰ" পুনৰ প্রতিষ্ঠা কৰিছিল। সৰহ কৰ নেলাগে আসাম যে মুঠেই এশ বছৰ আগেয়ে স্বাধীন ৰাজ্য আছিল, এই কথা ভাবিলে মনতে আপোনাৰ হিয়া আনন্দত উপচি নুঠেনে? আপুনি অন্তৰত বল নেপায়নে? অৱশ্যে বুৰঞ্জী মানে আমাৰ স্কুল কলেজত শিক্ষা দিয়া বুৰঞ্জীৰ কথা কোৱা নাই। সেইবোৰ বুৰঞ্জী নহয় বুৰঞ্জীৰ সজাহে। ৰজা আৰু ৰাজবংশৰ তালিকাক বুৰঞ্জী বোলা যেনে, আপোনাৰ ঘৰ সজা বাঁহ, খেৰ, কাঠ আদিক ঘৰ বুলি কোৱাও তেনে। দেশৰ আৰু সমাজৰ প্রকৃত অৱস্থা, ৰাইজৰ প্রকৃত অৱস্থা, দেশৰ অৰ্থনৈতিক ৰাজনৈতিক সকলো কথাৰে পুঙ্খানুপুঙ্খৰূপে আলোচনা থাকিলেহে প্রকৃত বুৰঞ্জী হব। এই ধৰণৰ বুৰঞ্জীৰ পৰাহে দেশৰ কল্যাণ সাধিত হব। অপ্রাসঙ্গিক নহলে এইখিনিতে আমি এটি কথাৰ অৱতাৰণা কৰিব খোজোঁ। 'দেশাত্মবোধ' এটা যে প্রত্যক্ষ বস্তু তাক বহুতে হয়তো স্বীকাৰ কৰি নুখুজিব। ইমান দিন পৰাধীন থাকি আমাৰ আত্মস জ্ঞানটো কমি আহিছেই—স্বদেশ বোধো একেবা লোপ পাইছে। এজন বিদেশীয়ে 'অসমীয়া কাপু বুলি এই সভাৰ আগতে কৈ গলে মই ডাঠি কব পা এই কথাৰ তাৰ মুখৰ ওপৰতে প্রতিবাদ কৰি য়ুঁজত অসমীয়া যে কাপুৰুষ নহয় এই কথা হাতে কা প্রমাণ কৰি দিবলৈ খুব কম অসমীয়া ডেকা লৰ ওলাব। অৱশ্যে বাতৰি কাকতত আন্দোলন ক প্রতিবাদ সভা কৰোঁতা মানুহৰ নাটনি নহয়। সাহি সভাৰ বাবে এই কথা অলপ অপ্রাসঙ্গিক হলেও, কথা কোৱাৰ মোৰ উদ্দেশ্য আছে; কাৰণ জাতি ভাবৰ লগত জাতীয় সাহিত্যৰ অঙ্গাঙ্গী সম্বন্ধ। ইটো আলম লৈহে সিটো উধাব পাৰে। ইংলণ্ডৰ বুৰঞ্জী চালে ইয়াৰ ফটফটীয়া প্রমাণ পাব। এলিজাবেথৰ সম ইংলণ্ডৰ বিস্তাৰ-যুগ। বেহা-বেপাৰ শিল্প-কলা, ধন-সম্প ৰাজ্যবিস্তাৰ সকলো পিনে ইংৰাজে জগতৰ ভিত অগ্রগণী বোলাইছিল। অথচ ঠিক সেই সময়তে ইংৰ সাহিত্যৰ এটা গৌৰৱময় যুগৰ সৃষ্টি হৈছে। জাতি ভাবৰ অনুপ্রাণতা নেপালে জাতীয় সাহিত্যৰ সৃষ্টি নোৱাৰে। লাগতিয়াল আহিলাপাতি গোটাই অসমীয়া জাতিৰ এখন সম্পূৰ্ণ বুৰঞ্জী লিখিবলৈ ইমান যো-যা কৰা আৱশ্যক হৈ পৰিছে।

আন আন দেশৰ বুৰঞ্জীত দেখা যায় যে, কো এজন প্রতিভাশালী লিখক বা কবিৰ, দেশী বা বিদে কোনো কবি বা লিখকৰ গ্রন্থৰ লগত পৰিচয় হবে তেওঁৰ প্রতিভা জাগি উঠে। এজন ইংৰাজৰ ক এসময়ত এজন ডাক্তৰৰ কম্পাউণ্ডৰ হৈ আছিল। হঠ এদিন বন্ধু এজনৰ হাতৰপৰা বাগৰি আহি এ পুৰণি কবিৰ পুথি এখন তেওঁৰ হাতত পৰিল সেইখন পঢ়াতেই লৰাৰ প্রতিভা জাগি উঠিল। কম্পাউণ্ড গুচি লৰা সময়ত বৰ বিখ্যাত কবি হৈ উঠিল।

জাৰ্ম্মাণীৰ বিখ্যাত কবি এজনৰ স্কুলীয়া লৰা অৱস্থাতে চেক্সপীয়েৰৰ বচন সংগ্রহাৱলী এখন হাতত পৰিল



তাৰ পিচৰ পৰাই তেওঁৰ মনত ভাবৰ যি চাকনৈয়া সোমাল তাৰ ফলতেই তেওঁ আজি জগতৰ মনিষী সকলৰ ভিতৰত লেখৰ এজন।

আধ্যাত্মিক ক্ষেত্রত যেনেকৈ একোজন মহাপুৰুষৰ সংসৰ্গত বা তেওঁৰ শিক্ষাৰ প্রভাৱত একোজন নগণ্য মানুহ হঠাৎ অনুপ্রাণিত হৈ আধ্যাত্মিকতাৰ মনিব নোৱাৰা ওখ থাপলৈ উঠে, তেনেকৈ চিন্তা আৰু মানসিক ক্ষেত্রতো মহাভাৱৰ স্পৰ্শত হঠাৎ একোজন চিন্তাশীল বা ভাবুক কবি বা গ্রন্থকাৰ ওলাই পৰে।

জাতীয় জীৱনত অনুকূল চিন্তাৰ প্রবাহ বৰলৈ ধৰিলে, বিশুদ্ধ বায়ু পানীৰ সংযোগত শ্যামল শস্য হোৱাৰ দৰে সুচিন্তা আৰু মহত্ভাৱৰ স্ফুৰণ হয়। দেশ বিদেশৰ বুৰঞ্জীত ইয়াৰ অলেখ পটন্তৰ আছে। শ্রীযুত ৰবীন্দ্রনাথ ঠাকুৰ আজি জগৎপূজ্য কবি। আপোনালোকে বোধ কৰোঁ স্বীকাৰ কৰিব যে তেখেতৰ কল্পনাৰ প্রধান প্রেৰণা ভাৰতৰ বেদ, উপনিষৎ, পুৰাণ, ইতিহাস, কবিৰ, তুলসীদাস আদি সন্তসকলৰ সহস্র চিন্তা প্রবাহৰ পৰা উদ্ভূত।

কিন্তু এইটোও নকৈ নোৱাৰি যে কেতিয়াবা কেতিয়াবা প্রতিভা প্রতিকূল অৱস্থা অতিক্রম কৰিও ফুটি উঠে। যি হওক মোৰ প্রতিপাদ্য বিষয় এইটোহে যে, যকৰা জীৱনৰ দৰে, জাতীয় জীৱনো ভাবসঙ্কুল নহলে চিন্তা বা প্রতিভাৰ স্ফুৰণ সহজে হৈ নুঠে। গুনোতা নহলে বক্তা নোলায়, জাতিৰ ভিতৰত ভাবপ্রৱণতা বা ভাবগ্রাহীতা নহলে ভাবুক বা চিন্তাশীল মানুহৰ অভ্যুদয় নহয়। মোৰ বিশ্বাস জাতিৰ ভিতৰত এই চিন্তা প্রৱণতা বা ভাবগ্রাহীতা ওপজোৱা সাহিত্য সভাৰ নিচিনা অনুষ্ঠানৰ প্রধান কাম।

এই উদ্দেশ্য সফল কৰিবলৈ সাহিত্য সভাই আমাক দেশ বিদেশৰ নানান প্রতিভাশালী পুৰুষসকলৰ মনৰ সংসৰ্গলৈ আনিব লাগে। তেওঁলোকৰ অমূল্য গ্রন্থৰাজিৰ অনুবাদ, বা সেইটো সম্প্রতি অসম্ভৱ যেন হলে, তেওঁলোকৰ ভাবৰাশিৰ সংগ্রহ আদি প্রকাশ কৰাব লাগে। জগতৰ ডাঙৰ বীৰ, চিন্তাশীল মনস্বী আৰু স্বদেশ প্রেমিক পুৰুষ সকলৰ জীৱন চৰিত উলিয়াব লাগে। উন্নত জাতিসকলৰ বুৰঞ্জী—বিশেষকৈ তেওঁলোকে কি কি আদৰ্শ আগত লৈ আৰু কি কি প্রণালী অৱলম্বন কৰি ডাঙৰ আৰু উন্নত হ'ল—এইবোৰ কথা পোনপটীয়াকৈ সৰল ভাবে লিখাই উলিয়ালে আমাৰ অশেষ কল্যাণ হব। আমাৰ ভাষাত এতিয়াও গ্যাৰিবাল্ডি নেপোলিয়ান, চিজাৰ, হানিব্যাল এনে কি ৰাণা প্রতাপ, শিৱাজী, চিলাৰায় আদি আমাৰ জগতবৰেণ্য বীৰ পুৰুষসকলৰ চৰিতাভাস পৰ্য্যন্ত নাই। ইংৰাজী নজনাৰ ভিতৰত কম মানুহেহে এওঁলোকৰ নাম শুনিছে। আধুনিক উন্নত জাতি ইংৰাজ, জাৰ্ম্মান, আমেৰিকা, জাপান আদি কেনেকৈ ইমান ডাঙৰ হ'ল— সেইবোৰৰ বিৱৰণ আমাৰ ভাষাত পাবলৈ নাই।

সেই দৰে বিখ্যাত মনস্বী লিখক আৰু ভাবুকসকলে কি ত্যাগ, কি চেষ্টাৰ ভিতৰেদি সাধনাত সফল হ'ল— এইবোৰ নেজানিলে আমাৰ জাতীয় মন টনকীয়াল হৈ উঠিব নোৱাৰে।

সাহিত্য শব্দটোৱেই এটি সমষ্টি বা সংহতি বুজায়। সমাজ বা জাতিক অতিক্রম কৰি কোনো সাহিত্য হবই নোৱাৰে। সেই কাৰণে নাট, উপন্যাস, গীত, কবিতা আদি জাতীয় বা সামাজিক ৰীতি নীতি, আচাৰ ব্যৱহাৰ, চলন-ফুৰণ, গৌৰৱ বা হীনতা—ইত্যাদি কথা লৈহে বৰ্ত্তিব পাৰে। সাহিত্যৰ কথা, বস্তু, ৰসৰ স্ফুৰণ ইত্যাদি সাজ সঁজুলি আমাৰ সমাজৰ আভ্যন্তৰিক জীৱন-প্রবাহৰ পৰা গোটাব লাগে। নহলে সাহিত্য সুন্দৰ, স্বাভাবিক আৰু মৰ্ম্মস্পৰ্শী হবই নোৱাৰে। অৱশ্যে এইটো কোৱা মোৰ উদ্দেশ্য নহয় যে, চলিত সামাজিক বা জাতীয় ভাবক পিচ পেলাই কোনো সাহিত্য হব নোৱাৰে। এইবোৰ সাহিত্যক আমি আদৰ্শাত্মক সাহিত্য বুলি কম।

এইটো কলে বৰ বঢ়াই কোৱা নহব যে বৰ্ত্তমান কালত আমাৰ দেশত সাহিত্য খেমালিৰ বস্তুহে হৈ আছে, সাধনাৰ বস্তু হোৱা নাই। আজি কালিৰ দিনত সাহিত্য প্রচাৰৰ Medium হৈছে মাহেকীয়া আলোচনাৰ কাকত। আমাৰ দেশত মাহেকীয়া কাকত ওলাই আছে মৰি আছে। কোনোখন থিতাপি লাগি থাকিব পৰা নাই। ইয়াৰ প্রধান কাৰণ চিন্তাশীল লেখক আৰু সহানুভূতি দেখুওৱা পঢ়োঁতাৰ অভাৱ। কিন্তু ইয়াৰ লগতে এইটোও উল্লেখযোগ্য যে আগতকৈ আজি কালি ভালে-

মান পুথি দিনে দিনে প্ৰকাশ হব ধৰিছে। এইটো আশাপূৰ্ণ কথা যে আমাৰ দেশৰ শিক্ষিত সম্প্ৰদায়ে লেখা পঢ়া আদি মানসিক বস্তুৰ ফালে ধাউতি দেখুৱাব লাগিছে। কিন্তু বেচিভাগ কিতাপৰ ৰচনাতেই লৰালৰিৰ ছাব একোটা পৰি থাকে। ৰচনাত লেখকে যিমানখিনি চিন্তা আৰু পৰিশ্ৰম কৰা উচিত আছিল তিমানখিনি কৰা নাই যেন লাগে। এইটোও মন কৰিব লগীয়া যে কিতাপ বা প্ৰবন্ধ ৰচনা কৰাত যি চিন্তা আৰু পৰিশ্ৰম লাগে বুলি কৈছোঁ, সেইটো প্ৰায়েই স্বেচ্ছাকৃত হব নোৱাৰে। পদ্মফুলৰ ঠাৰি পানীৰ ওপৰত যিমান খিনি ওলাই থাকে, পানীৰ তলত তাতকৈ বেচি সোমাই থাকে। আমাৰ গ্ৰন্থকাৰসকলৰো লেখাত যিমান খিনি বিদ্যাবত্তা সৌন্দৰ্য্যজ্ঞান বা ভাষাৰ ওপৰত আধিপত্য প্ৰকাশ পায়, তেওঁলোকৰ অন্তৰত তাতোকৈ বেচি জমা থাকিব লাগে। কিন্তু সাধাৰণতঃ যিবোৰ কিতাপ আমাৰ ভাষাত প্ৰকাশ হৈছে, সেইবোৰে গ্ৰন্থকাৰ সকলৰ এই গুৰুভাৱৰ পৰিচয় নিদিয়ে। বহুত গ্ৰন্থকাৰৰ পক্ষে এখনৰ পিচত আৰু এখন গ্ৰন্থ লিখিবৰ ভাব আৰু ভাষা নাইকিয়া যেন হয়। ইয়াৰ প্ৰধান কাৰণ পঢ়া আৰু চিন্তাৰ অভাৱ। গ্ৰন্থ আৰু প্ৰবন্ধ আদি প্ৰণয়ন কৰিবলৈকো কঠোৰ পঢ়া আৰু চিন্তাৰ আৱশ্যক হয়। আমাৰ বহুত শিক্ষিত ডেকায়ো সেইটো উপলব্ধি নকৰে। তেওঁলোকে ভাবে যে পঢ়াশুনাত কঠোৰ পৰিশ্ৰম কেৱল য়ুনিভাৰ্সিটীৰ পৰীক্ষা পাচ কৰিবলৈ হে লাগে। স্কুল বা কলেজৰ পৰা ওলাই আহি অইন কাম কৰাৰ লগে লগে তেওঁলোকে গ্ৰন্থ ৰচনা আদি কামত হাত দিয়ে। সাহিত্য সাধনাত যে পৰীক্ষা পাচ কৰাতকৈয়ো বেচি পঢ়াশুনা লাগে সেইটো তেওঁলোকে নাভাবে। সামাজিক বা ৰাজনৈতিক ক্ষেত্ৰত দেশসেৱা কৰিবলৈ যেনেকৈ ত্যাগ আৰু কঠোৰ সংযম লাগে, সাহিত্যৰ ভিতৰেদিও দেশ সেৱা বা বিশ্বমানৱৰ সেৱা কৰিবলৈকো ত্যাগ আৰু পৰিশ্ৰম লাগে। যেনেকৈ প্ৰকৃত দানৰ নিমিত্তে ধন আৰু মন দুয়োৰে প্ৰাচুৰ্য্য লাগে, সাহিত্যৰ ভিতৰেদি যি দান তাৰ নিমিত্তে জ্ঞান আৰু মনৰ উৎকৰ্ষসাধন আৱশ্যক।

ইংৰাজ কবি ব্ৰাউনিঙৰ চৰিত্ৰত আছে যে [...] যেতিয়া তৰুণ বয়সতেই কবিতা লিখিব বুলি মন [...] কৰিলে, তেতিয়াই তেওঁ Dr. Jhonson এ লিখা ইংৰা[...] ভাষাৰ অভিধানখন কণ্ঠস্থ কৰি ললে। প্ৰত্যে[...] সাহিত্যিকেই নিজে নিজে কেতবোৰ বিশ্ববৰেণ্য ক[...] বা গ্ৰন্থকাৰৰ পুস্তকাৱলী ভালকৈ পঢ়ি নিজৰ মন উন্ন[...] কৰি লব লাগে। তেওঁলোকৰ ভাব আৰু ভাষাৰ প্ৰণা[...] পৰ্য্যবেক্ষণ কৰি নিজ নিজ মন গঢ়ি লব লাগে। ল[...] লগে ভ্ৰমণ, চিন্তা, পাৰিপাৰ্শ্বিক আদিৰ বিশ্লেষণ ক[...] মানৱ চৰিত্ৰৰ জটিল ৰহস্যবোৰ হৃদয়ঙ্গম কৰি [...] লাগে। এইখিনি সম্বল গোটাই লৈ সাহিত্যক্ষেত্ৰ[...] অৱতীৰ্ণ হলে ভাষা অবলীলা গতি আৰু ভাবৰ অফুৰ[...] প্ৰবাহৰ পৰিচয় ছত্ৰে ছত্ৰে ফুটি ওলাব। দকৈ না[...] খান্দি ললে পানীৰ অভাৱ নহয়, সেইদৰে দকৈ [...] এবাৰ চহাই ললে ভাব আৰু ভাষা আপোনাআপুনি [...] আহি থাকে। প্ৰত্যেক উন্নত জাতিৰ সাহিত্যতেই ভা[...] আৰু ভাষাৰ এটি ক্ৰমবিকাশ পোৱা যায়। ইয়া[...] কাৰণ—এক যুগৰ লেখকসকলে আগৰ যুগৰ লেখকসকলে[...] যত শেষ কৰে তাৰ পৰা আৰম্ভ কৰে। দ্বিতীয়ত[...] জাতীয় জীৱন ক্ৰমবিকাশশীল, আৰু সাহিত্য জাতী[...] জীৱনৰ অনুৰূপ হোৱাৰ কাৰণেই ইয়াতো বিকাশ[...] বেলেগ বেলেগ স্তৰ দেখিবলৈ পোৱা যায়।

য়ুৰোপীয় সাহিত্যিকসকলে প্ৰথমেই গ্ৰীক আৰু লাটি[...] ভাষাৰ সাহিত্যবোৰ মূল ভাষা বা অনুবাদত পঢ়ি লয়[...] আমাৰ দেশৰ সাহিত্যিকসকলেও অতি কম পক্ষে[...] ৰামায়ণ, মহাভাৰত আৰু ভাগৱত আদি কেতবোৰ সংস্কৃ[...] পুৰণি গ্ৰন্থ পঢ়ি লোৱা উচিত। সংস্কৃত জনাবোৰে মূ[...] ভাষাত আৰু নজনাবোৰে আমাৰ ভাষাত থকা অনুবা[...] গ্ৰন্থবোৰ পঢ়ি লৈ নিজৰ আৰু আন আন দেশৰ শ্ৰে[...] লেখকসকলৰ গ্ৰন্থবোৰ আয়ত্ত কৰি ললে আমাৰ বৰ্ত্তমান সাহিত্যত আমি যিবোৰ দোষৰ কথা উলুকি[...] য়াইছোঁ সেইবোৰ ততালিকে নাইকিয়া হব।

আমাৰ সাহিত্য সভাই যে সাধাৰণ ভাৱে ওপৰ[...] উলুকিওৱা কিছু কাম হাতত লৈছে সেইটো দেখি আমি সুখী হৈছোঁ। যোৱা কেই বছৰত প্ৰতিযোগীতাৰ দ্বাৰা



পুথি লিখাই গ্ৰন্থকাৰসকলক পুৰস্কাৰ দিয়া হৈছে। কিন্তু কেতবোৰ বিষয়ত প্ৰতিযোগীতাৰ দ্বাৰা কাম নহয়। আমি দেখিছোঁ—"সৰল ৰসায়ন শিক্ষা" বুলি কিতাপ এখন প্ৰতিযোগীতাৰ দ্বাৰা লিখাবলৈ সাহিত্য সভাই চেষ্টা কৰিও ইমান দিনে কৃতকাৰ্য্য হব পৰা নাই। এনে ধৰণৰ কিতাপবোৰ বিশেষজ্ঞ দুই এজনক অনুৰোধ কৰি লিখিবালে প্ৰতিযোগীতাৰ প্ৰণালীতকৈ হে সুঠে। ওপৰত আমি জাতীয় সংগঠনৰ অনুকূল যেনেবোৰ কামৰ সাধাৰণ বিবৰণ দিছোঁ সেইবোৰ কাম কৰিবলৈ অৰ্থ সংগ্ৰহ লাগে। ভাৰতৰ আন আন জমীদাৰপ্ৰধান প্ৰদেশ-বোৰত জমীদাৰসকলে ধন দান কৰি জাতীয় প্ৰচেষ্টাৰ বাট মুকলি কৰি দিয়ে। আমাৰ দেশত জমীদাৰ নাই, যি দুই এজন আছে তেওঁলোকেও নিজৰ মাতৃভাষাকেই অস্বীকাৰ কৰিব খোজে। কাজেই ৰাজহুৱা কাম ৰাইজৰ দানৰ পৰা নহলে হোৱাটো অসম্ভৱ। এই বিষয়ত ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ সকলোৰে শলাগৰ পাত্ৰ। আন আন দুই এজনেও সাহিত্যৰ উন্নতিৰ অৰ্থে দান কৰি আমাৰ চিৰ শলাগৰ ভাজন হৈছে। কথা সামৰণিৰ পূৰ্ব্বে মই আজি এটি অপ্ৰিয় সত্যৰ উল্লেখ নকৰি নোৱাৰিলোঁ।

গুৱালপাৰা জিলাৰ অধিবাসী যে অসমীয়া নহয় তাক কোৱা শুনা নাই, কিন্তু তেওঁলোকৰ ভাষা যে অসমীয়া নহয় এই কথা প্ৰতিপন্ন কৰাৰৰ বিশেষ চেষ্টা চলিছে—তাক স্পষ্টকৈ দেখা যায়। ধুবুৰীত বহা যোৱা সাহিত্য সভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি মেছপাড়াৰ জমীদাৰ শ্ৰীযুত ৰবীন্দ্ৰনাৰায়ণ চৌধাৰী ডাঙৰীয়াই তেওঁৰ অভিভাষণত কোৱা "মোৰ ভাষা—অসমীয়া নহয়" এই কথাকে খামুচি ধৰি আৰু তাকেই বিশেষ প্ৰমাণস্বৰূপ দাখিল কৰি গুৱালপাৰা জিলাত বঙ্গলা ভাষা চলোৱা উচিত বুলি কিছু গণ্যমান্য লোকে প্ৰজা সাধাৰণৰ ভিতৰত আন্দোলন কৰা কথা আমি দেখিছোঁ আৰু শুনিছোঁ। গবৰ্ণমেণ্টকো সেই মৰ্ম্মে আবেদন নিবেদন কৰা কথা শুনা গৈছে। যি মন কৰে তেওঁ বঙ্গালী শিকাত বা কোৱাত কাৰো আপত্তি কৰা উচিত নহব; কিন্তু গুৱালপাৰা জিলাৰ অধিবাসীসকলৰ মাতৃভাষা বঙ্গলা বুলি কলে তাত আমি দোৰ্ঘোৰ প্ৰতিবাদ নকৰি নোৱাৰিম। শ্ৰীযুত ৰবীন্দ্ৰনাৰায়ণ চৌধাৰীয়েও তেওঁৰ মাতৃভাষা বাঙলা বুলি কোৱা নাছিল। বঙলা ভালকৈ কব নোৱাৰা, ইংৰাজীতে চিঠি পত্ৰ লেখা, অনেকে লৰাছোৱালীৰে সৈতেও হিন্দুস্থানী বা ইংৰাজীতে কথাবাৰ্ত্তা কোৱা বহুতো ভাৰতবাসী আছে বুলি সকলোৱে জানে। সেই দেখিয়েই তেওঁবিলাকৰ মাতৃভাষা বঙলা বা হিন্দী নহয় বুলি কোৱা শুনা নাযায়। দুই চাৰি দিন বিলাতত বাস কৰা ভাৰতবাসীয়ে ইংলণ্ডক 'Home' হোম (নিজ ঘৰ) বোলা মাজে সময়ে শুনা গৈছিল। কিন্তু আজি কালি সেই বিষয়ে আত্মসম্মান বোধহীন মানুহ নাই বুলিলেই হয়। সকৰে পৰা বিদেশী ভাষা শিক্ষা, সমূলি মাতৃভাষা নজনা স্বৰ্গীয় কবি মাইকেল মধুসূদন দত্তয়ো যদি আদহীয়া বয়সত মাতৃভাষা শিকা উচিত বুলি ভাবিছিল, পণ্ডিত ৰাখি মাতৃভাষা শিকিছিল আৰু শিকি বঙ্গ সাহিত্যৰ জেউতি চৰাই বঙ্গ জননীৰ মুখ উজ্জ্বল কৰিব পাৰিছিল, অসমীয়া নজনা মাতৃবৎসল গুৱালপাৰাবাসী সকলেও এদিন মাতৃভাষা শিকি অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি কৰি আসাম মাতৃৰ চকুলো মচিব, তাত মোৰ সন্দেহ নাই। এই সদ্ কামত প্ৰান্তবাসী, বঙ্গবাসী আৰু ভাৰতবাসীৰো সহায় পাম বুলি আশা কৰিছোঁ। আসাম প্ৰবাসী বঙ্গালী আৰু অসমীয়াৰ ভিতৰত ক্ষুদ্ৰ স্বাৰ্থ ঘটিত বিৰোধ নাই বুলি কলে সঁচাত নৰব। কিন্তু জাতীয়তা জ্ঞানৰ লগে লগে ক্ষুদ্ৰ স্বাৰ্থ লয় পাব আৰু প্ৰাদেশিক অধিকাৰৰ সামঞ্জস্য হৈ সাম্য মৈত্ৰীভাব অনুষ্ঠিত হব বুলি মোৰ দৃঢ় বিশ্বাস। এই প্ৰসঙ্গতে আৰু এটি দুখৰ কথা নকৈ নোৱাৰিলোঁ।

আসাম জননীৰ বৰ্ত্তমান দুৰ্ভাগ্য আৰু দুৰৱস্থা দেখি জনদিয়েক প্ৰান্তবাসীৰ পৰামৰ্শত গুৱালপাৰা আৰু ধুবুৰীবাসী কেইজনমান সুযোগ্য পুত্ৰয়ো আজি তেওঁক এৰি সুভগা বঙ্গজননীৰ ওচৰ চাপিবলৈ মন মেলিছে। ভাতৃভাৱেৰে তেওঁবিলাকক সাৱটি ধৰি আসাম আইৰ অন্তৰত বৈ থকা চেনেহৰ নিজৰাৰ পবিত্ৰধাৰা দেখুৱাই তেওঁলোকক ঘৰ এৰি অঘৰি নহবলৈ সাহিত্য সভাৰ জৰিয়তে কাকুতি মিনতি কৰিব লাগিব। যদিও তেওঁ-

বিলাকে বঙ্গজননীৰ সম্পদলৈ চাই দুখত ম্ৰিয়মান আইক এৰি যাবলৈ ওলাইছে তথাপি আইৰ সাদৰী মাত শুনিলে তেওঁলোকৰ হিয়া পমি যাব, তেওঁলোকেই আগ বাঢ়ি আইৰ লাজ, আইৰ দুখ গুচাবৰ কাৰণে অহোপুৰুষাৰ্থ কৰিব বুলি মোৰ ধ্ৰুব বিশ্বাস। সাহিত্য সভাই আসাম জননীৰ সাদৰী মাত গুৱালপাৰা, ধুবুৰী নহয়, কুচবিহাৰ, ৰঙ্গপুৰ আদি ঠাইৰ আইক এৰি যোৱা, পাহৰি থকা পুত্ৰসকলকো শুনাব লাগিব। যখন চেনেহ বিলাই তেওঁবিলাকক স্বদেশলৈ, আই মাতৃৰ কোলালৈ আনিব লাগিল। আইৰ সাদৰী মাত, কাতৰ আহ্বা ছন্দ বন্ধ গ্ৰন্থ গীত আদি শতমুখী সাহিত্য সাধনাৰ দ্বাৰ দেশবিদেশ প্লাবিত কৰিব লাগিব। আসাম মাতৃৰ যে ব্ৰহ্মপুত্ৰৰ হিয়া ওপচাই গঙ্গা যমুনাক হিয়াত সানি সমুদ্ৰৰ বিশাল বক্ষ উত্ৰাৱল কৰি তুলিব লাগিব। যে আই মাতৃৰ মুখ উজ্জ্বল হব, তেহে সাহিত্য সভা সাৰ্থকতা হব, তেহে এই আসামতেই "দেবা: য মিচ্ছন্তি"—এই ঋষিবাক্যৰ সাৰ্থকতা প্ৰতিপন্ন হব।

শ্ৰীতৰুণৰাম ফুকন

---

# আদৰণী সমিতিৰ সভাপতিৰ অভিভাষণৰ বিষয়ে একেষাৰ।

এইবাৰ গুৱালপাৰ সাহিত্য সম্মিলনৰ আদৰণী সমিতিৰ সভাপতি, আমাৰ শ্ৰদ্ধাস্পদ খ্যাতনামা জমীদাৰ শ্ৰীযুত ভোলানাথ চৌধাৰী মহাশয়ৰ অভিভাষণটি অতি বিতোপন আৰু উপাদেয় হৈছে। এই চুটি অভিভাষণটিৰ প্ৰতি শাৰীতে সিদ্ধহস্ত সাহিত্যিকৰ চিনাকি পোৱা যায়। মাৰ্জ্জিত আৰু প্ৰাঞ্জল ভাষাৰ ইয়াক সুন্দৰ চানেকি বুলিলেও একো বঢ়াই কোৱা নহয়। তদুপৰি ইয়াৰ কথাখিনি বৰ মধুৰ আৰু সাৰুৱা। কব লগীয়া সকলোখিনি মনৰ ভাব অলপ কথাতে সুন্দৰৰূপে আৰু শুৱলাকৈ প্ৰকাশ হৈ পৰিছে। মুঠতে, অভিভাষণটি, আমাৰ সুযোগ্য, বয়সীয়াল, বহুদৰ্শী আৰু অভিজ্ঞ নেতা শ্ৰীযুত চৌধাৰী ডাঙৰীয়াৰ সম্পূৰ্ণ ৰূপে উপযুক্ত হৈছে।

চৌধাৰী মহাশয়ে প্ৰথমতে কৈছে, "মোৰ বয়স আৰু অযোগ্যতা দুয়োলৈকে চাই, মোৰ সকলো ত্ৰুটী মাৰ্জ্জনা কৰিবলৈ আপোনালোকক বিনীত ভাবে অনুৰোধ কৰিলোঁ।" ইয়াৰ দ্বাৰাই অৱশ্যে তেখেতৰ সৌজন্য প্ৰকাশ পাইছে। কিন্তু আমি দেখোতে হলে, তেখেতৰ বয়স আৰু বহুদৰ্শিতাৰ গুণেই, তেখেতে লোৱা ভাৰ লবৰ কাৰণে, গুৱালপাৰ জিলাত তেখেততকৈ যোগ্যতাৰ লোক কোনো নাই।

চৌধাৰী মহাশয়ৰ তলত লিখা কথাকেষাৰৰ এ আপত্তিও কোনেও নহয় বুলিব নোৱাৰে—"গোৱালপ জিলা বৰ্ত্তমান কেইবাটা সভ্যতাৰো সংমিশ্ৰন ভূমি পৰিছে। কিন্তু তথাপিও গুৱালপৰীয়াসকল অসমী আসামৰ পুৰণি অধিবাসীৰেই সতি-সন্ততি। অসমীয় লগত গুৱালপৰীয়াৰ তেজৰ সম্বন্ধ কোনেও দুই কৰি নোৱাৰে। আসাম উপত্যকাৰ আনবিলাক জিল অসমীয়া বুলি পৰিচয় দিবলৈ যি অধিকাৰৰ দাবি কৰে গোৱালপাৰাই ন্যায়তঃ নিজক প্ৰকৃত অসমীয়া বুলি পৰিচয় দিবলৈ তাতোকৈ অধিক দাবি আছে বুলি ভাবে ইমানতো আকৌ গৌৰীপুৰৰ ৰজা আৰু দুজন এজনে, তেওঁলোকক নচুৱাই বং চোৱাসকলৰ উচটনি কয়, তেওঁলোক হেনো বঙ্গালী।

চৌধাৰী মহাশয়ে কৈছে—"হে সুধীবৃন্দ, হে মা ভূমিৰ পূজাৰীসকল, আপোনালোকৰ ভাবৰাশিৰ ঐ শক্তিৰে আমাক অগ্ৰসৰ কৰি লৈ যাওক, আমাক আগে বীৰ কৰি তোলক, আমাৰ হৃদয়ত ভাবৰ তৰঙ্গ তোলক এই স্বৰ্গ তুল্য কামৰূপত আমাৰ দৰে দীন হীন মা ৰৰ বাসস্থান গুচাই, চিন্তা শক্তিৰে দেৱতা গঢ়ি আগে দেৱতাৰ ৰাজ্য স্থাপন কৰোক।"—সুন্দৰ ভাব! কি সুন্দৰ ৰূপে প্ৰকাশ কৰা হৈছে! চৌধাৰী ডাঙৰীয়াৰ এই শঙ্খ-নিনাদৰ লগতে আমিও উচ্চকণ্ঠেৰে কওঁ—আহক উজনি আহক নামনি, আহক হিন্দু, আহক অহিন্দু, আহক আৰ্য্য আহক অনাৰ্য্য, ধুবুৰীৰপৰা সদিয়ালৈকে আহক সকলো অসমীয়া, সকলোৱে একে মনে একে প্ৰাণে লাগি যাওঁ, আমাৰ সুপ্ৰসিদ্ধ নেতা চৌধাৰী ডাঙৰীয়াৰ উপদেশ কাৰ্য্যত পৰিণত কৰোঁ। আপোনালোক সকলোৱে মন পুতি, খা লাগি ধৰিলে, কঠোৰ হলেও, এই কাৰ্য্য অচিৰতে সম্পন্ন হব।

"শুনিলে চকুলো ওলায়, এই জিলাৰ কিছুমান মানুহে আমাৰ ভাষাৰ গৌৰৱ পাহৰি, নিজ ভাষা এৰি অন্য ভাষা গ্ৰহণ কৰিব খুজিছে। * * * * কোনো কোনো দুৰ্ভগীয়া মুগ্ধ সন্তানে যদি নিজৰ সন্মান পাহৰি, নিজৰ মাতৃক নিচলা বুলি ভাবি, মাতৃ বুলিবলৈ লাজ পায়, তেনে দুৰ্ভগীয়াসকল আপোনালোকৰ কৃপাৰ পাত্ৰ।" —সেইটো থিৰাং কথা; তাত কোনো সন্দেহ নাই। চৌধাৰী মহাশয়ৰ এইকেষাৰ কথা শুনি, আমাৰ সুধিবৰ মন যায়—আৰু বেলি ধুবুৰীৰ সম্মিলনৰ আদৰণী সমিতিৰ সভাপতিৰ আসনত বহি, "মই অসমীয়া ভাষাক মোৰ মাতৃ ভাষা বুলি গৌৰৱ কৰিব নোৱাৰো; অভ্যাগতক তেওঁলোকৰ নিজ ভাষাত অভ্যৰ্থনা কৰিব লাগে দেখিহে, আপোনালোকক অসমীয়াৰে সম্বোধন কৰিছোঁ" বুলি কৈ, সভাপতিৰ আসন কলঙ্কিত কৰা, আৰু পাচত কেজনমান স্বাৰ্থপৰ বিদেশীক গোটাই লৈ নিজৰ ঘৰতে সম্মিলনৰ বিৰুদ্ধ-সভাৰ ভেকো-ভাৱনা পাতি, গোটেই অসম দেশৰ নিমন্ত্ৰিত ভদ্ৰলোকসকলক অপমান কৰা সেই ৰবীন্দ্ৰনাৰায়ণ চৌধাৰী সচাঁকৈয়ে এই গৰাকী ভোলানাথ চৌধাৰীৰে বংশধৰ নে? যদিহে হয়, তেন্তে হৰি! হৰি! কি পাপৰ ফলত তেওঁৰ তেনে অধঃপতন হল?

গুৱালপাৰত বঙ্গলা ভাষা চলাবলৈ যত্ন কৰা গুৱালপৰীয়াসকলক উল্লেখ কৰি চৌধাৰী মহাশয়ে কৈছে—"অতি দুখৰ কথা তেওঁলোকেও প্ৰবস্থৱা বঙ্গালীসকলৰ লগতে লগ লাগি, গুৱালপৰীয়া ভাষাটোক বঙালী ভাষা বুলি প্ৰতিপন্ন কৰিবলৈ ইচ্ছা কৰে। কব নোৱাৰোঁ, কিহে তেওঁলোকক সত্যৰ আলোকৰপৰা বঞ্চিত কৰিছে।" আমি কব পাৰোঁ—মূৰ্খতাই। তেখেতেও কব নোৱাৰা নহয় আৰু মাৰ্জ্জিত ভাষাৰে তাকেহে কৈছে; কিন্তু তেখেতে পাহৰিছে যে, এই শ্ৰেনীৰ আত্মসন্মানৰ জ্ঞানহীন মূৰ্খক এনে মাৰ্জ্জিত কথাই নেপায়গৈ।

৫০ বছৰৰ ভিতৰতে বঙ্গ সাহিত্যৰ বিপুল উন্নতি হোৱাৰ কথা কৈ চৌধাৰী ডাঙৰীয়াই আমাক যি উদগনি দিছে, তাক আমি বহুমূলীয়া বুলিছোঁ। সৰহ দিনৰ কথা নকওঁৱেই, আজি ৫০ বছৰৰ আগতে বঙ্গালী সাহিত্য অসমীয়া সাহিত্যতকৈ দুখীয়া আছিল বুলি আমি ডাঠি কব পাৰোঁ। এতেকে এই ৫০ বছৰতে সেই বঙ্গালী সাহিত্যয়েই ইমান উন্নতি কৰিব পাৰিছে যেতিয়া, আমি ভালকৈ লাগিলে আমাৰ সাহিত্যৰ অতি অলপ সময়তে তাতোকৈ যে উন্নতি কৰিব পাৰিম, ই ধ্ৰুব সত্য।

চৌধাৰী ডাঙৰীয়াই তলত লিখা কথা কেইটালৈ সাহিত্য সভাৰ মনোযোগ আকৰ্ষণ কৰিছে:—

(১) পুৰণি সাহিত্য উদ্ধাৰ কৰা,

(২) সাহিত্যৰ সকলো বিষয়তে ভাল পুথিৰ অভাৱ পূৰণ কৰা,

(৩) অসমীয়া ভাষা আৰু সাহিত্যৰ দুখন ভাল ইতিহাস প্ৰনয়ণ কৰোৱা,

(৪) এটা ভাল মুদ্ৰাযন্ত্ৰ স্থাপন কৰি ভাল ভাল পুথি সহজে প্ৰকাশ কৰিবৰ দিহা কৰা, আৰু

(৫) নৈশ বিদ্যালয়, পুস্তকাগাৰ আৰু বালিকা স্কুল স্থাপন আদি কাৰ্য্যত সদায় উৎসাহ আৰু সাহায্য দান কৰি দেশত স্ত্ৰীশিক্ষা আৰু সাধাৰণ শিক্ষা বিস্তাৰ কৰা।

আমাৰ দেশৰ হিতাকাঙ্ক্ষী সকলো লোককে এই উপদেশলৈ কাণ কৰিবলৈ আমি অনুৰোধ কৰিছোঁ।

গুৱালপাৰ জিলাৰ বয়োবৃদ্ধ আৰু চিন্তাশীল জমীদাৰ শ্ৰীযুত ভোলানাথ চৌধাৰীৰ এই অভিভাষণে আজি সদিয়াৰপৰা ধুবুৰীলৈকে গোটেই অসমীয়া জাতিক উৎসাহিত কৰিছে। এনেকুৱা জমীদাৰলৈ সকলো অসমীয়াই জাতিৰ শিৰৰ মুকুট আৰু দেশৰ প্ৰকৃত নেতা বুলি সন্মানেৰে মূৰ দোঁৱাব; কিন্তু অসমীয়াক বিজতৰীয়া কৰিব খোজা ব-ছেৰা বিধৰ জমীদাৰক দেশৰ শত্ৰু বুলি কোনো আত্মসন্মান থকা অসমীয়াই তৃণ এডালৰ সমানো গণ্য নকৰে। অসমৰ জমীদাৰ সকলে এই কথা মনত ৰাখিব।

# সন্মিলনৰ সভাপতিৰ অভিভাষণৰ সম্পৰ্কে একেষাৰ।

সিদিনা গুৱালপাৰাত হোৱা, আসাম সাহিত্য সভাৰ দশম সন্মিলনৰ সভাপতি, শ্ৰীযুত তৰুণৰাম ফুকন ডাঙৰীয়াৰ অভিভাষণ পঢ়ি আমি বৰ সন্তোষ পাইছো। এই অভিভাষণত তেখেতে কোনো জটিল কথাৰ অৱতাৰণা কৰা নাই, কোনো মত-ভেদ থকা বিষয়ৰ উত্থাপন কৰা নাই। আমাৰ মনেৰে, অসমীয়া সাহিত্যৰ বৰ্ত্তমান বয়সত, তেনে কৰাৰ বিশেষ একো প্ৰয়োজনো নেদেখোঁ। তেখেতে কেৱল কোনেও দুই কৰিব নোৱাৰা আৰু এই সময়ত আমাৰ অতি প্ৰয়োজনীয় গোটাদিয়েক মূল্যবান কথাৰ উল্লেখ কৰিছে। অভিভাষণটি চুটি, সাৰুৱা, উপাদেয় আৰু তাত একেষাৰো অলাগতিয়াল কথা নাই। তাৰ ভাষাও মাৰ্জ্জিত আৰু প্ৰাঞ্জল। ফুকন ডাঙৰীয়াই, তেখেত সভাপতিৰ যোগ্য নহয় বুলি বুজাবলৈ, প্ৰথমতে, থবিকটীয়াক ধেনীয়েকে, বুদ্ধি কৰি কিল খুওৱাৰ যি সাধু কথাটিৰ উল্লেখ কৰিছে, সি তেখেতৰ গাত তেনেই খাপ খাই পৰিছে। তেখেতক ভালকৈ কিলাব জানিলেই, তেখেতৰপৰা গুণ পোৱা হয়, এই কথা আমি সদায় মন কৰি আহিছো; তেখেতৰ অভিভাষণে আমাৰ সেই ধাৰণাকে এইবাৰ আৰু ডাঠ কৰিলে।

“আমাৰ বহুতো সম্পদ আছিল, সেইটো গৌৰৱৰ কথা। যি আছিল তাক বচাব পৰা নাই, সেইটো দুখৰ কথা। কিন্তু যি আছিল, তাক লোপ পাব দিয়াটো, বিশেষ শোক আৰু লাজৰ কথা হব”। —স্বৰূপ কথা। আমি আশা কৰোঁ, প্ৰত্যেক অসমীয়া ডেকাই, প্ৰত্যেক অসমীয়া কন্যাই, অসম দেশলৈ মৰম থকা প্ৰত্যেক মানুহে যেন এই কথা মনত ৰাখে। ই অকল সাহিত্য ক্ষেত্ৰতেহে যে খাটে, এনে নহয়। জাতীয় উন্নতিৰ সকলো বিভাগৰ কাৰণেই, ই খাটকীয়া কথা। আমি, পৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা দূৰৰ কথা, আমাৰ আত্মৰক্ষা কৰিবলৈকে অসমৰ্থ; আমাক ওচৰ চুবুৰীয়াই গ্ৰাস কৰিবলৈ চেষ্টা কৰিছে। এনে বিপদৰ সময়ত আমি কি কৰা কৰ্ত্তব্য, তাক ফু ডাঙৰীয়াতকৈ সুন্দৰ ভাষাৰে আমি প্ৰকাশ ক নোৱাৰোঁ—“ভাই অসমীয়া ! অতীত গৌৰৱৰ স্মৰণ কৰি, বৰ্ত্তমান অৱস্থা উপলব্ধি কৰাঁ, যুক্তি অনুমানৰ দ্বাৰা ভবিষ্যত প্ৰত্যক্ষ কৰাঁ, শৰীৰত মাংস যদিহে প্ৰকৃততে আছে, তেন্তে গা শিয়ঁৰি উ মন উত্তাৱল হব, হৃদয় অশান্তিৰে ভৰি পাৰি • • • • মৃতপ্ৰায় জননীক জাতীয়তাৰ বা অনুপ্ৰাণিত কৰিব লাগিব। সাহিত্য আলোচনাৰ দ্বি বেদি অসমীয়াৰ অতীত গৌৰৱৰ পুনৰুদ্ধাৰ কৰিব লাগি অসমীয়াক প্ৰকৃত মানুহ কৰি গঢ়ি তুলিব লাগিব’

উপযুক্ত মানুহক বৃত্তি দি, অসমীয়া ভাষা সাহিত্যৰ এখন ভাল ইতিহাস লিখাবৰ কাৰণে, স পতিয়ে সাহিত্য সভাক দিয়া উপদেশটো আমি সময়োপযোগী আৰু বহুমূলীয়া বুলি ভাবিছো। আদ সমিতিৰ সভাপতিয়েও এই কথাৰ উল্লেখ কৰিছে। এতে সাহিত্য সভাৰ সকলো সভ্যকে এই কথালৈ বিশেষৰূপে ক কৰিবলৈ আমি খাটিছো। সহজ সৰল অসমীয়া ভাষা বিবিধ কিতাপ লিখি আমাৰ দেশৰ আৰু আন অ দেশৰ কথা আমাৰ গাৱঁলীয়া মানুহক জনাই, তেওঁলোক আগ বঢ়াই অনাটো অতি প্ৰয়োজনীয় কথা হৈ পৰিছে তাক বহলাই নকলেও হ'ব।

অন্যান্য ভাষাৰ ভাল ভাল গ্ৰন্থবিলাক আমাৰ ভাষা ভাঙ্গি আমাৰ ভাষা চহকী আৰু মন উন্নত কৰা বিষয়ে সভাপতিৰ অভিভাষণত কোনো কথাখিনি সাৰুৱা আৰু লাগতিয়াল। তেখেতে কোৱাৰ দৰে, উন্নত দেশৰ উন্নত ভাববিলাক আমাৰ ভাষাত সুমাই লৈ, আমা মানুহৰ ভিতৰত বহলাই প্ৰচাৰ নকৰিলে আমাৰ দেশ মানুহৰ প্ৰকৃত শিক্ষা হব নোৱাৰে, আৰু আমি সদা চুকৰ ভেকুলী হৈয়েই থাকিব লাগিব। জগতৰ আন আন জাতিয়েও এই বাটকে ধৰি উন্নতি লাভ কৰা দে গৈছে ; সেই দেখি আমিও এই বাটকে ধৰিব লাগিব।



বিজ্ঞান বিষয়ক পুথি লিখোঁতে, আমাৰ ভাষাত নাউনি হলে, বিদেশী ভাষাৰ শব্দকে আমি ধাৰ কৰাটো যে সম্পূৰ্ণ উচিত, তাত আমাৰ লেশ মাত্ৰও সন্দেহ নাই। সেই বিদেশী শব্দবিলাক অসমীয়া ব্যাকৰণৰ শাসনত পৰি অসমীয়া সাজপাৰ পিন্ধি, অতি অলপ দিনতে সম্পূৰ্ণ ৰূপে অসমীয়া হৈ পৰিব। এই দৰে, দৰ্কাৰ মতে বিদেশী শব্দ সুমাই নললে, আজি কালি জগতৰ কোনো ভাষাই চহকী হব নোৱাৰে। আমাৰ সাহিত্যৰ কথাকে নকওঁ, জগতত আজি কালি অতি উচ্চ শ্ৰেনীৰ সাহিত্যতো এই নিয়ম চলিব লাগিছে। সভাপতিৰ এই মতৰ আমি সম্পূৰ্ণ পক্ষপাতী। ইয়াৰ আগৰ বাৰ গুৱালপাৰত হোৱা দ্বিতীয় সাহিত্য সন্মিলনৰ সভাপতিৰ অভিভাষণত এই প্ৰবন্ধ লিখকে এই বিষয়ে বহলাই কৈ থোৱা আছে।

ফুকন ডাঙৰীয়াই কৈছে “বৰ্ত্তমান কালত আমাৰ দেশত সাহিত্য খেমালিৰ বস্তু হৈ আছে, সাধনাৰ বস্তু হোৱা নাই।” ই তেনেই প্ৰকৃত কথা। আমাৰ দেশৰ যি কেইজন মানুহ সাহিত্যিকৰ লেখত পৰে, তাৰ ভিতৰত, সাহিত্যৰ উৎকৰ্ষ সাধন কৰিবলৈ সাধনা কৰা মানুহ এজন কি এজনেই ওলায় নে নোলায় সন্দেহ। সবহ লোকৰে পেটৰ চিন্তা কৰোঁতেই আজৰি নাই, আৰু তাছ খেলা, টেনিচ্ খেলা, মাজে মাজে গান গোৱাৰ দৰে, সাহিত্য চৰ্চ্চা এটা খেমালিৰ কাম। সাহিত্যৰ কৰোঁ বুলি সেৱা কৰিবলৈ হলে, কঠোৰ সাধনাৰ প্ৰয়োজন। কিন্তু, আন কথালৈ কাণসাৰ এৰি দি সাহিত্যৰ বাবে কঠোৰ সাধনাত কাল নিয়াব পৰা মানুহ আমাৰ দেশত কেইজন আছে? ই অৱশ্যে আমাৰ দুৰ্ভাগ্যৰ কথা। এতেকে আমি টোতে খৰ মাৰি এই সাধনালৈ সময় উলিয়াব লাগিব, আজৰি নথকাতো কোনো মতে জোৰা মাৰি, আজৰি উলিয়াই লব লাগিব। ইয়াকো মনত ৰাখিব লাগে যে, আন আন দেশৰো বহুতে এই দৰেই বিবিধ কামৰ মাজতে সাহিত্যৰ কাৰণে সাধনা কৰিবৰ নিমিত্তে সময় উলিয়াই লৈ, সাহিত্য সেৱা কৰি, অমৰত্ব লাভ কৰি গৈছে। সভাপতি ডাঙৰীয়াৰ সুন্দৰ ভাষাৰেই আমিও ডাঙাই ডাঙাই কওঁ—“প্ৰত্যেক সাহিত্যিকেই নিজে নিজে কেতবোৰ বিশ্ববৰেণ্য কবি বা গ্ৰন্থকাৰৰ পুস্তকাৱলী ভালকৈ পঢ়ি, নিজৰ মন উদাৰ কৰি লব লাগে। তেওঁলোকৰ ভাব আৰু ভাষাৰ প্ৰণালী পৰ্য্যবেক্ষণ কৰি, নিজ নিজ মন গঢ়ি লব লাগে। লগে লগে, ভ্ৰমন, চিন্তা পাৰিপাৰ্শ্বিক অৱস্থা আদিৰ বিশ্লেষণ কৰি, মানৱ চৰিত্ৰৰ জটিল ৰহস্যবোৰ হৃদয়ঙ্গম কৰি লব লাগে। এই খিনি সমল গোটাই লৈ সাহিত্য ক্ষেত্ৰত অৱতীৰ্ণ হলে, ভাষা, অৱলীলা গতি আৰু ভাবৰ অফুৰন্ত প্ৰবাহৰ পৰিচয় ছত্ৰে ছত্ৰে ফুটি ওলাব। নৈকে নাদ খান্দি ললে পানীৰ অভাৱ নহয়, সেইদৰে নৈকে মন এবাৰ চহাই ললে, ভাব আৰু ভাষা আপোনা আপুনি আহি থাকে।”

সভাপতি ডাঙৰীয়াই সাহিত্য সভাক কৈছে—“যোৱা কেই বছৰত প্ৰতিযোগীতাৰ দ্বাৰা পুথি লিখাই গ্ৰন্থকাৰসকলক পুৰস্কাৰ দিয়া হৈছে। কিন্তু, কেতবোৰ বিষয়ত প্ৰতিযোগীতাৰ দ্বাৰা কাম নহয়। আমি দেখিছো—‘সৰল ৰসায়ন শিক্ষা’ বুলি কিতাপ এখন প্ৰতিযোগীতাৰ দ্বাৰা লিখাবলৈ সাহিত্য সভাই চেষ্টা কৰিও, ইমান দিনে কৃতকাৰ্য্য হব পৰা নাই। এনে ধৰণৰ কিতাপবোৰ বিশেষজ্ঞ দুই এজনক অনুৰোধ কৰি নিলিখালে, প্ৰতি-যোগীতাৰ প্ৰণালীৰে হৈ নুঠে।” এই কথালৈ, সাহিত্য-সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সভ্যসকলৰ আমি বিশেষ ৰূপে দৃষ্টি আকৰ্ষণ কৰিছোঁ। সকলোৱে যেন কথাষাৰ দকৈ ভাবি চায়। সৌভাগ্যক্ৰমে, আমাৰ দেশত আজি কালি অনেক বিষয়তে দুজন এজন বিশেষজ্ঞ বিচাৰিলে পোৱা হৈছে। প্ৰতিযোগীতাৰ দ্বাৰাই হ'ব নোৱাৰা যিবিলাক কিতাপ আছে, তাক সম্প্ৰতি বিশেষজ্ঞৰ দ্বাৰাই লিখোৱাৰ দিহা কৰাটো যুগুত। পাচত দেশত বিশেষজ্ঞৰ সংখ্যা সৰহ হলে, তেনে শ্ৰেণীৰ কিতাপো প্ৰতিযোগীতাত দিয়াটো ভাল হ'ব।

অভিভাষণৰ শেহত, গুৱালপাৰ জিলাত বঙ্গালী ভাষা চলাবৰ নিমিত্তে জনদিয়েক অদূৰদৰ্শী অসমীয়া জমীদাৰে যি অযথা আন্দোলন কৰিছে, তাৰ উল্লেখ কৰা হৈছে। আজি নিজক বঙ্গলা বুলি, লাজ নেপাই, গৌৰৱ অনুভৱ কৰা আৰু গুৱালপাৰাত বঙ্গলা ভাষা চলাবলৈ আৰু গুৱালপাৰাখন অসমৰপৰা ছিঙ্গি নি বঙ্গদেশৰ নেগুৰত আৰি দিবলৈ যত্ন কৰা ব-ছেৰা আৰু বিজতৰীয়া

অসমীয়া জমীদাৰ কেগৰাকীৰ আৰু তেওঁলোকক উচটাই জোল খোৱা স্বাৰ্থান্ধসকলৰ সভাপতিৰ অভিভাষণৰ এই অংশ চকুত পৰিবনে?

ফুকন ডাঙৰীয়াৰ সুন্দৰ অভিভাষণৰ আৰু বহলাই আলোচনা কৰি আমি তাৰ সৌন্দৰ্য্য হানি নকৰোঁ। অভিভাষণটি আমাৰ এই সংখ্যাত ছপা হৈ ওলাই[illegible] তাক ভালকৈ মন দি পঢ়ি চাবলৈ, আৰু তাৰ সক[illegible] কথা গমি চাই মনত ৰাখিবলৈ আমি আমাৰ পা[illegible] সকলক অনুৰোধ কৰিছোঁ।

---

# দশম সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱসমূহ।

১। সাহিত্য সভাৰ অন্যতম হিতৈষী দক্ষিণপটীয়া পুঁজি প্ৰতিষ্ঠাতা দক্ষিণ-পটীয়া সত্ৰাধিকাৰ ৺শ্ৰীশ্ৰীনৰদেৱ গোস্বামী প্ৰভুৰ স্বৰ্গ প্ৰয়ানত এই সন্মিলনে সভাৰ এজন প্ৰধান পৃষ্ঠপোষকৰ মহৎ অভাৱ অনুভব কৰিছে, আৰু সেইবাবে গভীৰ শোক প্ৰকাশ কৰিছে, আৰু স্বৰ্গীয় প্ৰভুৰ আত্মাৰ সদ্গতিৰ অৰ্থে এই সন্মিলনে জগদীশ্বৰৰ চৰণত সৰল চিত্তেৰে জনাইছে।

সভাপতি—

২। (ক) অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ ভূতপূৰ্ব্ব সভা, অসমীয়া ভাষাত কেবোণে ধৰা বতৰত এই ভাষাৰ অভ্যুদয়ৰ অৰ্থে যত্ন কৰোঁতা "মৌ" সম্পাদক স্বনামখ্যাত এক্‌জিকিউটিভ্ ইঞ্জিনিয়াৰ ৺বলী-নাৰায়ণ বৰা ডাঙৰীয়াৰ বিয়োগত এই সন্মিলনে বেজাৰ পাইছে, আৰু তেখেতৰ শোকাৰ্ত্ত পৰিয়াললৈ সভাৰ সহানুভূতি জনাইছে; আৰু মৃতকৰ আত্মাৰ সদ্গতিৰ নিমিত্তে পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা জনাইছে।

সভাপতি—

(খ) আসাম বুৰঞ্জীৰ বিখ্যাত বুঢ়া-গোহাঁই বংশৰ শেষ ডাঙৰীয়া ৺লোকেশ্বৰ সিংহ বুঢ়া-গোহাঁইৰ বিয়োগত এই সন্মিলনে শোক প্ৰকাশ কৰিছে আৰু তেখেতৰ শোকাৰ্ত্ত পৰিবাৰবৰ্গলৈ সহানুভূতি জনোৱাৰ লগে লগে মৃতকৰ আত্মাৰ সদ্গতিৰ অৰ্থে জগদীশ্বৰৰ চৰণত প্ৰাৰ্থনা জনাইছে।

সভাপতি—

৩। (ক) গৌৰীপুৰ সাহিত্য সভাৰ ভূত[illegible] সম্পাদক উদ্যোগী সাহিত্য সেৱক ৺পীতাম্বৰ চক্ৰব[illegible] অকাল বিয়োগত এই সন্মিলনে শোক প্ৰকাশ কৰি[illegible] আৰু তেওঁৰ সন্তপ্ত পৰিবাৰবৰ্গলৈ সমবেদনা জনাই[illegible] আৰু মৃতকৰ আত্মাৰ সদ্গতিৰ অৰ্থে জগদীশ্বৰৰ চৰ[illegible] প্ৰাৰ্থনা জনাইছে।

সভাপতি—

(খ) সাহিত্য সভাৰ অন্যতম সুযোগ্য সভ্য হেড-ম[illegible] ৺কালীৰাম দত্তৰ অকাল বিয়োগত এই সন্মি[illegible] বেজাৰ পাইছে আৰু তেওঁৰ শোকাতুৰ পৰিয়াললৈ সভাই সহানুভূতি জনোৱাৰ লগে লগে মৃতকৰ আ[illegible] সদ্গতিৰ অৰ্থে পৰমেশ্বৰ চৰণত প্ৰাৰ্থনা জনাইছে।

সভাপতি—

৪। (ক) গুৱাহাটি আইন কলেজৰ অধ্যক্ষ শ্ৰী[illegible] জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াৰ সহধৰ্ম্মিণী ৺নলি[illegible] দেৱীৰ অকাল মৃত্যুত এই সন্মিলনে বেজাৰ পা[illegible] আৰু তেওঁৰ আত্মাৰ সদ্গতিৰ অৰ্থে ঈশ্বৰৰ চ[illegible] প্ৰাৰ্থনা কৰিছে; আৰু বৰুৱা ডাঙৰীয়াৰ আৰ্কা[illegible] বিপদত এই সন্মিলনে সহানুভূতি প্ৰকাশ কৰিছে।

সভাপতি—

(খ) ৰূপসীৰ ৰাণী ৺সুকুমাৰী চৌধাৰীয়নীৰ মৃ[illegible] এই সন্মিলনে বেজাৰ পাইছে আৰু সন্তপ্ত পৰিয়া[illegible] সহানুভূতি জনোৱাৰ লগে লগে তেওঁৰ আত্মাৰ সদ্[illegible] অৰ্থে পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰিছে।

সভাপতি—



৫। নিয়মাৱলীৰ ২য় পৃষ্ঠাৰ ১০নং নিয়মৰ নিচেই তলৰ শাৰীত "তিনি" শব্দৰ ঠাইত "দুই" বহিব।

আৰু ৩য় পৃষ্ঠাৰ ১৫নং নিয়মৰ "বিনা" আৰু "কিছুকম"। এই শব্দবোৰৰ পৰিবৰ্ত্তে দুইঠাইত "অৰ্দ্ধ" শব্দ বহিব।

নিয়মাৱলীৰ ৪ৰ্থ পৃষ্ঠাৰ "(ঙ) **শাখা-সভা**" আৰু তাৰ অন্তৰ্ভূক্ত ২৪।২৫।২৬ নং নিয়মবোৰ উঠাই দিয়া হ'ব আৰু শাখা সভা বা শাখা সভাৰ সভ্যৰ সম্পৰ্কে নিয়মাৱলীৰ অন্যান্য যি যি ঠাইত উল্লেখ আছে তাক গুচাই দিয়া হ'ব।

৫ম পৃষ্ঠাৰ ২৯নং নিয়মৰ প্ৰথম আৰু দ্বিতীয় বাক্যৰ মাজত এইকথা যোগ হ'ব:—"কিন্তু ১৮ বছৰতকৈ কম বয়সীয়া কোনো স্বীকৃত সভাৰ সভ্যই প্ৰতিনিধি হৈ সন্মিলনত যোগ দিব নোৱাৰিব"।

নিয়মাৱলীৰ ৬ষ্ঠ পৃষ্ঠাত (ঋ) **বিষয় বাছনী-সভা** অন্তৰ্ভূক্ত ৪২নং নিয়মৰ প্ৰথম শাৰীৰ "বিষয়-বাছনী-সভা" আৰু "গঠিত হব" এই দুভাগৰ মাজত "তলত লিখা দৰে" এই কেইটা শব্দ অন্তৰ্ভুক্ত হ'ব আৰু তলত লিখা ক্ৰম যোগ হ'ব:—

(১) সন্মিলনত উপস্থিত থকা কাৰ্য্যনিৰ্ব্বাহক সভাৰ সভ্য সকল।

(২) প্ৰত্যেক স্বীকৃত সভাৰ উপস্থিত প্ৰতিনিধিবৰ্গৰ ভিতৰৰ তেওঁলোকে নিজে সন্মিলনতে বাছি দিয়া তিনজন প্ৰতিনিধি। (Representative)

(৩) সন্মিলনত উপস্থিত থকা কোনো বিশিষ্ট সভ্য, সভাৰ হিতৈষী বা স্থায়ী সভ্য।

(৪) অভ্যৰ্থনা সমিতিৰ দ্বাৰাই নিৰ্ব্বাচিত ৫ জন অভ্যৰ্থনা সমিতিৰ সভ্য বা প্ৰতিনিধি। (Representative)

(৫) কোনো ঠাইৰ কোনো স্বীকৃত সভাৰ সভ্য নোহোৱা (আৰু সেইবাবে কোনো স্বীকৃত সভাৰপৰা প্ৰতিনিধি স্বৰূপে সন্মিলনত যোগ দিবলৈ অধিকাৰ নথকা, কিন্তু মূল সভাৰ সভ্য স্বৰূপে সন্মিলনত যোগ দিবলৈ অধিকাৰ থকা) প্ৰত্যেক মহকুমাৰপৰা সন্মিলনত উপস্থিত হোৱা সভ্যসকলৰ ভিতৰৰ তিনিজন নিৰ্ব্বাচিত প্ৰতিনিধি। (Representative)

প্ৰস্তাৱক—শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক।
সমৰ্থক—মৌঃ মিজানুৰ ৰহমান।

(৬) আসাম উপত্যকাৰ দাঁতি-কাষৰৰ অসমীয়া অধিবাসীবিলাকৰ মাজত আৰু সুৰমা উপত্যকাৰ তাৰাপুৰ আদি গাৱঁত অসমীয়া ভাষা শিক্ষা আৰু আলোচনাৰ নিমিত্তে এই সভাই উপযুক্ত প্ৰচাৰক নিয়োগ কৰিব লাগে।

প্ৰস্তাৱক—মৌঃ নাবাব ওৱাজেদ আলি।
সমৰ্থক—শ্ৰীযুত ধৰ্ম্মনাৰায়ণ ঘোষ।

৭। গোৱালপাৰ জিল্লাৰ আদালতৰ ভাষা অসমীয়া হ'ব লাগে আৰু পাঠশালা আদিত অসমীয়া ভাষা চলাব লাগে আৰু পাঠশালা পৰিদৰ্শকসকল অসমীয়া হ'ব লাগে—এতদৰ্থে আসাম সাহিত্য সভাই কৰ্ত্তৃপক্ষক অনুৰোধ কৰাৰ লগে লগে অন্যান্য যথোচিত প্ৰতিবিধান কৰিব লাগে।

প্ৰস্তাৱক—শ্ৰীযুত হৰিপ্ৰসাদ নাথ।
সমৰ্থক— " নবীনচন্দ্ৰ বৰদলৈ।
অনুমোদক—মৌঃ দাৰাজুদ্দিন আহ্মদ।

৮। গাড়োপাহাৰ জিল্লা আৰু গোৱালপাৰ জিল্লাৰ যি কোনো পাঠশালাতে গাড়ো, ৰাভা, বড়ো আদি জাতীয় ছাত্ৰবিলাকৰ ভিতৰত (যি সকলে অসমীয়া ভাষা শিকিব খোজে সেইবিলাকক) অসমীয়া ভাষা শিক্ষা দিবলৈ কৰ্ত্তৃপক্ষই ব্যৱস্থা কৰিব লাগে আৰু তাৰ নিমিত্তে আৱশ্যকীয় বিধান সাহিত্য সভাই কৰিব লাগে।

প্ৰস্তাৱক—মৌঃ নাবাব ওৱাজেদ আলি।
সমৰ্থক—শ্ৰীযুত প্ৰমথনাথ চক্ৰবৰ্ত্তী।
অনুমোদক—" দেৱেশ্বৰ চলিহা।

৯। গোৱালপাৰ জিল্লাৰ সকলো জমিদাৰী আপীচবোৰত আৰু গভৰ্নমেণ্ট পৰিচালিত জমিদাৰী দুখনৰ (Court of wards Estates) চেৰেস্তাৰ কাকত-পত্ৰ আৰু যাৱদীয় কাৰ্য্য অসমীয়া ভাষাৰে চলাবৰ নিমিত্তে যথাক্ৰমে জমিদাৰী কৰ্ত্তৃপক্ষক আৰু আসাম উপত্যকাৰ কমিচনাৰ চাহাব বাহাদুৰক অনুৰোধ কৰিব লাগে আৰু এই কাৰ্য্যৰ নিমিত্তে আৱশ্যকীয় বিধান সাহিত্য সভাই কৰিব লাগে।

প্ৰস্তাৱক—শ্ৰীযুত গোবিন্দচন্দ্ৰ পাটগিৰি
সমৰ্থক— " তোতাৰাম যম।

১০। অসমীয়া মুছলমানবিলাকৰ ভিতৰত অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি অনুৰাগ বঢ়াবৰ অৰ্থে পাঠ্য পুথিবোৰত হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰ বুৰঞ্জী-মূলক আৰু জীৱনীমূলক অতীত গৌৰৱ আৰু সুকৃতিৰ কথা দিয়া উচিত বুলি এই সন্মিলনে সিদ্ধান্ত কৰে আৰু এই বিষয়ে সাহিত্য সভাই আৱশ্যকীয় বিধান কৰিব লাগে।

প্ৰস্তাৱক—শ্ৰীযুত কনকচন্দ্ৰ শৰ্ম্মা।

সমৰ্থক— মৌ: মহম্মদ আমজ্জাদ আলি

অনুমোদক—শ্ৰীযুত মহাদেৱ শৰ্ম্মা।

১১। (ক) চন্দ্ৰকান্ত অভিধানত ভুক্ত হোৱা সকলো শব্দকে অসমীয়া ভাষাত অবাধে চলোৱাৰ উদ্দেশ্যেৰে এই সন্মিলনে সিদ্ধান্ত কৰে যে কোনো শব্দক কোনো বিশেষ স্থানত প্ৰচলিত একচেটীয়া বুলি বুজাবৰ নিমিত্তে কোনো স্থানবাচক সাঙ্কেতিক চিহ্ন দিব নালাগে আৰু অভিধান সম্পাদকীয় সমিতিয়ে এই কথালৈ লক্ষ্য ৰা চলিব লাগে।

(খ) উক্ত অভিধানত ভুক্ত হোৱা আৰবী, ফাৰ আদিৰ পৰা ওলোৱা কোনো শব্দৰ উৎপত্তি বুজা নিমিত্তে "যাবনিক" বুলি উল্লেখ নকৰি, মূল ভা নাম দিব লাগে বুলি এই সন্মিলনে সিদ্ধান্ত কৰে অভিধান সম্পাদকীয় সমিতিয়ে এই কথালৈ লক্ষ্য ৰা চলিব লাগে।

(গ) আৰু উপৰোক্ত কাৰ্য্যবোৰ সুকলমে সম্ হৈছেনে নাই তাক ছয়োখন জিল্লাৰপৰা প্ৰকাশ্য সভ নিৰ্ব্বাচিত উপযুক্ত প্ৰতিনিধিৰ দ্বাৰাই ছপা হোৱাৰ পূৰ্ব পৰীক্ষা কৰোৱাৰ বিধান হ'ব লাগে।

প্ৰস্তাৱক—শ্ৰীযুত হলিৰাম ডেকা।

সমৰ্থক—শ্ৰীযুত ভবেন্দ্ৰনাৰায়ণ সিংহ।

অনুমোদক—মৌ: মহম্মদ আমজেদ্ আলি।

---

# আসাম সাহিত্য সভাৰ দশম বছৰৰ কাৰ্য্য-বিবৰণী।

গোৱালপাৰ—শনিবাৰ, ২১ আহিন। ১৮৪৯ শক ইং ৮ অক্টোবৰ, ১৯২৭।

ওঁ অচিন্ত্যাব্যক্তৰূপায় বিষ্ণৱে পৰমাত্মনে নমঃ।

পৰম পিতা পৰমেশ্বৰৰ পাদপদ্মত অসংখ্য প্ৰণতি জনাই আসাম সাহিত্য সভাৰ দশম বছৰৰ কাৰ্য্য-বিবৰণী সমবেত বিদ্বমণ্ডলীৰ ওচৰত আগ বঢ়াইছোঁ; আৰু আমাৰ অজ্ঞতাবশতঃ কোনো বঢ়া টুটা দোষৰ নিমিত্তে সুধীসকলৰ মাৰ্জ্জনা মাগিছোঁ। গত বছৰৰ শাৰদীয় পূজাৰ বন্ধত এই জিল্লাৰ সদৰ ঠাই ধুবুৰী চহৰত এই সভাৰ নৱম বাৰ্ষিক সন্মিলন পতা হৈছিল;—সেই কথা একাধিক কাৰণৰ বাবে, অনেকৰ মনত সজাগ হৈ আছে বুলি আমাৰ বিশ্বাস। এতিয়া এই জিল্লাৰ অন্যতম প্ৰধান ঠাই প্ৰাচীন-গৌৰৱ-মণ্ডিত গোৱালপাৰ নগৰত পৰৱৰ্ত্তী দশম সন্মিলন পাতিবলৈ পাই, কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকলে ধন্য মানিছে আৰু এই সুযোগ পাতি দিয়াৰ বাবে অভ্যৰ্থনা সমিতিৰ সভাপতি, সম্পাদ আৰু সভ্যসকলৰ আৰু তদুপৰি গোৱালপৰীয়া ৰাইজ শলাগ লৈছে।

যোৱা ধুবুৰী সন্মিলনত গোৱালপৰীয়া ৰাইজৰ গোৱালপাৰ সহিত্য সভাই এই সন্মিলন নিমন্ত্ৰণ কৰিছি আদৰণী-সমিতিয়ে পূজাৰ বন্ধৰ ভিতৰতে সন্মিলন পা বলৈ প্ৰস্তাৱ কৰি কাৰ্য্য-নিৰ্ব্বাহক সমিতিলৈ সম দিছিল আৰু উক্ত সমিতিয়ে এই প্ৰস্তাৱ গ্ৰহণ ক বিভিন্ন শাখা আৰু স্বীকৃত সভালৈ সময়োচিত জান দি আনুষঙ্গিক কাৰ্য্যৰ দিহা কৰিছিল। তাৰ ফল বিশ্বনিয়ন্তাৰ কৃপাত আজি এই দশম সাহিত্য-সন্মিলন আমি সমবেত হবলৈ সুযোগ পাই কৃতাৰ্থ হৈছোঁ আ এই সন্মিলন যাতে সুকলমে সুসম্পন্ন হয় তাৰ নিমি



ভগৱন্তৰ শ্ৰীচৰণৰ উদ্দেশ্যে আমাৰ ভক্তি-প্ৰণিপাত জনাইছোঁ বৰ্ত্তমান আসামৰ পশ্চিম প্ৰান্ত-স্থিত গোৱালপাৰ জিল্লা এসময়ত লেখত লব লগীয়া ঠাই আছিল আৰু এই জিল্লাৰ অধিবাসীসকলে পূৰ্ব্বপুৰুষসকলৰ গৌৰৱ ব্যক্ত কৰিব পৰা বহুত বিশিষ্ট কৰ্ম্মৰ এয়ে কেন্দ্ৰস্থান আছিল। ইতিপূৰ্ব্বে এই নগৰত সাহিত্যসভাৰ দ্বিতীয় অধিবেশন ১৯১৮ চনৰ বৰদিনৰ বন্ধত হৈছিল। আকৌ ৮ বছৰৰ মূৰতে পুনৰ ইয়াত সাহিত্য-সন্মিলন পাতিবলৈ আগ বঢ়াটো গোৱালপৰীয়া ৰাইজৰ উদ্যমৰ চিন আৰু অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি তেওঁবিলাকৰ আগ্ৰহৰ উৎকৃষ্ট নিদৰ্শন। সাহিত্য সভাৰ দ্বিতীয় সন্মিলনৰ সভাপতি প্ৰবীণ-সাহিত্যিক মান্য-বৰ শ্ৰীযুক্ত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াৰ দ্বিতীয় সন্মিলনৰ অভিভাষণৰ বৰ্ণনাতকৈ আমি গোৱালপাৰৰ সুন্দৰতৰ বৰ্ণনা দিবলৈ অপাৰগ। সেই বাবে এইখিনিতে আমাৰ আজিৰ কৰ্ম্ম-স্থল গোৱালপাৰ চহৰৰ বিবৰণ তেখেতৰ অভিভাষণৰপৰা তুলি দি, আমাৰ উৎসাহ বঢ়াবলৈ প্ৰয়াস পাইছো:—"মহানদ বিশাল ব্ৰহ্মপুত্ৰৰ বিচিত্ৰ তৰঙ্গমালাৰে চিৰসুশোভিত, চাৰিও ফালে মনোৰম স্বাভাৱিক দৃশ্যেৰে পৰিপূৰ্ণ, কবিৰ কল্পনাৰে আঁকি লোৱা বিতোপন চিত্ৰপটখনিৰ দৰে, এই সুন্দৰ গুৱালপাৰ অকল সৌন্দৰ্য্যৰ বাবেই যে বিখ্যাত এনে নহয়। ইয়াক আসাম দেশৰ উত্তমাঙ্গ বুলিব লাগে। গুৱালপাৰৰ মানুহ, আসামৰ অন্যান্য ঠাইৰ মানুহতকৈ অনেক বিষয়ে উন্নত। অসমীয়া জমীদাৰসকলৰ এই গুৱালপাৰেই কেন্দ্ৰস্থল। ইয়াৰে উদ্যমশীল অধিবাসীসকলে, বেহাবেপাৰ বানিজ্যত আমাৰ মুখোজ্জ্বল কৰি, অসমীয়া সমাজত শীৰ্ষস্থান অধিকাৰ কৰিছে। ইয়াতে আসাম দেশৰ সাহিত্যগগণৰ তেজোময় তপন আৰু ধৰ্ম্মগগণৰ শান্তিময় পূৰ্ণেন্দু মহা-পুৰুষ মাধৱদেৱৰ বংশই আজিলৈকে বিৰাজ কৰিছে বুলি শুনা যায়। তদুপৰি যেতিয়া সদিয়াৰ পৰা বৰ্ত্তমান বঙ্গদেশৰ এছোৱালৈকে জুৰি অসমীয়া ভাষাই অধিকাৰ বিস্তাৰ কৰিছিল, যেতিয়া কুচবিহাৰ, ৰংপুৰ আৰু দিনাজ-পুৰৰ মানুহেও ৰজাৰপৰা প্ৰজালৈকে অসমীয়া সাহিত্যৰ হে চৰ্চ্চা কৰিছিল, যেতিয়া এলিজাবেথৰ দিনত ইংৰাজী সাহিত্য আৰু আগষ্টান যুগত ৰোমান্ সাহিত্য পুষ্ট হোৱাৰ দৰে, কুচবিহাৰৰ মহাৰজা নৰনাৰায়ণৰ আশ্ৰয় আৰু উদ্যম পাই অসমীয়া সাহিত্য নথৈ পুষ্ট হৈ পৰিছিল, প্ৰাচীন অসমীয়া সাহিত্যৰ সেই মহা অভ্যুদয়ৰ কালত, এই গুৱালপাৰ, অসমীয়া সাহিত্যৰ এক লীলা-ভূমি আছিল বুলি অনুমান কৰিলেও বিশেষ ভ্ৰম কৰা নহ'ব"—এনে ঠাইত আসাম সাহিত্য সভাৰ বাৰ্ষিক সন্মিলন দ্বিতীয় বাৰ হোৱাটো অতি যুক্তিযুক্ত হৈছে।

পূৰ্ব্ববৰ্ত্তী সন্মিলনবোৰত গৃহীত হোৱা প্ৰস্তাৱ সমূহৰ সম্পৰ্কে কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ কাৰ্য্যৰ আলোচনা:—

যোৱা বছৰৰ ষষ্ঠ প্ৰস্তাৱ অনুসৰি শিক্ষা বিভাগৰ গুৱিয়াল মাননীয় মন্ত্ৰী ডাঙৰীয়া আৰু শিক্ষা বিভাগা-ধিপতি ডাইৰেক্টৰ চাহাব মহোদয়সকললৈ কটন কলেজত অসমীয়া ভাষাৰ শিক্ষা দান আৰু অনুসন্ধান কাৰ্য্যৰ নিমিত্তে এজন অধ্যাপক নিযুক্ত কৰিবলৈ লিখা-লিখি কৰা হয় আৰু সদৌ অসমীয়াই নিশ্চয় শুনি আনন্দ পাব যে সেই চেষ্টা সম্পূৰ্ণ ফলৱতী নহলেও, সন্মিলনৰ প্ৰস্তাৱ অথলে যোৱা নাই; আৰু সাহিত্য-সভাৰ যত্নতেই বৰ্ত্তমান কটন কলেজত এজন "শিক্ষক" (Lecturer) নিযুক্ত হৈছে। প্ৰধান সম্পাদকে গৱৰ্ণমেণ্টৰ এই কাৰ্য্যত কৃতজ্ঞতা প্ৰকাশ কৰি লিখা চিঠিত সাহিত্য-সভাই যেনে ধৰণৰ "অধ্যাপক" (Professor) বিচাৰিছে—তাক পুনৰ কৰ্ত্তৃ-পক্ষক জনাই সাহিত্য-সভাৰ আশা পূৰ্ণ কৰিবলৈ অনু-ৰোধ জনাইছে। গত ১৬৷৮৷২৬ তাৰিখৰ চিঠিৰ দ্বাৰাই ডাইৰেক্টৰ চাহাব মহোদয়ে জনাইছে যে এই বিষয়টো কাউন্সিলৰ বিবেচনাধীন প্ৰস্তাৱ হৈ আছে।

যোৱা সন্মিলনত অন্যান্য যিবিলাক প্ৰস্তাৱ গৃহীত হৈছিল, সেই বিলাক প্ৰস্তাৱ অনুসৰি প্ৰধান সম্পাদকে চিঠি-পত্ৰ লিখা-লিখি কৰি আছে।

অষ্টম সাহিত্য-সন্মিলনত নগাৱঁত গৃহীত হোৱা একা-দশ প্ৰস্তাৱানুযায়ী শ্ৰদ্ধাস্পদ পণ্ডিত শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী মহোদয়ক কোচবিহাৰত অনুসন্ধান কাৰ্য্যত নিযুক্ত কৰা সংবাদ গত ধুবুৰী সন্মিলনত প্ৰধান সম্পা-দকে জনাইছিল। সুখৰ বিষয় এই বাৰ উক্ত গোসাঁই দেৱক কোচবিহাৰলৈ পঠোৱা হৈছিল আৰু তেখেতে তাত মাসাধিক কাল থাকি অকল কোচবিহাৰ নগৰতেই

নংয়—তদুপৰি কোচবিহাৰৰ অন্তৰ্গত মধুপুৰ, খাগড়াবাড়ী, ভেলাডাঙা, গোঁসাঁইবাৰী আদি অন্যান্য কোনো কোনো প্ৰসিদ্ধ স্থানতো অনুসন্ধান কৰিছিল। প্ৰধাণ সম্পাদকে কোচবিহাৰ ৰাজসভাৰ সহকাৰী সভাপতি আৰু ৰাজ-পুস্তকালয়ৰ অধ্যক্ষ দুয়োজনলৈ পৰিচয় পত্ৰ দি উক্ত গোস্বামীদেৱক গত আগষ্ট মাহৰ আগ ভাগত পঠাই-ছিল। আমাৰ পৰম সৌভাগ্যৰ কথা যে তেখেতক উক্ত দুইজন ৰাজবিষয়াই বিশেষ অনুগ্ৰহ দেখুৱাই সাহিত্য সভাৰপ্ৰতি তেওঁলোকৰ শ্ৰদ্ধা আৰু সন্মান জনালে। গোস্বামী দেৱৰ অনুসন্ধানৰ ফলত আমি ইতিপূৰ্ব্বে অজ্ঞানিত আৰু অপ্ৰকাশিত থনচেৰেক পুথিৰ পৰিচয় পাইছোঁ—সেইবিলাকৰ পাঙ্গাৰ ৰজা ৰামচন্দ্ৰ প্ৰণীত ভাগৱত-সাৰ হেনো এখন লেখত লব লগীয়া পুথি। অন্য এখন পুথিৰ কথাও গোস্বামীদেৱে বিশেষকৈ বখানিছে; তাৰ নাম সংক্ষেপ মহাভাৰত। 'ভাগৱত-সাৰ' পুথিখনি অতুলনীয় ভক্তিকাব্য বুলি গোস্বামীদেৱে আমাক জনাইছে। ভেলাডাঙাত আৰু কেইবাখনো নতুন পুথি পোৱা গৈছে। গোস্বামীদেৱে ৰংপুৰলৈ যাবলৈকো মন মেলিছিল। বতৰ ভাল হোৱা হলে কিজানি এই কামো এইবাৰেই খতম হলহেঁতেন। আমি তেখেতৰ সঙ্গ ইচ্ছা অনুমোদন কৰি তেখেতক ৰংপুৰলৈ যাবলৈ অনুৰোধ কৰিছিলোঁ। কিন্তু বিধিৰ বিড়ম্বনা, বেয়া বতৰৰ বাবে সাহিত্য সভাৰ কাৰ্য্য একে বছৰতে খতম নহল। আমাৰ বিশেষ অনুৰোধত গোস্বামীদেৱে আজি প্ৰায় ১॥ মাহ নিজৰ ঘৰুৱা কাম আওকাণ কৰি প্ৰবাস খাটি অহা স্বত্বেও আজি ইয়াত উপস্থিত হৈছেহি—সেই বাবে আমি তেখেতৰ শলাগ লৈছোঁ। তেখেতে নিজ মুখে অনুসন্ধান সম্পৰ্কে কিছু কথা আপোনালোকক জনাব—আমি তেখেতক পত্ৰিকাত প্ৰকাশ কৰিবৰ নিমিত্তে সুশৃঙ্খল আৰু সুসজ্জিত প্ৰবন্ধ খুজিছোঁ আৰু তেখেতে এই প্ৰবন্ধ যুগুত কৰি কাৰ্য্য নিৰ্ব্বাহক সভালৈ পঠাব বুলি আমাক প্ৰতিশ্ৰুতি দিছে।

দক্ষিণপাটীয়া ট্ৰষ্ট্‌ফণ্ড্ :—

এই বছৰৰ লেখত লবলগীয়া কামৰ ভিতৰত "শ্ৰীশ্ৰী-দেৱ দামোদৰ-চৰিত্ৰ" পুথিৰ প্ৰকাশেই প্ৰধান। যোৱা বছৰৰ সন্মিলনতে প্ৰধান সম্পাদকে এই পুথিৰ ... শেষ হ'ল বুলি জনাইছিল আৰু অলপতে পুথি প্ৰকা... হ'ব বুলি লিখিছিল। কিন্তু সুদূৰবৰ্ত্তী কলিক... ছাপাখানাৰ বেমেজালিৰ বাবে আৰু আমাৰ পূৰ্ব্ব... প্ৰধান সম্পাদক ডাঙৰীয়াই বছৰৰ প্ৰায় মাজ ভাগত... বেচি দায়িত্বপূৰ্ণ চৰ্কাৰী কামৰ বাবে ঘূৰি ফুৰিব... হোৱাত গ্ৰন্থখনি অলপতেহে প্ৰকাশ হৈছে। এই ... লনলৈ অহা সাহিত্যানুৰাগী ভদ্ৰলোকসকলে পাবৰ নি... কিছুমান পুথি ইয়ালৈ পঠাবলৈ ছাপাখানাক আ... দিয়া হৈছিল; আৰু সাহিত্য সভাৰ প্ৰথম প্ৰকা... গ্ৰন্থৰ প্ৰথম প্ৰচাৰ এই সন্মিলনতে কৰা হৈছে। ... পাট-সত্ৰৰ দানৰ টকাৰে শ্ৰীশ্ৰীবনমালী দেৱ চৰিত্ৰৰ ... কাৰ্য্য চলি আছে আৰু এইখনি কিতাপো অক্লান্ত-ক... প্ৰধান সম্পাদক গোস্বামী দেৱেই সম্পাদন কৰি... তেখেতৰ চিঠিৰপৰা বুজা গৈছে যে কিতাপখনি ... কালে ওলাব আৰু আমাৰ অনুৰোধ মতে তেখে... সেই কিতাপৰ পাতনি যুগুত কৰিবলৈ ধৰিছে। ... ইয়াৰ পিচত এই পুঁজিৰ টকাৰে "সাত্বত-তন্ত্ৰ" না... বৈষ্ণৱ-ধৰ্ম্ম সম্পৰ্কীয় এখনি পুথি ছপাবলৈ কাৰ্য্য-নিৰ্ব্বা... সমিতিয়ে আশা কৰিছে।

কমলাদেৱী ট্ৰষ্ট্‌ফণ্ড্ :—

কমলাদেৱী শিশু-সাহিত্যৰ দ্বিতীয় গ্ৰন্থ উৱে... সাহিত্যিক ছাত্ৰ শ্ৰীমান বিনন্দচন্দ্ৰ বৰুৱা বি-এ. দেৱৰ "... ৰাজ-নৰনাৰায়ণ"ৰ ছপা কাম প্ৰায় শেষ হৈছে। ... তৃতীয় বছৰৰ পুৰস্কাৰৰ নিমিত্তে "মণিৰাম দেৱান... জীৱনী" পোৱা নহ'ল। চতুৰ্থ বছৰৰ নিমিত্তে কোন... পুৰস্কাৰ এতিয়াও ঘোষণা কৰা হোৱা নাই। সন্মিল... পিচতে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে এই বিষয়ে পুনৰ মীমাং... কৰিব। এই পুঁজিৰ প্ৰতিষ্ঠাতা মাননীয় শ্ৰীযুত ৰাধান... গোস্বামী দেৱৰ ঘৰুৱা বিপদ, নিজৰ স্বাস্থ্য হানি আ... মানসিক কষ্টাদিৰ বাবে আৱশ্যকীয় দলিল তৈয়াৰী ... থকা স্বত্বেও, এতিয়ালৈকে ৰেজেষ্টৰী কৰাব পৰা নাই... পৰমেশ্বৰৰ কৃপাত দাতা মহোদয়ে গা অলপ ভাল পাল... এই কাৰ্য্য সমাধা কৰি দিব বুলি আমাক আশ্বাস দিছে... তথাপি যদি কোনো কাৰণবশতঃ এই কাম ...



হোৱাৰ আশা দেখা নাযায়, তেন্তে কমিচন জাৰিৰ দ্বাৰাই দলিল ৰেজেষ্টৰী কৰাব লাগিব বুলি কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকলে ভাবিছে।

আউনীআটি সত্ৰৰ দান :—

বিশ্বনিয়ন্তাৰ অজ্ঞানিত আৰু অব্যক্ত গূঢ় কাৰণৰ বাবে উজনি আসামৰ প্ৰসিদ্ধ সত্ৰ আউনীআটিয়ে এতি-য়াও পূৰ্ব্বৰ অৱস্থা পোৱা নাই। সত্ৰৰ অৱস্থা টনকি-য়াল কৰিবলৈ নৌপাওঁতেই স্বৰ্গীয় ৺লীলাকান্ত দেৱেও মানৱলীলা সামৰে। অলপ দিনৰ ভিতৰতে ডুগৰাকী অধি-কাৰ পুৰুষ স্বৰ্গী হোৱাৰ বাবে এতিয়ালৈকে বৰ্ত্তমান অধিকাৰ প্ৰভুক পূৰ্ব্ববৰ্ত্তী প্ৰভুৰ প্ৰতিশ্ৰুত দানৰ সম্পৰ্কে আমনি কৰিবলৈ ভাল পোৱা নাই যদিও, যোৱা সন্মি-লনতে গৃহীত হোৱা দ্বিতীয় প্ৰস্তাৱৰ নকল সভাৰপৰা ২৭।১০।২৬ তাৰিখে পঠোৱা হৈছিল। সভাৰ পূৰ্ব্ববৰ্ত্তী পুথি-ভঁৰালী শ্ৰীযুত বোমেশ্বৰ শৰ্ম্মা আৰু বৰ্ত্তমান ধন-ভঁৰালী শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা, উভয়ে এই বিষয়ে সত্ৰলৈ গৈছিল, আৰু তেওঁলোকৰপৰা বুজা গৈছে যে এই টকা অলপ দিনৰ ভিতৰতে পোৱা যাব। আমাৰ পূৰ্ব্ব-বৰ্ত্তী সম্পাদকে গত বছৰৰ কাৰ্য্য-বিবৰণীত কোৱা মতে বৰ্ত্তমান অধিকাৰ পুৰুষে যে এই দান দি অসমীয়া বাইজক আশীৰ্ব্বাদ দিব আৰু সাহিত্যৰ অভ্যুদয়ৰ নিমিত্তে প্ৰভুৰ আশীৰ্ব্বাদ জনাব তাৰ কোনো সংশয় নাই। আমাৰ ইচ্ছা আছে যে সন্মিলনৰ পিচতে খৰালি প্ৰভু ঈশ্বৰক দেখা কৰি সাহিত্য-সভাৰ অভাৱৰ কথা কাণ চোৱা হ'ব।

## পুৰস্কাৰ—প্ৰতিযোগীতা।

যোৱা বছৰত পুস্তকৰ নিমিত্তে পুৰস্কাৰ ঘোষণা কৰা হৈছিল। যেনে:—

| | | |
|---|---|---|
| (১) | উপন্যাস | ৩০০৲ টকা |
| (২) | বন্ধন বিষয়ক পুথি | ১৫০৲ " |
| (৩) | সৰল-বিজ্ঞান | ২০০৲ " |
| (৪) | ৰসায়ন | ৩০০৲ " |

(ক) উপন্যাস প্ৰতিযোগীতাৰ গ্ৰন্থ গ্ৰহণৰ সময় ইং ১৯২৭ চনৰ ৩১ মে' লৈকে আছিল। সেই তাৰিখৰ ভিতৰত তলত নাম দিয়া উপন্যাস কেইখনি পোৱা হৈছিল :—

(১) পৰিনাম —— শ্ৰীযুত ফনীধৰ শৰ্ম্মা বি, এচ্, চি।
(২) সুমিত্ৰা —— " ৰতিৰাম দত্ত।
(৩) আউনী —— " দৈৱচন্দ্ৰ তালুকদাৰ।
(৪) সাধনা —— " দণ্ডিনাথ কলিতা।
(৫) আহোম-বিজয় —— " এ, এচ্।

শ্ৰীমতী স্নেহলতা ভটাচাৰ্য্য প্ৰনীত 'বীণা' উপন্যাস খনি ছপা হোৱা কিতাপ বাবে পুৰস্কাৰ-প্ৰতিযোগীতাত দিয়া নহ'ল। এই বিষয়ে কাৰ্য্যনিৰ্ব্বাহক সভাৰ দশম বছৰৰ ৮ম অধিবেশনত তলত লিখা প্ৰস্তাৱ গৃহীত হয়:—"৭ (গ) পুৰস্কাৰ সম্পৰ্কীয় নিয়মাৱলীৰ ১ (গ). (৬) আৰু ৩ নং নিয়মৰ ব্যতিক্ৰম হোৱা বাবে বীণা, উপন্যাস খনি (মোটতে ১৫২ পৃষ্ঠা) পৰীক্ষাৰ নিমিত্তে গ্ৰহণ কৰিব নোৱাৰি এই সভা দুঃখিত হৈছে। কিন্তু শ্ৰীমতী স্নেহলতা দেৱীয়ে এখনি উপন্যাস প্ৰকাশ কৰি সাহিত্য-ভঁৰাল চহকী কৰা বাবে এই সভাই ধন্যবাদ জনাইছে আৰু ভৱিষ্যতলৈকো তেওঁৰপৰা ভাষা আৰু সাহিত্যৰ চৰ্চ্চা আৰু উন্নতিৰ আশা কৰিছে"। লেখি-কালৈ সভাৰ মীমাংসা জনোৱা হয় আৰু তাৰ পিচত বাকী কেইখনি কিতাপ নিয়োক্ত প্ৰস্তাৱানুযায়ী তলত নাম দিয়া সাহিত্যিকসকললৈ পৰীক্ষাৰ নিমিত্তে পঠোৱা হয়। (১) শ্ৰীযুত ৰজনীকান্ত বৰদলৈ (২) শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা, (৩) শ্ৰীযুত ডিম্বেশ্বৰ নেওগ।

২৭।৭।২৭ তাং কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ দশম বছৰৰ একাদশ অধিবেশনত পৰীক্ষকসকলৰ মন্তব্যপূৰ্ণ লেফাফা প্ৰকাশ্য সভাত খোলা হয়। পৰীক্ষকসকলৰ ২ খন উপান্যাসৰ সম্পৰ্কে মতদ্বৈত হোৱা বাবে শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱালৈ সেই দুখন উপন্যাস পঠাবলৈ সৰ্ব্ব-সম্মতিক্ৰমে স্থিৰ কৰা হয়। তেখেতৰ মীমাংসা কাৰ্য্য-নিৰ্ব্বাহক সমিতিত দশম বছৰৰ দ্বাদশ অধিবেশনত গৃহীত হয় আৰু সেই মীমাংসামতে শ্ৰীযুত দণ্ডিনাথ কলিতাৰ "সাধনা" উপন্যাসখনিকে শ্ৰেষ্ঠাসন দি পুৰস্কাৰ ঘোষণা কৰা হয়।

আমি দেখি শুনি বেজাৰ পাইছোঁ যে আলোচনী আৰু বাতৰি কাকতত সভাৰ সম্পূৰ্ণ যুক্তিযুক্ত কাৰ্য্যৰ সম্পৰ্কে অযথা সমালোচনা হৈছে। অৱশ্যে সমালোচক

সকলকো ঘপৰাই দাই দিব নোৱাৰি; কিয়নো বাঞ্ছৰা দায়িত্ব নিঃ-স্বাৰ্থভাবে গাত পাতি লওঁতা পত্ৰিকা সম্পাদকসকলে লোকে বুজাই দিয়াটোকে সম্পূৰ্ণ সত্য বুলি বিশ্বাস কৰি অনেক সময়ত তীব্ৰ সমালোচনা কৰে। এই উপন্যাস প্ৰতিযোগীতা পুৰস্কাৰৰ সম্পৰ্কে কোনো কোনো ঠাইৰপৰা গোটাদিয়েক প্ৰস্তাৱো পোৱা হৈছে। সেইবোৰ যথা সময়ত বিষয় বাছনী সভাত উত্থাপিত হ'ব। আমি এই কথাটোৰ বিশদ বিবৰণ দিয়াৰ উদ্দেশ্য যেন আপোনালোকে কোনেও ভূল নুবুজে। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে যদি কোনো ইচ্ছাকৃত বা অনিচ্ছাকৃত ভূল বশতঃ অপথে গৈছে--তেন্তে আপোনালোকে তাৰ যথোচিত মীমাংসা কৰিবৰ স্বত্ব আছে। কিন্তু এনে অৱস্থাত পৰিলে অন্য যি কোনো বিবেচক পুৰুষে বা দায়িত্বযুক্ত সভাই যেনে দৰে চলিলহেতেন আমিও সেইদৰে চলিছো বুলি আমাৰ সম্পূৰ্ণ বিশ্বাস। এখনি আলোচনীত সমালোচনা দেখিছিলোঁ যে সাহিত্য-সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সভ্যসকলে পৰীক্ষা নকৰিলে কিয়? তাৰ একাধিক কাৰণ আছে আৰু সৰহ থাকিবৰ স্থলো আছে। সেইবোৰ কথা এই কাৰ্য্য বিবৰণীত ভৰাই বাহুল্যতা দোষী হবৰ আমাৰ ইচ্ছা নাই; কিন্তু এইটো কথা নকৈ নোৱাৰোঁ যে এই বিষয়ে চেতনাত ডেকা সাহিত্যিক শ্ৰীযুত ডিম্বেশ্বৰ নেওগৰ প্ৰতি অন্যায় সমালোচনা কৰা হৈছে।

(খ) ৰন্ধণ-বিষয়ক পুথি গ্ৰহণৰ সময় ১৯২৭ চনৰ ৩১ মে তাৰিখলৈকে আছিল। আশানুযায়ী কিতাপ নেপোৱা বাবে পুনৰ ১৯২৭ চনৰ ৩১ জুলাই তাৰিখলৈকে সময় বঢ়াই দিয়া হৈছিল। পিচত ৪ খন পুথি পোৱা হৈছিল—যথা;

(১) ৰান্ধণী—শ্ৰীযুতা ধনদাকুমাৰী শইকীয়া

(২) পাক প্ৰণালী { Mrs. S.C. Goswami
আৰু শ্ৰীযুতা প্ৰতিভা দেৱী।

(৩) ৰন্ধন বিষয়ক পুথি—শ্ৰীযুত পদ্মকান্ত ডেকা

(৪) " " " শ্ৰীযুতা প্ৰজ্ঞাসুন্দৰী দেৱী
(Mrs. L. N. Bezborua)

তলত লিখা মীমাংসাৰ দ্বাৰাই এই পুথি কেইখন পৰীক্ষা কৰাবলৈ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে দিহা কৰেঃ—

"পুৰস্কাৰ প্ৰতিযোগীতাৰ নিমিত্তে পঠোৱা ৰন্ধন
পুথি ৪ খনি সভাত উপস্থিত কৰাৰ পিচত সৰ্ব্ব
ক্ৰমে নিম্নলিখি পৰীক্ষক-সমিতি নিয়োগ কৰা হ'ল

(১) শ্ৰীযুতা হেমপ্ৰভা দাস (ডিব্ৰুগড়)

(২) " চন্দ্ৰপ্ৰভা বৰুৱাণী (গুৱাহাটি)

(৩) শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা (গোলাঘাট)

(গ) সৰল বিজ্ঞান পুথি গ্ৰহণৰ সময় ইং
চনৰ ৩১ মে তাৰিখ পৰ্য্যন্ত আছিল। কেৱল
পুথি পোৱা হৈছিল আৰু খনচেৰেক পুথি পোৱাৰ আ
ইং ১৯২৭ চনৰ ৩০ চেপ্টেম্বৰ তাৰিখলৈকে সময়
দিয়া হয়। কিন্তু আৰু পুথি পোৱা নহল। সেই
সমিতিৰ গত চতুৰ্দ্দশ অধিবেশনত তলত লিখা মীমাং
আৰু সেই মীমাংসা অনুসৰি পুথিখনি পৰীক্ষাৰ নি
তলত নাম দিয়া পৰীক্ষকসকলক দিয়া হৈছে। স
পিচতে এই পুথিৰ পুৰস্কাৰো ঘোষণা কৰিব পৰা
বুলি আমাৰ বিশ্বাস।

১। শ্ৰীযুত প্ৰাণনাথ বুজৰ বৰুৱা, বি, এচ্, চি,

২। শ্ৰীযুত কামিনীকণ্ঠ শৰ্ম্মা বি, এচ্, চি,

৩। মৌঃ জেহিৰুদ্দিন আহ্মদ বি, এ, বি,

(ঘ) সৰল-ৰসায়ন পুথি গ্ৰহনৰ সময় ৩০। ৯
তাৰিখলৈকে আছিল, নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত
কিতাপ নোপোৱাৰ বাবে আৰু বড়নগৰ সাহিত্য
অনুৰোধ মতে উক্ত পুথি গ্ৰহণ কৰাৰ সময় ৩১। ১২
তাৰিখলৈকে বঢ়াই দিয়া হৈছে। এনে পুথিৰ অ
কতাৰ সম্পৰ্কে আপোনালোকৰ নিচিনা শিক্ষিত স
বহলাই কোৱাটো ধৃষ্টতা মাথোন হ'ব। আজি
ৰসায়ন শাস্ত্ৰত পাৰদৰ্শিতা লাভ কৰা কেইবাজনো কৃ
অসমীয়া ডেকা আছে। তেওঁলোকৰ জনচেৰেকে
কাৰ্য্যত সাহিত্য সভাৰ চেষ্টা ফলৱতী কৰিবলৈ য
উচিত।

(ঙ) পেটকেশ্বৰী বৰুৱানী পদক প্ৰতিযো
নিমিত্তে প্ৰবন্ধ গ্ৰহন কৰিবলৈ ৩০। ৩০। ২৬ তাৰিখ
সময় আছিল। "আহোম আৰু হিন্দু সমাজ" ন
প্ৰবন্ধ পোৱা হৈছিল, আৰু দাত্ৰী-মনোনীত প
সকলে সেই প্ৰবন্ধ পৰীক্ষা কৰি পদক পাবৰ উ



নাই বুলি সাব্যস্ত কৰে. আৰু সেইবাবে সমিতিৰ ষষ্ঠ
অধিবেশনত এই পদক-প্ৰতিযোগীতাৰ নিমিত্তে নতুন প্ৰবন্ধ
গ্ৰহণৰ নিমিত্তে পুনৰ ১৮৪৯ শকৰ চ'তৰ সংক্ৰান্তিলৈকে
সময় নিৰ্দ্ধাৰিত কৰা হয়।

সাহিত্য সভাৰ উপযোগীতাৰ কথা বহলোৱা আমাৰ
উদ্দেশ্য নহয়, কিন্তু সভাৰ সংকল্পিত কাৰ্য্য অনেক সিদ্ধি
নাহোৱাকৈ পৰি আছে। তাৰ ভিতৰত তলত লিখা
কাম কেইটা এতিয়াও অসম্পাদিত থকাটো অসমীয়া
চিন্তাৰ কাৰণ হোৱা উচিতঃ—

(ক) অষ্টম সন্মিলনৰ কাৰ্য্য-বিবৰণীৰ ২ (চ)
আসামৰ বাহিৰৰ অসমীয়া মানুহৰ অসমীয়া ভাষা
সম্পৰ্কে উল্লেখ দেখা যায় (আসাম-সাহিত্য
সভা-পত্ৰিকাৰ ১ম বছৰৰ ১ম সংখ্যাৰ ১২ পৃষ্ঠাত) এই
সমূলি হাতত লোৱা হোৱা নাই বুলিলেও অত্যুক্তি
। সাহিত্য-সভা-পত্ৰিকাৰ ৪ৰ্থ সংখ্যাত শ্ৰীযুত উমাকান্ত
গোস্বামী দেৱৰ এটি প্ৰবন্ধত শ্ৰীহট্টত (আচলতে সুৰমা
উপত্যকাত) এতিয়ালৈকে ৰীতি-নীতি আচাৰ-ব্যৱহাৰ সাজ
আদিৰে অসমীয়াৰ অস্তিত্ব ৰক্ষা কৰা অসমীয়া ভাইসক-
ৰ বিবৰণ দিয়া হৈছে (৪ৰ্থ সংখ্যা ১৮৭ পৃষ্ঠা) ইয়াৰ উপৰিও
আসামৰ দাতি কাষৰত অনেক জাতি আছে যাৰ গ্ৰাম্য ভাষা
থাকিলেও লিখিত হিচাপে অসমীয়াৰ বাহিৰে অন্য ভাষা
সচল বা কাৰ্য্যকৰী নহয়। এইবোৰ ঠাইত অসমীয়া
ভাষাৰ প্ৰবৰ্ত্তন কৰা সাহিত্য সভাৰ ঘাই কাম। গাড়ো
পাহাৰ জিল্লাৰ গাড়ো, ৰাভা কচাৰী আৰু বড়ো জাতীয়
লোকসকলৰ মাজত অসমীয়া ভাষা প্ৰচলিত হোৱাৰ
ভাল সম্ভাৱনা আৰু আশা আছে বুলি গোৱালপাৰ
সমূহৰ ডেপুটি ইন্সপেক্টৰৰপৰা জানিবলৈ পাইছো।
কিন্তু এই কামলৈ প্ৰচাৰক নিযুক্ত কৰিবৰ নিমিত্তে
ধনৰ দীঘল যোনাৰ আৱশ্যক। ইয়াৰ আগেয়ে হৈ যোৱা
পোষক কেইগৰাকীৰ লগতে লেখত লব পৰাকৈ
কোনো সদাশয় ধনী ব্যক্তিয়ে এই উদ্দেশ্যেৰে এটা ধনৰ
ভঁৰাল স্থাপন কৰিলে অসমীয়া ৰাইজ আৰু ভাষাৰ যে
উপকাৰ সাধিত হব তাক বহলাই কোৱাৰ সকাম নাই।
৮ম প্ৰস্তাৱ-নৱম সন্মিলন, ১১৪পৃষ্ঠা—২য় সংখ্যা)।
গোৱালপাৰৰ ডেপুটিইনচ্পেক্টৰ মহোদয়ৰ উত্তৰ
সন্তোষপ্ৰদ বুলি আমি ভাবিছো। তেখেতে সহজ

অসমীয়া প্ৰচলিত হবৰ ভাল সম্ভাৱনা আছে বুলি আমাক আশ্বাস দিছে।

(খ) বৃত্তমঞ্জৰীঃ—গুৱাহাটী সন্মিলনতে অসমীয়াৰ গৌৰৱৰ স্থল পূজনীয় মহামহোপাধ্যায় পণ্ডিত ৺ধীৰেশ্বৰ আচাৰ্য্যকৃত বৃত্তমঞ্জৰী পুথি ছপা কৰাবলৈ এখনি সমিতি গঠিত হৈছিল। কিন্তু দুখৰ বিষয় প্ৰবীণ সাহিত্যিক পণ্ডিত শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী, নবীন সাহিত্যিক কৃতবিদ্য অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা আৰু উদ্যোগী স্বদেশহিতৈষী শ্ৰীযুত জলতিৰাম ভূঞা লহকৰ আদি অসমীয়াৰ উজ্জ্বল ৰত্ন কেইবাজনেৰে উক্ত সমিতি গঠিত হোৱা স্বত্বেও—অসমীয়া ৰাইজ এতিয়ালৈকে বৃত্তমঞ্জৰী-পাঠৰপৰা বঞ্চিত হৈ আছে। পুথিখনি সংস্কৃত ভাষা সম্পৰ্কীয় বুলি কোনোৱে এই উদ্যমক আসাম সাহিত্য সভাৰ উদ্দেশ্যৰ বহিভূৰ্ত বুলি ভাবিব পাৰে —কিন্তু দকৈ ভাবি চালে বুজিব পৰা যায় যে এই অমূল্য ৰত্নখনি এই সভাৰ যোগেদি প্ৰকাশিত নহলে শীঘ্ৰে হোৱাৰ আশা নাই আৰু এই পুথিৰ কাৰণেই যে অসমীয়াৰ মাজত লুপ্তপ্ৰায় দেৱভাষাৰ বাবে অসমীয়াৰ যি নিন্দা আছে, তাৰ লোপ হব বুলি আশা কৰা যায়।

(গ) অষ্টম সন্মিলনত গৃহীত হোৱা ত্ৰয়োদশ প্ৰস্তাৱানুযায়ী ৺আনন্দৰাম ঢেকিয়াল ফুকন আৰু ৺ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাৰ সোঁৱৰণি-ফলি প্ৰতিষ্ঠাৰ নিমিত্তে সাহিত্য সভাই যি সজ্ঞ আকাঙ্ক্ষা ব্যক্ত কৰিছিল, সেই প্ৰস্তাৱ কাৰ্য্যত পৰিণত হ'ব বুলি নৱম-সন্মিলনৰ কাৰ্য্যবিবৰণী ১(ছ) ছেদত আশা পোৱা হৈছিল। কিন্তু সাহিত্যসেৱী আৰু স্বদেশহিতৈষী, গুণীৰ আদৰৰ মোল বুজা আপোনালোকে শুনি বেজাৰ পাব যে সেই সৎ-সঙ্কল্পৰ আশা আমি এৰিব লগীয়া হৈছে। অনেক লিখা-লিখিৰ পিচত সিদিনা মাথোন শ্ৰীযুত মিলাদেৱ গোস্বামীৰপৰা আমি তলত লিখা দৰে শেষ সমিধান পাই আপোনালোকক জনাবলৈ বাধ্য হৈছোঁ:—

আসাম সাহিত্য সভাৰ শ্ৰীযুত সম্পাদক ডাঙৰীয়া,

"আসাম সাহিত্য সভাৰ ৮ম অধিবেশনত ৺আনন্দৰাম ঢেকিয়াল ফুকন আৰু ৺গুণাভিৰাম বৰুৱা ৰায় বাহাদুৰৰ

স্মৃতিফলক স্থাপন কৰাৰ সম্বন্ধে যি প্ৰস্তাৱ গৃহীত হৈছিল সেই প্ৰস্তাৱ উপযুক্ত স্থানৰ অভাৱত কাৰ্য্যত এই পৰ্য্যন্ত পৰিণত কৰিবৰ কোনো চেষ্টা কৰিব পৰা নাই।

ইতিপূৰ্ব্বে লিখামতে নগাওঁ মিউনিচিপালিটিয়ে পাৰ্ক নকৰা পৰ্য্যন্ত এই কাম হাতত লবৰ আগন্তুক নাই, মতে জনালোঁ।"

চাৰিজন কৃতবিদ্য নগঞা ভদ্ৰলোকৰ ওপৰত এই ভাৰ দিবলৈ পাই কাৰ্য্যনিৰ্ব্বাহক সমিতি নিশ্চিন্ত হৈছিল আৰু এই সমিতিৰ সাহিত্যৰ উপযুক্ত সেৱক অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞাৰ নাম অসমীয়া ৰাইজৰ পক্ষে সৰ্ব্বতো ভাৱে আশাপ্ৰদ হৈছিল। শ্ৰীযুক্ত মিলাদেৱ গোস্বামী উকীল ডাঙৰীয়াৰপৰা পূৰ্ব্বোক্ত চিঠি পোৱা স্বত্বেও আমি পুনৰ উক্ত সঙ্কল্প কাৰ্য্যত পৰিণত হ'বলৈ আশা কৰিব নোৱাৰোনে? আমি সদৌ আসামবাসীৰ হৈ নগঞা ৰাইজৰ নেতাসকলক জনাওঁ যে তেওঁলোকে সাহিত্য সভাৰ এই সদ-বাঞ্ছা পূৰণৰ নিমিত্তে যত্ন কৰিব আৰু প্ৰতিভাৰ প্ৰতি সন্মান দেখুৱাবলৈ অসমীয়া ৰাইজক সুযোগ দিব। অসমীয়া জাতি ধনেৰে দুখীয়া হ'লেও আকাঙ্ক্ষা উচ্চ-বাসনা বিহীন নহয় আৰু গুণীৰ গোল সুবুজা এতিয়াও হোৱা নাই।

( ৪ ) অসমীয়া ভাষাৰ বিষয়ে স্থায়ী অধ্যাপক আৰু Research Scholar (অনুসন্ধান-নিযুক্ত শিক্ষা) বিষয়ে পূৰ্ব্বে কোৱা হৈছে। কাউন্সিলৰ মাননীয় মেম্বৰসকলে এই কাৰ্য্য হাতত লৈ সাহিত্য-সভাক সহায় কৰা উচিত। আমি প্ৰকাশ্য ভাৱে এই ঠাইত ইয়াৰ পুনৰুল্লেখ কৰি মাননীয় মন্ত্ৰী ডাঙৰীয়া আৰু ডাইৰেক্টৰ চাহাব মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। আমি এই বিষয়ে উপৰোক্ত বিষয়া দুগৰাকীলৈ লিখা শেষ চিঠিৰ পৰা ( নং ১২৩৭, তাং ২৯।৭।২৭ ) সাৰৱণি অংশ তুলি দিছোঁ—

"I beg further to request you to be good enough to convey the gratitude of the Governing Body of the Assam Sahitya Sabha to the Government of Assam for sanctioning the appointment of a whole time Lecturer of Assamese in the Cotton College with effect from the current month.

I am however desired by the members of my Governing body to submit to the Government of Assam that this Sabha still venture to hope that in the near future the Goverment may be advised by you to create a Professorship like the University Professorship in Sanskrit, Prakrit, Pali, Bengali etc. for the encouragement of Research work relating to the Language, Literature, History, Arts etc. of the Assamese people in the past and with that end in view for delivery of a course of lectures by different but eminent Assamese Scholars from time to time."

## নিয়মৰ সাল-সলনি।

(ক) শাখা সভা আৰু স্বীকৃত সভা :—

আমাৰ বৰ্ত্তমান প্ৰচলিত নিয়মাৱলীৰ ভিতৰত কি[...] বেমেজালি আছে যেন আমি অনুভৱ কৰিছোঁ। সাহিত্য সভাৰ অন্তৰ্ভুক্ত শাখা সভা আৰু স্বীকৃত সভা দু[...] ৰকমৰ সভা পতাৰ যি উদ্দেশ্য আছিল—সেই উদ্দেশ্য সমূলি ব্যৰ্থ হৈছে বুলি অভিজ্ঞতাৰপৰা বুজা গৈছে[...] আমাৰ বোধেৰে এই দুই প্ৰকাৰৰ সভাৰ পাৰ্থক্য গুচা[ই] সকলো সভাকে একে শ্ৰেণীত ৰাখিব লাগে। আমি[...] সাহিত্য-সভাৰ ওৰিৰেপৰা আয়-তালিকা চাই বুজিছো[...] যে প্ৰথম বছৰৰ যোৰহাট সাহিত্য-সভাৰপৰা পোৱা [...] টকাৰ বাহিৰে আজিলৈকে কোনো শাখা-সভাই সভ[্য] সংখ্যা অনুসৰি চান্দা পঠোৱা নাই। সকলো সভা[ই] বাৰ্ষিক ৰৰঙনি ১০৲ টকাকৈহে দি আহিছে। সেই বাবে[...] সকলো সভাকে সমান অধিকাৰ দি সমপৰিমাণে চান্দা আদায় কৰি সকলো সভাকে শাখা-সভা ভুক্ত কৰি লো[ৱা] উচিত বুলি আমি বিবেচনা কৰিছোঁ। সমবেত সুধী[...] সকলে এই কথা ভাবি চাবলৈ যাতে সুবিধা পায়, তা[ৰ] নিমিত্তে আমি এই কথাৰ এই ছেগতে উল্লেখ কৰিলোঁ।

(খ) ছাত্ৰ-সভা আৰু সভ্যৰ অধিকাৰ :—

ছাত্ৰ সভাসাহিত্য সভাৰ অন্তৰ্ভুক্ত কৰাৰ সম্পৰ্কে এটা বেমেজালি কলিকতা অ, ভা, উ, সা সভাই আমাৰ চকুত পেলাইছে; আমি সেই কথাৰ সম্পৰ্কে ভাবি চাই নিয়মৰ বেমেজালি বুজিব পাৰি আপোনালোকৰ আগত এই কথা মীমাংসাৰ নিমিত্তে উপস্থিত কৰিম। ১০ নং নিয়ম অনুসাৰে ১০ বছৰৰ ক'ম বয়সীয়া লোক সভ্য হব নোৱাৰে। ছাত্ৰ সভাৰ সভ্য সৰ্ব্ব সাধাৰণতঃ ( কলেজৰ ন'হলে ) ১৮ বছৰৰ ক'ম হ'বই। পিচে এই ছাত্ৰ সভাৰ সভ্য প্ৰতিনিধিসকলে ২৯।৩৫ নং নিয়ম অনুসৰি ভোট দিব পাৰিবনে নোৱাৰে—এই প্ৰশ্নৰ উত্তৰ আমি কলিকতা অ, ভা, উ, সা সভাক এতিয়ালৈকে দিয়া নাই আৰু এই সন্মিলনত এই সমস্যাৰ মীমাংসা হ'ব বুলি আশ্বাস দিছোঁ। আমি ভবা মতে কোনো স্কুলীয়া ছাত্ৰ-সভাক এই সাহিত্য সভাৰ অন্তৰ্ভুৰ্ক্ত কৰিব নালাগে—যদি নিতান্তই কৰা হয়—তেন্তে এনে নিয়ম থাকিব লাগে যে সেই ছাত্ৰ-সভাৰ এজন সভাপতি, দুজন বা ততোধিক সহকাৰী সভাপতি থাকিব আৰু ছাত্ৰ-সভাৰ হৈ সেই কিজনেই ( ধৰক অনধিক ৫ জন ) প্ৰতিনিধি হৈ আহি ভোট দিব পাৰিব। এনে নিয়ম কৰিলে বোধ কৰোঁ আমাৰ নিয়মৰ আসামঞ্জস্য লোপ পাব।

## কাৰ্য্য-নিৰ্ব্বাহক সমিতি।

গত সন্মিলনত নিৰ্ব্বাচিত হোৱা কাঃ নিঃ সমিতিৰ সভ্যসকলৰ ভিতৰত জনচেৰেক নিজ নিজ কাৰ্য্যবশতঃ স্থানান্তৰিত হ'ব লগীয়া হোৱাত নতুন সভ্য নিযুক্ত কৰি সমিতিৰ সভ্যৰ সংখ্যা ৰক্ষা কৰা হৈছে। প্ৰথমতে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্য শ্ৰীযুত নীলনাথ শৰ্ম্মা ডাঙৰীয়া পদোন্নতি ক্ৰমে গুৱাহাটীলৈ যোৱা বাবে তেখেতৰ ঠাইত শ্ৰীযুত ঘনকান্ত বৰুৱা নিৰ্ব্বাচিত হ'ল। শৰ্ম্মা ডাঙৰীয়াৰ নিচিনা উদ্যোগী আৰু সাহিত্য-সভাৰ হিতাকাঙ্ক্ষী সভ্য এজন কাৰ্য্য নিৰ্ব্বাহক সভাৰপৰা আঁতৰ হোৱাত, সমিতিয়ে যেনেকৈ বেজাৰ পাইছে, তেনেকৈ তেখেতৰ উন্নতিত আনন্দও লভিছে। বহুতে বোধ কৰো নাজানে যে শৰ্ম্মাদেৱ সাহিত্য সভাৰ এজন হিতাকাঙ্ক্ষী কৰ্ম্মী আছিল। সেই বাবে এই পিনিতে তেখেতৰ শলাগ লৈ আশা কৰোঁ যেন তেখেতে দূৰৈত থাকিলেও সাহিত্য সভাৰ প্ৰতি মৰম নেৰিব আৰু ইয়াৰ ভেঁটি শকত হবলৈ পোৱা কোনো চেলু যেন এৰি নিদিব। দ্বিতীয়তে হিচাপ-পৰীক্ষক শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱা, এম, এ, বি, এল্, ডাঙৰীয়া চৰ-জজ পদলৈ উন্নীত হোৱাত, তেখেতৰ ঘাই কাৰ্য্য স্থল যোৰহাটৰপৰা আঁতৰিল। তেখেতৰ ঠাইত শ্ৰীযুত দেবানন্দ ভঁৰালী ডাঙৰীয়া সভ্য নিৰ্ব্বাচিত হ'ল। বৰুৱা ডাঙৰীয়াই হিচাপ-পৰীক্ষক স্বৰূপে এই সভাক অনেক কাম কৰি দিছিল আৰু তেখেত এজন উদ্যোগী সভ্য আছিল। তেখেতৰ উন্নতিত আমি আনন্দ পাইছোঁ যদিও, কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকলৰ মাজত তেখেতৰ নিচিনা নিয়ম-তৎপৰ তাৰ্কিকৰ অভাৱৰ অনুভৱ হৈছে। এখেতৰ ঠাইত হিচাপ পৰীক্ষক শ্ৰীযুত জিতেন্দ্ৰ কুমাৰ দাস মনোনীত হৈছে। তৃতীয়ত অলপ দিনৰ আগলৈকে সাহিত্য সভাৰ ধৰণী স্বৰূপে প্ৰধান সম্পাদকৰ গধুৰ বোজা বান্ধি যি জনে এই সভাৰ অৱস্থা পাৰ্য্যমাণে টনকিয়াল কৰিলে, তেৰোঁ পদোন্নতি ক্ৰমে স্থানান্তৰ হ'ল। আমি শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ পদোন্নতিত ৰং পাইছো সচা; কিন্তু তেখেত যোৰহাটৰপৰা আঁতৰ হৈ থাকিব লগীয়া হোৱাত আমি সকলোৱে দুখ পাইছো—আৰু তেখেতৰ অভাৱ আমি দিনে দিনে বেচিকৈ অনুভৱ কৰিছোঁ। এখেতৰ ঠাইত ৰায় চাহাব শ্ৰীযুত কমলাকান্ত বৰুৱা সভ্য মনোনিত হৈছিল আৰু আমি প্ৰধান সম্পাদক নিযুক্ত হৈছোঁ। আৰু সাহিত্য সভাৰ দায়িত্বপূৰ্ণ প্ৰধান সম্পাদকৰ বলে নোৱাৰা বাৱখনি আমাৰ নিচিনা অল্পমতি অভাজনৰ কান্ধত পৰিছে। আমি গোঁসাইদেৱৰ দৰে অক্লান্ত পৰিশ্ৰম কৰি সাহিত্য সভাৰ কাৰ্য্য কৰিবলৈ অপাৰগ আৰু বহুদৰ্শিতাৰ অভাৱত আমাৰ সিমান শক্তিও নাই। তথাপি মৰ-সাহ দি আমাৰ সহকৰ্ম্মী সভ্যসকলৰ প্ৰতাৱত বাধ্য হৈ স্বীকাৰ হলোঁ আৰু তাৰ পিচত আমাৰ ক্ষুদ্ৰ বুদ্ধি আৰু সামৰ্থ্য অনুসৰি

কাম কৰিবলৈ যত্ন কৰিছো। সমবেত সুধী মণ্ডলীক সন্তোষ দিব পৰাটো দূৰৰ কথা, কাকো অসন্তোষ নিদিয়াকৈ নিজৰ দায় এৰাব পাৰিলেই কৃতাৰ্থ হ'ম আৰু নিজক ধন্য মানিম।

পুথি ভঁৰাল :— সৰ্ব্বশেষত সাহিত্য সভাৰ অন্যতম সুযোগ্য সভ্য শ্ৰীযুত ৰোমেশ্বৰ শৰ্ম্মা উত্তৰ লক্ষীমপুৰলৈ বদলি হ'ল। তেওঁ সাহিত্য সভাৰ নতুন পুথি-ভঁৰালৰ অধ্যক্ষ আছিল; তেওঁ অশেষ পৰিশ্ৰম কৰি পুঁজি চাই কিতাপ বাচি পুথি-ভঁৰাল প্ৰতিষ্ঠা কৰিছিল আৰু পুথি-ভঁৰাল সম্পৰ্কীয় যাৱতীয় কাৰ্য্য নিজে কৰিছিল। পুথি ভঁৰালৰ চালুকীয়া অৱস্থাতে তেওঁকো সাহিত্যসভাৰ কেন্দ্ৰস্থলৰপৰা বদলি কৰাত সাহিত্য সভাৰ বৰ অসুবিধা হ'ল। তেওঁৰ ঠাইত স্বনামখ্যাত সাহিত্য-সেৱী শ্ৰীযুত দেবানন্দ ভঁৰালী ডাঙৰীয়াকে পুথি-ভঁৰালী পতা হ'ল আৰু খালি হোৱা সভ্যপদত শ্ৰীযুত মিত্ৰদেৱ মহন্তক মনোনীত কৰা হ'ল। শ্ৰীযুত ভঁৰালী ডাঙৰীয়াই পুথি-ভঁৰালীৰ বাব লৈ কাৰ্য্য-নিৰ্ব্বাহক সমিতিক সহায় কৰিবলৈ স্বীকাৰ কৰাত সমিতিৰ সভ্যসকলে তেখেতৰ শলাগ লৈছে। পুথি-ভঁৰালৰ সম্পৰ্কে এটা বিশেষ দান গৱৰ্ণমেণ্টৰপৰা পাবৰ আশাৰে আমাৰ হিতৈষী কৰ্ম্মবীৰ আৰু সুযোগ্য সভ্য শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াই এই বিষয়ে যত্ন কৰিব বুলি আশাও দিছে। সেই বাবে তেখেতসকল আমাৰ ধন্যবাদৰ পাত্ৰ। মন্ত্ৰী ডাঙৰীয়াৰ অনুৰোধমতে অনুসন্ধান কাৰ্য্যৰ সুবিধা কৰিব পৰাকৈ আৱশ্যকীয় কিতাপৰ এখনি বিস্তৃত তালিকা আমাৰ সমিতিয়ে স্নেহাস্পদ আৰু কৃতবিদ্য বন্ধু শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ দেৱৰ হতুৱাই কৰাইছিল। সেই তালিকা মন্ত্ৰী ডাঙৰীয়ালৈ পঠোৱা হৈছে। তালিকাভুক্ত কিতাপবোৰৰ দাম ২৫০০০ হাজাৰ মান টকাৰ কম নহ'ব বুলি সন্দিকৈ দেৱৰপৰা শুনা হৈছিল। মন্ত্ৰী ডাঙৰীয়াই চৰকাৰী মন্ত্ৰনাগাৰত এই বিষয়ে যত্ন কৰি যিমান সৰহকৈ সম্ভৱ হব সিমান টকা সাহিত্য সভাৰ পুথি ভঁৰালৰ অৰ্থে দিব বুলি আমি সকলোৱে সদায় আশা কৰি আছোঁ।

আসাম-সাহিত্য-সভাৰ এটা ভাল পুথি ভঁৰাল থাকিব লাগে বুলি সকলোৱে কৈ আহিছে, আৰু এই পুথি ভঁৰালৰ বাবে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে যোৱা বছৰ ১৫০০৲ টকা মঞ্জুৰ কৰিছিল, তাৰে কিছুমান কিত[illegible] অনা হৈছে; গৱৰ্ণমেণ্টেও কিছুমান কিতাপ বি[illegible] মূল্যত এই পুথি-ভঁৰাললৈ দিছে। বৰ্ত্তমানলৈকে [illegible] পুথি-ভঁৰালত তলত লিখা সংখ্যাৰ অসমীয়া, ইংৰাজী সংস্কৃত আদি কিতাপ আছে:—

অসমীয়া কিতাপ——৬১৫ খন
ইংৰাজী————৬৮ ,,
সংস্কৃত————২৮ ,,
বঙ্গলা————৩৯ ,,
গৱৰ্ণমেণ্টে দিয়া ৬৪ ,,

এইবিলাক কিতাপ কিনোতে বৰ্ত্তমানলৈকে সভাৰ প্ৰা[illegible] ১৬৫০৲ টকা মান খৰচ হৈছে। ইয়াৰ বাহিৰেও গৱ[illegible] মেণ্টৰপৰাও প্ৰায় ৭০০৲ মান টকাৰ কিতাপ পো[illegible] হৈছে।

কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকলৰ ভিতৰত প্ৰা[illegible] সকলোৱেই নিয়মমতে সভাত উপস্থিত হৈ সভাৰ কা[illegible] সুকলমে চলোৱা বাবে সম্পাদক স্বৰূপে আমি সকলো[illegible] টিকে ধন্যবাদ দিছো। এই বছৰৰ ভিতৰত সভাৰ [illegible] খনি সাধাৰণ অধিবেশন হৈছিল আৰু ২ খন বিশে[illegible] অধিবেশন হৈছিল। নিয়মিত সভ্য-সমষ্টিৰ উপস্থিতি[illegible] অভাৱত হুবাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতি স্থগিত থাকি[illegible] লগীয়া হৈছিল। এখনি বিশেষ অধিবেশন যোৰহাট[illegible] কৃতী ডেকা, আসামৰ ভবিষ্যৎ গৌৰৱৰ স্থল, অসমীয়া[illegible] ভিতৰত নবীন বন্ধ শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈক অভ্যৰ্থ[illegible] কৰিবলৈ পতা হৈছিল। আৰু অন্যখন বিশেষ স[illegible] পৰমাৰাধ্যতম শ্ৰীল শ্ৰীশ্ৰীযুক্ত গড়মূৰীয়া গোস্বামী প্ৰভু[illegible] সম্বৰ্দ্ধনাৰ নিমিত্তে পতা হৈছিল। প্ৰভুৱে সাহিত্য সভ[illegible] মন্দিৰ চন্দ্ৰকান্ত সন্দিকৈ হলত উপস্থিত হৈ তেখে[illegible] অসমীয়া সমাজৰ হিতৰ নিমিত্তে যি যি কাৰ্য্য হাত[illegible] লৈছে তাক জনাইছিল আৰু সেই সেই কাৰ্য্যৰ যৌক্তি[illegible] কতা বুজাই দিছিল আৰু সাহিত্য সভাৰ ভবিষ্য[illegible] উন্নতিৰ কামনা কৰি সভ্যসকলক সন্তোষ দিছিল[illegible]

নিচেইকৈ এখনো সভাত উপস্থিত নোহো[illegible] কোনো সভ্য নাই যদিও জনচেৰেকৰপৰা উপস্থিতি[illegible] গড় হাজিৰা দি নবে আশা কৰিব লাগে তেনেকৈ নোহোৱাটো দুঃখৰ বিষয়। অপ্ৰিয় সত্য কোৱা অনাৱশ্যক বাবে ইয়াত নামোল্লেখ কৰা ন'হল।



## সভাৰ আপীচ আৰু কৰ্ম্মীসকল।

পূৰ্ব্ববৰ্ত্তী ঘাই সম্পাদক শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱে সাহিত্য সভাৰ গুৱিয়াল স্বৰূপে ২০।৫।২৭ তাং লৈকে আপীচৰ যাৱতীয় কাৰ্য্য সুখ্যাতিৰে সৈতে চলাইছিল; এই বিষয়ে অন্য ঠাইত বাহুল্যকৈ কোৱা হৈছে। অতি সুখৰ বিষয়—আমাৰ সুযোগ্য সহকাৰী সম্পাদক শ্ৰদ্ধাস্পদ বন্ধু শ্ৰীযুত বিষ্ণুচন্দ্ৰ বৰুৱা আৰু প্ৰিয় বন্ধু শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা আৰু স্নেহাস্পদ বন্ধু শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা তিনিওজনে সভাৰ হিতৰ অৰ্থে সদায় নিজ কৰ্ত্তব্য কৰিবলৈ কেতিয়াও কুণ্ঠিত হোৱা নাই; এখেতসকলৰ সজ-পৰামৰ্শ আৰু সহানুভূতি, কৰ্ত্তব্য-পৰায়নতাৰ বাবেহে আমি প্ৰধান সম্পাদক স্বৰূপে আজি আপোনালোকৰ আগত থিয় হ'ব পাৰিম বুলি আশা কৰিছিলোঁ; আৰু আমাৰ আশা যে সমূলি অথলে যোৱা নাই তাক ভালকৈ বুজিছো আৰু তেওঁলোকৰ প্ৰতি আমাৰ কৃতজ্ঞতা জনাইছো। পূৰ্ব্ববৰ্ত্তী পুথি-ভঁৰালী আৰু বৰ্ত্তমান পুথি-ভঁৰালীৰ কথা অন্যত্ৰ কোৱা হৈছে। তেওঁলোককো এই ছেগতে ধন্যবাদ জনালোঁ। পূৰ্ব্ববৰ্ত্তী হিচাব পৰীক্ষকৰ কথা আপোনালোকক শুনাইছো—বৰ্ত্তমান যোৰহাটৰ প্ৰসিদ্ধ ফাৰ্ম্ম দাস এণ্ড কোম্পানীৰ অন্যতম মালিক শ্ৰীযুত জিতেন্দ্ৰ কুমাৰ দাসক আমি হিচাপ-পৰীক্ষক ৰূপে পাইছো আৰু তেওঁ অতি লাভজনক ব্যৱসায়-সংক্ৰান্ত সমস্যাভাৰ উপেক্ষা কৰিও আমাৰ সভা সমিতিত যোগ দি অসমীয়া ভাষাৰ প্ৰতি সমাদৰ দেখুওৱাৰ উপৰিও, হিচাপ পৰীক্ষক বাব লৈ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সভ্যসকলক কৃতজ্ঞতাৰ ডোলেৰে আবদ্ধ কৰিছে। আমি তেওঁৰ প্ৰতিও আমাৰ ও সভাৰ শলাগ জনাইছো।

আপীচৰ ফাইলৰ সংখ্যা ৬৭ লৈকে বাঢ়িছে। তাৰ ভিতৰত যোৱা বছৰৰ ৫৮ টা আছিল। কাম শেষ হৈ যোৱা প্ৰায় ২৮ টা পুৰণি ফাইল বাদ দি এতিয়া ৩৯ টা ফাইলৰ কাম চলি আছে।

যোৱা সন্মিলনৰপৰা এতিয়ালৈকে পোৱা চিঠিৰ সংখ্যা ৪৯২ আৰু দিয়া চিঠিৰ সংখ্যা ১৬৮২ হৈছে। যোৱা বছৰৰ পোৱা চিঠিৰ সংখ্যা ১৬৯, আৰু দিয়া চিঠিৰ সংখ্যা ১৫০৯ খন আছিল। আপীচৰ কাৰ্য্য সুশৃঙ্খল ভাবে চলিছে আৰু তাৰ বাবে আমাৰ কেৰাণী শ্ৰীমান নন্দীনাথ গোস্বামী বাপা শলাগৰ পাত্ৰ। সভাৰ কেন্দ্ৰস্থলৰ বাকী বৰঙনিখিনি কেৰাণীয়ে নিজে ঘূৰি মেলি তুলি সভাৰ অৱস্থা টনকিয়াল কৰিবলৈ যত্ন কৰিলেই তেওঁৰ নিয়োগৰ সাৰ্থকতা দুগুণে চৰিব—এই কথা মনত ৰাখিলে আমি যে আৰু সন্তোষ পাম তাক কোৱা বাহুল্য মাথোন।

## মুখপত্ৰ।

প্ৰত্ৰিকা সম্পাদক মান্যবৰ শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াৰ কাৰ্য্যৰ বিশেষ পৰিচয় দিবলৈ যোৱাটো ধৃষ্টতাব্যঞ্জক হ'ব বুলি আশঙ্কা কৰিছো। কিন্তু এইটো নকৈ নোৱাৰি যে তেখেতৰ নিচিনা সুবিজ্ঞ বহুদৰ্শী আৰু প্ৰবীন সাহিত্যিকৰ তত্ত্বাৱধানত সাহিত্য সভাৰ মুখ-পত্ৰ সম্পাদিত হোৱাটো বৰ সৌভাগ্যৰ কথা। যোৱা সন্মিলনৰ পিচৰপৰা প্ৰথম বছৰৰ বাকী ৩ সংখ্যা যথা সময়ত ওলাই গৈছে। পত্ৰিকা-ভুক্ত প্ৰবন্ধাৱলী আৰু সম্পাদকীয় মন্তব্যৰ সম্পৰ্কে সমালোচনা কৰা আমাৰ বক্তব্য বিষয় নহয়, কিন্তু তেখেতে গোটেই বছৰটোৰ ভিতৰত সৰহ ভাগ সময় শাৰীৰিক অসুস্থতা ভুগি, কিছুকাল প্ৰবাস খাটিও পত্ৰিকাখনি সুন্দৰৰূপে প্ৰকাশ কৰাইছে। আৰু এই কাৰ্য্যৰ দ্বাৰাই তেখেতে সাহিত্য সভাৰ গৌৰৱ-বৃদ্ধিত যথেষ্ট সহায় কৰিছে—তাৰ বাবে আমি তেখেতৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জনাইছো। আপোনালোকে এই সন্মিলনৰ প্ৰস্তাৱ-গ্ৰহণৰ সময়ত বুজিব পাৰিব যে, এই মুখপত্ৰখন মাহেকীয়া কৰিবলৈ অনেকে আগ্ৰহ প্ৰকাশ কৰিছে। সভাৰ মুখপত্ৰৰ নিমিত্তে গত বছৰৰ ৪ সংখ্যাত প্ৰায় ৯০০৲ টকা খৰচ হৈছে। প্ৰতি সংখ্যাতে হিচাপত ৩০০৲ টকা মানকৈ খৰচ পেলালে, ২।১ খন ছবি দি, কাগজখনৰ আৰু উৎকৰ্ষ সাধন কৰিব পৰা হব। মাহেকীয়া কৰিবলৈ হলে এই খৰচ তিনিগুণ বাঢ়িব আৰু প্ৰায় ১২০০ বাৰ্ষ

গ্ৰাহক হ'লে কথমপি খৰচে জুৰিব। তাকে চাই আমি ১২০০ গ্ৰাহক পোৱা সম্ভৱনে বুজি লৈ, আপোনালোকে যথাসময়ত এই প্ৰস্তাৱৰ মীমাংসা কৰিব।

## চন্দ্ৰকান্ত অভিধান।

যোৱা সন্মিলনৰ কাৰ্য্যবিৱৰণীত আপোনালোকে প্ৰধান সম্পাদকৰপৰা জানিবলৈ পাইছিল যে সেই সময়লৈকে 'ধ' আখৰলৈকে অভিধানৰ কাৰ্য্য শেষ হৈছিল। এতিয়া বাৰ মাহৰ অন্তত দেখা গল যে 'ল' আখৰলৈকে লিখা হৈছে আৰু অভিধান সংগ্ৰাহকৰ টোকাৰপৰা বুজিব পাৰিছোঁ বাকীখিনি শেষ হ'বলৈ আৰু প্ৰায় ৫।৬ মাহমান লাগিব। সংগ্ৰাহক শ্ৰীযুত কোহিৰাম দাস আৰু তেওঁৰ সহকাৰী শ্ৰীযুত রুদ্ৰকান্ত গোস্বামী উভয়ে যথাসাধ্য চেষ্টা কৰি অভিধান প্ৰনয়ণ কাৰ্য্যত মন পুতি লাগিছে। আৰু সেইবাবে তেওঁলোক আমাৰ ধন্যবাদৰ পাত্ৰ। ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই বাৰ্দ্ধক্য আৰু শোকৰ কাৰণে আতুৰ হৈ থকা দেহাৰেও সংগ্ৰাহকসকলৰ লিখাবোৰ দোহাৰি চাইছে আৰু তেখেতৰ অভিজ্ঞতাৰ উপকাৰ পাই সমিতিৰ সভ্যসকলে কৃতজ্ঞতা প্ৰকাশ কৰিছে। ৰায় বাহাদুৰ ডাঙৰীয়াৰ সুযোগ্য পুতেক শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ দেৱেও দেউতাকক এই কাৰ্য্যত সহায় কৰিছে বুলি জানিবলৈ পাই আমি সন্তোষ পাইছোঁ। আমাৰ সমজুৱাসকলে তেখেতৰপৰা এই কাৰ্য্যত ভৱিষ্যতেও বহুত সহায় আশা কৰিছে। এই প্ৰসঙ্গত এটা কথাৰ উল্লেখ নকৰিলে ৰায়বাহাদুৰ ডাঙৰীয়াৰ প্ৰতি অন্যায় কৰা হব। অভিধানৰ কাৰণে ৰায়বাহাদুৰ ডাঙৰীয়াই দিয়া ১১০০০৲ হেজাৰ টকাৰ সুতেৰে সংগ্ৰাহকসকলক গোটেই বছৰৰ দৰ্ম্মহা দিবলৈ নাটে। সেইবাবে তেখেতে বিনা সুতে ওপৰঞ্চি টকাখিনি সভাক ধাৰলৈ দি সভাৰ মহৎ উপকাৰ সাধন কৰিছে। আমি এতিয়ালৈকে তেখেতৰপৰা লোৱা ধাৰৰ সংখ্যা প্ৰায় ২৫০০৲ টকা। দানৰ টকাৰে নোজোৰা দেখি তেখেতে এইদৰে বিনা সুতে ধাৰ দিয়াৰপৰা অসমীয়া ৰাইজে আমাৰ ভাষাৰ প্ৰতি তেখেতৰ অনুৰাগৰ যথেষ্ট প্ৰমাণ পাইছে আৰু তেখেতক এই সভাৰ সপ্তম সন্মিলনত হিতৈষী মনোনীত কৰা কাৰ্য্য সম্পূৰ্ণ সাৰ্থক হৈছে। এই ছেগতে কাৰ্য্য- নিৰ্ব্বাহক সমিতিৰ হৈ আমি তেখেতৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

## সভাৰ হিচাপ।

যোৱা ৩০ এপ্ৰিল তাৰিখলৈকে হিচাপ-পৰীক্ষক দ্বাৰাই পৰীক্ষিত যি হিচাপ কাৰ্য্য-নিৰ্ব্বাহক সমিতিত গৃহীত হৈছিল, সমজুৱাসকলৰ জ্ঞাতাৰ্থে তাক তলত তুলি দিয়া হ'ল :—

জমা।

| | |
|---|---|
| আগৰ বছৰৰ বাকী | ২৯,৪৪৪৷৹৪ পাই |
| বৰঙনি | ৬৯৲ |
| ভৰ্ত্তি মাচুল | ৪৮৲ |
| এককালীন দান ( খেটকেশ্বৰী পদকৰ বাবে ) | ৫০৲ |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰষ্ট ফণ্ডৰ সুত | ৯০০৲ |
| অন্য উপাৰ্জ্জন ( পত্ৰিকাৰ বৰঙনি ) | ৬৲ |
| কম্পাউণ্ডৰ কাৰণে খৰচ নোহোৱা বাকী টকা যোৰত জমা | ২৫৲ |
| নবদেৱ গোস্বামী ট্ৰষ্ট ফণ্ডৰ সুত | ৩৭৫৲ |
| কমলা দেৱী ট্ৰষ্ট ফণ্ডৰ সুত | ১৫০৲ |
| সভাৰ নিজা ধনৰ ( ট্ৰষ্ট ফণ্ডৰ বাহিৰে ) সুত | ২০২৸০ |
| মোট জমা | ৩১,৮৭০৷⁄৪ পাই |

খৰচ।

| | |
|---|---|
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰষ্ট-ফণ্ডৰপৰা অভিধান সংগ্ৰাহক দুজনৰ বেতন | ৯৫০৲ |
| উক্ত সংগ্ৰাহক দুজনক ধৰৰ কাৰণে দিয়া হাওলাতী টকাৰ আদায় নোহোৱা বাকী | ২৬৫৲ |
| সভা-ঘৰ মেৰামতী কৰোৱাৰ-বাবে | ১৯৲ |
| কমলাদেৱী ট্ৰষ্ট ফণ্ডৰপৰা মহাৰাজ নৰ-নাৰায়ণৰ জীৱনী ছপাবলৈ অগ্ৰিম-দিয়া পুৰস্কাৰ | ৫০৲ |
| নবদেৱ গোস্বামী ট্ৰষ্ট ফণ্ডৰপৰা দামোদৰ দেৱ চৰিত্ৰ পুথি ছপাবৰ নিমিত্তে ছাপাখানালৈ পঠোৱা অগ্ৰিম খৰচ | ১০০৲ |
| মুখ-পত্ৰৰ ( সাহিত্য সভা পত্ৰিকাৰ নিমিত্তে ) খৰচ | ৪৪৯৸০ |
| কৰ্ম্মচাৰীসকলৰ দৰ্ম্মহা বাবদ খৰচ | ৩৮৮৲ |
| কাগজ-পত্ৰ ছপোৱাৰ আৰু ডাকটিকট আদিৰ খৰচ | ৪৬৫৶৩ পাই |
| টাইপ-ৰাইটাৰৰ নিমিত্তে খৰচ | ৪১৬৲ |
| ( গোৱালপাৰত ) প্ৰচাৰকৰ নিমিত্তে খৰচ | ৬৭৷০ |
| সন্মিলন-সম্পৰ্কে সভাৰ খৰচ | ১৫৪৷⁄৬ পাই |
| পুৰণি পুথি সংগ্ৰহৰ নিমিত্তে খৰচ | ২৪৸⁄০ |
| সভাৰ পুথি-ভঁৰাল ( লাইব্ৰেৰীৰ ) নিমিত্তে খৰচ | ১৩২৪৸৶০ |
| কম্পাউণ্ডৰ কাৰণে খৰচ ( ইয়াৰ ভিতৰৰ ২৫৲ টকা ফেৰত জমা পোৱা হৈছে ) | ১৩০৲ |
| মোট খৰচ | ৪৮০৪৷৶৯ পাই |

| | |
|---|---|
| মোট জমা | ৩১,৮৭০৷⁄৪ পাই |
| মোট খৰচ | ৪৮০৪৷৶৯ পাই |
| মোট বাকী | ২৭,০৬৫৷৶৭ পাই। |

ওপৰত দেখুওৱা বাকী টকা তলত লিখা মতে জমা আছে—

| | মূল সুত | |
|---|---|---|
| চন্দ্ৰকান্ত—ইন্দ্ৰকান্ত ট্ৰষ্ট ফণ্ড | ১৫০০০ + ২৪০৷৶৯পাই | = ১৫২৪০৷৶৯ পাই |
| নবদেৱ গোস্বামী ট্ৰষ্ট ফণ্ড | ৫০০০ + ৫৬০৸⁄ | = ৫৫৬৫৸⁄ |
| কমলাদেৱী ট্ৰষ্ট ফণ্ড | ২০০০ + ১৬৪৷০ | = ২১৬৪৷০ |
| সভাৰ নিজা টকা | | ৪০৯৪৸⁄১০ পাই |
| | মোট | ২৭,০৬৫৷৶৭ পাই |



## দান আৰু বৰঙনি।

আসাম সাহিত্য সভাই যোৱা ( নৱম ) বছৰৰ ভিতৰত যিখিনি এককালীন দান বা অৰ্থ-সাহায্য পাইছিল তাক তলত দেখুওৱা হৈছে :—

| | | | |
|---|---|---|---|
| আসাম গৱৰ্ণমেণ্টৰ | ... | ১০০০৲ | টকা। |
| যোৰহাট মিউনিচিপাল বৰ্ডৰপৰা | ... | ১০০৲ | " |
| তেজপুৰ লোকেল্ ব'ৰ্ডৰপৰা | ... | ১০০৲ | " |
| নগাঁও লোকেল্ ব'ৰ্ডৰপৰা | ... | ১০০৲ | " |
| যোৰহাট লোকেল্ ব'ৰ্ডৰপৰা | ... | ৫০৲ | " |
| শিৱসাগৰ লোকেল্ ব'ৰ্ডৰপৰা | ... | ১০০৲ | " |
| মঙলদৈ লোকেল্ ব'ৰ্ডৰপৰা | ... | ২০৲ | " |
| গোৱালপাৰা লোকেল্ ব'ৰ্ডৰপৰ | ... | ৫০৲ | "। |
| | মোট | ১৫২৫৲ | টকা। |

উত্তৰ লক্ষীমপুৰ লোকেল্ ব'ৰ্ডৰপৰা—২৫৲ টকা আৰু গুৱাহাটী লোকেল ব'ৰ্ডৰপৰা ৫০৲ টকা পোৱাৰ কথা আছে; এতিয়ালৈকে ধন আমাৰ হাতত পৰা নাই যদিও, সোনকালে পোৱা হ'ব বুলি আশা কৰিব পাৰি। বৰপেটা লোকেল্ বৰ্ডৰপৰা পূৰ্ব্বে কিছু অৰ্থ সাহায্য পোৱা হৈছিল কিন্তু আজি দুবছৰ একো পোৱা নাই। অনেক চিঠি পত্ৰ লিখিও ডিব্ৰুগড়, ধুবুৰী আৰু গোলাঘাট লোকেল ব'ৰ্ডৰপৰা এই সভাই এতিয়ালৈকে অৰ্থ-সাহায্য পোৱা নাই। অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্ব্বাঙ্গীন উন্নতিৰ অৰ্থে ব'ৰ্ডসমূহে এই সভাক সহায় কৰা নিতান্ত কৰ্ত্তব্য। অহা বছৰৰপৰা উক্ত চাৰিওখনি ব'ৰ্ডেও অন্যান্য ব'ৰ্ডৰ দৰেই সাহিত্য সভাক বাৰ্ষিক দান দি সভাৰ মহৎ উদ্দেশ্য সাধনত সহায় কৰিব বুলি আমি আশা কৰিছোঁ।

যোৱা নৱম বাৰ্ষিক সন্মিলনৰ পঞ্চম প্ৰস্তাৱানুসৰি গৱৰ্ণমেণ্টৰ বাৰ্ষিক সাহায্য ১০০০ এহেজাৰ টকাৰ পৰা তিনি হেজাৰলৈ বঢ়াবলৈ আবেদন কৰাত অহা বছৰৰ চৰকাৰী আয়-ব্যয়-তালিকা যুগুত কৰিবৰ সময়ত এই বিষয়ে মীমাংসা কৰা হব বুলি আশ্বাস পোৱা হৈছে। মাননীয় শিক্ষা-মন্ত্ৰী ডাঙৰীয়া আৰু মান্যবৰ ৰাজস্ব-সচিব

মহোদয়ে যথাসময়ত সাহিত্য-সভাৰ আবেদনলৈ মনত ৰাখি বৰ্ষিক সাহায্য টকা বঢ়ালে আসাম সাহিত্য-সভাৰ কৃতজ্ঞতাভাজন হব. তাক কোৱা বাহুল মাথোন

এই ছেগতে বাৰ্ষিক দান দি সহায় কৰা আসাম গৱৰ্ণমেণ্টক আৰু পূৰ্ব্বোক্ত বিভিন্ন ব'ৰ্ড সমূহৰ সভাপতি আৰু মেম্বৰসকলক এই সভাৰ কৃতজ্ঞতা জনোৱা হ'ল।

## শাখা আৰু স্বীকৃত সভা।

যোৱা ( নৱম ) বছৰত আসাম সাহিত্য সভাৰ অন্তৰ্ভূক্ত ২৭ খন শাখা আৰু স্বীকৃত সভা আছিল; তাৰ পূৰ্ব্ব ( অষ্টম ) বছৰত এনেকুৱা সভাৰ সংখ্যা ২৫ আছিল। চলিত ( দশম ) বছৰত ৩৩ খন শাখা আৰু স্বীকৃত সভাৰ নাম আমাৰ বহিত সোমাইছে; সম্পাদক সকলৰ নামে সৈতে অন্তৰ্ভূক্ত সভাৰ তালিকা তলত দিয়া হ'ল:—

১। ডিব্ৰুগড় সাহিত্য সভা—মৌঃ মফিজুদ্দিন আহমদ্ হাজৰিকা।
২। ঢকুৱাখনা " " শ্ৰীযুত চন্দ্ৰশেখৰ দাস।
৩। নগাওঁ " " " ৰামেশ্বৰ বৰুৱা।
৪। তেজপুৰ সাৰস্বত সমাজ " বেণুধৰ দাস।
৫। শিৱসাগৰ সাহিত্য সভা " লক্ষ্মীকান্ত বৰুৱা।
৬। গুৱাহাটী অঃ ভাঃ উঃ সাঃ সভা—শ্ৰীযুত জলতিৰাম ভুঞা লহকৰ।
৭। গৌৰীপুৰ সাহিত্য সভা " চাৰুচন্দ্ৰ গোস্বামী ( সহকাৰী সম্পাদক )
৮। নলবাড়ী " " " শ্ৰীকান্ত ভট্টাচাৰ্য্য।
৯। যোৰহাট " " " দেৱেশ্বৰ চলিহা।
১০। মাজুলি " " " ৰেথাৰাম বৰা।
১১। বৰদলনি " " " পদ্মৰাম দত্ত।
১২। দেৰগাওঁ " " " ইন্দ্ৰেশ্বৰশৰ্ম্মা বৰুৱা।
১৩। বৰনগৰ " " " দধিনাথ গোস্বামী। ( হলিৰাম মহন্তঠাকুৰ ) নতুন সম্পাদক।
১৪। টেঙ্গাখাট সাহিত্য সভা শ্ৰীযুত হেমচন্দ্ৰ কৌৱৰ।
১৫। বংৰীবাৰী অসমীয়া ছাত্ৰসভা শ্ৰীযুত হৰিদয়াল পাঠক।
১৬। উত্তৰ লক্ষীমপুৰ সাহিত্য সভা—মৌঃ মহম্মদ চাদিৰ হুচেন।
১৭। গোলাঘাট সাহিত্য সভা শ্ৰীযুত গোলাপচন্দ্ৰ গোস্বামী
১৮। কলিকতা অ, ভা, উ, সা, " মৌঃ কামালউদ্দিন আহ...
১৯। মৰিয়নী আলোচনি সভা শ্ৰীযুত কমলচন্দ্ৰ বৰু...
২০। বজালি সাহিত্য সভা " হৰেশ্বৰ দেৱ শ...
২১। ধলপুৰ " " " হৰিপদ দত্ত।
২২। খেকাপাৰ " " " ঘনকান্ত দেৱ অধিকাৰী
২৩। ডুমডুমা " " " মিঠাৰাম গোস্বামী
২৪। তেজপুৰ অঃ ভাঃ উঃ সাঃ সভা " লক্ষ্মীধৰ শৰ্ম্মা।
২৫। ধুবুৰী সাহিত্য সভা " প্ৰমথনাথ চক্ৰবৰ্ত্তী
২৬। চিপাঝাৰ " " " মুক্তানন্দ গোস্বামী
২৭। গোৱালপাৰ " " { " ৰমনীকান্ত বৰুৱা / " ভবেন্দ্ৰনাৰায়ণ সিং ( সহকাৰী
২৮। বিজ্‌নি সাহিত্য সভা শ্ৰীযুত হৰেশ্বৰ দাস।
২৯। অভয়াপুৰি " " " সুৰেন্দ্ৰমোহন দাস।
৩০। কৃষ্ণাই " " " গোবিন্দচন্দ্ৰ দাস।
৩১। পকোৱামোঙ্কা " " " উপেন্দ্ৰনাথ ভট্টাচাৰ্য্য
৩২। দলগোমা " " " প্ৰভাতচন্দ্ৰ অধিকাৰী
৩৩। ছিলং " " " তুলসীনাৰায়ণ শৰ্ম্মা

মঙ্গলদৈ, শ্ৰীহট্ট, আৰু ডিব্ৰুগড়ত তিনিখন স্বীয় সভা স্থাপিত হৈছে; কিন্তু এতিয়াও বৰগুনি পো... নাই দেখি সেই তিনিখন সভা আমাৰ সভাৰ অন্তৰ্ভূ... হোৱা নাই।

## বিয়োগ আৰু শোক প্ৰকাশ।

যোৱা বছৰৰ ভিতৰত সভাৰ অন্যতম হিতৈষী প... মাৰাধ্যতম ৺শ্ৰীশ্ৰীনৱদেৱ দক্ষিণপটীয়া সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ বৈকুণ্ঠ প্ৰয়াণত. এই সভাই এজন গ... ধৰণীৰ মহৎ অভাৱ অতিকৈ অনুভৱ কৰিছে। প্ৰ... দানৰ টকাৰে শ্ৰীশ্ৰীদেৱদামোদৰ চৰিত্ৰ অলপ... প্ৰকাশিত হৈছে আৰু দ্বিতীয় পুস্তক শ্ৰীশ্ৰীবনমালি দেৱৰ চৰিত্ৰৰ ছপা-কাৰ্য্য প্ৰায় শেষ হৈছে। প্ৰ... বৈকুণ্ঠ প্ৰয়াণত কেন্দ্ৰীয় কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ... অধিবেশন পাতি শোক প্ৰকাশ কৰিছিল আৰু সমিতিয়ে আশা কৰে যে আপোনালোকেও এই সম্মিলনত ৰীতিমতে প্ৰস্তাৱ গ্ৰহণ কৰি সদৌ অসমীয়া ভাষা-ভাষীৰ বেজাৰ ব্যক্ত কৰিব। ৺লোকেশ্বৰ সিংহ বুঢ়াগোহাঁই ডাঙৰীয়া ৺বলীনাৰায়ণ বৰা, ৺পীতাম্বৰ চক্ৰবৰ্ত্তী আৰু ৺কালীৰাম দত্ত এই তিনিওজনৰ মৃত্যুৰ বাবেও এই সভা দুঃখিত হৈছে। আসাম বুৰঞ্জীৰ বিখ্যাত বুঢ়াগোহাঁইৰ বংশৰ এজন নাম-জ্বলা স্বদেশহিতৈষী সম্ভ্ৰান্ত লোক বুলি প্ৰথম জনৰ উজনি অসমত বিশেষ খ্যাতি আৰু সমাদৰ আছিল। সাহিত্য সভাৰ সমজুৱা নহ'লেও তেখেত এজন অসম আৰু অসমীয়া প্ৰেমিক উদাৰ পুৰুষ আছিল। আহোম আৰু অসমীয়া সমাজে এজন খাই ধৰণী হেৰুৱা বাবে এই সভা দুঃখিত হৈছে।

৺পীতাম্বৰ চক্ৰবৰ্ত্তী এজন উদ্যোগী সাহিত্য সেৱক আছিল। তেওঁ মৰণৰ সময়লৈকে গৌৰীপুৰ সাহিত্য সভাৰ সম্পাদক আছিল আৰু তেওঁৰ বিয়োগত উক্ত সভাৰ হানি হোৱাৰ লগে লগে এই সভাবো এজন বিশিষ্ট কৰ্ম্মী হেৰাল আৰু আমি সেইবাবে অতিশয় বেজাৰ পাইছোঁ।

৺কালীৰাম দত্ত হেডমাষ্টৰ মহাশয়ৰ জীৱনৰ ভৰ দুপৰতে আকস্মিক বিয়োগ হোৱাত এই সভাই বেজাৰ পাইছে আৰু উঠি অহা অসমীয়া ছাত্ৰসকলৰ এজন আদৰ্শ শিক্ষক হেৰোৱা বাবেও সাহিত্যসভা দুগুনে দুঃখিত হৈছে। চক্ৰবৰ্ত্তী আৰু দত্ত দুয়োজনেই সাহিত্য সভাৰ সভ্য আছিল আৰু আমি তেওঁলোকৰ সন্তপ্ত পৰিবাৰবৰ্গলৈ সমবেদনা জানোৱা উচিত।

স্বনাম-বিখ্যাত ৺বলীনাৰায়ণ বৰা ডাঙৰীয়াৰ বিয়োগত অসমীয়াৰ এজন ডাঙৰ কৃতীপুৰুষ হেৰাল। অসমীয়া ভাষাৰ নবীন যুগত চালুকীয়া অবস্থাতে এখেতে 'মৌ' নামেৰে আলোচনী এখনি উলিয়াই ভাষাৰ হিতব্ৰতী হৈছিল। বহুত দিন বিদেশত নিগাজিকৈ বাস কৰি প্ৰাণত্যাগ কৰিছে যদিও, তেওঁক অসমীয়া গুণী পুৰুষৰ লগৰপৰা বাদ দিব নোৱাৰি। তেখেতৰ মৃত্যুত কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকল দুঃখিত হৈছে আৰু তেখেতৰ সন্তপ্ত পৰিবাৰলৈ সমবেদনা জনাইছে।



## সভাৰ অন্যান্য কাৰ্য্য।

(ক) গোৱালপাৰ জিল্লাত অসমীয়া ভাষা প্ৰচাৰৰ নিমিত্তে শ্ৰীযুত ভবেন্দ্ৰনাৰায়ণ চৌধাৰী ডাঙৰীয়াক ১৬।১।২৭ তাৰিখৰপৰা ৩ মাহৰ কাৰণে মাহে ৪৫৲ টকা নিৰিখে প্ৰচাৰক কৰা হৈছিল। কিন্তু, নিজৰ অন্যান্য লেঠাৰ বাবে উক্ত প্ৰচাৰকে তিনি মাহ মাথোন প্ৰচাৰকৰ কাম কৰিব পাৰিছিল আৰু এই প্ৰচাৰ কাৰ্য্যত সভাৰ ১৩৫৲ টকা খৰচ হৈছিল।

(খ) নৱম সম্মিলনৰ সপ্তম প্ৰস্তাৱানুযায়ী সৰ্ব্বসাধাৰণৰ পক্ষে দুৰ্ব্বোধ্য শব্দবোৰে পাঠ্য কিতাপত যাতে অযথা ৰূপে ঠাই নাপায় তাৰ নিমিত্তে বিহিত বিধান কৰিবলৈ গৱৰ্ণমেণ্টক জনোৱা হৈছিল; কিন্তু এই বিষয়ে গৱৰ্ণমেণ্টৰ পৰা একো সমিধান পোৱা নহ'ল।

আমাৰ বোধেৰে টেক্সট-বুক কমিটিৰ মেম্বৰ কেইজনকে এই প্ৰস্তাৱ কাৰ্য্যত পৰিণত কৰিবলৈ অনুৰোধ কৰা উচিত আৰু উক্ত প্ৰস্তাৱটো কৰ্ত্তৃপক্ষলৈ পঠোৱাৰ উপৰিও পুনৰ পাঠ্য-পুথি-নিৰ্ব্বাচক সমিতিৰ সদস্যসকললৈ পঠালে আৰু তেখেতসকলে সভাৰ মত গ্ৰহণ কৰিলে সভাৰ মীমাংসা কাৰ্য্যকৰী হোৱা সহজ হ'ব।

(গ) নৱম সম্মিলনৰ নৱম প্ৰস্তাৱ অনুসৰি কোচবিহাৰ কলেজত অসমীয়া ভাষা শিক্ষাৰ বন্দবস্ত কৰিবলৈ কলেজৰ অধ্যক্ষ মহোদয়লৈ চিঠি লিখা হৈছিল। অধ্যক্ষ ( প্ৰিন্সিপেল্ ) মহোদয়ে চলিত বছৰত উক্ত কলেজৰ বিভিন্ন শ্ৰেণীত পঢ়ি থকা অসমীয়া ছাত্ৰৰ সংখ্যাৰ এটা তালিকা আমালৈ পঠাইছিল আৰু এই বাবৰ দৰেই যদি অসমীয়া ছাত্ৰৰ সংখ্যা ক্ৰমশঃ বৃদ্ধি পায়, তেন্তে বিশ্ববিদ্যালয়ৰ কৰ্ত্তৃপক্ষসকলেই অসমীয়া শিক্ষক লবলৈ তেওঁলোকক (কলেজৰ কৰ্ত্তৃপক্ষসকলক; বাধ্য কৰিব বুলি লিখিছিল।

## মূল সভাৰ সভ্য।

নৱম সম্মিলনৰ সময়ত মূল সভাৰ সভ্য সংখ্যা ২৫৪ আৰু তাৰ আগ বছৰত ২০৮ আছিল। এই বছৰত সভ্য সংখ্যা ২৯৫ লৈ বাঢ়িছে। এই সংখ্যা যে যথেষ্ট উৎসাহজনক নহয় তাক নকলেও হয়। আমাৰ দেশৰ অনেক

গণ্য মান্য অসমীয়া ভাষাৰ হিতাকাঙ্ক্ষী ভদ্ৰলোকে আৰু অনেক আজীৱন সাহিত্য সেৱীয়েও এতিয়ালৈকে এই সভাৰ সভ্য হবলৈ হেলা কৰি থকাটো বৰ দুঃখৰ কথা হৈছে। শিক্ষিত অসমীয়াই এই সভাৰ সভ্য হৈ ইয়াক অসমীয়া জাতিৰ গৌৰবৰ এটা বিৰাট জাতীয় অনুষ্ঠান কৰিবলৈ যত্ন কৰিব লাগে আৰু এতদৰ্থে কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সভাসকলে শিক্ষিত অসমীয়া ভাইসকলক গোহাৰি জনাইছে।

## আদৰণী সমিতি।

অভ্যৰ্থনা সমিতিৰ কৰ্ম্মী আৰু সভ্যসকলৰ শলাগ নোলোৱাকৈ আমাৰ কাৰ্য্য-বিৱৰণী শেষ কৰিলে অকৃতজ্ঞতা দোষে ছুব বুলি শঙ্কিত হৈছো। দুঃখৰ বিষয় আজি শাৰীৰিক অসুস্থতাৰ বাবে গোৱালপৰীয়া ৰাইজৰ শ্ৰদ্ধাস্পদ নেতা অভ্যৰ্থনা সমিতিৰ সভাপতি মহোদয়ে নিজে উপস্থিত থাকি সভাৰ উদ্বোধন কাৰ্য্য সম্পন্ন কৰিব নোৱাৰিলে। কিন্তু তেখেতে কাইলৈ গা ভাল পালেই আহিব বুলি সভাপতি মহোদয়ৰপৰা জানিবলৈ পাই আমি অতি সন্তোষ পাইছো। অভ্যৰ্থনা সমিতিৰ সম্পাদক আৰু সভ্য সকলে আৰু তেওঁলোকৰ নেতৃত্বত চলা স্বেচ্ছাসেৱক দলে আমাৰ আৰু অন্যান্য প্ৰতিনিধিবৰ্গৰ সুখ আৰু সুবিধাৰ নিমিত্তে অক্লান্ত পৰিশ্ৰম কৰিছে আৰু বহু যত্ন কৰি এই বিৰাট সন্মিলন পাতিছে। সেই বাবে তেওঁলোকক কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ হৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনোৱা হৈছে। গোৱালপৰীয়া বন্ধু সকল, আপোনালোকৰ উদ্যম অতি প্ৰসংশনীয় বুলি গুৰিতে কৈ আহিছো; কিন্তু আমি অনেক কথাৰপৰা বুজিব পাৰিছো যে অসমীয়া ভাষাৰ অহিত চিন্তাকৰা জনচেৰেক মানুহে এই সাহিত্য সন্মিলন ইয়াত পতাৰ বাবে সাহিত্য সভাৰ কৰ্ম্মীসকলৰ আৰু অভ্যৰ্থনা সমিতিৰ কৰ্ম্মীসকলৰ গাত অযথা চেকাৰ ছাব দিবলৈ বিচাৰিছে। আমি কওঁ যে সকলো সৎ অনুষ্ঠানতেই অনৰ্থৰ সূত্ৰপাত অৱশ্যম্ভাবী। ফুলি গছৰ কোমলতাৰ প্ৰতি দুষ্ট কীটৰ আকৰ্ষণ স্বাভাৱিক; তাৰ বিনাশ সাধন কৰিলে যেনেকৈ ফল ফুলেৰে সুশোভিত বৃক্ষৰ অভ্যুদয় হয়, তেনেকৈ বিঘিনি খণ্ডনৰ পিচত আমাৰ সাহিত্য-সভাৰো অভ্যুদয় হ'ব। আৰু এই অভ্যুদয় সাধনৰ নিমিত্তে আৰু সভাৰ অনৰ্থ গুচ নিমিত্তে অসমীয়া ৰাইজে মুঠ বান্ধি চেষ্টা কৰিবৰ স হৈছে। এতিয়া আমাৰ কৰ্ত্তব্যৰ প্ৰতি আওহেলা কৰি আমাৰ সোণালীসুযোগ নিশ্চয় হেৰাব আৰু এই বুজি কাম কৰিলেহে সাহিত্য-সভাৰ জয় সুনিশ্চিত হ'

## গোৱালপাৰ বিচ্ছেদ।

গোৱালপাৰ বিচ্ছেদৰ সম্পৰ্কে এটা ডাঙৰ চো চোৰে গোৱালপৰীয়া বন্ধুসকলৰ মাজত খলকনি লগ ৰাটো অনেক দিনৰপৰা চলি আহিছে আ এতিয়াও অনেক কথাৰপৰা ফুট ওলাইছে। গোৱ পৰীয়া বন্ধুসকল, এইবিষয়ে আপোনালোকৰ ই হোৱা পূৰ্ব্বৰ (দ্বিতীয়) সাহিত্য-সন্মিলনৰ সভাপতি ডাঙ ৰীয়াৰ অভিভাষণৰপৰা দু-আষাৰমান কথা আপোনা লোকক সোঁৱৰাই দিলেই আপোনালোকৰ প্ৰতি সা আসামবাসী অসমীয়াৰ মনোভাব আৰু স্নেহ বেচ প্ৰকাশ পাব:—

"যি সকলে গুৱালপাৰখন অসম দেশৰপৰা ছি নিবলৈ বিচাৰে, আৰু গুৱালপৰীয়া জমীদাৰ আৰু প্ৰজা সকলৰ অসমীয়া সমাজ আৰু অসমীয়া ভাষালৈ ঘৃণা অশ্ৰদ্ধা আছে বুলি প্ৰচাৰ কৰি ফুৰে, তেওঁবিলা আজি এবাৰ এই গুৱালপাৰলৈ চকু দিয়ক। অসমী ভাষালৈ, গুৱালপাৰবাসীৰ অশ্ৰদ্ধা হোৱা হ'লে আ গুৱালপাৰত কোনোবাই এই দৃশ্য দেখিবলৈ পা হয়তেন নে? তেওঁলোকে এই বিৰাট সন্মিলনক গুৱাল পাৰলৈ আহ্বান কৰি আনিলেহেঁতেন নে? এ বিলাক মানুহেৰে সৈতে তৰ্ক কৰি, মিছাতে সময় ন কৰিবৰ একো প্ৰয়োজন নাই। আমি জানো গুৱালপৰীয়া জমীদাৰ আৰু প্ৰজাৰ বিৰুদ্ধে তেওঁলোকে প্ৰচাৰ কৰা এই ৰটনা সম্পূৰ্ণ অমূলক। আমি জানো যে নিজৰ ঘৰ এৰি, লোকৰ ঘৰত কেলেহুৱা চাপিব গুৱালপৰীয়াৰ কেতিয়াও অভিলাষ হ'ব নোৱাৰে আমি জানো যে গুৱালপাৰৰ মানুহে নিজৰ সমা পৰিহাৰ কৰি, লোকৰ সমাজত ঘৃণীত, লাঞ্ছিত আৰু অপমানিত হৈ কাল কটাব নোখোজে। আমি জানো আমাৰ জমীদাৰ সকলে এই অসমীয়া সমাজৰ শীৰ্ষস্থান



কৰিবে গুৰিয়াই দলিয়াই পেলাই, লোকৰ সমাজত অপেক্ষাতৰ হীন স্থান অধিকাৰ কৰিবলৈ নেযায়। আমি জানো যে, আমাৰ লগত থাকে মানে, তেওঁলোক অসমীয়াৰ শিৰৰ মুকুট আৰু অসমীয়া সমাজৰ স্বাভাৱিক নেতা; কিন্তু, আমাৰ লগ এৰি, অন্য সমাজত ভুক্ত হ'বলৈ গ'লে, তেওঁলোকৰ ঠাই কোনখিনিত পৰিবগৈ তাক বুজিবলৈ সহজ ভাবিব নেলাগে। আমি আৰু জানো যে, আমাৰ জমীদাৰ সকলেও এইবিলাক কথা সুন্দৰৰূপে জানে আৰু বুজেও। গুৱালপৰীয়া ভাই সকল, মহাপুৰুষ শঙ্কৰ দেব আৰু মাধৱদেৱৰ কীৰ্ত্তন আৰু ঘোষা আপোনালোকৰ ৰাই ধৰ্ম্ম-গ্ৰন্থ। আপোনালোকৰ ধৰ্ম্ম অসমীয়া, ভাষা অসমীয়া, ভাব অসমীয়া, ৰীতিনীতি অসমীয়া, সমাজ অসমীয়া, আচাৰ-ব্যৱহাৰ অসমীয়া, আৰু সকলোৰে ওপৰত, তেজ অসমীয়া আৰু মঙহ অসমীয়া। আপোনালোকক আঁতৰাই নিবলৈ আমি বাকীবিলাক অসমীয়াই কোনো মতেই এৰি দিব নোৱাৰো আৰু নেৰো। গুৱালপাৰক কাটি নিবলৈ আমি কেতিয়াও এৰি নিদিওঁ; কাৰণ তেতিয়া হ'লে, আমাৰ উওমাঙ্গ ছেদন কৰা হ'ব"।

## সন্মিলনৰ সভাপতি।

আমাৰ পৰম সৌভাগ্যৰ ফলত এই মহাযজ্ঞৰ পুৰোহিতস্বৰূপে আজি যিজনক বৰণ কৰিবলৈ পাইছোঁ, সেইজনৰ পৰিচয় দিবলৈ গ'লে বাহুল্যতা-দোষী হ'ব লাগিব বুলি আমি বেচকৈ বুজিছোঁ। দেশভক্ত ফুকন ডাঙৰীয়াৰ কথা আপোনালোকে সকলোৱেই ভালকৈ জানে।

মাননীয় সভাপতি ডাঙৰীয়া, আপুনি অশেষ অসুবিধা আওকাণ কৰি, নিজৰ আহৰি-নোহোৱা বহুমূলীয়া সময় খৰচ কৰি আমাৰ দশম সন্মিলনৰ নেতৃত্বগ্ৰহণ কৰা বাবে সদৌ আসামবাসীয়ে সন্তোষ পাইছে আৰু আমাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতি আৰু আদৰণী সমিতিয়ে সেইবাবে সৰল চিত্তেৰে আপোনাৰ শলাগ লৈছে। এতিয়া আমি সকলোৱেই আশা কৰিছো যে আপোনাৰ অভিনেতৃত্বত আমাৰ এই সন্মিলন সুচাৰুৰূপে সপন্ন হ'ব আৰু আপুনি যেন আমাৰ প্ৰতি মৰম ৰাখি আমাৰ অলেখ ত্ৰুটী মাৰ্জ্জনা কৰিব।

## কাৰ্য্য-ভাৰ-পৰিত্যাগ।

আমি এতিয়া আমাৰ অলক্ষিতে আৰু অজানিত ভাবে সম্ভাবিত অশেষ দোষ আৰু ত্ৰুটীৰ বাবে আপোনালোকৰ ওচৰত মাৰ্জ্জনা প্ৰাৰ্থনা কৰি আমাৰ পদত্যাগ কৰিছো আৰু সম্পাদকীয় ভাৰ এই সন্মিলনতে শোধাই দিছোঁ। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভাসকলেও আৰু সভাৰ অন্যান্য কৰ্ম্মীসকলেও আমাৰ জৰিয়তেই তেওঁলোকৰ নিজ নিজ ভাৰ এৰিছে আৰু সমিতিৰ হৈ অহা বছৰৰ নিমিত্তে নিয়মানুযায়ী সাহিত্যসভাৰ ভাৰ ন্যস্ত কৰিবলৈ আপোনালোকক অনুৰোধ জনোৱা হৈছে।

## সামৰণি।

বিশ্বনিয়ন্তাৰ শ্ৰীচৰণত সেৱা জনাই আমাৰ দশম বছৰৰ কাৰ্য্যৰ সমাপ্তি কৰিছো। আৰু লগে লগে আপোনালোকৰ ইয়াত সমবেত হৈ এই সন্মিলনৰ দ্বাৰাই সাহিত্য সভাৰ বয়স এবছৰ বঢ়োৱা বাবে শলাগ লৈছোঁ। সাহিত্য সভাৰ বিশাল কৰ্ম্মক্ষেত্ৰত আগুৱাবলৈ অনেক কৰ্ম্মীৰ প্ৰয়োজন—এই বিষয়ে কাৰো মতদ্বৈধ হ'ব নোৱাৰে। লগে লগে সাহিত্য-ভঁৰালো টনকিয়াল কৰাটো অতি আৱশ্যক হৈ পৰিছে। শাখা সভাৰ সভ্যসকলৰ পৰা সম্পাদকসকলৰ জৰিয়তে গাইগুটীয়া চান্দা নোপোৱাটো বৰ দুৰ্ভাগ্যৰ কথা; —তাতোকৈ দুঃখৰ কথা যে স্বীকৃত সভাবোৰৰপৰাও, খনচেৰেকৰ বাদে, বাৰ্ষিক বৰঙনি কেবাখনিও সোঁৱৰণী-পত্ৰ দিয়াতো এতিয়ালৈকে পোৱা নাই। আশা কৰোঁ সকলোৱে বাকী বৰঙনি এই সন্মিলনতে আদায় কৰি সাহিত্য সভাৰ প্ৰতি আপোনালোকৰ মৰম দেখুৱাবলৈ নাপাহৰিব।

সাহিত্য সভাৰ মহৎ কাম কৰ্ম্মীৰ অভাৱ বা ধনৰ নাটনিত পৰি থাকিব লগীয়া যেন কোনো কালে নহওক, সদায় যেন এই মহত অনুষ্ঠানে দোপত দোপে উধাব পাৰে; আৰু অসমীয়া-ভাষা-ভাষীৰ সংখ্যা বৃদ্ধি কৰিবলৈ আৰু ভাষা সাহিত্যৰ সম্পদ বঢ়াবলৈ যেন এই সভা সদায় সমৰ্থ হয়—এই মঙ্গল-কামনা সভ্যসকলৰ

অন্তৰত সজাগ হওক। আমাৰ সঙ্ঘ উদ্দেশ্য সাধনৰ মঙ্গলময় জগদীশ্বৰে যেন সকলো প্ৰকাৰ সুবিধাৰ বিধান কৰে, আৰু যেন পৰমেশ্বৰৰ কৃপা-দৃষ্টি আকৰ্ষণ কৰি এই সভা-ই নিজৰ আখ্যা চৰিতাৰ্থ কৰি "বঙ্গীয় সাহিত্য পৰিষদৰ" সমানে যোৰ মাৰিব পৰা হওক ; আৰু এই লক্ষ্যকে শিৰত লৈ কাৰ্য্য কৰিবলৈ আমাৰ সভ্যসকলেও যেন শক্তি আৰু সুবিধা পাওক।

পঠিত আৰু গৃহীত হ'ল।
(স্বাক্ষৰ) শ্ৰীতৰুণৰাম ফুকন,
সভাপতি।
৮।১০।২৭

শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা,
প্ৰধান সম্পাদক,
আসাম সাহিত্য সভা
তাং গোৱালপাৰ, ২১ আহিন
১৮৪৯ শক।

---

# আসাম সাহিত্য সভাৰ দশম বাৰ্ষিক সন্মিলন।

## গোৱালপাৰ।

শনিবাৰ, ২১ আহিন, ১৮৪৯ শক ; ৮।১০।১৯২৭

গোৱালপাৰৰ অভ্যৰ্থনা সমিতিয়ে সুন্দৰকৈ সজোৱা গোৱালপাৰ নাট্য-মন্দিৰত আজি দশম আসাম সাহিত্য সন্মিলনৰ প্ৰথম অধিবেশন হয়। নাট্য-মন্দিৰৰ দুয়ো মহলতো ঠাইৰ নাটনি আশঙ্কা কৰি অভ্যৰ্থনা সমিতিৰ উদ্যোগী কৰ্ম্মীসকলে ঘৰৰ দুয়ো দাঁতিয়ে আৰু সন্মুখৰ পোনে চালি দিয়াইছিল। প্ৰজাৰ সমাগম ইমান বেচি হৈছিল যে সিমান বহলকৈ ঠাই উলিয়াই থোৱাতো থিয় হ'বলৈকে ঠায়ে নাটিছিল; আৰু সেইবাবে সভা-মঞ্চৰ পিচ পোনে যৱনিকা তুলি নাট্য-মঞ্চৰ ওপৰতো উপস্থিত লোকসকলক ঠাই দিয়া হৈছিল। প্ৰায় ৫০০০ পাঁচ হেজাৰমান নিমন্ত্ৰিত আৰু অনিমন্ত্ৰিত দৰ্শক আৰু শ্ৰোতাই এই জাতীয় মহৎ অনুষ্ঠানত আজি যোগ দিছিল। লৰা-ছোৱালী আৰু তিৰোতাসকলেৰে নাট্য-শালাৰ ওপৰ মহল ভৰি পৰিছিল; আৰু প্ৰায় ২০।২৫ গৰাকী ভদ্ৰমহিলাক সভাস্থলৰ একাষৰত বহুওৱা হৈছিল।

তলত নাম দিয়া ভদ্ৰলোকসকলক সভা-মঞ্চৰ ওপৰত আসন দিয়া হৈছিল :—

শ্ৰীযুত তৰুণৰাম ফুকন, জ্যোৎস্নানাথ চৌধাৰী, ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ, মন্মথনাথ ঘোষ, এ, এচ্, পি, গোৱালপাৰ, নবীনচন্দ্ৰ বৰদলৈ, অমৃতভূষণ অধিকাৰী, প্ৰতাপচন্দ্ৰ গোস্বামী, ধৰ্ম্মকিঙ্কৰ গোস্বামী, দ্বাৰিকানাথ গোস্বামী, বিপিনবিহাৰী বৰা, কালীৰাম মেধি, দুৰ্গেশ্বৰ শৰ্ম্মা, কণকচন্দ্ৰ গগৈ, হৰেকৃষ্ণ দাস, কমলাকান্ত ভট্টাচাৰ্য্য, শিৱনাথ ভট্টাচাৰ্য্য, ধৰ্ম্মনাৰায়ণ ঘোষ, হৰিপ্ৰসাদ নাথ, মৌলবী মিজানুৰ ৰহমান, দাৱাজুদ্দিন আহ্মদ, শ্ৰীযুত ৰমাকান্ত বৰকাকতী; দেৱানন্দ ভঁৰালী, দেৱেশ্বৰ চলিহা, গুণগোবিন্দ দত্ত।

উপস্থিত ভদ্ৰলোকসকলৰ ভিতৰত তলত নাম দিয়া প্ৰতিনিধিসকলৰ নাম উল্লেখযোগ্য :—

শ্ৰীযুত কামাখ্যাৰাম বৰুৱা, গোপীনাথ বৰদলৈ, যোগেন্দ্ৰনাথ বৰুৱা, গৌৰীকান্ত তালুকদাৰ, কালীৰাম বৰ্দ্ধন, বিষ্ণুৰাম মেধি, নিধিৰাম দাস, হৰমোন দাস, মৌলবী ওৱাজেদ আলি, মহম্মদ্ চালেহ, শ্ৰীযুত হলিৰাম ডেকা, অমিয় কুমাৰ দাস, লক্ষ্মীধৰ শৰ্ম্মা, দীননাথ মেধি, কমলচন্দ্ৰ বৰুৱা, শশীকুমাৰ বৰুৱা, মহাদেৱ শৰ্ম্মা, পৰমানন্দ ওজা কবিৰত্ন, মৌলবী কামালুদ্দিন আহ্মদ, গিয়াচুদ্দিন আহ্মদ, শ্ৰীমতী তিলোত্তমা দাস, অমলপ্ৰভা দাস, স্নেহলতা ভট্টাচাৰ্য্য, শ্ৰীযুত প্ৰমথনাথ চক্ৰবৰ্ত্তী, ডিম্বেশ্বৰ নেওগ, কনকচন্দ্ৰ শৰ্ম্মন্, শ্ৰীকান্ত ভট্টাচাৰ্য্য, হলিৰাম মহন্ত, কনকচন্দ্ৰ শৰ্ম্মা, গোবিন্দচন্দ্ৰ পাটগিৰি, তোতাৰাম যম, মৌলবী আমজাদ আলি।

দূৰৈৰপৰা অহা মহিলাসকলৰ ভিতৰত শ্ৰীযুতা



হেমপ্ৰভা দাস, শ্ৰীযুতা পদ্মাৱতী বৰা আৰু শ্ৰীযুতা চন্দ্ৰপ্ৰভা শইকীয়ানী উপস্থিত আছিল।

সভাপতি শ্ৰীযুত তৰুণৰাম ফুকন ডাঙৰীয়াক চাৰ্কিট্ হাউচ্ বঙলাৰপৰা এখনি সুসজ্জিত মটৰত তুলি, পিচত মটৰ লৰীত স্বেচ্ছা-সেৱক সকলে জয়ধ্বনি গীত বাদ্যাদিৰে সৈতে শোভা-যাত্ৰা কৰি আদৰি আনিছিলগৈ; আৰু সভা-মণ্ডপৰ মুখত মৃদু-মন্থৰ গতিৰে মটৰ-গাড়ী আহি ৰোৱা মাত্ৰকে, প্ৰধান সম্পাদক আৰু আদৰণী সমিতিৰ সম্পাদক উভয়ে সভাপতি ডাঙৰীয়াক আগ বঢ়াই আনি সভা-মঞ্চৰ ওপৰত বহুৱালে। ফুকন ডাঙৰীয়াই আসন গ্ৰহণ কৰা মাত্ৰকে এটি সুৱলা ঐক্যতান বাদনেৰে সভাৰ কাৰ্য্য আৰম্ভ হয়। তাৰ পিচত ৮ জনী ছোৱালীয়ে "আসাম মাতৃ স্বৰ্গাদপি গৰীয়সী তুমি" এই গীতটি সুৱলা সুৰেৰে গায়।

হঠাতে গা অসুখ হোৱাৰ বাবে অভ্যৰ্থনা সমিতিৰ সভাপতি মাননীয় শ্ৰীযুত ভোলানাথ চৌধাৰী ডাঙৰীয়াই আজিৰ সভাত উপস্থিত হ'ব নোৱাৰিলে ; আৰু সেইবাবে তেখেতৰ সুযোগ্য পুত্ৰ শ্ৰীযুত জ্যোৎস্নানাথ চৌধাৰীয়ে পিতাকৰ অনুপস্থিতিৰ বাবে সমজুৱাসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অসুখৰ কথা আৰু তেখেতে পঠোৱা বাতৰি শ্ৰীযুত ফুকন ডাঙৰীয়াই সমজুৱাসকলক বহলাই বুজাই দিয়ে আৰু কাইলৈ গা ভাল পালেই চৌধাৰী ডাঙৰীয়াই সন্মিলনত যোগ দিবহি আৰু আজি তেখেতৰ আদেশ মতে অভিভাষণখনি অভ্যৰ্থনা সমিতিৰ সম্পাদকে পঢ়িব বুলি সমজুৱাসকলক জনাই দিয়ে।

তাৰ পিচত অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীযুত বিপিন চন্দ্ৰ ঘোষ, এম্, এল, চি ডাঙৰীয়াই অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত ভোলানাথ চৌধাৰী ডাঙৰীয়াৰ আকস্মিক অসুস্থতা আৰু অনুপস্থিতিৰি বাবে অভ্যৰ্থনা সমিতিৰ সমজুৱাসকলৰ বেজাৰ প্ৰকাশ কৰে আৰু নিজৰ বঢ়া-টুটা দোষৰ বাবে আগতে ক্ৰটী স্বীকাৰ কৰি আদৰণী সমিতিৰ সভাপতিৰ অভিভাষণখনি পাঠ কৰে। ছপা অভিভাষণ সমজুৱা সকলৰ মাজত বিলাই দিয়া হয়।

ইয়াৰ পিচত সন্মিলনৰ সভাপতিনিৰ্ব্বাচন হয়। অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীযুত বিপিনচন্দ্ৰ ঘোষ ডাঙৰীয়াৰ প্ৰস্তাৱ আৰু মৌলবী মিজানুৰ ৰহমান ডাঙৰীয়াৰ সমৰ্থন সমজুৱা আৰু প্ৰতিনিধিবৰ্গই হাত-চাপৰিৰ দ্বাৰাই তুৰন্তে অনুমোদন কৰাত, দেশভক্ত ফুকন ডাঙৰীয়াই সন্মিলনৰ সভাপতিৰ আসণ গ্ৰহণ কৰে ; আৰু তাৰ পিচত তেখেতে সমজুৱাসকলৰ মাজত বক্তৃতা-মঞ্চৰ ওপৰত থিয় হৈ তেখেতৰ সুললিত অভি-ভাষণ পাঠ কৰে। অভিভাষণ পাঠ চলি থাকোঁতেই ছপা অভিভাষণ সমজুৱাসকলৰ মাজত বিলাই দিয়া হয়। অভিভাষণ পাঠ শেষ হবৰ সময়ত এটি সৰু ছোৱালীয়ে হাতত ফুলৰ মালা লৈ বক্তৃতা-মঞ্চৰ ওচৰত থিয় দি আছিল আৰু ফুকন ডাঙৰীয়াই বক্তৃতা-মঞ্চৰ পৰা নামি আহোঁতেই উক্ত ছোৱালীটিয়ে সভাপতিৰ ডিঙিত ফুলৰ মালা পিন্ধাই দিয়ে আৰু সমজুৱাসকলে হাত চাপৰিৰ দ্বাৰাই সভাপতিৰ সম্বৰ্দ্ধনা কৰাত সভা-পতি ডাঙৰীয়াই কেউফালে মূৰ দোৱাই সমজুৱাসকলৰ প্ৰতি শ্ৰদ্ধা জনায়।

ইয়াৰ পিচত সাহিত্য সন্মিলনলৈ আহিব নোৱাৰা আৰু নানা তৰহৰ কাৰণ বশতঃ অনুপস্থিত হ'বলৈ বাধ্য হোৱা অনেক সভ্য আৰু সম্ভ্ৰান্ত ভদ্ৰলোকৰপৰা পোৱা চিঠি বিজুলি বাতৰি আদি প্ৰধান সম্পাদকে সভাত পঢ়ি শুনায়। বিজ্নীৰ দেশহিতৈষী কুমাৰ শ্ৰীযুত দ্বীপ-নাৰায়ণ সিংহ মহোদয়ৰ চিঠিখনি অতি দীঘল আছিল যদিও, প্ৰতিনিধিবৰ্গই তেনেই শুনিবলৈ আগ্ৰহ কৰাত গোটাইখন পঢ়ি শুনোৱা হয়।

ইয়াৰ পিচত প্ৰধান সম্পাদকে গত বছৰৰ কাৰ্য্য-বিৱৰণী পাঠ কৰে আৰু সভাৰ সম্পাদিত আৰু অসম্পাদিত কাম, আৱশ্যকীয় কৰ্ত্তব্য আৰু আয় ব্যয় আদিৰ বিষয়ে উক্ত কাৰ্য্য-বিৱৰণীত বিশদ ভাবে উল্লেখ কৰে ; আৰু সভাৰ সম্পৰ্কে জানিবলগীয়া সকলো কথা উপস্থিত সমজুৱা সকলক জনায় ; আৰু শেষত নিজৰ আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকলৰ বাব ইস্তফা দিয়ে।

তাৰ পিচত দুটি সৰু সৰু ছোৱালীয়ে এটি সামৰণী গীত গাই শ্ৰোতাসকলক আনন্দ দিয়ে। ইয়াতে সন্মিলনৰ

প্ৰথম দিনৰ কাম প্ৰায় শেষ হয়। গধূলিলৈ সকলোখিনি উপস্থিত প্ৰতিনিধি কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ উপস্থিত সভ্য আৰু অভ্যৰ্থনা সমিতিৰ ১০ জন সভ্যৰে সৈতে বিষয়-বাছনী সভা পাতিবলৈ স্থিৰ কৰা হয় আৰু তেতিয়া সভা ভঙ্গ হয়।

## বিষয়-বাছনী সভা।

স্থান—হাইস্কুলৰ ময়দান।

সময় গধূলি ৭॥ বজা।

গধূলি হাইস্কুলৰ সন্মুখৰ মুকলি ঠাইত প্ৰায় ৭॥ বজাৰ পৰা বিষয়-বাছনী সভা আৰম্ভ হয়। এই সভাৰ নিমিত্তে নিৰ্ব্বাচিত সভ্য আৰু প্ৰতিনিধিৰ বাহিৰেও প্ৰায় দেড়শ দুশমান মানুহ উপস্থিত হৈছিল আৰু কেইবাগৰাকী মহিলা সভ্যায়ো এই বিষয়-বাছনী সভাত যোগ দিছিল। ৰাতি দহ বজালৈকে বিষয়-বাছনী সভা বহিছিল আৰু প্ৰত্যেক কথাতে প্ৰায় সকলো সমজুৱাই আগ্ৰহেৰে নিজমত প্ৰকাশ কৰি তৰ্কা-তৰ্কি কৰিছিল। সভাপতি ফুকন ডাঙৰীয়াই অনেক যুক্তি তৰ্ক খণ্ডন কৰি আৰু কোনো কোনো বিষয়ত "ভোট" লৈ বিবেচ্য বিষয়ৰ মীমাংসা কৰি দিছিল। বিষয়-বাছনি সভাত গৃহীত হোৱা মূল প্ৰস্তাৱখিনি সুসজ্জিত কৰি কাইলৈ সন্মিলনত দিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হয় আৰু ইমান ৰাতিলৈকে সভাত উপস্থিত থাকি বিষয়-বাছনী সভাৰ কাৰ্য্য সুকলমে চলোৱাৰ বাবে সভাপতিক ধন্যবাদ জনোৱাৰ পিচত বিষয়-বাছনী সভা ভঙ্গ হয়।

## সন্মিলৰ দ্বিতীয় দিন।

ৰবিবাৰ, ২২ আহিন। ১৮৪৯ শক ; ইং ৯। ১০। ২৭

আজি পূৰ্ব্ব-নিৰ্দ্ধাৰিত কাৰ্য্য-তালিকা অনুযায়ী ১০ বজাৰপৰা ১১ বজালৈকে ভাষা-তত্ত্ব শাখাৰ আৰু ১১ বজাৰপৰা ১২ বজালৈকে ইতিহাস-শাখাৰ অধিবেশন হ'ব লাগিছিল। কিন্তু ৰাতিপুৱা সন্মিলন মণ্ডপত প্ৰায় ১২ বজালৈ গোৱালপাৰ প্ৰজা সভাৰ এখনি সাধাৰণ অধিবেশন হোৱা বাবে আৰু সেই সভাত অনেক সভ্য আৰু প্ৰতিনিধিয়ে উপস্থিত হৈ যোগ দিয়াৰ কাৰণে, তেওঁলোকৰ খোৱা-বোৱাৰ পিচত দুই বজাত সন্মিলনৰ কাৰ্য্য আৰম্ভ কৰিবলৈ স্থিৰ কৰা হয়।

ভাষা-তত্ত্ব শাখাৰ মনোনীত সভাপতি আছিল মঙ্গলদৈ মহকুমাধিপতি শ্ৰীযুত কালীৰাম মেধি, এম্ এ ; আৰু ইতিহাস শাখাৰ মনোনীত সভাপতি আছিল বৰপেটা মহকুমাধিপতি শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা বি, এল,। উভয়েই নিজ নিজ বিষয়ত সুন্দৰ গৱেষণাপূৰ্ণ প্ৰবন্ধ যুগুত কৰি আনিছিল ; কিন্তু তেখেতসকলে সেই দিনাই আবেলি ৪।৫ বজাৰ ভিতৰত জাহাজ ধৰি নিজ নিজ ঠাইলৈ যাব লগা হোৱাত শাখা-সভা দুখন হ'ব নেলাগে বুলি কোৱাত আৰু হ'লে মূল সন্মিলনৰ কাম ৰাতিলৈকে চলি থকাৰ আশঙ্কা হোৱাত এই উদ্যোগী প্ৰবীণ সাহিত্যিক দুজনৰ অভিভাষণ-শ্ৰৱণ স্থগিত থাকিল।

প্ৰায় আঢ়ৈটা বজাত অভ্যৰ্থনা সমিতিৰ প্ৰবীণ সভাপতি মান্যবৰ শ্ৰীযুত ভোলানাথ চৌধুৰী ডাঙৰীয়াই সন্মিলনৰ সভাপতি মহোদয়ক লগত লৈ সভা-মণ্ডপত উপস্থিত হ'ল। তাৰ পিচত চৌধাৰী ডাঙৰীয়াই আগদিনা শাৰীৰিক অসুস্থতা আৰু বাৰ্দ্ধক্যবশতঃ আহিব নোৱাৰা বাবে ক্ষমা মাগিলে আৰু সাহিত্য সন্মিলনৰ নিচিনা যেই সেই মহৎ জাতীয় অনুষ্ঠানতে তেখেতৰ অবিচ্ছেদ সংশ্ৰৱ থাকিব বুলি সমজুৱা সকলক আশ্বাস দিলে। চৌধাৰী মহোদয়ৰ চেহেৰা আৰু বয়সলৈ চাই তেখেতে যে আগদিনা তেখেতৰ নিজ স্থানৰপৰা ৩০ মাইল মটৰত অহা সম্ভৱ নাছিল, সেইটো সকলোৱে বুজিব পাৰিছিল।

ইয়াৰ পিচত মাননীয় সভাপতি ডাঙৰীয়াই সাহিত্য সভাৰ অন্যতম পৃষ্ঠপোষক আৰু দাতা, দক্ষিণপটীয়া পুঁজি-প্ৰতিষ্ঠাতা ৺শ্ৰীশ্ৰীনৰদেৱ অধিকাৰ গোস্বামী প্ৰভুৰ স্বৰ্গাৰোহণৰ বাবে শোক প্ৰকাশ কৰে আৰু তৎ-সম্পৰ্কীয় প্ৰস্তাৱটি পাঠ কৰে। সমজুৱাসকলে স্বৰ্গীয় প্ৰভুৰ প্ৰতি সন্মান দেখুৱাবৰ নিমিত্তে থিয় হৈ উক্ত প্ৰস্তাৱ গ্ৰহণ কৰে।

তাৰ পিচত ৺লোকেশ্বৰ সিংহ বুঢ়া-গোহাঁই ডাঙৰীয়া, ৺বলী নাৰায়ণ বৰা, ৺পীতাম্বৰ চক্ৰবৰ্ত্তী, ৺কালীৰাম দত্ত, ৺লতিকা দেৱী আৰু ৰূপসীৰ ৰাণী ৺সুকুমাৰী চৌধাৰীয়ানীৰ বিয়োগ সম্পৰ্কীয় প্ৰস্তাৱখিনিও এটি এটিকৈ সভাপতি ডাঙৰীয়াই পাঠ কৰে আৰু ওপৰত লিখা ক্ৰম অনুসৰি সৰ্ব্বসন্মতি ক্ৰমে গৃহীত হয়।



তাৰ পিচত সভাপতিৰ আদেশ অনুসৰি প্ৰধান সম্পাদকে প্ৰস্তাৱিত নতুন কাৰ্য্য-নিৰ্ব্বাহক-সমিতিৰ সভ্যসকলৰ নাম পঢ়ি শুনায় আৰু অলপ আলোচনাৰ পিচত তলত নাম দিয়া সভ্যসকলেৰে কাৰ্য্য-নিৰ্ব্বাহক সমিতি গঠিত হয়।

১। ৰায় বাহাদুৰ শ্ৰীযুত ৰাধানাথ সন্দিকৈ।
২ শ্ৰীযুত ৰমাকান্ত বৰকাকতী।
৩। ,, দেৱেশ্বৰ চলিহা।
৪। ,, বিষ্ণুপ্ৰসাদ দুৱৰা।
৫। ৰায়চাহাব শ্ৰীযুত কমলাকান্ত বৰুৱা।
৬। শ্ৰীযুত কুলধৰ চলিহা।
৭। ,, ধনকান্ত বৰুৱা।
৮। ,, চন্দ্ৰধৰ বৰুৱা।
৯। ,, দেৱানন্দ ভঁৰালী।
১০। ,, বিষ্ণুচন্দ্ৰ বৰুৱা।
১১। ,, দেৱেশ্বৰ শৰ্ম্মা।
১২। মৌলবী জেহিৰুদ্দিন আহ্মদ।
১৩। শ্ৰীযুত জিতেন্দ্ৰকুমাৰ দাস।
১৪। মৌলবী দাৱাজুদ্দিন আহ্মদ।
১৫। শ্ৰীযুত মিত্ৰদেৱ মহন্ত।
১৬। ,, গোপালচন্দ্ৰ গোস্বামী।
১৭। ,, গুণগোবিন্দ দত্ত।
১৮। ,, কাশীনাথ বৰ্ম্মণ্।
১৯। ,, হৰিনাৰায়ণ দত্ত বৰুৱা। আৰু
২০। শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা।

ইয়াৰ পিচত শ্ৰীযুত ডিম্বেশ্বৰ নেওগে প্ৰধান সম্পাদকৰ বাবৰ নিমিত্তে শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মাৰ নাম প্ৰস্তাৱ কৰে ; আৰু মৌলবী দাৱাজুদ্দিন আহ্মদে ৰায় চাহাব শ্ৰীযুত কমলাকান্ত বৰুৱা ডাঙৰীয়াৰ নাম প্ৰস্তাৱ কৰে। উভয় প্ৰস্তাৱ নিয়মমতে সমৰ্থিত আৰু অনুমোদিত হোৱাৰ পিচত সভাপতি ডাঙৰীয়াই উপস্থিত সমজুৱা সকলৰ মত ( ভোট ) লয় আৰু শেহত বহুসন্মতানুসাৰে শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়।

তাৰ পিচত শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মাৰ প্ৰস্তাৱ আৰু সৰ্ব্বসন্মতিক্ৰমে মাননীয় শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়া আকৌ পত্ৰিকা-সম্পাদক নিযুক্ত হয়। ছিচাপ-ৰক্ষক আৰু ধন-ভঁৰালীৰ বাবৰ নিমিত্তে প্ৰধান সম্পাদকে শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মাৰ নাম প্ৰস্তাৱ কৰে ; কিন্তু তেখেতে পুনৰ সেই বাব লবলৈ অস্বীকাৰ কৰাৰ পিচত শ্ৰীযুত গুণগোবিন্দ দত্ত নিৰ্ব্বাচিত হয়। তেতিয়া প্ৰধান সম্পাদকৰ প্ৰস্তাৱ অনুসৰি আৰু সৰ্ব্বসন্মতিক্ৰমে শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱাক সহকাৰী সম্পাদক আৰু শ্ৰীযুত দেৱানন্দ ভঁৰালীক পুথি-ভঁৰালী আৰু পত্ৰিকাৰ সহকাৰী সম্পাদক মনোনীত কৰা হয়।

ইয়াৰ পিচত আগদিনা বিষয় বাচনী সভাত গৃহিত হোৱামতে নিয়মৰ সাল-সলনি সম্পৰ্কীয় ৫ম প্ৰস্তাৱটি প্ৰধান সম্পাদকে পঢ়ি শুনায় আৰু মৌলবী মিজানুৰ ৰহমানে সমৰ্থন কৰাৰ পিচত সৰ্ব্বসন্মতিক্ৰমে নিয়মাবলী সংশোধন মঞ্জুৰ হয়।

ইয়াৰ পিচত সভাৰ কাৰ্য্য আৰু কৰ্ত্তব্য-সম্পৰ্কীয় ৬, ৭, ৮,, ৯, ১০ আৰু ১১ নং প্ৰস্তাৱ কেইটি যথোচিত আলোচনাৰ পিচত গৃহিত হয়। প্ৰস্তাৱ-কাৰক, সমৰ্থক আৰু অনুমোদকসকলৰ নাম প্ৰত্যেক প্ৰস্তাৱৰ তলত দিয়া হৈছে। তেওঁবিলাকে নিজ নিজ প্ৰস্তাৱৰ উদ্দেশ্য আৰু কাৰণ যুক্তিযুক্ত বক্তৃতাৰে বুজাই দিয়ে।

ইয়াৰ পিচত কাৰ্য্য-তালিকাত ভুক্ত থকা প্ৰবন্ধাদি-পাঠৰ সম্পৰ্কে প্ৰধান সম্পাদকে কয় যে কেইবাটিও সুন্দৰ কবিতা আৰু সুদীৰ্ঘ প্ৰবন্ধ সন্মিলনত পঠিত হ'বৰ নিমিত্তে পোৱা হৈছিল ; কিন্তু সেইখিনি পঢ়িবলৈ হ'লে আজি সন্মিলনৰ ওৰ নপৰিব। তেতিয়া সৰ্ব্বসন্মতিক্ৰমে সন্মিলনৰ নিমিত্তে পোৱা কবিতা আৰু-প্ৰবন্ধাৱলী পঠিত হ'ল বুলি গৃহীত হ'ল।

---

মোঃ মহম্মদ আলি আৰু শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য উভয়ে ৭ম প্ৰস্তাৱটি সমৰ্থন কৰি বক্তৃতা দিছিল ; আৰু শ্ৰীযুত নিধিৰাম দাস মহাশয়ে ৯ম প্ৰস্তাৱটি সমৰ্থন কৰিছিল। প্ৰস্তাৱখিনি আগেয়েই ছপাহোৱা বাবে ভুলত এওঁলোকৰ নাম পৰি গ'ল।

## একাদশ সম্মিলনৰ স্থান-নিৰ্ণয়।

ইয়াৰ পিচত শ্ৰীযুত হৰেন্দ্ৰনাৰায়ণ মণ্ডলে অহা বছৰলৈ একাদশ সম্মিলন গৌৰীপুৰত পাতিবৰ নিমিত্তে প্ৰতিনিধিবৰ্গক নিমন্ত্ৰণ কৰে আৰু প্ৰতিনিধিবৰ্গই তেওঁৰ সাদৰ আহ্বান হাত-চাপৰিৰ দ্বাৰাই গ্ৰহণ কৰিলে।

## উপস্থিত সমজুৱাসকলৰ বক্তৃতা।

(ক) শ্ৰীযুত দৰ্পকিশ্বৰ গোস্বামীয়ে সুধেনুযে স্বৰচিত আৰু বাঙ্গলা ভনিতা সাহিত্য আবৃত্তি কৰি দেশৰ বৰ্ত্তমান অৱস্থা বৰ্ণনা কৰে। তেখেতৰ ভনিতা শুনি সমজুৱাসকলে অতি আনন্দ পাইছিল।

(খ) শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামীয়ে কোচবেহাৰ অনুসন্ধানৰ সম্পৰ্কে সমজুৱাসকলক কেইটামান আৱশ্যকীয় কথা শুনায় আৰু সময়ৰ অভাৱত বেচি কথা শুনাব নোৱাৰা বাবে সাহিত্যসভা পত্ৰিকাত তেখেতৰ অনুসন্ধান বৃত্তান্ত প্ৰকাশ কৰা হ'ব বুলি কয়।

যোগীঘোপেৰে কোচবেহাৰ পুথি-ভঁৰালৰ অধ্যক্ষকে আদি কৰি ৰাজবিষয়াসকলৰপৰা পোৱা সমাদৰৰ কথা শুনি সম্মিলনে উক্ত বিষয়াসকলৰ প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা জনাবলৈ স্থিৰ কৰে।

(গ) তেতিয়া ধুবুৰী সাহিত্য সভাৰ হৈ মৌঃ গিয়াচুদ্দিন আহমদে ধুবুৰী অঞ্চলত বিলাই দিবৰ কাৰণে অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়াৰ অভিভাষণ ২০০০ ছপোৱাবৰ নিমিত্তে এখনি লিখিত আবেদন প্ৰধান সম্পাদকৰ হাতত দিয়ে। প্ৰধান সম্পাদকে আবেদনৰ কথা সভাপতি আৰু সমজুৱাসকলক জনোৱাৰ পিচত উক্ত মৌলবী গিয়াচুদ্দিন আহমদে প্ৰস্তাৱিত আবেদনৰ উদ্দেশ্য বহলাই বুজাই দিয়ে, তেতিয়া সৰ্ব্বসম্মতিক্ৰমে তলত লিখা প্ৰস্তাৱটি গৃহীত হয় :—

"এই সম্মিলনৰ অভ্যৰ্থনা-সমিতিৰ সভাপতি মাননীয় শ্ৰীযুক্ত ভোলানাথ চৌধাৰী ডাঙৰীয়াৰ অভিভাষণৰ সাৰকথাখিনি সভাৰ খৰচত ধুবুৰী অঞ্চলত প্ৰচাৰ কৰা উচিত বুলি এই সম্মিলনে মীমাংসা কৰিছে আৰু (মৌলবী গিয়াচুদ্দিন আহমদৰ আবেদন অনুযায়ী) উক্ত অভিভাষণৰ ২০০০ খণ্ড ছপাবলৈ স্থিৰ কৰিছে আৰু এই ভাৰ্গীৰ ভাৰ লীয় বাবে এই সম্মিলনে এই প্ৰস্তাৱৰ দ্বাৰাই মঞ্জুৰ কৰিছে। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ পৰৱৰ্ত্তী অধিৱেশন হোৱাৰ পূৰ্ব্বে অহা ২০ অক্টোবৰৰ ভিতৰত উক্ত ২০০০ অভি... ধুবুৰীত যোগাবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হয়।

ডিব্ৰুগড়ৰ প্ৰসিদ্ধ কিতাপ বেচোঁতা আৰু প্ৰবীণ ... শ্ৰীযুত শিৱনাথ ভট্টাচাৰ্য্য মহাশয়ে ১০০, এশ টকা ... অসমীয়া কিতাপ সম্মিলনৰ ভিতৰতে গোৱালপাৰ... লোকসকলৰ মাজত বিলাই দিছিল। আৰু উৎসাহী ... চিকিৎসক শ্ৰীযুত কনকচন্দ্ৰ শৰ্ম্মা মহাশয়ে ৩০, ত্ৰিশ টকা... "পশু পালন" বিলাই দিছিল। গোৱালপাৰত অসমী... প্ৰচাৰ কাৰ্য্যত উক্ত দুই জন অপেশাদাৰী পুৰুষে ... দৰে মূল্য নোলোৱাকৈ পুস্তক বিতৰণ কৰাৰ কথা প্ৰধান সম্পাদকে সম্মিলনক জনায় আৰু সাহিত্য সভাৰ ... তেওঁলোকক ধন্যবাদ দিয়া হয়।

তাৰ পিচত শ্ৰীযুত বিপিনচন্দ্ৰ বৰাই এণ্ডি-গোৰ সূতা-কটা আদিৰ সম্পৰ্কে এটি সুন্দৰ বক্তৃতা দি... আৰু তেখেতে নিজে এণ্ডিৰ কেনে ব্যৱহাৰ কৰি... তাক আদৰ্শৰ দ্বাৰাই বুজাই দিয়ে।

তাৰ পিচত প্ৰধান সম্পাদকে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ হৈ সভাপতি মহোদয়ক ধন্যবাদ জনায়, অভ্যৰ্থনা সমিতিৰ সভাপতি, সম্পাদক আৰু অন্যান্য কৰ্ম্মীসকলৰ নিঃস্বাৰ্থ উদ্যোগৰ বাবে কৃতজ্ঞতা জনা... আৰু উক্ত সমিতিৰ সহকাৰী সভাপতি শ্ৰীযুত দৰ্পনাৰায়ণ ঘোষ, সম্পাদক শ্ৰীযুত বিপিনচন্দ্ৰ ঘোষ, সহকাৰী সম্পাদক শ্ৰীযুত তৰেন্দ্ৰনাৰায়ণ সিংহ, আৰু শ্ৰীযুত হৰিপ্ৰসাদ নাথ, শ্ৰীযুত কনকচন্দ্ৰ দাস, শ্ৰীযুত অমৃতলাল দাস আদি অক্লান্ত উদ্যোগী কৰ্ম্মীসকলৰ আৰু স্বেচ্ছাসেৱকসকলৰ শলাগ লয়।

শাখা-সভাৰ অধিৱেশন চলনিৰ নিমিত্তে শ্ৰীযুত কালীৰাম মেধি আৰু শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা—উভয়ে অশেষ কষ্ট স্বীকাৰ কৰি প্ৰস্তুত হৈ অহাৰ বাবে প্ৰধান সম্পাদকে সম্মিলনৰ হৈ তেওঁলোকক ধন্যবাদ জনায় আৰু সময়ৰ অভাৱত শাখা সভা দুখন বহি... মতে পাতি তেওঁলোকৰ অভিভাষণ দুখনি শুনিবলৈ...



...পাৰা নোৱাৰি যদিও, তেখেতসকলৰ সম্মতি সাপেক্ষে অভিভাষণ দুখনি আসাম সাহিত্য সভা পত্ৰিকাত ছপাই দিয়া হ'ব বুলি প্ৰধান সম্পাদকে জনায়।

শ্ৰীযুত মহাদেৱ শৰ্ম্মা ডাঙৰীয়াই প্ৰধান সম্পাদকৰ ...খিনি সমৰ্থন কৰি এটি চমু বক্তৃতা দিয়ে আৰু উপস্থিত প্ৰতিনিধিবৰ্গৰ হৈ অভ্যৰ্থনা-সমিতিৰ সভাসকলৰ আৰু স্বেচ্ছাসেৱকসকলৰ নিখুঁট আৰু নিঃস্বাৰ্থ কাৰ্য্যৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰে।

তেতিয়া অভ্যৰ্থনা-সমিতিৰ হৈ শ্ৰীযুত হৰিপ্ৰসাদ নাথ ডাঙৰীয়াই অভ্যৰ্থনা-সমিতিৰ কাৰ্য্য-কাৰকসকলৰ ত্ৰুটী স্বীকাৰ কৰি অভ্যাগত প্ৰতিনিধিবৰ্গৰ যথাযোগ্য সমাদৰ কৰিব পৰা নহ'ল বুলি দুখ প্ৰকাশ কৰে। ...সমৰ্থিত তেখেতে গোৱালপাৰত অসমীয়া ভাষাৰ প্ৰচাৰৰ সম্পৰ্কে কেইটা আৱাৰমান সাক্ষ্য, কথা কয়।

অভ্যৰ্থনা সভাৰ সহকাৰী সভাপতি শ্ৰীযুত দৰ্পনাৰায়ণ ঘোষ ডাঙৰীয়াই উক্ত কথাকে সমৰ্থন কৰে আৰু গোৱালপৰীয়া ৰাইজৰ অভ্যৰ্থনা ত্ৰুটীযুক্ত হলেও আন্তৰিক ভাৱে পূৰ্ণ বুলি প্ৰতিনিধিসকলক জনায়।

তাৰ পিচত অভ্যৰ্থনা সমিতিৰ সভাপতি মাননীয় শ্ৰীযুত ভোলানাথ চৌধাৰী ডাঙৰীয়াই নিজৰ আৰু তেখেতৰ সহকৰ্মীসকলৰ ত্ৰুটী স্বীকাৰ কৰি ক্ষমা বিচাৰে; আৰু গোৱালপৰীয়া ৰাইজৰ লগতে প্ৰতিনিধিসকলৰ সহযোগ আৰু সকলোৰে উৎসাহ আৰু সহানুভূতিৰ ফলত যে এই মহৎ জাতীয় অনুষ্ঠান সুকলমে সমাধা হ'ল তাৰ বাবে আনন্দ প্ৰকাশ কৰে।

ইয়াৰ পিচত সভাপতিৰ আদেশ অনুসৰি প্ৰধান সম্পাদকে সম্মিলনৰ আগদিনা সভাপতি মহোদয়ে পোৱা প্ৰতিযোগী সভা এখনৰ সিদ্ধান্তৰ নকল আৰু সভাপতিৰ চিঠি সম্মিলনত পঢ়ি শুনায় আৰু সভাপতি ডাঙৰীয়াই উক্ত প্ৰতিযোগী সভাৰ চিঠিৰ সম্পৰ্কে গোৱালপাৰবাসী সকলৰ মিতমত আহ্বান কৰে। তেতিয়া মৌলবী মিজাবুৰ ৰহমান, শ্ৰীযুত বিপিনচন্দ্ৰ ঘোষ আৰু শ্ৰীযুত দৰ্পনাৰায়ণ ঘোষ—তিনিওজনে ওজস্বিনী ভাষাৰে মৌলবী চফিয়ৰ ৰহমানৰ চিঠি আৰু তেওঁলোকৰ সভাত গৃহীত হোৱা প্ৰস্তাৱ কেইটাৰ দোষৰ প্ৰতিবাদ কৰে। মৌলবী মিজাবুৰ ৰহমান চাহাবে কয়—"মৌঃ চফিয়ৰ ৰহমান, মুন্সি আজিমুদ্দিন আহমদ এই দুজনে আমাৰ লগত যোগ নিদি চক্ৰান্ত কৰি এই সভা পাতিছে"। শ্ৰীযুত বিপিনচন্দ্ৰ ঘোষে কয়—"এই প্ৰতিবাদ সভা গোৱালপাৰবাসীৰ নহয়—সেই সভাত গোৱালপাৰৰ কোনো মানুহ নাছিল। আমাৰ ভাষা অসমীয়া;—আৰু তেওঁলোকে যেনে প্ৰস্তাৱৰ নকল পঠাইছে তেনে প্ৰস্তাৱ দিবৰ তেওঁলোকৰ অধিকাৰ নাই—"। শ্ৰীযুত দৰ্পনাৰায়ণ ঘোষে কয়—"এই সভাৰ কোনো অস্তিত্ব নাই—ই কেৱল দুই তিনিজনৰ চক্ৰান্তমূলক ভিত্তিহীন কথা। আমি সকলো নৱ-গোৱালী, মুনিহ-তিৰোতা ইয়াতে আছোঁ—সেই সভাত গোৱালপাৰবাসীৰ কোনো সম্বন্ধ নাই—সেই কাৰণে দলিয়াই পেলাওক"। ("প্ৰতিনিধিবৰ্গৰপৰা"—দলিয়াই পেলাওক, দলিয়াই পেলাওক শব্দ)।

তেতিয়া সভাপতি ডাঙৰীয়াই কয়—গোৱালপাৰবাসীৰ অন্তৰ চিনিবলৈ কাৰো বাকী নাই—'আপোনালোকৰ ভাৱ আপোনালোকৰ নিজ মুখেই ব্যক্ত কৰাৰ কাৰণেহে এই কাকতৰ কথা ইয়াত উল্লেখ কৰা হ'ল। এই সভা যে ২।৩ জন কুচক্ৰী লোকৰ চক্ৰান্তৰ ফল তাক সুন্দৰকৈ বুজা গৈছে। আপোনালোকৰ অভিৰুচি আৰু সম্মিলনৰ সভাসকলৰ ইচ্ছা অনুযায়ী এই কাগজ দলিয়াই পেলোৱা হ'ব আৰু ইয়াৰ বিৰুদ্ধে কোনো প্ৰস্তাৱ গ্ৰহণ কৰি তাক লেখৰ শাৰীত তোলাৰ কোনো আৱশ্যক নাই"।

তাৰ পিচত সভাপতি ডাঙৰীয়াই অভ্যৰ্থনা সমিতিক আৰু তাৰ কৰ্ম্মীসকলক ধন্যবাদ দিয়ে আৰু অভ্যৰ্থনা-সমিতিৰ সভাপতিৰ নেতৃত্বত সকলো কাম সুচাৰুৰূপে সম্পন্ন হোৱা বাবে আনন্দ প্ৰকাশ কৰে :—"কয় আৰু স্বৰিব পৰা-থেৰে সভাপতি চৌধাৰী ডাঙৰীয়াই আজি এই সম্মিলনত যোগ দি আমাক আৰু প্ৰজাসকলক চিৰঋণী কৰিলে"; স্বেচ্ছাসেৱকসকলকো সভাপতিয়ে ধন্যবাদ দিয়ে। স্বদেশ

আৰু মাতৃভাষাৰ উন্নতিৰ অৰ্থে সকলোৱেই দেহে কেহে যত্ন কৰিবৰ নিমিত্তে শেষ উদগনি দি আৰু নিজেও সকলো দেশহিতকৰ কাৰ্য্যত সহযোগী থাকিব বুলি কৈ সভাপতি ফুকন ডাঙৰীয়াই আসন গ্ৰহণ কৰে।

তাৰ পিচত এটি সুললিত গীতেৰে সৈতে সন্মি মধুৰ সমাপ্তি হয়।

আসাম সাহিত্য সভা,
গোৱালপাৰা ২২ আহিন
১৮৪৯ শক।

শ্ৰীপূৰ্ণানন্দ
প্ৰধান সম্পাদ
৯।১০।১৯২

---

# আসাম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ একাদশ বছৰৰ প্ৰথম অধিবেশন।

শুক্ৰবাৰ ৯ আঘোন ১৮৪৯ শক। ইং ২৫।১১।২৭

১। শ্ৰীযুত গোপালচন্দ্ৰ গোস্বামীৰ প্ৰস্তাৱ আৰু সৰ্ব্বসন্মতিক্ৰমে ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰে।

২। কমলাদেৱী শিশু-সাহিত্য গ্ৰন্থাৱলীৰ প্ৰতিষ্ঠাত্ৰী মাননীয়া ৺ কমলাদেৱীৰ মৃত্যুত এই সভাই শোক প্ৰকাশ কৰিছে; আৰু তেখেতৰ আত্মাৰ সদ্গতি কামনা কৰাৰ লগে লগে তেখেতৰ সুযোগ্য পুত্ৰ, সাহিত্য-সভাৰ অন্যতম পৃষ্ঠপোষক শ্ৰীযুত ৰাধানাথ গোস্বামী মহোদয়লৈ আৰু পৰিবাৰভুক্ত অন্যান্য পুত্ৰ-পৌত্ৰ সকলোলৈকে সহানুভূতি জনাইছে।

৩। ৰন্ধন বিষয়ক পুথি সম্পৰ্কে পৰীক্ষকসকলৰ মন্তব্য-পূৰ্ণ ৰেজেষ্টৰী লেফেকা তিনটা প্ৰকাশ্য সভাত খোলা হয় আৰু মন্তব্যবোৰ পাঠ কৰা হয়। পৰীক্ষক কেউজন একেমত নোহোৱা বাবে আৰু এখন পুথিৰ সম্পৰ্কে দুগৰাকী পৰীক্ষকৰ ঐক্যমত হোৱাৰ বাবে এই সভাই সিদ্ধান্ত কৰে যে:—

(ক) উক্ত পুথিখনি এই সমিতিৰ সভ্য শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াৰ দ্বাৰাই চোৱাব লাগে; আৰু

(খ) উক্ত বৰুৱা ডাঙৰীয়াৰ লিখিত সমালোচনা এই সমিতিত গৃহীত হ'লে পুথিখনিত আৱশ্যকীয় সংশোধন বা সাল-সলনি কৰিবৰ নিমিত্তে ৰচয়িত্ৰীলৈ পঠোৱা হ'ব; আৰু

(গ) এই সভাৰ নিৰ্দ্দেশমতে ৰচয়িত্ৰীয়ে পুথি সংশোধন বা পৰিবৰ্ত্তন কৰি দিলে পুৰস্কাৰৰ সম্পৰ্কে মীমাংসা কৰা হ'ব।

৪। (ক) শ্ৰীযুত দণ্ডিনাথ কলিতাৰ "সাধনা সম্পৰ্কে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্য শ্ৰীযুত চন্দ্ৰধৰ বৰু ৰায় চাহাব শ্ৰীযুত কমলাকান্ত বৰুৱা আৰু শ্ৰীযুত দেৱা ভঁৰালীৰ মন্তব্য সভাত পঢ়ি শুনোৱা হ'ল আৰু উ মন্তব্য সভাত গৃহীত হ'ল।

(খ) উক্ত মন্তব্যখিনিৰ নকল গ্ৰন্থকাৰলৈ উপন্যা খনিৰ সংশোধনৰ নিমিত্তে পঠোৱা হ'ব আৰু আৱশ্যকী সংশোধনৰ পিচত গ্ৰন্থকাৰে উপন্যাসখনি এই সভা পঠাব লাগিব, আৰু এই সভাই পুনৰ সংশোধি উপন্যাসখনি মন্তব্য-খিনিৰে সৈতে বিজাই চোৱাই ছপা নিমিত্তে গ্ৰন্থকাৰলৈ ফেৰত পঠাব।

(গ) গ্ৰন্থকৰ্ত্তাই পুৰস্কাৰ দাবি কৰাৰ পূৰ্ব্বেই ওপৰ লিখা চৰ্ত্ত মতে উপন্যাসখনিৰ সংশোধন কৰি ছপা লাগিব।

৫। কটন কলেজ-মেগেজিনৰ (আলোচনীৰ) সম্প কটন কলেজৰ অসমীয়া ছাত্ৰসকলৰ চিঠি, টেলিগ্ৰা আৰু আবেদন পাঠ কৰা হ'ল। অসমীয়া ছাত্ৰসকল দাবি সম্পূৰ্ণ যুক্তিসঙ্গত বুলি এই সভাই বিবেচ কৰিছে আৰু এই সভাই আৱশ্যকীয় প্ৰতিবিধা



(তলত লিখা মৰ্ম্মে) কৰিবলৈ স্থিৰ কৰিছে। অসমীয়া ছাত্ৰসকলৰ দাবি ন্যায্য আৰু উক্ত মেগেজিনত ইংৰাজী প্ৰবন্ধৰ বাহিৰে কেৱল অসমীয়া প্ৰবন্ধহে প্ৰকাশ কৰা উচিত বুলি কটন কলেজৰ প্ৰিন্সিপেল মহোদয়লৈ আৰু গৱৰ্ণমেণ্টলৈ চিঠি দিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হ'ল। আৰু ইতিমধ্যে ছাত্ৰসকলে অকল ইংৰাজী ভাষাতে মেগেজিন চলোৱাত সন্মত হৈ চলি থাকিব বুলি আশা কৰা হ'ল।

৬। ৰাতি বেচি হোৱা বাবে আজিৰ সভা কাইলৈ গধূলিলৈকে স্থগিত থাকিল।

শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা,
প্ৰধান সম্পাদক;
৯ আঘোন, ১৮৪৯ শক

স্বাক্ষৰ—শ্ৰীৰাধাকান্ত সন্দিকৈ
সভাপতি
২৫।১২।২৭

---

# আসাম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ একাদশ বছৰৰ দ্বিতীয় অধিবেশন।

শনিবাৰ ১০ আঘোন। ১৮৪৯ শক। ইং ২৬।১১।২৭

১। শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ৰায় বাহাদুৰ ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰে।

২। শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী মহাশয়ৰ কোচ-বেহাৰ অনুসন্ধানৰ বিবৰণ পাঠ কৰা হল; আৰু বৰ্ত্তমান তলত লিখা কামখিনি কৰাবলৈ সম্পাদকক সৰ্ব্বসন্মতিক্ৰমে আদেশ দিয়া হ'ল:—

(ক) শ্ৰীযুত গোস্বামী দেৱে ৰেপটত উল্লেখ কৰা নষ্ট হবলৈ ধৰা আৰু অন্যান্য পাবলৈ নোহোৱা পুথিবোৰ কম খৰচত নকল কৰাই অনাব লাগিব, আৰু এই কাৰ্য্যত যিখিনি খৰচ হয় তাক সম্পাদকে এই সভাত মঞ্জুৰ কৰাই ল'ব।

(খ) শ্ৰীযুত গোস্বামী দেৱে আসাম সাহিত্য সভাৰ হৈ অশেষ পৰিশ্ৰম স্বীকাৰ কৰি অনুসন্ধান কাৰ্য্য সমাধা কৰাৰ বাবে এই সভাৰ হৈ তেখেতক ধন্যবাদ জনোৱা হব।

৩। কাইঠেলী অঙ্ক-পুথি সম্পৰ্কে পৰীক্ষকসকলৰ ৰেপট পাঠ কৰা হ'ল আৰু সৰ্ব্বসন্মতিক্ৰমে উক্ত পুথিৰ সংগ্ৰহকৰ্ত্তাক ১০০৲ টকা দি পুথি প্ৰকাশৰ সম্পৰ্কে সহায় কৰিবলৈ স্থিৰ কৰা হ'ল।

শ্ৰীশ্ৰীনৰদেৱ-গ্ৰন্থাৱলীৰ তৃতীয় গ্ৰন্থ স্বৰূপে 'সাত্বত-তন্ত্ৰ" নামক পুথিখনি ছপোৱাৰ সম্পৰ্কে তলত নাম দিয়া সভ্যসকলৰ মত ল'বলৈ স্থিৰ কৰা হ'ল; তেখেত-সকলে পুথিখনি একোবাৰ চাই দিয়াৰ পিচত তেখেত-সকলৰ লিখিত মন্তব্য এই সভাত উপস্থিত কৰা হ'ব আৰু তেতিয়া এই বিষয়ে শেষ মীমাংসা কৰা হব।

(১) ৰায় চাহাব শ্ৰীযুত কমলাকান্ত বৰুৱা।
(২) শ্ৰীযুত দেৱানন্দ ভঁৰালী।
(৩) " পূৰ্ণানন্দ শৰ্ম্মা।

৫। চুটীয়া সন্মিলনৰ ৫ম প্ৰস্তাৱ আৰু সম্পাদকৰ চিঠি পাঠ কৰা হ'ল। "চুটীয়া" শব্দটো "চুতীয়া" কৰাৰ কাৰণ সুধি উক্ত সন্মিলনৰ সম্পাদকলৈ প্ৰধান সম্পাদকে চিঠি লিখিব আৰু তাৰ উত্তৰ আহিলে এই বিষয়ে পুনৰ বিবেচনা কৰা হ'ব।

৬। অসমীয়া মুছলমানসকলৰ উপযোগী ইচ্লাম ধৰ্ম্মসম্পৰ্কীয় এখনি পুথিৰ নিমিত্তে ১৫০৲ দেড়শ টকা পুৰস্কাৰ দিবলৈ স্থিৰ কৰা হয় আৰু এই বিষয়ে আৱশ্যকীয় জাননী আদি দিবলৈ সম্পাদকক ভাৰ দিয়া হয়।

৭। দশম সাহিত্য সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱ-সমূহৰ সম্পৰ্কে এই সমিতিৰ কৰ্ত্তব্য-নিৰ্ণয় পিচৰ সভালৈ স্থগিত ৰখা হ'ল।

৮। (ক) অভিধান সংগ্ৰাহক শ্ৰীযুত কোহিৰাম দাস মহাশয়ৰ প্ৰতি প্ৰধান সম্পাদকে দিয়া ২।১১।২৭ তাৰিখৰ চিঠি এই সমিতিয়ে অনুমোদন কৰিছে আৰু অভিধান পুঁজিত ধনৰ নাটনি বাবে অহা ৩০ নবেম্বৰ তাৰিখৰ পৰা উক্ত সংগ্ৰাহকক তেওঁৰ বাবৰ পৰা বিদায় দিবলৈ স্থিৰ কৰিছে; আৰু

(খ) উক্ত সংগ্ৰাহক মহাশয়ে যোৱা তিনিবছৰ অভিধান সঙ্কলন কাৰ্য্যত আশা-শুধীয়া পৰিশ্ৰম কৰাৰ বাবে এই সমিতিয়ে ধন্যবাদ জনাইছে।

(গ) উক্ত সংগ্ৰাহকে ইতিপূৰ্ব্বে ঘৰৰ নিমিত্তে লোৱা হাওলাতৰ বাকী বাবদ এই সভাক দিবলগা ১৪০৲ এশ চল্লিশ টকা পুৰস্কাৰ স্বৰূপে এৰি দিবলৈ এই সমিতিয়ে সিদ্ধান্ত কৰিছে।

৯। যোৱা ১২ অক্টোবৰৰ পৰা ২৩ অক্টোবৰলৈকে শ্ৰীযুত ৰুদ্ৰকান্ত গোস্বামী সহকাৰী সংগ্ৰাহকক সম্পূৰ্ণ বেতন সহ ছুটি মঞ্জুৰ কৰি দিয়া হ'ল।

১০। সভাপতি ডাঙৰীয়াক আৰু উপস্থিত দৰ্শক সকলক আৰু বিশেষকৈ যোৱা সন্মিলনৰ সভাপতি মাননীয় ফুকন ডাঙৰীয়াক ধন্যবাদ জনোৱাৰ পিচত সভা ভঙ্গ হ'ল।

| | |
|---|---|
| শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা | স্বাক্ষৰ—শ্ৰীৰাধাকান্ত সন্দিকৈ |
| প্ৰধান সম্পাদক | সভাপতি |
| ১১ আঘোন ১৮৪৯ শক। | ২৬।১১।২৭ |

---

# আসাম সাহিত্য সভাৰ কাৰ্য্য- নিৰ্ব্বাহক সমিতিৰ একাদশ বছৰৰ তৃতীয় অধিবেশন।

শুক্ৰবাৰ, ৭ পুহ, ১৮৪৯ শক। ( ইং ) ২৩।১২।২৭।

১। শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াৰ প্ৰস্তাৱ আৰু সৰ্ব্বসন্মতিক্ৰমে ৰায় চাহাব শ্ৰীযুত কমলাকান্ত বৰুৱা ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰে।

২। দশম সাহিত্য-সন্মিলনত গোৱালপাৰত গৃহীত হোৱা প্ৰস্তাৱবিলাক পাঠ কৰা হয় আৰু পঞ্চম প্ৰস্তাৱৰ দ্বাৰাই সংশোধিত আৰু পৰিবৰ্ত্তিত হোৱা নিয়মাৱলীৰ নতুন সংস্কৰণ ছপাবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হয়। আৰু বাকীখিনি প্ৰস্তাৱ কাৰ্য্যত পৰিণত কৰিবলৈ প্ৰধান সম্পাদকে যথা বিহিত দিহা কৰিব আৰু সময়োচিত আৱশ্যকীয় বিধানৰ নিমিত্তে এই সমিতিক জনাব।

৩। কমলা-দেৱী-শিশু-সাহিত্য-গ্ৰন্থাৱলীৰ তৃতীয় গ্ৰন্থ নিৰূপণ পিচৰ সভালৈ স্থগিত থাকিল আৰু ইতিমধ্যে উচিত কৰ্ত্তব্যৰ সম্পৰ্কে সভ্য-সকলৰ কিবা প্ৰস্তাৱ থাকিলে পিচৰ সভাত জনাবলৈ সভ্যসকলক অনুৰোধ কৰা হ'ল।

৪। "বন্ধন-বিষয়"ক পুথিৰ সম্পৰ্কে শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীৰ চিঠি পাঠ কৰা হ'ল; আৰু তাৰ উত্তৰ দিবলৈ প্ৰধান সম্পাদকক যথোচিত দিহা দিয়া হ'ল।

৫। (ক) পুনৰ অন্য মীমাংসা নকৰালৈকে অভিধান-সংগ্ৰাহক শ্ৰীযুত ৰুদ্ৰকান্ত গোস্বামীক ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ তত্বাৱধানত অভিধান-সঙ্কলন-



কাৰ্য্য কৰিবৰ নিমিত্তে প্ৰধান সম্পাদকে কৰা বিধান এই সভাই অনুমোদন কৰিছে।

(খ) অভিধান-সম্পাদকীয়-সমিতিৰ কাৰ্য্য-ক্ৰম-নিৰ্দ্ধাৰণ পিচৰ সভালৈ স্থগিত ৰখা হ'ল।

৬। (ক) কেৰাণীৰ পৰা দৰ্মহা-বৃদ্ধিৰ সম্পৰ্কে পোৱা আবেদন পাঠ কৰা হ'ল, আৰু কামত সোমোৱা তাৰিখৰ পৰা লেখ কৰি দ্বিতীয় বছৰৰ আৰম্ভৰ পৰাই দ্বিতীয় বছৰৰ নিৰ্দ্ধাৰিত নিৰিখমতে দৰ্মহা দিবলৈ স্থিৰ কৰা হ'ল।

(খ) তিনি মাহৰ বেতন হাওলাত পাবৰ নিমিত্তে কেৰাণীয়ে দিয়া আবেদন পাঠ কৰা হ'ল; আৰু তলত লিখা বন্দবস্তমতে ১০০৲ এশ টকা হাওলাত দিবলৈ স্থিৰ কৰা হ'ল।

(১) হাওলাতী টকা দিয়াৰ পূৰ্ব্বেই জামিন এজনেৰে সৈতে সহযোগী হৈ এখন দলিল সম্পাদন কৰিব লাগিব।

(২) হাওলাতী টকা মাসিক ৫৲পাঁচ টকা নিৰিখে দৰ্মহাৰ পৰা কাটি লোৱা হ'ব।

(৩) প্ৰভিডেণ্ট ফণ্ডৰ নিৰিখে সুদ লোৱা হ'ব।

(৪) আৰু কোনো কাৰণবশতঃ এই টকা আদায় হোৱাৰ পূৰ্ব্বেই কামৰ অন্ত পৰিলে তাৰৎ বাকী টকা আদায় কৰিব লাগিব; আৰু অন্যথা কৰিলে কেৰাণীৰ প্ৰভিডেণ্ট ফণ্ডৰ পৰা বাকী প্ৰাপ্য কাটি লবলৈ প্ৰধান সম্পাদকৰ ক্ষমতা থাকিব।

৭। যোৱা দশম সন্মিলনলৈ যাওঁতে সহকাৰী সম্পাদক শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱাই লগত নিয়া চাকৰৰ অহা-যোৱাৰ আচল ( ৰেল-জাহাজৰ ) ভাড়া মঞ্জুৰ কৰা হ'ল আৰু ব্যয়-তালিকাত নিৰ্দ্ধাৰিত হোৱা "সন্মিলনৰ খৰচ" ২০০৲ দুশ টকাৰ পৰা ২১০৲ দুশ দহ টকালৈ বঢ়াই দিয়া হ'ল।

৮। "চুটীয়া সন্মিলনৰ" সম্পাদকৰ চিঠি পাঠ কৰা হ'ল আৰু তাৰ উত্তৰ দিবলৈ প্ৰধান সম্পাদকক উচিত দিহা দিয়া হ'ল।

৯। "সৰল-ৰসায়ন" পুথি-গ্ৰহণৰ সময় ৩১।৩।২৮ তাৰিখলৈকে তিনি মাহ বঢ়াই দিয়া হ'ল; আৰু এই সম্বাদ খবৰ কাগজত প্ৰকাশ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হ'ল।

১০। পত্ৰিকা-সম্পাদকৰ ১৯।১২।২৭ তাৰিখৰ চিঠি পাঠ কৰা হ'ল; আৰু তেখেতৰ প্ৰস্তাৱ মতে হাতত লোৱা সকলোখিনি প্ৰবন্ধ ছপা কৰি আৰু কিছু দিন বেলি কৰি এই সংখ্যা পত্ৰিকা প্ৰকাশ কৰিবলৈ এই সমিতিয়ে সন্মতি দিয়ে। পত্ৰিকাৰ নিমিত্তে কাগজ কলিকতাৰ পৰা অনোৱাৰ সম্পৰ্কে মীমাংসা অহা বছৰৰ আয়-ব্যয়-তালিকা যুগুত কৰাৰ সময়লৈ স্থগিত থাকিল।

১১। সভাপতি ডাঙৰীয়াক ধন্যবাদ জনোৱাৰ পিচত সভা ভঙ্গ হয়।

| | |
|---|---|
| শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা, | স্বাক্ষৰ—শ্ৰীকমলাকান্ত বৰুৱা. |
| প্ৰধান সম্পাদক, | সভাপতি। |
| ৭ পুহ, ১৮৪৯ শক। | ২৩।১২।২৭। |

---

# মাহৰা সত্ৰৰ ৺কমলা দেৱীৰ কথা।

গোলাঘাট মহকুমাৰ দেৰগ্ৰামৰ বৰঠাকুৰৰ ঘৰ অসম দেশৰ প্ৰাচীন বংশৰ মানুহ। এওঁলোক আগমৰ ঘৰ বুলি খ্যাত, আৰু এওঁলোকে বৰঠাকুৰ আৰু বৰুৱা দুইটা বিষয় পাইছিল। এওঁলোকৰ ঘৰতে ৺দুৰ্গেশ্বৰ সভাপণ্ডিত এগৰাকী অগাধ আৰু সুবিখ্যাত পণ্ডিত আছিল; আসাম ৰজাৰ সভাত, অতি সুখ্যাতিৰে সভাপণ্ডিতৰ কাম

কৰা বাবে এখেত দাইকৈ দুৰ্গেশ্বৰ সভাপণ্ডিত বুলিহে সুপৰিচিত আছিল। এই দুৰ্গেশ্বৰ সভাপণ্ডিতৰে দ্বিতীয় পুত্ৰ মোক্ষেশ্বৰ বৰঠাকুৰৰ ঔৰসত আৰু মিছামৰাব কণ্ডলী সত্ৰৰ জীয়াৰী ৺অম্বিকা দেৱীৰ গৰ্ভত ইং, ১৮৪২ চনত কমলা দেৱীৰ জন্ম হয়। যোৰহাটৰ শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা, শ্ৰীযুত নন্দধৰ বৰুৱা আৰু আসাম কৃষি বিভাগৰ শ্ৰীযুত লক্ষেশ্বৰ বৰঠাকুৰ আৰু দেৰগ্ৰামৰ শ্ৰীযুত পূৰ্ণেশ্বৰ বৰঠাকুৰ, শ্ৰীযুত উমেশ্বৰ বৰঠাকুৰ, আৰু অক্ষয়চন্দ্ৰ বৰঠাকুৰ আদি এখেতৰ অতি নিকট সম্পৰ্কীয়।

গোলাঘাট মহকুমাৰ ৰঙ্গামাটি নামে ঠাইত "গোমোঠা মাহৰা" নামে এখন সুবিখ্যাত সত্ৰ আছে। তাহানি কামৰূপেশ্বৰ চন্দ্ৰভনাৰায়ণ ৰজাই কনৌজৰপৰা শঙ্কৰদেৱৰ আদি পুৰুষ চণ্ডীবৰকে আদি কৰি ৭ ঘৰ কায়স্থ আৰু ৭ ঘৰ বামুণ মানুহ কামৰূপলৈ অনাইছিল। এই কেইঘৰ মানুহেই অসমত ভূঞা নামে প্ৰখ্যাত। কায়স্থ কেঘৰৰ "গোমোষ্টা" বা মুন্সী চণ্ডীবৰ আছিল বাবে শঙ্কৰদেৱৰ ঘৰক "গোমোঠা" শঙ্কৰৰ ঘৰ বুলিছিল। বামুণ কেঘৰৰ "গোমোষ্টা" বা মুন্সী আছিল কৃষ্ণ পণ্ডিত। সেইদেখি এখেতৰ ঘৰকো "গোমোঠাৰ" ঘৰ বুলিছিল। পৰবৰ্ত্তী কালত, এই "গোমোঠাৰ" ঘৰৰে ৺ৰামকৃষ্ণক গোঁসাই পাতি "মাহৰা" নামে সত্ৰ স্থাপন কৰাত, তেখেতৰ সত্ৰৰ নামৰ আগত সেই "গোমোঠা" শব্দ বৈ গ'ল। এই সত্ৰৰ নাম "গোমোঠা মাহৰা" হোৱাৰ এয়ে মূল। এই "গোমোঠা মাহৰা" সত্ৰৰে ৺ৰঙ্গচন্দ্ৰ দেৱ গোস্বামীৰ মধ্যম পুত্ৰ ৺কৃষ্ণচন্দ্ৰদেৱ গোস্বামীৰ লগত ৺কমলাদেৱীৰ শুভ পৰিণয় হয়।

এই বিবাহৰ সম্পৰ্কে এটি প্ৰবাদ আছে——কমলা দেৱী কেচুৱা অৱস্থাতে কণ্ডলী সত্ৰত মোমায়েকৰ ঘৰত থাকোতে, তাতে এদিন ৺মোক্ষেশ্বৰ বৰঠাকুৰ আৰু ৺ৰঙ্গচন্দ্ৰ গোস্বামীৰ দেখা সাক্ষাত হয়। তেতিয়া মোক্ষেশ্বৰ বৰঠাকুৰে ৰঙ্গচন্দ্ৰতকৈ উচ্চ আসনত বহি তেখেতক অৱজ্ঞা কৰা বাবে, তেখেতে নথৈ অসন্তোষ পাইছিল; আৰু সেই দিনাৰেপৰা কমলা দেৱীৰ গাত ভৰিবোৰ শুকাই যাবলৈ ধৰিলে আৰু তাৰ পাচত তেওঁ হেনো ৩৪ বছৰলৈকে খোজ কাঢ়িব নোৱাৰা হৈ আছিল। অনেক চিকিৎসাদি কৰোৱাতো কোনো উপকাৰ নহল। এনেতে মোক্ষেশ্বৰ বৰঠাকুৰৰ ঘৰৰ কেবাজনেও সপোন দেখিলে যে ৰঙ্গচন্দ্ৰ গোসাইক সিধা এটি দিলেই ছোৱালীটি ভাল হব। কেৱল জন মানুহেও একেটা সপোনকে দেখা বাবে, মোক্ষেশ্বৰ বৰঠাকুৰে সপোনৰ কথা জনাই গোসাইলৈ সিধা এটি পঠাই দিলে। ৰঙ্গচন্দ্ৰ গোসায়ে ছোৱালীটি ভাল হবলৈ সন্তুষ্ট মনেৰে আশীৰ্ব্বাদ কৰিলে কিন্তু "এই ছোৱালী মোৰ মাজু লৰাটিলৈ এতিয়াই থুজি থলোঁ।" বুলি বৰঠাকুৰলৈ জনাই পঠালে; তেখেতেও ছোৱালটি ভাল হলে, সময়ত এই দৰালৈকে দিবলৈ প্ৰতিশ্ৰুত হ'ল। সেই দিনাৰে পৰা ছোৱালী ক্ৰমশঃ ভাল হৈ আহিল। পাচত বিয়াৰ বয়স হলত জোৰা চাই পোৱা গল যে লৰা-ছোৱালীৰ অৰি-ষড়ষ্টক জোৰা হয়। কিন্তু, বাগ্দত্তা কন্যা দেখি ৺মোক্ষেশ্বৰ বৰঠাকুৰ তেখেতৰ আগৰ কথাৰপৰা নলৰিল আৰু ৺কৃষ্ণচন্দ্ৰ গোস্বামীয়েও পিতৃ-বাক্য লঙ্ঘন কৰিবলৈ নিদি সেই কন্যাকে বিয়া কৰাবলৈ সম্মত হল। শেষত চিত্ত-শুদ্ধি ক্ৰমে এই বিবাহ হৈ গল। ৺কৃষ্ণচন্দ্ৰ গোস্বামী এই ভাৰ্য্যাৰেই বহুকাল অতি সুখ আৰু মিলা প্ৰীতিৰে সংসাৰ ধৰ্ম্মপালন কৰি আৰু কেবাটিও লৰা ছোৱালী লাভ কৰি আজি অনেক বছৰৰ পূৰ্ব্বেই স্বৰ্গী হল।

কমলা দেৱীৰ দুটি পুত্ৰ আৰু এটি কন্যা বৰ্ত্তমান আছে। প্ৰথম পুত্ৰ খ্যাতনামা শ্ৰীযুত দেৱেশ্বৰ গোস্বামী বৰ্ত্তমান গোমোঠা মাহৰা সত্ৰৰ অধিকাৰ আৰু কনিষ্ঠ পুত্ৰ শ্ৰীযুত ৰাধানাথ গোস্বামী ডেকা অধিকাৰ। এখেতে আসাম সাহিত্য সভাত "কমলা দেৱী ট্ৰাষ্ট ফণ্ডৰ" প্ৰতিষ্ঠাতা। এখেত দুই গৰাকীয়েই বুদ্ধিমান আৰু সদাশয় পুৰুষ, আৰু কুঁহিয়াৰ খেতি, চাহ খেতি প্ৰভৃতিত কৃতিত্বৰ দ্বাৰা সুপ্ৰতুল অৱস্থা আৰু সন্মান লাভ কৰি অসমীয়া মানুহক স্বাধীন ব্যৱসায়েৰে সুখেৰে জীৱন নিৰ্ব্বাহ কৰাৰ বাট দেখুৱাইছে। কন্যা শ্ৰীযুতা বিনোদিনী দেৱী প্ৰথমা বন্ধা সত্ৰৰ ৺শিৱদেউ গোস্বামীৰ পুত্ৰ ৺বসন্তকুমাৰ গোস্বামীলৈ পৰিছিল। মধ্যম পুত্ৰ ৺মোহনচন্দ্ৰ গোস্বামী কমলা দেৱীৰ জীৱনকালৰ পূৰ্ব্বেই মৃত্যু হ'ল। তেখেতৰ সতি-সন্ততি আছে।



কমলা দেৱী দেখিবলৈ বৰ সুশ্ৰী আৰু তেখেতৰ স্বাস্থ্যও অতি বিতোপন আছিল। আজি কালিৰ মানুহৰ তেনে স্বাস্থ্য প্ৰায় দেখিবলৈ পোৱা নেযায়। ৮৫ বছৰ ব্যাপী দীৰ্ঘ জীৱনৰ ভিতৰত তেওঁ কেতিয়াও টান নৰিয়া পৰা নাছিল আৰু এদিনো গা বেয়া বুলি গা নোধোৱাকৈ বা ভাত নোখোৱাকৈ থকা নাছিল। আন কি মৃত্যুৰ দিনা ৰাতিপুৱাও তেওঁ আন কালৰ দৰেই গা ধুই নিয়মিত সময়ত ভাত খাইছিল। তেওঁক সমূলি পৰ দিবৰ আৱশ্যক নহল, কাৰণ তেওঁ ৰোগ শয্যাত এদিনো পৰি থকা নাছিল।

কমলা দেৱী পুৰণা শ্ৰেণীৰ মহিলা; কিন্তু অনেক কথাত আজি কালিৰ হিন্দু মহিলাই তেখেতক আৰ্হি বুলি অনুকৰণ কৰিব লগীয়া। তেখেত অতিশয় ধৰ্ম্মভীৰু আৰু সত্যপৰায়ণা আছিল; নিজেও কেতিয়াও মিছা কব নেজানিছিল আৰু লোকে কোৱাও দেখিব নোৱাৰিছিল। তেখেতৰ কমলা নাম সাৰ্থক হৈছিল, কাৰণ তেখেত প্ৰকৃততে গৃহলক্ষ্মী আছিল। আলহী অতিথিক তেখেতে নথৈ ভক্তি যত্ন আৰু সমাদৰ কৰিছিল। স্নেহ মমতা আৰু পৰোপকাৰিতাক তেখেতে শ্ৰেষ্ঠ ধৰ্ম্ম বুলি গ্ৰহণ কৰিছিল; আৰু তেখেতৰ প্ৰত্যেক সৰু সৰু ঘৰুৱা কাৰ্য্যত সেই ভাব সম্পূৰ্ণৰূপে প্ৰকাশ পাইছিল। শিষ্য, ভকত, আলহী অতিথি, ওচৰ চুবুৰীয়া, গয়ঁা ভূয়াঁ সকলোকে দিবলৈ থবলৈ বা যত্ন কৰি খুৱাবলৈ পালে তেখেতে অতিশয় সন্তোষ পাইছিল। আৰু সেই দেখি সকলোৱে তেওঁক নিজৰ মাতৃ যেন ভাবি ভক্তি শ্ৰদ্ধা কৰিছিল। তেখেতে সকলো ঘৰুৱা কাম সুন্দৰৰূপে জানিছিল; আৰু সকলো কামত পৰিপাটি আছিল; ঘৰৰ দৈনীৰ কোনো কাম কাৰৈকো পেলাই নথৈ সদায় নিজে কৰিছিল আৰু কৰি আনন্দ লাভ কৰিছিল। আত্ম-নিৰ্ভৰ তেখেতৰ জীৱনৰ ঘাই সম্বল আছিল। নিজৰ আৱশ্যকীয় কোনো কথা বা কোনো কামৰ বাবে তেওঁ লোকক আমনি কৰি ভাল নেপাইছিল। থকা মেলা, পিন্ধা উৰা, বন বাৰি, সকলোতে তেখেত বৰ পৰিষ্কাৰ পৰিচ্ছন্ন আছিল। কমলা দেৱীৰ মনৰ উদাৰ ভাব দেখিলে আচৰিত হব লাগে। নিজে সদায় শুদ্ধ সত্ব আৰু নৈষ্ঠিক ভাবেৰে চলাত এচুলি মানো ইফাল সিফাল নকৰিছিল যদিও, লোকক আজি কালিৰ নিয়মমতে চলা দেখিলে তেওঁ কেতিয়াও ঘিণ নকৰিছিল আৰু একো অপুদ্ধাত যেন নেভাবিছিল, বৰং সময়ৰ লগে লগে পুৰণি দা-দস্তুৰৰ যে সাল-সলনি নহৈ নোৱাৰে, তাক বঢ়িয়াকৈ বুজিছিল আৰু মানিছিল।

১৯২৭ চনৰ ৯ নবেম্বৰ তাৰিখে ৰাতি ৯ বজাত, কোনো বেমাৰত পৰি নথকাকৈ, কোনো কষ্ট নোপোৱাকৈ, পুত্ৰ কন্যা পৌত্ৰ পৌত্ৰীৰে পৰিবৃতা হৈ, ৮৫ বছৰ বয়সত, শান্তিৰে আৰু সজ্ঞানে কমলা দেৱীয়ে ইহ-লীলা সম্বৰণ কৰিলে; আৰু তেখেতৰ লগতে এগৰাকী আদৰ্শ হিন্দু মহিলা হেৰুৱাই আমাৰ সমাজ দুখীয়া হ'ল।

শ্ৰীধনকান্ত ভট্টাচাৰ্য্য।

## ৺কমলা দেৱী।

১৯২৭ চনৰ ৯ নবেম্বৰ তাৰিখে মাহৰা সত্ৰৰ ৺কমলা দেৱীৰ ৮৫ বছৰ বয়সত জীৱনৰ অন্ত পৰিল। আমি এই সম্বাদ পাই দুঃখিত হৈছোঁ আৰু তেখেতৰ পৰিবাৰবৰ্গক আমাৰ আন্তৰিক সমবেদনা জনাইছোঁ; তাৰ লগে লগে তেখেতৰ আত্মাৰ সদ্গতিৰ অৰ্থে জগদীশ্বৰৰ চৰণ প্ৰাৰ্থনা কৰিছোঁ। এই কমলা দেৱী নামেই তেখেতৰ সুযোগ্য পুত্ৰ শ্ৰীযুত ৰাধানাথ গোস্বামী দেৱে আসাম সাহিত্য সভাত "কমলা দেৱী ট্ৰষ্ট্ ফণ্ড" প্ৰতিষ্ঠা কৰিছে; আৰু সেই টকাৰ সুতেৰেই, সাহিত্য সভাই পুৰস্কাৰ দি, বছৰে একোখনকৈ সৰু লৰা-ছোৱালীৰ পাঠোপযোগী কিতাপ লিখোৱাই "কমলা দেৱী শিশু সাহিত্য" নামেৰে গ্ৰন্থাৱলী প্ৰকাশ কৰিছে। এই গ্ৰন্থাৱলীৰ পৰাই চিৰকাললৈকে আমাৰ দেশত যেন কমলা দেৱীৰ স্মৃতি-চিহ্ন থাকে, আমি ইয়াকে সৰল মনেৰে কামনা কৰিছোঁ। এই সংখ্যাৰ আদিতে আমি কমলা দেৱীৰ প্ৰতিকৃতি ছপা কৰিলোঁ।